# কৰ ৰাজহ
# অসমৰ অৰ্থনৈতিক উন্নয়ণৰ মূল উপাদান

মৃণাল কান্তি চক্ৰবৰ্ত্তী

First Edition – 2002

Mail us at : mrinalchakrabartty@hotmail.com

Price Rs. 120·00 Only

Composed and Printed by :

Microsoft D.T.P. and Printers
R.G.Barua Road, Lakhimipath,
Guwahati - 781024 (Assam)
☎ : 2457734
Fax : 0361-2457734

GOVT. OF ASSAM * DIRECTORATE OF

## উছৰ্গা

আমাৰ বাইদেউ অৰ্চনা চক্ৰৱৰ্তী আজি আমাৰ মাজত নাই। তেখেতৰ আদৰ্শপূৰ্ণ জীৱন, নিষ্ঠা আৰু ত্যাগ আমি প্ৰতিমুহূৰ্ততে স্মৰণ কৰোঁ। তেখেত আছিল নতুন প্ৰজন্মৰ কাৰণে এক আদৰ্শৰ প্ৰতীক।

শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰ চিনস্বৰূপে এই ক্ষুদ্ৰ কিতাপখনি তেখেতৰ স্মৃতিত উছৰ্গা কৰিলোঁ। বাইদেউৰ বিদেহী আত্মাই চিৰ শান্তি লাভ কৰক এয়া আমাৰ পৰম পিতা পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা।

মৃণালকান্তি চক্ৰৱৰ্তী

# পাতনি

লেখনী মানুহৰ মনৰ চিন্তাধাৰাৰ এক অভিব্যক্তি। কবিৰ কবিতা আৱেগপূৰ্ণ মনোভাৱৰ প্ৰতিফলন। গল্পকাৰৰ গল্প বিভিন্ন ঘটনাৰ আধাৰত ৰচিত। সাহিত্যিকৰ সাহিত্য ধৰ্মমূলক, সামাজিক, কাল্পনিক আৰু বাস্তৱৰ ভিত্তিত প্ৰকাশিত।

মই কবিও নহয়, গল্পকাৰো নহয় আৰু সাহিত্যিকো নহয়। মোৰ লেখনী অসমৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত বিভিন্ন আলোচনা, সমালোচনা আৰু গঠনমূলক পৰামৰ্শাৱলীৰ মাজতে সীমাবদ্ধ। মাজে সময়ে ধৰ্মমূলক, সামাজিক আৰু ৰাজনৈতিক বিষয়ত প্ৰবন্ধ লিখো যদিও, সেয়া লেখত ল'বলগীয়া নহয়। অৱশ্যে মোৰ লেখনী আৰু প্ৰকাশিত গ্ৰন্থসমূহ কিমানখিনি মনোগ্ৰাহী সেয়া পঢ়ুৱৈ সমাজৰ বিচাৰ্য। মই দিয়া পৰামৰ্শসমূহক ওপৰৰ চৰকাৰে কিমান গুৰুত্ব দিয়ে নে নাই সেই কথা জনাৰ সুবিধা নাই।

অসমৰ অৰ্থনৈতিক উন্নয়ন সম্বন্ধে ইতিমধ্যে মই লিখা সাতখন গ্ৰন্থ প্ৰকাশ পাইছে। "কৰ ৰাজহ অসমৰ অৰ্থনৈতিক উন্নয়নৰ মূল উপাদান" মই লিখা অষ্টমখন গ্ৰন্থ। বিভিন্ন আলোচনীত প্ৰকাশিত প্ৰবন্ধসমূহ একেলগ কৰি এই গ্ৰন্থখন প্ৰকাশ কৰা হৈছে।

অসমৰ অৰ্থনৈতিক অৱস্থা আজি কেইবছৰমানৰ পৰা চৰম বিপৰ্যয়ৰ সন্মুখীন হৈছে। ৰাজ্যখনৰ সীমিত আয়ৰ তুলনাত ব্যয়ৰ পৰিমাণ ক্ৰমাৎ বৃদ্ধি পাইছে। অসমৰ ৰাজহৰ মূল উৎস হৈছে কৰ ৰাজহ। কিন্তু আমাৰ ধাৰণা মতে এক বৃহৎ পৰিমাণৰ কৰ ৰাজকোষলৈ জমা নহয়। একাংশ অসৎ ব্যৱসায়ীয়ে ফাঁকি কাৰ্যত লিপ্ত হৈ থাকে। আনহাতে, কৰৰ ক্ষেত্ৰত ৰাজহুৱা ধনৰ অপব্যয় আৰু অপচয় এক গতানুগতিক প্ৰক্ৰিয়া। এনে ক্ষেত্ৰত কৰ ৰাজহৰ আদায় বৃদ্ধি অসমৰ অৰ্থনৈতিক উন্নয়নৰ মূল উপাদান বুলি গণ্য কৰি ইয়াৰ প্ৰয়োজনীয় ব্যৱস্থা লোৱা সময়োপযোগী কৰ্তব্য। আমাৰ আলোচনাও এই ক্ষেত্ৰত বিভিন্ন বিষয়ত সম্প্ৰসাৰিত।

অসম চৰকাৰৰ এগৰাকী কৰ বিষয়া হিচাবে দীৰ্ঘ ৩২ বছৰকাল চাকৰি কৰি যোৱা ৩১/৫/১৯৯৬ চনত অৱসৰ গ্ৰহণ কৰিছিলো। ইয়াৰ পূৰ্বেও প্ৰায় ৬.৫ বছৰ কাল পৰিবহণ বিভাগত আমোলা হিচাবে কাৰ্য নিৰ্বাহ কৰিছিলো। সাংসাৰিক অৱস্থা অতি শোচনীয় হোৱাৰ পৰিপ্ৰেক্ষিতত চাকৰী আৰু ঘৰুৱা শিক্ষকতা কৰি স্ব-উপাৰ্জিত ধনেৰে শিক্ষা লাভ কৰিবলগীয়া হৈছিল। আনহাতে, পিতৃদেৱৰ অকাল বিয়োগৰ কাৰণে পৰৱৰ্তী কালত সংসাৰখনৰ গধুৰ দায়িত্ব মোৰ কান্ধত পৰিল। অশেষ কষ্ট, ধৈৰ্য আৰু ত্যাগৰ বিনিময়ত পিতৃদেৱে এৰি থৈ যোৱা গধুৰ দায়িত্বসমূহ একে একে সম্পন্ন কৰাত কৃতকাৰ্য্যতা লাভ কৰিছিলো। কিন্তু ইয়াৰ পৰৱৰ্তী কালৰ অভিজ্ঞতা অতি বিষাদ আৰু তিক্ততাপূৰ্ণ। প্ৰাণৰ পৰশ পোৱাৰ পিছত সকলো কথা অতীতৰ বিস্মৃতিৰ গৰ্ভত বিলীন হ'ল।

"কৰ্মণ্যেৱাধিকাৰস্তে মা ফলেষু কদাচন" এয়া মোৰ জীৱনৰ মূল মন্ত্ৰ যদিও, মই মহা মানৱ নহয়। কেতিয়াবা অতীতৰ নিঃস্বাৰ্থ কষ্টপূৰ্ণ কৰ্মাৱলী আৰু অপৰিসীম ত্যাগৰ কথা মনত

পৰিলে বৰ্তমান কিছু ঘটনাৰ পৰিপ্ৰেক্ষিতত অন্তৰত বিবাদৰ সৃষ্টি হয়।

যি কি নহওঁক, এয়া মোৰ ব্যক্তিগত জীৱনৰ কথা। এইখিনি কথা উল্লেখ কৰাৰ প্ৰয়োজন হৈছে এই কাৰণে যে, জীৱন যুদ্ধৰ অক্লান্ত যোদ্ধা হিচাবে নিজৰ স্থিতি ৰক্ষা কৰি দুঃস্থ পৰিয়াল এটিক সংস্থাপন কৰি আজি যে পঢ়ুৱৈ সমাজৰ কাৰণে যৎ কিঞ্চিৎ অৱদান আগবঢ়াব পাৰিছোঁ, তাৰ কাৰণে মই গৌৰৱান্বিত। স্বৰ্গীয় পিতৃ-মাতৃৰ আশীৰ্বাদ ব্যতিৰেকে সেয়া সম্ভৱ নাছিল।

মোৰ লিখাৰ মানৰ বিচাৰ আৰু বিবেচনাৰ দায়িত্ব পঢ়ুৱৈ সমাজৰ। তেওঁলোকৰ মতামত আৰু গঠনমূলক সমালোচনাই মোৰ লেখনী কাৰ্যত অধিক উৎসাহ যোগাব বুলি মোৰ বিশ্বাস।

এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে, আমাৰ বিয়াৰ পিছৰে পৰা (অৰ্থাৎ যোৱা ১৫/২/১৯৬৯ তাৰিখৰ পৰা) মোৰ সহধৰ্মিণী দিপীকা চক্ৰৱৰ্তীয়ে সদায় ছাঁৰ দৰে মোৰ লগত থাকি সকলো গঠনমূলক কামত মোক সহায় কৰিছিল আৰু অনুপ্ৰেৰণা যোগাইছিল। আমাৰ যুগ্ম পৰিয়ালৰ স্থিতি সংস্থাপনৰ ক্ষেত্ৰত অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি এক আড়ম্বৰবিহীন জীৱন যাপন কৰি পৰিয়ালটোৰ ঐক্য আৰু সংহতি ৰক্ষাৰ কাৰণে তেওঁৰ অনুদান অবৰ্ণনীয়। যদিও ইয়াৰ প্ৰতিদান অতি নেতিবাচক, কিন্তু কোনো ক্ষেত্ৰতে তেওঁক দুখ বা আক্ষেপ কৰা পৰিলক্ষিত হোৱা নাই। সেয়া এক মহৎ গুণ বুলি মই উপলব্ধি কৰো। প্ৰকৃততে তেওঁৰ ওচৰত মই সকলো ক্ষেত্ৰতে ঋণী।

মোৰ একমাত্ৰ পুত্ৰ সুস্মিত চক্ৰৱৰ্তীও মোৰ নিচিনা অতি স্বাধীন মনোবৃত্তিৰ। মোৰ গ্ৰন্থসমূহ প্ৰকাশৰ ক্ষেত্ৰত তেওঁৰ অৱদান অপৰিসীম। ভৱিষ্যৎ জীৱনত যাতে কৰ্মক্ষেত্ৰত সৎভাৱে আগবাঢ়ি যাব পাৰে, সেয়া ভগৱানৰ ওচৰত মোৰ প্ৰাৰ্থনা।

শেষত আমাৰ শ্ৰদ্ধেয় পঢ়ুৱৈ সমাজৰ সহায়-সহযোগ কামনা কৰি সামৰণি মাৰিলোঁ।

মৃণালকান্তি চক্ৰৱৰ্তী

ৰাধাগোবিন্দ বৰুৱা পথ
লখিমী উপপথ
গুৱাহাটী — ৭৮১০২৪
ফোন - ২৪৫৭৭৩৪
তাৰিখ - ১৫/১১/২০০২

# সূচীপত্ৰ


বিত্তীয় সংস্কাৰ কমিটীৰ প্ৰতিবেদন : উন্নত ৰাজহ আদায়ৰ পৰামৰ্শ ● ১

বিত্তীয় সংস্কাৰ কমিটীৰ পৰামৰ্শাৱলী ● ১৪

তৰুণ গগৈ চৰকাৰৰ প্ৰথমখন বাজেট — এটি পৰ্যালোচনা ● ১৯

অসম বাজেটৰ কিছু বিসঙ্গতিপূৰ্ণ দিশ ● ২৫

অসমৰ বিত্তীয় সংকট ● ৩১

বিক্ৰীকৰ হ্ৰাস-ব্যৱস্থাৰ সংশোধন ● ৩৬

ত্ৰুটীপূৰ্ণ আইন ন্যায়িক প্ৰত্যাহ্বানৰ সন্মুখীন হয় ● ৪০

শোধন তৈলৰ মূল্য নিৰূপণ ● ৪৫

শোধানাগাৰৰ তৈল-সামগ্ৰীৰ কৰ আৰোপ ব্যৱস্থা ● ৪৯

কয়লাৰ কৰ আদায় পদ্ধতিৰ সংস্কাৰৰ প্ৰয়োজন ● ৫৪

চাহপাতৰ ওপৰত বিক্ৰী কৰ আৰোপ ব্যৱস্থা ● ৫৭

পৰীক্ষণ চকীত কৰ্তৃত্বহীন হস্তক্ষেপ আৰু কৰফাঁকি প্ৰসংগ ● ৬০

পৰীক্ষণ চকীৰ সংস্কাৰ ব্যৱস্থাই উন্নত ৰাজহ আদায় সুনিশ্চিত কৰিব ● ৬৪

কৰ পৰীক্ষণ চকী আৰু ইয়াৰ প্ৰশাসন ● ৬৭

প্ৰৱেশ কৰ আইনৰ সঘন সংশোধন :
অৰ্থনৈতিক উন্নতিৰ বাবে চৰকাৰৰ সদিচ্ছা নাই ● ৭০

বিলাসযুক্ত সামগ্ৰীৰ ওপৰত কৰ আৰোপ ব্যৱস্থা ● ৭৪

মদৰ অবাধ প্ৰচলনত চৰকাৰৰ ভূমিকা ● ৭৯

কৃষি আয়কৰ ব্যৱস্থাৰ সংস্কাৰৰ প্ৰয়োজন ● ৮৪

আমোদ কৰ আৰু প্ৰমোদ কৰ ● ৮৮

কৰ ফাঁকি দিয়াৰ কৌশল ● ৯১

আইন প্ৰণয়ন, সংশোধন আৰু কাৰ্যকৰী ব্যৱস্থা ● ৯৫

কৰফাঁকি প্ৰক্ৰিয়াৰ এটি অনুমোদিত ব্যৱস্থা ● ১০১

দুৰ্নীতি প্ৰতিৰোধত অসম চৰকাৰে লোৱা কাৰ্য-ব্যৱস্থা ● ১০৪

কৰ ৰেহাই দিয়াৰ আঁচল উদ্দেশ্য কি? ● ১০৮

আমানত ধন আৰু কৰ আদায় ব্যৱস্থা ● ১১৪

সামগ্ৰী হস্তান্তৰ সম্পৰ্কত কৰ-ব্যৱস্থা ● ১১৮

অৰ্থনৈতিক অপৰাধ ● ১২২

প্ৰস্তাৱিত মূল্য সংযোজক কৰ (ভেট্) ব্যৱস্থা ঃ
পূৰ্ণাঙ্গ ৰূপ দিয়াৰ আগতে বিশ্লেষণৰ প্ৰয়োজন আছে ● ১২৬

অসমত মূল্য সংযোজক কৰ ব্যৱস্থা-খচৰা আইন ● ১৩৩

## বিত্তীয় সংস্কাৰ কমিটীৰ প্ৰতিবেদন ঃ উন্নত ৰাজহ আদায়ৰ পৰামৰ্শ

তৰুণ গগৈ নেতৃত্বাধীন চৰকাৰ শাসনৰ গাদীত অধিষ্ঠিত হৈ এই কথা সোনতে উপলব্ধি কৰিছিল যে ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থা অতি শোচনীয়। অচিৰে এই সংকট মোচনৰ উপযুক্ত ব্যৱস্থা নল'লে অকল নৱাগত চৰকাৰখনেই নহয় সমগ্ৰ ৰাজ্যখনেই এক চৰম বিপৰ্যয়ৰ সন্মুখীন হ'ব। তাৰেই প্ৰাৰম্ভিক ব্যৱস্থা হিচাপে চৰকাৰখনে ৰাজ্যখনৰ উন্নত আয় আৰু সীমিত ব্যয় এই নীতিত যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল। আনকি, আজি আঠমাহে মন্ত্ৰীসভাৰ কলেৱৰ বৃদ্ধি নকৰা কাৰ্য চৰকাৰখনৰ দূৰদৰ্শিতাৰ এক চৰম নিদৰ্শন। অসম চৰকাৰে ৰাজ্যখনৰ বিশিষ্ট অৰ্থনীতিবিদ, কৰ, আন আন বিশেষজ্ঞৰ সমন্বিতে এখন বিত্তীয় সংস্কাৰ কমিটী গঠন কৰি অৰ্থনৈতিক আৰু আন আন দিশৰ সংস্কাৰ আৰু উন্নয়নৰ বিষয়ে পৰামৰ্শ আগবঢ়াবলৈ এখন জাননী জাৰি কৰিছিল।

উক্ত কমিটীখনে দিয়া বিজ্ঞপ্তি মতে, বহুতো ব্যক্তি, প্ৰতিষ্ঠান আনকি চৰকাৰৰ তৰফৰ পৰা বিভিন্ন পৰামৰ্শ আগবঢ়াই স্মাৰক-পত্ৰ দাখিল কৰিছিল। কমিটীয়ে তেনেবোৰ স্মাৰক-পত্ৰ বিবেচনা কৰি আৰু প্ৰয়োজনবোধে স্পষ্টীকৰণ বিচাৰি লাইবো তথ্যাদি গ্ৰহণ কৰি ৰাজ্য চৰকাৰলৈ বহুতো গঠনমূলক পৰামৰ্শ আগবঢ়াই এখন প্ৰতিবেদন দাখিল কৰিছিল। অৰ্থনৈতিক উন্নয়নৰ কাৰণে দিয়া পৰামৰ্শাৱলী অধ্যয়ন কৰিলে এই কথা উপলব্ধি কৰিব পাৰি যে কমিটীয়ে এইক্ষেত্ৰত বিভিন্ন দিশ চালিজাৰি চাইহে তেনে সিদ্ধান্তত উপনীত হৈছিল। সকলোবোৰ পৰামৰ্শ অতি গুৰুত্বপূৰ্ণ। কৰ নিৰ্ধাৰণ, কৰ আদায় আৰু কৰফাঁকি প্ৰতিৰোধ ব্যৱস্থা সম্বন্ধে কমিটীয়ে বাস্তৱ দিশৰ পৰা পৰ্যালোচনা কৰি বিভিন্ন পৰামৰ্শ আগবঢ়াইছে। এই মৰ্মে কমিটীয়ে উল্লেখ কৰা কিছু পৰামৰ্শৰ বিষয়ে আলোচনা কৰা সমীচীন হ'ব বুলি অনুভৱ কৰো।

### কৰ প্ৰশাসনৰ কাৰ্য-ব্যৱস্থা

কমিটীয়ে কৰ প্ৰশাসনৰ কাৰ্য-ব্যৱস্থা সম্বন্ধে পৰ্যালোচনা কৰি প্ৰশাসনক পাঁচোটা ভাগত বিভক্ত কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে — (১) অডিট (হিচাপ পৰীক্ষণ) শাখা, (২) আইন ব্যৱহাৰ কাৰ্যকৰী শাখা, (৩) কৰ আদায় শাখা, (৪) আভ্যন্তৰীণ হিচাপ পৰীক্ষণ শাখা, (৫) বলবৎ শাখা।

### অডিট (হিচাপ পৰীক্ষণ) শাখা

প্ৰকৃততে এই শাখাৰ মূল উদ্দেশ্য হৈছে কৰ নিৰ্ধাৰণ ব্যৱস্থা। সাধাৰণতে ব্যৱসায়ীয়ে দাখিল কৰা প্ৰতিবেদন আৰু এনে প্ৰতিবেদন সম্বন্ধীয় হিচাপ-পত্ৰ পৰীক্ষা কৰি কৰ নিৰ্ধাৰণ কৰা হয়। কিন্তু সেয়া হয় একতৰফীয়া পৰীক্ষা। সেই হিচাপৰ সত্যতা সম্বন্ধে পৰীক্ষা আৰু পৰ্যালোচনা

কৰাৰ অতি প্ৰয়োজন। সেয়ে কৰ নিৰ্ধাৰণৰ প্ৰাথমিক কাৰ্য হিচাপে কমিটীয়ে তলত দিয়া পৰামৰ্শসমূহ আগবঢ়াইছে।

১। অসমৰ গুৰুত্বপূৰ্ণ ব্যৱসায় ক্ষেত্ৰসমূহত বহুতো সুপ্ত ব্যক্তি বা প্ৰতিষ্ঠান আছে, যিবোৰে বিভিন্ন কৰ আইনৰ দায়বদ্ধতা উলংঘন কৰি আছে। বহুতো কৰ দায়বদ্ধ ব্যক্তি বা প্ৰতিষ্ঠানে যথাযথভাৱে কৰা আদায় দিয়া নাই। তেনে ব্যক্তি বা প্ৰতিষ্ঠান সম্বন্ধে এক জৰীপৰ প্ৰয়োজন।

২। বুদ্ধি প্ৰয়োগ বা আন আন পদ্ধতিৰ দ্বাৰা বিভিন্ন ব্যক্তি বা প্ৰতিষ্ঠানৰ ব্যৱসায় আৰু কৰ দায়বদ্ধতা আৰু যথাযথ কৰ আদায় সম্বন্ধে তথ্যপাতি আহৰণৰ প্ৰয়োজন।

৩। তেনে সংগৃহীত তথ্যপাতি মতে, কৰদাতাসকলে স্বেচ্ছাই জমা কৰা কৰৰ সত্যতা সম্বন্ধে তুলনামূলকভাৱে পৰীক্ষাৰ প্ৰয়োজন।

৪। ব্যৱসায়ীসকলে দিব লগীয়া কৰ সময়মতে আদায় কৰা ব্যৱস্থাৰ প্ৰয়োজন।

কমিটীয়ে অভিমত প্ৰকাশ কৰিছে যে উপৰোক্ত পৰামৰ্শাৱলী কাৰ্যকৰী হোৱালৈকে সকলো কৰ নিৰ্ধাৰণ প্ৰক্ৰিয়া বন্ধ ৰাখিব লাগে।

## আইন-ব্যৱস্থাৰ কাৰ্যকৰী শাখা

কমিটীয়ে এইক্ষেত্ৰত ক্ষেত্ৰ জৰীপ কাৰ্যৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰে। অসমৰ ৰাজহ আদায়ৰ প্ৰধান উৎস হৈছে কৰ ব্যৱস্থা। ৰাজ্যখনত সদ্যহতে দহ ধৰণৰ কৰা ব্যৱস্থা প্ৰবৰ্তন কৰি আইন প্ৰণয়ন কৰা হৈছে। প্ৰতিখন আইনৰ প্ৰশাসন ক্ষমতা অসমৰ কৰ আযুক্তৰ ওপৰত ন্যস্ত কৰা হৈছে। কৰ আযুক্তগৰাকীক সহায় কৰিবলৈ বিভিন্ন স্তৰত বিভিন্ন পৰ্যায়ৰ সহায়কাৰী বিষয়া নিয়োগ কৰা হৈছে। বহুতো ক্ষেত্ৰতে তেনে বিষয়াই কৰ আযুক্তগৰাকীয়ে ন্যস্ত কৰা ক্ষমতাৰ ভিত্তিত কাৰ্যনিৰ্বাহ কৰে।

ক্ষেত্ৰ জৰীপ কাৰ্য কৰ প্ৰশাসনৰ এটি অপৰিহাৰ্য অঙ্গ। সাধাৰণতে কৰ পৰিদৰ্শকসকলে তেনে ক্ষেত্ৰ জৰীপ কাৰ্য সমাধান কৰিব লাগে আৰু উৰ্দ্ধতন বিষয়াসকলে তেনে কাৰ্যৰ সত্যতা আৰু নিৰ্ভুলতা সম্বন্ধে পৰীক্ষা-নিৰীক্ষা কৰিব লাগে। এই কাৰ্য কেৱল নগৰ/চহৰৰ ব্যৱসায়ীৰ মাজত সীমাবদ্ধ থাকিব নালাগে। আনহাতে, তেনে জৰীপকাৰ্য কেৱল ক্ৰয়-বিক্ৰী-কৰদাতা ব্যৱসায়ীৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব নালাগে। সকলো অঞ্চলতে আৰু সকলো ক্ষেত্ৰতে ইয়াৰ সম্প্ৰসাৰণৰ অতি প্ৰয়োজন। যিকোনো আইনৰ অধীনত কৰ দায়বদ্ধতা উলংঘন আৰু কৰফাঁকি প্ৰচেষ্টা প্ৰতিৰোধৰ কাৰণে এনে জৰীপ কাৰ্যৰ অতি প্ৰয়োজন। প্ৰতিজন ক্ষেত্ৰ বিষয়াই এই কথা সুনিশ্চিত কৰিব লাগে যাতে কোনো দায়বদ্ধ ব্যক্তি বা প্ৰতিষ্ঠানে কৰফাঁকি প্ৰক্ৰিয়া অব্যাহত ৰাখিব নোৱাৰে। নিজ নিজ এলেকাত যথাযথভাৱে জৰীপ কাৰ্য সম্পন্ন কৰাৰ ক্ষেত্ৰত প্ৰতিজন কৰ ক্ষেত্ৰবিষয়াৰ দায়িত্ব অসীম। অৱশ্যে কেৱল জৰীপৰ স্বাৰ্থতহে জৰীপ কৰা উচিত নহয়। তেনে জৰীপকাৰ্যত বাস্তৱমুখী দৃষ্টিভঙ্গী থাকিব লাগিব। কিন্তু এই কথা প্ৰায়ে অনুভৱ হয় যে ক্ষেত্ৰ বিষয়াসকলে প্ৰকৃত জৰীপ কাৰ্যত যথেষ্ট গুৰুত্ব প্ৰদান নকৰে। ফলত বহুতো দায়বদ্ধ ব্যক্তি বা প্ৰতিষ্ঠানে কৰফাঁকি দিয়াৰ সুযোগ আৰু সুবিধা লাভ কৰে। প্ৰতিজন ক্ষেত্ৰ বিষয়াই নিজ নিজ

এনেকাৰ জৰীপ কাৰ্যৰ বিশেষ তথ্য নথিভুক্ত কৰিব লাগে যাতে তেনে নথি-পত্ৰই কৰদাতা বা আন আন দায়বদ্ধ ব্যক্তি বা প্ৰতিষ্ঠানৰ কাৰ্যক্ৰম আঁচনি নিচিনাকৈ প্ৰতিফলন কৰে।

ভাৰতীয় আয়কৰ আইনৰ আৰ্হিৰে কমিটীয়ে জৰীপ কাৰ্যৰ কাৰণে এক স্বতন্ত্ৰ আৰু সুকীয়া শাখা গঠন কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। এই ব্যৱস্থা প্ৰথমতে গুৱাহাটী, ডিব্ৰুগড় আৰু তিনিচুকীয়াত আৰম্ভ কৰি পিছলৈ আন আন অঞ্চলত সম্প্ৰসাৰণ কৰিবলৈ চুপাৰিছ কৰিছে। অৱশ্যে এই ব্যৱস্থা কাৰ্যকৰী কৰিলে সংশ্লিষ্ট এনেকাৰ ক্ষেত্ৰ বিষয়াসকলে তেওঁলোকৰ দায়িত্ব সম্বন্ধে অধিক সজাগ আৰু সচেতন হ'ব আৰু কোনো দায়বদ্ধ ব্যক্তিক নিজৰ ইচ্ছামতে ৰক্ষণাবেক্ষণ দি ন্যায্য কৰ আদায় নিদি তেনে কৰফাঁকি প্ৰক্ৰিয়াত মনত নিবলৈ টান পাব। আমি ভাবো যে বিক্ৰীকৰ আইনৰ উপৰি কৃষি আয়কৰ, বিলাস কৰ, হোটেল আৰু লজিং হাউচৰ ওপৰত বিলাস কৰ, বৃত্তি ব্যৱসায় আদিৰ ওপৰত কৰ, বিদ্যুৎ শক্তিৰ ওপৰত কৰ, প্ৰবেশ কৰ, আমোদ আৰু প্ৰমোদ কৰ, চাহ বাগিচাৰ মাটিৰ ওপৰত কৰ আদি সকলো আইনৰ ক্ষেত্ৰত তেনে জৰীপকাৰ্য সম্প্ৰসাৰণ অতি প্ৰয়োজন।

## কৰ আদায় শাখা

কৰ আদায় ব্যৱস্থা কৰ প্ৰশাসনৰ এটি উল্লেখনীয় দিশ। অকল কৰ নিৰ্ধাৰণ কৰিলেই কৰ নিৰ্ধাৰক বিষয়াৰ দায়িত্ব শেষ নহয়। তেনে নিৰ্ধাৰিত কৰ আদায়ৰ ক্ষেত্ৰতো সময়োপযোগী ব্যৱস্থা ল'ব লাগে। এইক্ষেত্ৰত সংশ্লিষ্ট আইনে জৰিমনা আৰোপ, আদালতত গোচৰ তৰিব আদি বিভিন্ন ক্ষমতা প্ৰয়োগ কৰিবলৈ ব্যৱস্থা প্ৰদান কৰিছে। কিন্তু তেনে অনাদায় কৰ আদায়ৰ যথাযথ ব্যৱস্থা লোৱাৰ ক্ষেত্ৰত প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰা প্ৰায়ে চকুত নপৰে। অসমৰ কৰ বিভাগত যোৱা ১৯৭৫-৭৬ চনৰ পৰা বাকী কৰ আদায়ৰ ক্ষেত্ৰত বাকীজাই পঞ্জীয়নৰে আদায়ৰ ব্যৱস্থা প্ৰচলন কৰিছে। বিভাগীয় কৰ বিষয়াই বাকীজাই বিষয়া হিচাপে ভিন্ন উপায়ুক্ত আৰু ৰাজহ বিভাগৰ দ্বাৰা ন্যস্ত ক্ষমতাৰ ভিত্তিত তেনে কাৰ্যনিৰ্বাহ কৰে। বৰ্তমানে এই কাৰ্য সমগ্ৰ ৰাজ্যতে সম্প্ৰসাৰণ কৰা হৈছে। এইক্ষেত্ৰত অনাদায়ীত বাকী টকা আদায়ৰ ক্ষেত্ৰত সাফল্য লাভ কৰিছে বুলি জনা যায়। অৱশ্যে অকল বাকীজাই বিষয়াই এই কাৰ্য সুচাৰুৰূপে সমাধান কৰা সম্ভৱ নহয়। সংশ্লিষ্ট এনেকাৰ কৰ বিষয়াসকলে সকলো তথ্যপাতি যোগান ধৰিব লাগিব আৰু প্ৰয়োজনবোধে তেনে কাৰ্যত সহায়ো আগবঢ়াব লাগিব। কমিটীৰ প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে যোৱা ১/৪/২০০০ তাৰিখৰ তথ্যমতে ৰাজ্যখনত অনাদায় হৈ থকা ২৩৩.৮৩ কোটি টকাৰ কৰৰ ভিতৰত অকল বিক্ৰীকৰ অনাদায়ৰ পৰিমাণ ১৬২.১৮ কোটি টকা। এই বিষয়ে কমিটীৰ পৰামৰ্শাৱলী অতি গুৰুত্বপূৰ্ণ। কমিটীয়ে অনাদায় কৰসমূহ বাকী টকাৰ তালিকাৰ পৰা কৰ্তন কৰাৰ ব্যৱস্থা ল'বলৈ চৰকাৰক পৰামৰ্শ আগবঢ়াইছে। যদিও এই প্ৰক্ৰিয়া দীৰ্ঘমিয়াদী, ইয়াৰ ফলত চৰকাৰে যুগ যুগ ধৰি অনাহকত প্ৰদৰ্শন কৰা অনাদায় কৰৰ বোজা লাঘৱ কৰিবলৈ সক্ষম হ'ব।

বহুতো ক্ষেত্ৰত কৰ নিৰ্ধাৰক বিষয়াসকলে ন্যায়িক ভিত্তিত কৰ নিৰ্ধাৰণ নকৰি ক্ষেত্ৰভেদী মনোভাবেৰে তেনে ব্যৱস্থা লয়। ফলত তেনে কৰ অনাদায় হৈ থাকে। বহুতো কৰদাতাই

ব্যৱসায় বন্ধ কৰি আঁতৰি যায় আৰু তেওঁলোকৰ গতিবিধি অজান হৈ থাকে। এই ক্ষেত্ৰত কৰ আয়ুক্ত মহোদয়ক নিজাববীয়াকৈ তেনে ন্যায়বিহীন কৰ আৰোপ ব্যৱস্থা নাকচ কৰিবলৈ সংশ্লিষ্ট আইনসমূহত ক্ষমতা প্ৰদান কৰা হৈছে। আমাৰ বোধেৰে তেনেবোৰ অনাদায় কৰৰ নথি-পত্ৰ পৰীক্ষা কৰি এই ব্যৱস্থা লোৱা সমীচীন হ'ব আৰু ইয়াৰ ফলত চৰকাৰৰ অনাদায় কৰৰ পৰিমাণ বহুখিনি হ্ৰাস পাব। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে এনে ব্যৱস্থা যোৱা ১৯৬৪ চনৰ পৰা ১৯৬৭ চনলৈ কাৰ্যকৰী হৈ আছিল আৰু বহুতো অনাদায় কৰৰ বোজা লাঘৱ হৈছিল। এই বিষয়ে কৰ আয়ুক্ত মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

আনহাতে, 'দ্যা আসাম টেক্সেছন (পাব্লিকেশ্যন অফ ইনফৰ্মেশ্যন) এক্ট ১৯৭৫' মতে, ৰাজ্য চৰকাৰক বিশদ তথ্যপাতিসহ তেনে কৰ অনাদায়কাৰীৰ নাম, ঠিকনা আদি প্ৰকাশ কৰিবলৈ ক্ষমতা দিয়া হৈছে। অনুৰূপভাৱে কৰফাঁকি দিয়া ব্যক্তি বা প্ৰতিষ্ঠানৰো নাম-ঠিকনা আদিও প্ৰকাশ কৰিব পাৰে। বিত্তীয় সংস্কাৰ কমিটীয়ে এই ব্যৱস্থা কাৰ্যকৰী কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে।

## আভ্যন্তৰীণ হিচাপ পৰীক্ষণ শাখা

সাধাৰণতে কৰ নিৰ্ধাৰণ আৰু আন আন সংশ্লিষ্ট নথি-পত্ৰ পৰীক্ষা কৰিবলৈ অসমৰ মহাগাণনিক কাৰ্যালয়ৰ হিচাপ পৰীক্ষাকাৰীক ক্ষমতা দিয়া হৈছে। তেওঁলোকৰ উপৰি কৰ বিভাগত আভ্যন্তৰীণ হিচাপ পৰীক্ষা শাখাও আছে। কিন্তু মহাগাণনিক কাৰ্যালয়ৰ হিচাপ পৰীক্ষকসকলে যি ধৰণেৰে তেনে ত্ৰুটি-বিচ্যুতি তেওঁলোকৰ প্ৰতিবেদনত প্ৰতিফলন কৰে, বিভাগীয় শাখাই তেনে ধৰণৰ ত্ৰুটি-বিচ্যুতি ধৰা পেলাবলৈ সক্ষম নহয়। কমিটীয়ে এই বিষয়ে তেওঁলোকৰ দৃষ্টিভঙ্গী সংস্থাপন কৰি বিভাগীয় আভ্যন্তৰীণ হিচাপ পৰীক্ষণ শাখাৰ কাৰ্যপদ্ধতি উন্নতমানৰ কৰি তুলিবলৈ পৰামৰ্শ আগবঢ়াইছে। আমি ভাবোঁ এইক্ষেত্ৰত তেনে হিচাপ পৰীক্ষক নিয়োগৰ ক্ষেত্ৰত দক্ষতা, নিষ্ঠা আদিত অগ্ৰাধিকাৰ দিয়া সমীচীন হ'ব। কিছুক্ষেত্ৰত তেনে হিচাপ পৰীক্ষকক অভিজ্ঞতা সম্পন্ন বিষয়াৰ দ্বাৰা বাস্তৱ দিশত শিক্ষা প্ৰদান কৰিলে যথেষ্ট সুফল পোৱা যাব বুলি আমাৰ বিশ্বাস।

## বলবৎ শাখা

কোনো আইন কাৰ্যকৰী কৰিলে তেনে আইন ভঙ্গকাৰীৰ ওপৰত অপৰাধমূলক ব্যৱস্থা লোৱাৰ কথা সন্নিবিষ্ট থাকে। তেনে ব্যৱস্থা লোৱাৰ ক্ষেত্ৰত একোটা শাখা বা সংগঠন থাকে। অসমত কৰফাঁকি প্ৰতিৰোধ ব্যৱস্থা আৰু কৰফাঁকিৰ বিৰুদ্ধে যথাযথ ব্যৱস্থা লোৱাৰ ক্ষেত্ৰত যোৱা ১৯৬৪ চনৰ পৰা বলবৎ কাৰ্যকৰী হৈ আছিল। পিছলৈ ১৯৮১ চনত এক অনুৰূপ উচ্চ ক্ষমতাসম্পন্ন শাখাও গঠন কৰা হৈছিল; কিন্তু এইক্ষেত্ৰত বিষয়াসকলৰ কৰ্মৰ মানতকৈ কৰ্মপদ্ধতিত আতিশয্য আৰু স্বাৰ্থৰেষী মনোভাৱ প্ৰকাশ পোৱাত চৰকাৰে যোৱা ১৯৮৩ চনৰ শেষভাগত সেই শাখাৰয় ৰহিত কৰিলে।

'দ্যা আসাম জেনেৰেল ছেইলছটেক্স এক্ট ১৯৯৩'-ত চৰকাৰক তেনে বলবৎ শাখা গঠন কৰাৰ কৰ্তৃত্ব দিয়া হৈছে। কিন্তু চৰকাৰে আজি ৯ বছৰে সেইক্ষেত্ৰত কোনো ব্যৱস্থা নল'লে। ফলত কৰফাঁকি প্ৰতিৰোধৰ কোনো গঠনমূলক কাৰ্যকৰী ব্যৱস্থা লোৱা নাই। আনহাতে, চৰকাৰে

গুৱাহাটীৰ কৰ বিষয়াসকলক নিজা নিজা এলেকাৰ কৰ নিৰ্ধাৰণৰ কামৰ উপৰিও গোটেই অসমৰ সমৱৰ্তী এলেকা প্ৰদান কৰিছে আৰু এই বিষয়ে ক্ষমতা ন্যস্ত কৰি কৰফাঁকি প্ৰতিৰোধৰ ব্যৱস্থা লোৱা হৈছে। এইক্ষেত্ৰত হয়তো কিবা সুফল পাইছে, কিন্তু কৰ নিৰ্ধাৰণ কাৰ্যত যথেষ্ট বাধাগ্ৰস্ত হৈছে। ফলত বিষয়াসকল আৰু আনকালে ব্যৱসায়ীসকলে অনাহকতে হাৰাশাস্তি পাইছে। একালে কিবা লাভ হৈছে যদিও আনকালে যথেষ্ট ক্ষতি হৈছে।

কমিটীয়ে এইক্ষেত্ৰত কৰফাঁকি শাখা গঠন আৰু কাৰ্যকৰী ব্যৱস্থা লোৱাৰ কাৰণে পৰামৰ্শ আগবঢ়াইছে। এই পৰামৰ্শ সম্পূৰ্ণ যুক্তিপূৰ্ণ। আমি ভাবোঁ যে কৰ বিভাগত বহুতো দক্ষ, নিষ্ঠাবান আৰু সৎ বিষয়া আছে। তেওঁলোকক্‌হে এই বিষয়ে দায়িত্ব অৰ্পণ কৰা অতি সমীচীন হ'ব।

## পৰীক্ষণ চকী

কৰফাঁকিৰ উৎস হৈছে পৰীক্ষণৰ চকীসমূহ। আমি ইতিপূৰ্বে বহুবাৰ কৰ পৰীক্ষণ চকীসমূহৰ কাৰ্যক্ৰম আৰু ত্ৰুটি-বিচ্যুতি সম্বন্ধে পৰ্যালোচনা কৰি আহিছোঁ। এইক্ষেত্ৰত চৰকাৰে যথাযথ গঠনমূলক ব্যৱস্থা লোৱা নাই। সুখৰ বিষয় যে ৰাজহ চৰকাৰে ওৱেইব্ৰীজ, পৰীক্ষণ মঞ্চ আৰু গুদাম আদিৰ ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা লোৱা হ'ব বুলি কমিটীৰ ওচৰত মত প্ৰকাশ কৰিছে। এই বিষয়ে আমিও কাৰ্যকৰী ব্যৱস্থা ল'বলৈ চৰকাৰক অনুৰোধ কৰি আহিছিলোঁ। আনহাতে, ৰাজ্যখনৰ অন্তৰ্বৰ্তী পৰীক্ষণ চকীসমূহৰ কাৰ্যকলাপ গঠনমূলক আৰু ফলদায়ক নহয়। পৰীক্ষণ চকীসমূহৰ কাৰ্যব্যৱস্থাত ৰাজনৈতিক আৰু বিভিন্ন মহলৰ স্বাৰ্থ জড়িত হৈ থাকে। ফলত বিষয়াসকলে দক্ষতাপূৰ্ণভাৱে কাৰ্যনিৰ্বাহ কৰিবলৈ অপাৰগ হয়। আনহাতে, বিষয়াসকলকো দোষমুক্ত বুলি কোৱা ভুল হ'ব। যি কি নহওক, দ্বিতীয় সংস্কাৰ কমিটীয়ে পৰীক্ষণ চকীসমূহৰ উন্নয়নৰ ক্ষেত্ৰত এটি উচ্চ ক্ষমতাসম্পন্ন বিশেষ কমিটী গঠন কৰাৰ আৰু তেনে কমিটীয়ে বিভিন্ন দিশ অধ্যয়ন আৰু তদন্ত কৰি এটি পৰামৰ্শ আগবঢ়োৱাৰ অভিমত ব্যক্ত কৰিছে। আমি ভাবোঁ যে চৰকাৰে এই বিষয়ে অতি তৎপৰতাৰে ব্যৱস্থা লোৱা সমীচীন হ'ব। দ্বিতীয় সংস্কাৰ কমিটীৰ ৰাজহ উন্নয়নৰ কাৰণে আগবঢ়োৱা প্ৰতিটো পৰামৰ্শ গঠনমূলক আৰু মনোগ্ৰাহী। আমাৰ বিশ্বাস যে ৰাজ্য চৰকাৰে এই সকলোবোৰ পৰামৰ্শ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত অচিৰে ব্যৱস্থা ল'ব। ৰাজ্যখনৰ অৰ্থনৈতিক উন্নতিয়ে ৰাইজৰ উন্নতি বিকাশৰ সহায়ক হ'ব।

(আমাৰ কলম)
১/৩/২০০২

## পৰৱৰ্তী কাৰ্যব্যৱস্থা

অতি পৰিতাপৰ কথা যে অসম চৰকাৰে দ্বিতীয় সংস্কাৰ কমিটীৰ পৰামৰ্শাৱলী কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। গতিকে তেনে পৰামৰ্শাৱলী নথিৰ ভিতৰতে সীমাবদ্ধ আছে।

# বিত্তীয় সংস্কাৰ কমিটীৰ পৰামৰ্শাৱলী

আজি অলপ দিনৰ আগতে অসম চৰকাৰৰ বিত্ত বিভাগৰ যুটীয়া সচিবৰ পৰা বিত্তীয় সংস্কাৰ কমিটীয়ে চৰকাৰৰ ওচৰত দাখিল কৰা প্ৰতিবেদনৰ এটি প্ৰতিলিপি পাইছিলোঁ। উক্ত কমিটীৰ ওচৰত বহুতো গঠনমূলক পৰামৰ্শ আগবঢ়াই মই এখন স্মাৰক-পত্ৰ দাখিল কৰিছিলো। কমিটীয়ে এই বিষয়ে কিছু স্পষ্টীকৰণ বিচাৰি শুনানিও লৈছিল। প্ৰতিবেদনখন পঢ়ি বৰ আনন্দিত হ'লো। কাৰণ অৱসৰ পোৱাৰ পিছত অসমৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত মই বিভিন্ন সংবাদমাধ্যমযোগে বহুতো গঠনমূলক পৰামৰ্শ আগবঢ়াই আহিছোঁ। সেই মৰ্মে মই দাখিল কৰা স্মাৰক-পত্ৰখনত বহুতো কথা সন্নিৱিষ্ট কৰিছিলো। প্ৰতিবেদনখনত তেনেবোৰ পৰামৰ্শও অন্তৰ্ভুক্ত কৰা হৈছে।

এই প্ৰসংগতে উল্লেখ কৰা সমীচীন হ'ব যে, মই যোৱা ৩১/৭/১৯৯৬ তাৰিখৰ পৰা বিভিন্ন প্ৰবন্ধৰ জৰিয়তে অসমত প্ৰবেশ কৰ আৰোপ ব্যৱস্থাৰ প্ৰয়োজনীয়তা সম্বন্ধে পৰামৰ্শ আগবঢ়াই আহিছিলো। অসম চৰকাৰে উক্ত পৰামৰ্শ অতি গুৰুত্বসহকাৰে বিবেচনা কৰি যোৱা ১/১০/২০০১ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ 'দ্য আছাম এন্ট্ৰি টেক্স এক্ট, ২০০১' নামৰ আইন প্ৰৱৰ্তন কৰিলে। যদিও এই আইনখনৰ কাৰ্যকৰী ব্যৱস্থা সম্বন্ধে মই বহুতো সমালোচনামূলক প্ৰবন্ধ লিখিছিলো, কিন্তু এই কথা সঁচা যে, উক্ত কৰ আৰোপ ব্যৱস্থাই ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত বহুতো অৰিহণা যোগাব।

## নাৰ্ছিং হোম আৰু আন আন অতিথিশালাৰ ওপৰত বিলাস কৰ আৰোপ ব্যৱস্থা

নাৰ্ছিং হোমসমূহে ব্যৱসায়িক ভিত্তিত ৰোগীসকলক বাসস্থানৰ সুবিধা আৰু আন আন সেৱা আৰু বিলাসৰ সুবিধা আগবঢ়ায়। অতিথিশালাসমূহেও বিভিন্ন ব্যক্তিক বাসস্থান আৰু আন আন সেৱা সুবিধা আৰু বিলাস প্ৰদান কৰে। আমাৰ বোধেৰে সেইবোৰ প্ৰতিষ্ঠানৰ ওপৰত 'দ্য আছাম টেক্স অন লাক্সাৰীজ (হোটেল এণ্ড লজিং হাউচেছ) এক্ট, ১৯৮৯' মতে কৰৰ দায়বদ্ধতা আছে। গুৱাহাটী আৰু অসমৰ আন আন সৰু-ডাঙৰ চহৰত নাৰ্ছিং হোম আৰু অতিথিশালা বহুতো আছে। কিন্তু অতি আচৰিত কথা যে. তেনে নাৰ্ছিং হোম আৰু অতিথিশালাসমূহে উক্ত বিলাস কৰ আইনৰ দায়বদ্ধতাৰ পৰা অব্যাহতি লাভ কৰি আছে। নাৰ্ছিং হোম আৰু অতিথিশালাৰ সংখ্যা আৰু ব্যৱসায়ৰ কলেৱৰ ক্ৰমাৎ বৃদ্ধি পাই আছে। কিন্তু উপযুক্ত পদক্ষেপৰ অভাৱত চৰকাৰে বছৰি প্ৰায় ছয় কোটি টকাৰ কৰ আদায়ৰ পৰা বঞ্চিত হৈ আছে। এই ক্ষেত্ৰত প্ৰণোদিত আইন সংশোধনৰ কোনো প্ৰয়োজন নাই বুলি আমি অনুভৱ কৰো। যদি কিবা আছেও আজি ইমান দিনে চৰকাৰে বিহিত ব্যৱস্থা লোৱা উচিত আছিল।

সম্প্ৰতি বিত্তীয় সংস্কাৰ কমিটীয়ে তেওঁলোকৰ প্ৰতিবেদনত এই কথা গুৰুত্বসহকাৰে আলোচনা কৰিছে। আমি ভাবো যে, চৰকাৰে এই বিষয়ত অতি তৎপৰতাৰে কাৰ্যকৰী ব্যৱস্থা লোৱা উচিত হ'ব।

## বৈদ্যুতিক শক্তিৰ ওপৰত কৰ

বিদ্যুৎ শক্তি উৎপাদন, সৰবৰাহ আৰু ব্যৱহাৰৰ ক্ষেত্ৰত সংশ্লিষ্ট ব্যক্তি বা প্ৰতিষ্ঠানৰ 'দ্য আছাম ইলেক্ট্ৰিচিটি ডিউটি এক্ট, ১৯৬৪' মতে দায়বদ্ধতা আছে। কিন্তু অসমত বহুতো ব্যক্তি, প্ৰতিষ্ঠান আৰু উদ্যোগ আছে যিবোৰে তেনে বিদ্যুৎ শক্তি উৎপাদন আৰু ব্যৱহাৰ কৰে, কিন্তু তেওঁলোকে উক্ত আইনৰ দায়বদ্ধতা সম্বন্ধে সচেতন নহয়। বিভাগীয় কাৰ্যকৰী ব্যৱস্থা এইক্ষেত্ৰত অতি সন্তোষজনক নহয় বুলিয়ে আমাৰ ধাৰণা। উদাহৰণস্বৰূপে কও, গুৱাহাটী বা অসমৰ আন আন চহৰত ব্যৱসায় প্ৰতিষ্ঠানসমূহে সাময়িকভাৱে নিজা ব্যৱহাৰৰ কাৰণে বিদ্যুৎ শক্তি উৎপাদন কৰি আছে। কিন্তু তেওঁলোকে কৰ-দায়বদ্ধতা পালন কৰিছেনে? তেনেদৰে বহুতো উদ্যোগ, প্ৰতিষ্ঠান আনকি চিনেমা হল আদিয়ে উক্ত আইনৰ দায়বদ্ধতা পালন নকৰি কৰ ফাঁকি দি আছে। এই বিষয়ে মই যোৱা ২১/৮/১৯৯৭ তাৰিখে লিখা প্ৰবন্ধ 'বিদ্যুৎ শক্তি সৰবৰাহ আৰু ব্যৱহাৰত কৰ আৰোপ ব্যৱস্থা' উল্লেখযোগ্য।

দ্বিতীয় সংস্কাৰ কমিটীয়ে এই বিষয়ে পৰ্যালোচনা কৰি কৈছে — চৰকাৰে বৃহৎ উদ্যোগসমূহক ৰেহাই হাৰত কৰ জমা দিয়াৰ ব্যৱস্থা কৰিছে, কিন্তু ইয়াৰ দ্বাৰা আৰু উদ্যোগসমূহ কোনো ধৰণেৰে উপকৃত হোৱা নাই। কমিটীয়ে তেনে কৰ ৰেহাইৰ ক্ষেত্ৰত বিপৰীত ব্যৱস্থা লোৱাৰ কাৰণে পৰামৰ্শ আগবঢ়াইছে।

আমাৰ বিশ্বাস, এই ব্যৱস্থাৰ ফলত একফালে চৰকাৰ লাভৱান হ'ব, আনফালে ক্ষুদ্ৰ উদ্যোগসমূহ উপকৃত হ'ব।

## আমোদ-প্ৰমোদৰ ওপৰত কৰ

'দ্য আছাম এমিউজমেণ্ট এণ্ড বেটিং টেক্স এক্ট, ১৯৩৯' এ আমোদ আৰু প্ৰমোদ কৰ আৰোপ ব্যৱস্থা নিয়ন্ত্ৰণ কৰে। কিন্তু আমি ভাবো যে, এই ব্যৱস্থাই আশা কৰামতে সফলতা লাভ কৰিবলৈ সক্ষম হোৱা নাই। একোটা চিনেমা হলত পুৱা-দুপৰীয়া, গধূলি আৰু নিশা শ্ব' প্ৰদৰ্শন কৰা হয়। কিন্তু কৰ কৰ্তৃপক্ষই প্ৰতিটো শ্ব' আবৰ্তিত গতিত পৰীক্ষা-নিৰীক্ষা কৰা হয়নে? বহুতো উপভোগকাৰীক আমোদ কৰবিহীন বা কম আমোদ কৰ সংস্থাপিত টিকটেৰে প্ৰৱেশ কৰিবলৈ দিয়া হয়, বহুতো উপভোগকাৰীৰ পৰা নগদ টকা আদায় কৰি প্ৰৱেশ কৰিবলৈ দিয়া হয়। অনুৰূপভাৱে টিকটসমূহৰ ওপৰত শ্ব'ৰ তাৰিখ আৰু শ্ব'ৰ ক্ৰমাংক উল্লেখ নকৰি নাইবা প্ৰৱেশপথত টিকট বা আমোদ কৰ অংকিত টিকট নাকাটি পুনৰ ব্যৱহাৰৰ পথ সুচল কৰা হয়। কিছুক্ষেত্ৰত দেখা যায়, তেনে প্ৰতিষ্ঠানে বৈধ টিকটৰ লগত সমান্তৰালভাৱে কিছু অবৈধ টিকট বিক্ৰী কৰি কৰ ফাঁকি প্ৰক্ৰিয়া অব্যাহত ৰাখে। অভিজ্ঞতাৰ পৰা দেখা যায় গুৱাহাটী চহৰত এনেধৰণৰ দুটামান চিনেমা হল আছে যিবোৰ কৰ ফাঁকি প্ৰক্ৰিয়াত লিপ্ত। আনহাতে উজনি অসমৰ বহুতো চিনেমা হল আৰু গোটেই অসমৰ বহুতো অস্থায়ী আৰু ভ্ৰাম্যমান চিনেমাত এই কৰ ফাঁকি প্ৰক্ৰিয়া অব্যাহত আছে বুলি আমাৰ দৃঢ়বিশ্বাস।

সম্প্ৰতি এটা যুক্তি আগবঢ়াই থকা হৈছে যে ভিডিঅ' আৰু টেলিভিজনৰ প্ৰচলনে চিনেমা হল সমূহৰ কৰ আদায় প্ৰক্ৰিয়াত অশেষ ক্ষতিসাধন কৰিছে। কিন্তু এই বিষয়ে আমি

একমত নহয়। কাৰণ চিনেমা হলসমূহতো উপভোগকাৰীৰ সংখ্যা কম নহয়। কমিটীয়ে বৰ্তমানে প্ৰচলিত প্ৰতিৰক্ষা বিভাগৰ নন-কমিছনড্ বিষয়াসকলক দিয়া কৰ ৰেহাই ব্যৱস্থাৰ সম্ভাব্য অপব্যৱহাৰ সম্বন্ধে আশংকা প্ৰকাশ কৰিছে আৰু ইয়াৰ প্ৰতিৰোধৰ ক্ষেত্ৰত কাৰ্যকৰী ব্যৱস্থা ল'বলৈ পৰামৰ্শ আগবঢ়াইছে। আনহাতে, কমিটীয়ে ভ্ৰাম্যমান চিনেমা হলসমূহৰ ওপৰত একমোট কৰ আদায়ৰ হাৰ ৫,০০০ টকাৰ পৰা ২০,০০০ টকালৈ বৰ্দ্ধিত কৰাৰ কাৰণে চুপাৰিছ কৰিছে।

আমি ভাবো, বিভিন্ন দিশৰ পৰা প্ৰতিৰোধ ব্যৱস্থা ল'লে আমোদ কৰ আদায়ৰ পৰিমাণ অধিক বৃদ্ধি পাব।

## কৃষি আয়কৰ আৰোপ ব্যৱস্থা

ভাৰতীয় সংবিধানত থকা ব্যৱস্থানুযায়ী কৃষি আয়কৰ আৰোপ ব্যৱস্থা ৰাজ্য চৰকাৰৰ বিষয়বস্তু। কিন্তু বাস্তৱক্ষেত্ৰত দেখা যায় 'দ্য আছাম এগ্ৰিকালচাৰেল ইনকাম্ টেক্স এক্ট, ১৯৩৯' ৰ কাৰ্যক্ৰম 'দ্য ইণ্ডিয়ান ইনকাম্ টেক্স এক্ট, ১৯৬১' ৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। যদিও দুয়োখন আইনৰ প্ৰশাসন প্ৰক্ৰিয়াত নিজা নিজা বৈশিষ্ট্য আছে, কিন্তু প্ৰকৃততে 'দ্য ইণ্ডিয়ান ইনকাম্ টেক্স এক্ট'এ অসমৰ আইনখনৰ ক্ষেত্ৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। অসম চৰকাৰে নিজাববীয়া কোনো ব্যৱস্থা ল'ব নোৱাৰে।

## তেল শোধনাগাৰসমূহৰ ওপৰত বিক্ৰীকৰ আৰোপ ব্যৱস্থা

অসমৰ বঙাইগাঁও ৰিফাইনেৰী এণ্ড পেট্ৰ'কেমিকেলছ লিমিটেড্ (বি-আৰ-পি-এল) আৰু ইণ্ডিয়ান অইল কৰপৰেচন লিমিটেড (আই-অ'-চি) আমাৰ এই আলোচনাৰ বিষয়বস্তু।

বি-আৰ-পি-এল ২৪/৯/১৯৮২ তাৰিখৰ পৰা ৩১/৩/১৯৯৮ তাৰিখলৈ তেওঁলোকে আদায় কৰা প্ৰকৃত বিক্ৰী মূল্যৰ ওপৰত কৰ জমা নিদি নিম্ন মূল্যৰ ওপৰত তেনে কৰ আদায় দিছিল। উপযুক্ত তদন্ত আৰু শুনানিৰ ভিত্তিত মই যোৱা ১৯৯৩ চনত উক্ত বি-আৰ-পি-এলক উচ্চ বিক্ৰীমূল্যৰ ওপৰত কৰ নিৰ্দ্ধাৰণ কৰিছিলো। কিন্তু গুৱাহাটী উচ্চ ন্যায়ালয়ে উক্ত কৰ নিৰ্দ্ধাৰণৰ হুকুম বাতিল কৰি ৰায় দিছিল। সম্প্ৰতি অসম চৰকাৰে উক্ত ৰায়ৰ বিৰুদ্ধে ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ ওচৰত আপীল কৰিছে। আপীলৰ ৰায়ে উত্তৰ হোৱা এনে বিতৰ্কৰ ওৰ পেলাব।

আনহাতে আই-অ'-চিয়ে যোৱা ২৪/৯/১৯৮২ তাৰিখৰ পৰা বি-আৰ-পি-এলৰ শোধনাগাৰ সামগ্ৰী ক্ৰয় কৰি তেনে সামগ্ৰীৰ দ্বিতীয় স্তৰৰ বিক্ৰীৰ ওপৰত অবৈধভাৱে কৰ আদায় কৰিছিল। কিন্তু আচৰিত কথা যে তেনে কৰ অসম ৰাজকোষত জমা নিদি কেন্দ্ৰীয় পেট্ৰ'লিয়াম দপ্তৰৰ অধীনস্থ অইল কো-অৰ্ডিনেচন কমিটীৰ (অ'-চি-চি) 'পুল একাউণ্ট'লৈ স্থানান্তৰ কৰিছিল। অ'-চি-চিয়ে সেই টকা কৰ্তৃত্বহীনভাৱে পুল একাউণ্টত সংৰক্ষণ কৰি অসমক প্ৰাপ্য ধনৰ পৰা বঞ্চিত কৰিছিল। এই প্ৰক্ৰিয়া যোৱা ১৯৯১ চনত ধৰা পেলাই কৰ আয়ুক্তৰ ওচৰত এক প্ৰতিবেদন দাখিল কৰিছিলো। কিন্তু এই বিষয়ে বিশেষ কাৰ্যকৰী ব্যৱস্থা নোলোৱাৰ ফলত যোৱা ৩১/৩/১৯৯৮ তাৰিখলৈ সেই ধনৰ পৰিমাণ ৫০০ কোটি টকা হৈছিল বুলি বিভাগীয় সূত্ৰৰ পৰা জনা যায়।

সম্প্ৰতি এই গুৰুত্বপূৰ্ণ বিষয় দুটা দ্বিতীয় সংস্কাৰ কমিটিয়ে বিবেচনা কৰিছে আৰু তেওঁলোকৰ প্ৰতিবেদনত অসম চৰকাৰক এই বিষয়ে তৎপৰতাৰে অনুধাৱন কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে।

## অসমত উৎপাদিত চাহপাত অইন ৰাজ্যত বিক্ৰীৰ বাবে স্থানান্তৰ

অসমৰ প্ৰায়সংখ্যক চাহ বাগিচাই উৎপাদিত চাহপাত অইন ৰাজ্যলৈ বিক্ৰীৰ কাৰণে মুখ্য কাৰ্যালয় নাইবা এজেণ্টলৈ প্ৰেৰণ কৰে। কিন্তু বহুতো ক্ষেত্ৰত এই ব্যৱস্থা এক ভুৱা স্থানান্তৰ প্ৰক্ৰিয়া বুলি প্ৰমাণিত হৈছে। প্ৰকৃততে কলিকতাত অৱস্থিত মুখ্য কাৰ্যালয়ে আন ৰাজ্যৰ ব্যৱসায়ীৰ লগত অসমৰ চাহ বাগিচাৰ পৰা চাহ বিক্ৰীৰ চুক্তি সম্পাদন কৰে। সকলোত সেই মুখ্য কাৰ্যালয়ৰ নিৰ্দেশত তেনে বিক্ৰী কাৰ্যও সম্পাদিত হয়। কিন্তু পিছত সেই বিক্ৰী ভুৱা নথি-পত্ৰৰ ভিত্তিত অইন ৰাজ্যলৈ বিক্ৰীৰ বাবে স্থানান্তৰ কৰা দেখুৱাই আৰু কৰ ৰেহাই উপভোগ কৰে। মই ভাবো যে অসমত এই প্ৰক্ৰিয়া আজিও অব্যাহত আছে। বিষয়াসকলে অলপ কষ্ট স্বীকাৰ কৰি এই ক্ষেত্ৰত আগবাঢ়িলে ৰাজহ ফাঁকি প্ৰতিৰোধ হ'ব। দ্বিতীয় সংস্কাৰ কমিটিৰ প্ৰতিবেদনত এই প্ৰক্ৰিয়া সম্বন্ধে প্ৰতিফলিত হৈছে আৰু কমিটিয়ে এইক্ষেত্ৰত প্ৰতিৰোধ ব্যৱস্থা ল'বলৈ পৰামৰ্শ আগবঢ়াইছে।

## একেগোট কৰ আদায় ব্যৱস্থা

ইয়াৰ ওপৰত একেগোট কৰ আৰোপ ব্যৱস্থাই কৰ-ৰাজহ আদায়ৰ ক্ষেত্ৰত যোৱা পাঁচ বছৰে অশেষ ক্ষতিসাধন কৰিছে। এই ব্যৱস্থাই কৰ ফাঁকি প্ৰতিৰোধত এক নতুন দিশ উন্মোচন কৰিছে। কাৰণ প্ৰাপ্ত তথ্যমতে সামগ্ৰীৰ তেনে বিক্ৰী কৰা টকা চৰকাৰে নিৰ্ধাৰণ কৰা একেগোট কৰৰ দুই গুণৰো অধিক। এই বিষয়ে নিৰ্দিষ্ট তথ্যপাতিৰ ভিত্তিত বিভিন্ন কাকতে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰা হৈছিল যদিও চৰকাৰ উক্ত কৰ ৰাজহ আদায়ৰ ক্ষেত্ৰত সম্পূৰ্ণ উদাসীন।

বিত্ত সংস্কাৰ কমিটিয়ে এই বিষয়ে তেওঁলোকৰ দিয়া দৃষ্টিভংগীৰ কথা প্ৰতিবেদনত উল্লেখ কৰিছে।

## চাউল, দাইলৰ ওপৰত কৰ

চাউল, দাইলৰ ওপৰত কৰ আৰোপ ব্যৱস্থা যোৱা ১৯৮১ আৰু ১৯৯৩ চনত লোৱা হৈছিল। কিন্তু এক বছৰৰ প্ৰভাৱত এই ব্যৱস্থা অস্থায়ী হৈছিল। বৰ্তমান চৰকাৰে যোৱা ৮/১/২০০২ তাৰিখৰ পৰা উক্ত সামগ্ৰীৰ আমদানিৰ ওপৰত 'প্ৰৱেশ কৰ' আৰোপ ব্যৱস্থা প্ৰবৰ্তন কৰিছে।

## কৰ প্ৰশাসন ব্যৱস্থা

দ্বিতীয় সংস্কাৰ কমিটিয়ে কৰ প্ৰশাসন ব্যৱস্থা উন্নত কৰাৰ প্ৰয়োজনৰ সপক্ষে অভিমত প্ৰকাশ কৰিছে। উপযুক্ত অধীন ব্যৱস্থা বিভিন্ন পদ্ধতিৰে তথ্যপাতি আহৰণ, তদন্ত আদিৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। প্ৰাপ্ত তথ্যমতে বৰ্তমানলৈকে ২০০.৮০ কোটি টকাৰ কৰ অনাদায় হৈ আছে, তাৰে ১৬২.১৮ কোটি টকা অকল বিক্ৰীকৰ। এইসন্দৰ্ভত দ্বিতীয় সংস্কাৰ কমিটিয়ে তেনে বাকীথকা কৰ আদায়ৰ ব্যৱস্থা সম্বন্ধে দিয়া অভিমত ব্যক্ত কৰিছে। যদি

প্ৰতিজন কৰ বিষয়া, বাকী বিষয়াই এই বিষয়ে সকল দৃষ্টিভংগী লৈ আগবাঢ়ে তেন্তে অনাদায় কৰ আদায়ৰ ক্ষেত্ৰত সফলতা লাভ কৰিব বুলি আমাৰ বিশ্বাস।

কমিটীয়ে তেনে অনাদায় টকা ৰেহাইৰ কাৰণে চৰকাৰক ব্যৱস্থা ল'বলৈকেও পৰামৰ্শ আগবঢ়াইছে, প্ৰয়োজনবোধে তেনে বাকী ধন আদায় নিদিয়া ব্যক্তিৰ নাম-ধাম 'দ্য আছাম টেক্সেচন (পাব্লিকেচন অফ ইনফৰমেচন) এক্ট, ১৯৭৫ মতে প্ৰকাশ কৰিবলৈ অভিমত ব্যক্ত কৰিছে।

## পৰীক্ষণ চকী

পৰীক্ষণ চকীসমূহ কৰ ফাঁকি প্ৰক্ৰিয়া অৱলম্বনৰ মূল উৎস। সম্প্ৰতি চৰকাৰে পৰীক্ষণ চকীসমূহৰ কাৰ্যপদ্ধতি প্ৰতিবেদনত লিপিবদ্ধ কৰা হৈছে। কিন্তু দ্বিতীয় সংস্কাৰ কমিটীয়ে পৰীক্ষণ চকীসমূহৰ উন্নয়নৰ ক্ষেত্ৰত এটি বিশেষ ক্ষমতাসম্পন্ন কমিটী গঠন কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। তেনে কমিটীয়ে বিভিন্ন দিশ অধ্যয়ন আৰু প্ৰয়োজনবোধে অন্ত কৰি পৰীক্ষণ চকীসমূহৰ কৰ্মৰ মানদণ্ড উন্নত কৰিবলৈ এটি গঠনমূলক পৰামৰ্শ আগবঢ়াবলৈ অভিমত প্ৰকাশ কৰিছে।

ভাৰতীয় সংবিধানৰ সপ্তম অনুসূচীৰ দ্বিতীয় তালিকাত (ৰাজ্যিক তালিকাত) ৰাজ্যিক বিধানমণ্ডলীক আইন প্ৰণয়ন ব্যৱস্থা ল'বলৈ ক্ষমতা প্ৰদান কৰা হৈছে। এইক্ষেত্ৰত বিভিন্ন কৰ আৰোপ ব্যৱস্থাও অন্তৰ্ভুক্ত হৈছে।

যোৱা ১১ মাৰ্চত অসম বিধান সভাত ২০০২-২০০৩ বিত্তীয় বছৰৰ বাজেট উত্থাপন কৰা হৈছিল। যথা সময়ত সেই বাজেট গৃহীত হৈছিল। কিন্তু অকল চাউল, আটা-ময়দা, দাইল আদিৰ ওপৰত শতকৰা দুই পইচা হাৰে কৰ আৰোপ ব্যৱস্থাৰ বাহিৰে আইন ৰাইন পৰামৰ্শ গ্ৰহণ কৰা-নকৰা সম্বন্ধে কোনো উল্লেখ কৰা হোৱা নাই। অকল পৰীক্ষণ চকীসমূহৰ সংস্কাৰৰ ব্যৱস্থা লোৱা হ'ব বুলিহে উল্লেখ আছে। আমি বুজি নাপাওঁ ৰাজকোষৰ পৰা ইমান টকা খৰছ কৰি গঠন কৰা কমিটীৰ পৰামৰ্শাৱলীৰ ক্ষেত্ৰত কোনো কাৰ্যব্যৱস্থা নললে এনে ঢেঁকেতাওলা কৰাৰ কি প্ৰয়োজন আছিল।

প্ৰান্তৰী

জুন ঃ ২০০২

## পৰৱৰ্তী পদক্ষেপ

ৰাজ্য চৰকাৰে প্ৰায় ক্ষেত্ৰতে পৰামৰ্শাৱলী কাৰ্যকৰী কৰাত চৰম আসোঁৱাহ প্ৰদৰ্শন কৰি আছে।

# তৰুণ গগৈ চৰকাৰৰ প্ৰথমখন বাজেট - এটি পৰ্যালোচনা

বাজেট হৈছে সম্ভাব্য আয় আৰু ব্যয়ৰ এটি পূৰ্ণাংগ হিচাপ। প্ৰতিজন ব্যক্তি, প্ৰতিটো পৰিয়ালৰ সাধাৰণতে আয়-ব্যয়ৰ এটি পৰিকল্পনা আছে। মাহেকত বা বছৰত কিমান আয়, কিমান ব্যয় হ'ব, কিমানখিনি টকা গঠনমূলক কামত খৰচ কৰিব আৰু কিমানখিনি টকা সঞ্চয় কৰিব, সেই বিষয়ে এটি পৰিকল্পনা যুগুত কৰে। তাকেই ব্যক্তিজনৰ বা পৰিয়ালটোৰ বাজেট বুলি অভিহিত কৰিব পাৰি। বছৰৰ শেষত আয়-ব্যয়ৰ প্ৰকৃত হিচাপ নিৰ্ণয় কৰি বেলেঞ্চশ্বীট প্ৰস্তুত কৰে। বেলেঞ্চশ্বীটত আন আন তথ্যৰ উপৰি ব্যৱসায়ৰ লাভ-লোকচানৰ হিচাপ প্ৰতিফলন কৰে।

অনুৰূপভাৱে কেন্দ্ৰ আৰু ৰাজ্যসমূহতো আগন্তুক বছৰৰ কাৰণে এক বাজেট প্ৰস্তুত কৰা হয়। বিভিন্ন তথ্য সন্নিবিষ্ট এই বাজেট চৰকাৰৰ তৰফৰ পৰা প্ৰস্তুত কৰা হয়। কেন্দ্ৰৰ বাজেট সংসদত আৰু ৰাজ্যসমূহৰ বাজেট সদনত গৃহীত হয়। আলোচনা-বিলোচনা, যুক্তি ব্যাখ্যা আৰু সংশোধনসাপেক্ষে তেহে বাজেট গ্ৰহণ কৰা হয় আৰু পৰৱৰ্তী কাৰ্যকৰী ব্যৱস্থা লোৱা হয়। এই বাজেটত চৰকাৰে পূৰ্ববৰ্তী বছৰৰ আয়-ব্যয়ৰ এটি খতিয়ানসহ আগন্তুক বছৰৰ আয়-ব্যয়ৰ এক সম্ভাব্য হিচাপ দাখিল কৰে। আয়ৰ ক্ষেত্ৰত কৰ-কাটল ব্যৱস্থা আৰু আন আন শীৰ্ষকত ধন আহৰণ আৰু ব্যয়ৰ ক্ষেত্ৰত বিভিন্ন বিভাগত কৰিবলগীয়া ব্যয়ৰ তথ্য সন্নিবিষ্ট কৰি সংসদ বা সদনত তেহে বাজেট উত্থাপন কৰা হয়।

যদি বাজেটত উল্লেখ কৰা সম্ভাব্য আয়তকৈ সম্ভাব্য ব্যয়ৰ পৰিমাণ অধিক হয়, তাক ঘাটি বাজেট (Deficit Budget) বুলি কোৱা হয়। যদি ব্যয়ৰ পৰিমাণ কম হয়, তাক বাঢ়ি বাজেট (Surplus Budget) বোলা হয়। আনহাতে, বাজেটত যদি আগন্তুক বছৰৰ বাবে কোনো কৰ-কাটল লগোৱাৰ ব্যৱস্থা নাথাকে, তেনে বাজেটক কৰমুক্ত (tax free) বাজেট বুলি অভিহিত কৰা হয়। কোনো বাজেট সাধাৰণ জনগণৰ আশা-আকাংক্ষা পূৰণ কৰাত ব্যৰ্থ হ'লে তাক জনস্বাৰ্থবিৰোধী বাজেট বুলি কোৱা হয়। যদি পূৰ্ববৰ্তী বছৰৰ অনুমোদিত ব্যয়তকৈ বছৰটোত অধিক ব্যয় হয়, তাৰ কাৰণে সংসদ বা সদনত পৰিপূৰক দাবী (Suplementory Demand) উত্থাপন কৰিব লাগে। বিভিন্ন আলোচনা-বিলোচনাসাপেক্ষে পৰিপূৰক দাবী মঞ্জুৰ হ'লে তেহে অধিক ব্যয় সম্পন্ন কৰা সম্ভৱ হয়।

ইতিমধ্যে সংসদত ২০০২-০৩ বছৰৰ বাবে বাজেট দাখিল কৰিছে। সদনত আলোচনা-বিলোচনাৰ যোগেদি তেহে বাজেট গৃহীত হ'ব। আনহাতে, অসমৰ বিত্তমন্ত্ৰী দেৱানন্দ কোঁৱৰে যোৱা ১১ মাৰ্চত সদনত আগন্তুক বছৰৰ বাবে বাজেট উত্থাপন কৰিছে। বাজেটত পূৰ্ববৰ্তী বছৰৰ ঘাটি ১৫৯.০৩ কোটি টকা আৰু আগন্তুক বছৰৰ ঘাটি ১০০৬.০৩ কোটি টকা মুঠ ২৬০০.০৬ কোটি টকা দেখুওৱা হৈছে।

বাজেটৰ প্ৰাৰম্ভিক অধ্যয়ন আৰু ওপৰে ওপৰে কৰা বিশ্লেষণৰ পৰাই এই কথা উপলব্ধি হয় যে বাজেটখনত কোনো নতুনত্ব নাই আৰু চৰকাৰৰ ৰাজহ আদায়ৰ কাৰণে কোনো গুৰুত্বপূৰ্ণ ব্যৱস্থা প্ৰতিফলিত হোৱা নাই। এই বিষয়ে এটি পৰ্যালোচনাৰ প্ৰয়োজন।

## বৈশিষ্ট্যপূৰ্ণ দিশ

এইবাৰৰ বাজেটত চৰকাৰে এক বৈশিষ্ট্যপূৰ্ণ দিশ উন্মোচন কৰিছে। কেন্দ্ৰীয় বাজেটত উত্থাপন কৰা বিভিন্ন সামগ্ৰীৰ ওপৰত উৎপাদন শুল্ক বৃদ্ধি আৰু হ্ৰাস ব্যৱস্থাই অসমৰ ৰাজহ আদায়ৰ ক্ষেত্ৰত কিদৰে প্ৰভাৱ বিস্তাৰ কৰিব সেই বিষয়ে উল্লেখ কৰি সম্ভাব্য ৰাজহ বৃদ্ধি আৰু হ্ৰাসৰ এটি খতিয়ান দাঙি ধৰি নিজৰ স্থিতি সুস্পষ্ট কৰিছে।

## বিত্তীয় সংস্কাৰ কমিটীৰ প্ৰতিবেদনৰ কাৰ্যকৰী ব্যৱস্থা

অসম চৰকাৰে গঠন কৰা বিত্তীয় সংস্কাৰ কমিটীয়ে তেওঁলোকৰ প্ৰতিবেদনত আন আন বিষয়ৰ লগতে ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত কিছুমান গঠনমূলক পৰামৰ্শ আগবঢ়াইছিল। ৰাজ্য চৰকাৰে যোৱা ৮ জানুৱাৰীৰ পৰা বলবৎ হোৱাকৈ চাউল, দাইল, আটা, ময়দা, ঘেঁহু আৰু দাইলৰ ওপৰত টকাত দুই পইচা হাৰে 'প্ৰৱেশ কৰ' আৰোপৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিছে। ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়নৰ কাৰণে চৰকাৰে লোৱা ই এটি দৃঢ় পদক্ষেপ। অৱশ্যে যোৱা ১৯৮৯ আৰু ১৯৯৩ চনত উক্ত সামগ্ৰীৰ ওপৰত বিক্ৰীকৰ আৰোপৰ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছিল। কিন্তু কিবা এক অদৃশ্য শক্তিৰ প্ৰভাৱত সেই ব্যৱস্থা অতি ক্ষণস্থায়ী হৈছিল। ৰাইজৰ তৰফৰ পৰা আৰু বিত্তীয় সংস্কাৰ কমিটীৰ পৰামৰ্শ কাৰ্যকৰী কৰা এই ব্যৱস্থা যেন ক্ষণস্থায়ী নহয় তাৰ কাৰণে চৰকাৰক অনুৰোধ জনোৱা হ'ল। এই ব্যৱস্থাই ৰাজ্যখনৰ ৰাজহ আদায়ত যথেষ্ট উন্নতি সাধন কৰিব বুলি আমাৰ বিশ্বাস।

আনহাতে, বিত্তীয় সংস্কাৰ কমিটীয়ে দিয়া পৰামৰ্শ অনুযায়ী কৰ সংগ্ৰহৰ ক্ষেত্ৰত কিছুমান আসোঁৱাহ গুচাই এই ব্যৱস্থাৰ পুনৰ্বিন্যাস ঘটাব বুলি বাজেটত উল্লেখ কৰিছে। ব্যৱসায়ীৰ দুৰ্নীতিমূলক কাম-কাজৰ এটি প্ৰতিৰোধ ব্যৱস্থা লোৱা এইক্ষেত্ৰত এক উল্লেখনীয় দিশ বুলি গণ্য কৰা হ'ব।

বিত্তীয় সংস্কাৰ কমিটীৰ আন আন গঠনমূলক পৰামৰ্শসমূহৰ কাৰ্যকৰী ব্যৱস্থা সম্বন্ধে বাজেটত কোনো কথা উল্লেখ নথকা কথাই সাধাৰণ জনসাধাৰণৰ মনত এক নৈৰাশ্যৰ সৃষ্টি কৰিছে।

## নাৰিকল তেলৰ ওপৰত বিক্ৰীকৰ বৃদ্ধি

যোৱা ১৯ ফেব্ৰুৱাৰীৰ পৰা চৰকাৰে খোৱা আৰু মূৰত ব্যৱহাৰ কৰা নাৰিকল তেলৰ ওপৰত কৰৰ হাৰ টকাত চাৰি পইচাৰ পৰা বাৰ পইচালৈ বৃদ্ধি কৰিছে। ইয়াৰ পূৰ্বে নাৰিকল তেল, ভিজিটেবল তেল, বনস্পতি বা ভিজিটেবল ঘি, মিঠাতেল, ৰেপচীড তেল আৰু অনুৰূপ খোৱা তেল একে শ্ৰেণীভুক্ত আছিল। কিন্তু হঠাতে নাৰিকল তেলক সুকীয়া শ্ৰেণীভুক্ত কৰি কৰৰ হাৰ শতকৰা আঠ পইচা বৃদ্ধি কৰা কাৰ্য অযুক্তিপূৰ্ণ আৰু ন্যায়বিহীন বুলি গণ্য কৰা থল আছে। যদি চৰকাৰে সাধাৰণ মানুহে ব্যৱহাৰ কৰা নাৰিকল তেল আৰু আন বিলাসবহুল সুগন্ধি

তেলৰ সমপৰ্যায়ৰ বুলি গণ্য কৰি খোৱা নাৰিকল তেল আৰু ঘৃতত দিয়া নাৰিকল তেলৰ কৰৰ হাৰ চাৰি পইচাৰ পৰা বাৰ পইচালৈ বৃদ্ধি কৰিছে, অনুৰূপভাৱে খোৱা মিঠাতেল আৰু ঘৃতত দিয়া মিঠাতেলৰ কৰৰ হাৰ বৃদ্ধি কৰা সমীচীন আছিল। এইক্ষেত্ৰত উল্লেখ কৰিব পাৰি যে এক শ্ৰেণীৰ বাহিৰ তেনে নাৰিকল তেল খোৱা তেল হিচাপেও ব্যৱহাৰ কৰে। গতিকে আমাৰ ধাৰণা যে উক্ত বৰ্ধিত কৰ ব্যৱস্থা সম্পূৰ্ণ জনস্বাৰ্থ-বিৰোধী।

## বাদাম বীজৰ ওপৰত বিক্ৰীকৰ

অসম চৰকাৰে খোৱা ১১ ফেব্ৰুৱাৰীৰ পৰা বাদাম বীজৰ প্ৰথম স্তৰৰ বিক্ৰীৰ ওপৰত টকাত চাৰি পইচা হাৰে কৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিছে।

এই প্ৰসঙ্গতে উল্লেখ কৰা সমীচীন হ'ব যে ভাৰতীয় সংবিধানে প্ৰদান কৰা কৰ্তৃত্বৰ ভিত্তিত কেন্দ্ৰীয় চৰকাৰে 'দ্য চেণ্ট্ৰেল চেল্‌ছ টেক্স এক্ট ১৯৫৬'ত কিছুমান সামগ্ৰী আন্তঃৰাজ্যিক বেহা-বেপাৰৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ সামগ্ৰী বুলি ঘোষণা কৰিছে। তৈলবীজ তেনে সামগ্ৰীৰ অন্যতম। বাদাম, তিল, কপাহ বীজ, সৰিয়হ বীজ, কেশ বীজ, তিচি আদি তেনে তৈলবীজৰ অন্তৰ্ভুক্ত। ৰাজ্য চৰকাৰে খোৱা ১-১-২০০০ ৰ পৰা সকলো ধৰণৰ তৈলবীজৰ শেষ ক্ৰয়ৰ ওপৰত কৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল। কিন্তু তেনে সামগ্ৰীৰ বেছিভাগেই অসমৰ বাহিৰৰ পৰা আমদানি কৰা হয়। গতিকে তেনে সামগ্ৰীৰ প্ৰথম ক্ৰয় অসমৰ বাহিৰত সম্পন্ন হয়। অসমৰ শেষ ক্ৰেতাজন উক্ত ক্ৰয়ৰ ওপৰত দায়বদ্ধ হয়। প্ৰচলিত ব্যৱস্থা মতে 'দ্য আছাম জেনেৰেল চেল্‌ছ টেক্স এক্ট'ত তেনে সামগ্ৰীৰ ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত কোনো ঘোষণা পত্ৰ আদান-প্ৰদান কৰা ব্যৱস্থা সন্নিবিষ্ট কৰা নাই। ফলত এচাম ব্যৱসায়ীয়ে ক্ৰেতাৰ লগত সংযোগ আৰু সমন্বয় স্থাপন কৰি কিছুমান ভুৱা নামত তেনে সামগ্ৰী বিক্ৰী কৰে। ফলত তেনে ভুৱা ক্ৰেতাসমূহক চিহ্নিত কৰা অসম্ভৱ হৈ পৰে। শেষ ক্ৰয়ৰ ওপৰত কোনো কৰ আদায় নহয়। এই বিষয়ে এই প্ৰবন্ধৰ লেখকে 'নিউ টেক্স মেজাৰ্ছ এন অইল চীড্‌ছ বৌণ্ড ট্ৰাব্ল্‌ছ ইন ৰেভিনিউ কালেক্‌চন' এই শীৰ্ষক এটি প্ৰবন্ধ প্ৰকাশ কৰিছিল। (অইলফিল্ড টাইমছ, ২-৮-২০০১) কিন্তু চৰকাৰে সময়ত কোনো প্ৰতিকাৰমূলক ব্যৱস্থা নোলোৱাৰ ফলত খোৱা প্ৰায় দুবছৰত সমগ্ৰ অসমত কমেও ৪.৫ কোটি টকা কৰফাঁকি ব্যৱস্থা অৱলম্বন কৰা হৈছিল বুলি আমাৰ বিশ্বাস। এইক্ষেত্ৰত ক্ষেত্ৰ বিষয়াসকলে প্ৰকৃত শেষ ক্ৰেতাবোৰক ধৰা পেলোৱাৰ কোনো ব্যৱস্থা লৈছে বুলিও জনা নাযায়।

আমাৰ ধাৰণাত বৰ্তমানে লোৱা কৰ ব্যৱস্থাও অতি ত্ৰুটীপূৰ্ণ। কাৰণ সংশোধনী কৰ ব্যৱস্থাত বাদাম বীজ বুলি উল্লেখ কৰা হৈছে যদিও 'বাদাম বীজ' আৰু 'বাদাম' ব্যৱসায়িক ভিত্তিত দুটা বেলেগ সামগ্ৰী। এনেক্ষেত্ৰত 'বাদাম বীজ'ৰ শেষ ক্ৰয়ৰ আৰু 'বাদাম'ৰ শেষ বিক্ৰীৰ ওপৰতহে কৰ আৰোপ হ'ব। তেনে ব্যৱস্থাই এক বিভ্ৰান্তিৰ সৃষ্টি কৰিব। গতিকে ইয়াৰ সংশোধন-ব্যৱস্থা অপৰিহাৰ্য বুলি আমি অভিমত পোষণ কৰোঁ।

আনহাতে, আইনবোৰ তৈলবীজৰ ওপৰত শেষ ক্ৰয় আৰোপ ব্যৱস্থা অটুট আছে। আমি উল্লেখ কৰা মতে তেনে বহু সামগ্ৰী অসমৰ বাহিৰৰ পৰা আমদানি হয়। গতিকে অকল

বাদামৰ ক্ষেত্ৰতে নহয়, আনক্ষেত্ৰতো তেনে ক্ৰয়ৰ কৰফাঁকি প্ৰক্ৰিয়া অব্যাহত আছে। তেনেক্ষেত্ৰত আংশিক সংশোধন ব্যৱস্থাই ৰাজ্যখনৰ ৰাজহ আদায়ৰ সুৰক্ষা নিশ্চিত নকৰিব। যোৱা ১-১০-২০০১ তাৰিখৰ পৰা সৰিয়হ বীজ আৰু বেণ বীজৰ ওপৰত প্ৰৱেশ কৰ আৰোপৰ ব্যৱস্থা প্ৰবৰ্তন কৰা হৈছিল যদিও যোৱা ৮-১-২০০২ তাৰিখৰ পৰা সেই ব্যৱস্থা প্ৰত্যাহাৰ কৰা হয়।

অসমত যদিও তেনে তৈলবীজ কিছু পৰিমাণে উৎপন্ন হয়, এক বৃহৎ পৰিমাণৰ তেনে সামগ্ৰী অসমৰ বাহিৰৰ পৰাও আমদানি হয়।

আমি ভাবোঁ যে তেনে তৈলবীজ সামগ্ৰীসমূহ সমকালীনভাৱে প্ৰৱেশ কৰ ব্যৱস্থাৰ তালিকাৰ অন্তৰ্ভুক্ত কৰা সমীচীন হ'ব। যিহেতু 'দ্য আসাম জেনেৰেল চেল্‌ছ টেক্স এক্ট'ত তেনে কৰ সুবিন্যস্ত কৰাৰ ব্যৱস্থা আছে, এনে কৰ-ব্যৱস্থাই ৰাজ্যখনৰ কৰ আদায়ৰ নিশ্চয়তা সুৰক্ষিত কৰিব।

## মটৰগাড়ী অংশবিশেষ, মটৰচাইকেল, স্কুটাৰ, তিনিচকীয়া যান আদিৰ ওপৰত কৰৰ হাৰ বৃদ্ধি

বাজেটত চৰকাৰে উপৰিউক্ত সামগ্ৰীৰ ওপৰত থকা আঠ পইচা কৰৰ হাৰৰ পৰা বাৰ পইচালৈ বৃদ্ধি কৰিব বুলি উল্লেখ কৰিছে।

সাধাৰণ ৰাইজেহে মটৰচাইকেল, স্কুটাৰ আৰু তিনিচকীয়া যান আদি ব্যৱহাৰ কৰে। তেনেবোৰ সামগ্ৰীক বিলাসৰ সামগ্ৰী বুলি আখ্যা দিব নোৱাৰি। সেইবোৰ প্ৰয়োজনীয় সামগ্ৰীহে। এনে বৰ্দ্ধিত কৰ-ব্যৱস্থা সাধাৰণ ৰাইজৰ কাৰণে ক্ষতিকাৰক বুলি গণ্য হ'ব। ইয়াৰ ফলত তেনে সামগ্ৰীৰ ক্ৰয় বিক্ৰীৰ ব্যৱসায় আন ৰাজ্যলৈ গতি কৰিব বুলি আশংকা কৰাৰ থল আছে।

গতিকে এইক্ষেত্ৰত সংশ্লিষ্ট লিপি পুনৰ সংশোধনৰ কাৰণে চিন্তা-চৰ্চা কৰা সমীচীন হ'ব বুলি আমি মত পোষণ কৰোঁ।

## মদৰ ওপৰত পুনৰ কৰ আৰোপ ব্যৱস্থা

অসমত যোৱা ১-৪-১৯৯৭ তাৰিখৰ পৰা মদৰ ওপৰত বিক্ৰীকৰ ব্যৱস্থা প্ৰত্যাহাৰ কৰা হৈছিল। কিন্তু এইক্ষেত্ৰত ৰাইজৰ তৰফৰ পৰা পুনৰ কৰ আৰোপ ব্যৱস্থা ল'বলৈ চৰকাৰক অনুৰোধ জনোৱা হৈছিল। এই লেখকে লিখা প্ৰবন্ধ 'মেইক বাইন ডিয়াৰাৰ এণ্ড এল্‌ছ ইট কোষ্ট ষ্টেট ডিয়াৰ' (অইলফিল্ড টাইম্‌ছ ১২-১০-১৯৯৯) এই ক্ষেত্ৰত উল্লেখযোগ্য। অতি সুখৰ কথা যে ৰাজ্য চৰকাৰে যোৱা ১৯ ফেব্ৰুৱাৰীৰ পৰা টকাত ২০ পইচা হাৰে কৰ আৰোপ ব্যৱস্থা লৈ ৰাজ্যখনত বছৰি ত্ৰিশ কোটি টকা আদায় হ'ব বুলি বাজেটত উল্লেখ কৰিছে।

এই প্ৰসঙ্গত উল্লেখ কৰা সমিচীন হ'ব যে অসমত ভুটানৰ পৰা আমদানি কৰা মদ অবাধে বিক্ৰী হৈ আছে। কিন্তু ৰাজ্য চৰকাৰে তেনে বিক্ৰীৰ ওপৰত বিক্ৰীকৰ আদায় কৰিব পৰা নাই। এই বিষয়ে প্ৰশাসনে কাৰ্যকৰী ব্যৱস্থা ল'লে তেনে বে-আইনী সামগ্ৰী ধৰা পেলাই কৰ আদায় কৰা সম্ভৱ হ'ব।

### গ্ৰেডৰ, টেইলৰ, বুলডোজাৰ আদিৰ ওপৰত প্ৰৱেশ কৰ আৰোপ ব্যৱস্থা

অসমৰ বহুতো চাহ বাগান, কৃষিপাম, নিগম আৰু প্ৰতিষ্ঠানে নিজা ব্যৱহাৰৰ কাৰণে উক্ত সামগ্ৰীসমূহ অসমৰ বাহিৰৰ পৰা আমদানি কৰে। এই সামগ্ৰীৰ ওপৰত চৰকাৰে কোনো কৰ আদায় নাপায়। এনেবোৰ সামগ্ৰীৰ ওপৰত কৰ আৰোপ ব্যৱস্থাই ৰাজ্যখনৰ ৰাজহ আদায়ৰ স্বাৰ্থ বাৰুকৈয়ে সুৰক্ষিত কৰিব। এই ব্যৱস্থাৰ কাৰণে চৰকাৰ শলাগৰ পাত্ৰ।

### কৃষি কৰ আদায়ৰ পৰিমাণ হ্ৰাস

বাজেটত উল্লেখ কৰা মতে ৰাজ্যখনত কৃষি কৰ আদায়ৰ পৰিমাণ অতিশয় হ্ৰাস পাইছে। ইয়াৰ কাৰণ উল্লেখ কৰা হৈছে যে কেনিয়া, শ্ৰীলংকা আদি ৰাষ্ট্ৰই উৎপাদন কৰা চাহপাত আন্তৰ্জাতিক বজাৰত অতি সমাদৰ লাভ কৰিছে। তাৰ দ্বাৰা ইয়াকে প্ৰতিপন্ন হয় যে অসমৰ চাহপাতৰ মান ক্ৰমাৎ হ্ৰাস পাই আহিছে। গতিকে এনেক্ষেত্ৰত আন্তৰ্জাতিক প্ৰতিযোগিতাত অসম তিষ্ঠিব নোৱাৰিব। এইখিনিতে উল্লেখ কৰা উচিত হ'ব যে ইংৰাজসকলে অসমৰ পৰা চাহ ব্যৱসায়কাৰ্য প্ৰত্যাহাৰ কৰাৰ পৰা এই ব্যৱসায় কিছুমান এনে শ্ৰেণীৰ ব্যৱসায়ীৰ হস্তগত হৈছে যে তেওঁলোকে চাহৰ মানৰ ওপৰত যথেষ্ট গুৰুত্ব নিদি ব্যৱসায়ৰ লাভালাভ সম্বন্ধে অধিক গুৰুত্ব দিয়ে। ফলত সামগ্ৰীৰ মান ক্ৰমাৎ হ্ৰাস পাই আহিছে। আনহাতে, চৰকাৰৰ কোমল মনোভাৱৰ পৰিপ্ৰেক্ষিতত এক শ্ৰেণীৰ চাহ বাগিচাই ৰাজহ আদায় দিয়াৰ ক্ষেত্ৰত বহুতো ধৰণৰ বেআইনী কাম কৰি আছে। বিশেষকৈ আন ৰাজ্যলৈ বিক্ৰীৰ বাবে মাল স্থানান্তৰ দেখুওৱা কাৰ্য বহুতো ক্ষেত্ৰত ভুৱা বুলি প্ৰতিপন্ন হৈছে। চৰকাৰে এনেকুৱা ব্যৱসায়ীসকলৰ কৈফিয়তত গুৰুত্ব নিদি এটি বিশেষ কমিটীৰ দ্বাৰা সকলো বিবৰণ এক অধ্যয়ন, পৰীক্ষা আৰু তদন্ত কৰিলে বহুতো ক্ষেত্ৰত জোলোঙাৰ মেকুৰী নিজে নিজে ওলাই পৰা সম্ভৱ হ'ব।

### হাতেৰে তৈয়াৰী এৰী সূতা, মুগা আৰু পাট সূতা তথা মেখেলা-চাদৰৰ ওপৰত বিলাস কৰ প্ৰত্যাহাৰ

অসমৰ ঐতিহ্য, কৃষ্টি আৰু হস্তশিল্পৰ সুৰক্ষা আৰু উন্নতিৰ স্বাৰ্থত উক্ত সামগ্ৰীসমূহৰ ওপৰত বিলাস কৰ প্ৰত্যাহাৰ ব্যৱস্থা সকলো ৰাইজৰ কাৰণে আদৰণীয়। ইয়াৰ দ্বাৰা ৰাজহৰ বিশেষ ক্ষতি নহ'ব বুলি আমাৰ অনুমান।

### আঞ্চলিক ভাষাৰ ভিত্তিত কেছেটসমূহৰ ওপৰত কৰ ব্যৱস্থা প্ৰত্যাহাৰ

অডিঅ' কেছেটৰ বিক্ৰীৰ ওপৰত কৰৰ হাৰ টকাত ১২ পইচা। অসমীয়া ভাষাযুক্ত কেছেটৰ ওপৰত কৰ-ব্যৱস্থা আদৰণীয় যদিও এইক্ষেত্ৰত আন ভাষাৰ কেছেটৰ অপব্যৱহাৰ আৰু অপপ্ৰয়োগ হোৱা স্বাভাৱিক কথা।

এইক্ষেত্ৰত চৰকাৰে যথেষ্ট সতৰ্কতা অৱলম্বন নকৰিলে উক্ত সামগ্ৰীৰ বিক্ৰীৰ ওপৰত কৰ আদায় কৰা সম্ভৱ নহ'ব। আমি ভাবোঁ, চৰকাৰে তেনে কেছেট প্ৰস্তুতকাৰীৰ পৰা প্ৰতিবেদনৰ প্ৰকৃত তথ্য আদায় কৰাৰ ব্যৱস্থা ল'লে বাকী কেছেটসমূহৰ কৰ আদায় সুনিশ্চিত কৰিব পাৰিব।

## কণীৰ ওপৰত প্ৰৱেশ কৰ

কণী বিক্ৰীৰ ওপৰত বিক্ৰীকৰ ব্যৱস্থা প্ৰত্যাহাৰ কৰি প্ৰৱেশ কৰ আৰোপ কৰা হ'ব বুলি বাজেটত উল্লেখ কৰা হৈছে। প্ৰকৃততে এয়া এক গুৰুত্বপূৰ্ণ পদক্ষেপ। কাৰণ এই ব্যৱস্থাই কণীৰ ওপৰত কৰ আদায় সুনিশ্চিত কৰিব। অৱশ্যে এক শ্ৰেণীৰ অসৎ ব্যৱসায়ীয়ে ভুৱা নথি-পত্ৰ প্ৰদান কৰি তেনে সামগ্ৰী অসমৰ বাহিৰলৈ গতি কৰিব বুলি কৰফাঁকি দিবলৈ প্ৰচেষ্টা চলাব পাৰে। কিন্তু আভ্যন্তৰীণ পৰীক্ষণ চকীসমূহৰ সতৰ্কতামূলক ব্যৱস্থা আৰু ক্ষেত্ৰ বিষয়াসকলৰ তৎপৰতাই এনে প্ৰচেষ্টা ব্যাহত কৰা সম্ভৱ।

যি কি নহওক, বাজেটখনৰ বিষয়ে বিভিন্ন দিশৰ পৰা আলোচনা কৰা হ'ল। কিন্তু ইয়াত যিখিনি কৰ আদায় ব্যৱস্থা সন্নিবিষ্ট কৰা হৈছে, তাৰ পৰা চৰকাৰৰ ২৬০০.০৬ কোটি টকাৰ ঘাটি পূৰণ কৰা সম্ভৱ নহ'ব।

এনে স্থলত চৰকাৰৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি কিমানখিনি সম্ভৱ হ'ব সেয়া এক চিন্তাৰ বিষয়।

(আমাৰ অসম)
১৩/৩/২০০২

# অসম বাজেটৰ কিছু বিসংগতিপূৰ্ণ দিশ

অসমৰ বিত্তমন্ত্ৰী দেৱানন্দ কোঁৱৰে যোৱা ১১ মাৰ্চত সদনত আগন্তুক ২০০২-০৩ বিত্তীয় বছৰৰ বাবে দাখিল কৰা বাজেট সম্বন্ধে বিভিন্ন মহলৰ পৰা বিভিন্ন ধৰণৰ প্ৰতিক্ৰিয়া সংবাদ মাধ্যমযোগে প্ৰকাশ পাইছে। ১১,৩৫১.৩১ কোটি টকা ধনৰ যোগান লৈ সদনত দাখিল কৰা ২৬০০.০৬ কোটি টকাৰ এই ঘাটি বাজেটখনে ৰাজ্যখনৰ আগন্তুক সময়ৰ বাবে এক অভূতপূৰ্ব ভয়াবহ অৰ্থনৈতিক সংকটৰ কথা স্পষ্টভাৱে আঙুলিয়াই দিছে। বাজেটখনত তেনে ঘাটি পূৰণৰ বাবে প্ৰয়োজনীয় গঠনমূলক ব্যৱস্থা সম্বন্ধে ইংগিত দিয়া নাই। ফলত এই বাজেটখনে অসমৰ সৰ্বসাধাৰণ ৰাইজৰ আশা-আকাংক্ষা পূৰণ আৰু প্ৰয়োজনীয় স্বাৰ্থ ৰক্ষা প্ৰদানৰ ক্ষেত্ৰত ব্যৰ্থ হৈছে। অসমবাসী ৰাইজৰ মন তিক্ততাৰে ভৰি পৰিছে। আমি ইয়াৰ আগতে সংবাদ মাধ্যমযোগে বাজেটখনৰ সম্বন্ধে আমাৰ নিৰপেক্ষ অভিমত প্ৰকাশ কৰিছিলোঁ। সম্প্ৰতি, এইক্ষেত্ৰত আমি আৰু কিছুমান গুৰুত্বপূৰ্ণ দিশ আলোচনা কৰা সমীচীন বুলি অনুভৱ কৰোঁ।

## ভাৰতৰ বাহিৰত প্ৰস্তুত কৰা খোৱাতেল আৰু বিউটিৰ ওপৰত বিলাস-কৰ আৰোপ ব্যৱস্থা

বিভিন্ন ধৰণৰ খোৱাতেলৰ প্ৰথম স্তৰৰ বিক্ৰীৰ ওপৰত কৰ-আৰোপ ব্যৱস্থা ইতিমধ্যে অসম সাধাৰণ বিক্ৰীকৰ আইনত সন্নিবিষ্ট কৰা হৈছে। অনুৰূপভাৱে বিউটিৰ প্ৰথম স্তৰৰ বিক্ৰীৰ ওপৰতো কৰ আৰোপ ব্যৱস্থা প্ৰবৰ্তন কৰা হৈছে। বৰ্তমান চৰকাৰে ভাৰতৰ বাহিৰত প্ৰস্তুত কৰা তেনে খোৱাতেল আৰু বিউটিৰ ওপৰত বিলাস-কৰ আৰোপ ব্যৱস্থা প্ৰবৰ্তন কৰিব বুলি বাজেটত উল্লেখ কৰিছে। অৰ্থাৎ তেনে সামগ্ৰীৰ ওপৰত এয়া হ'ব অতিৰিক্ত কৰ ব্যৱস্থা।

এইক্ষেত্ৰত আমাৰ মনত দুটা প্ৰশ্নৰ উদয় হয় – (১) ভাৰতৰ বাহিৰত প্ৰস্তুত কৰা কোনো সামগ্ৰী পোনপটীয়াকৈ অসমলৈ আমদানি কৰা আৰু (২) ভাৰতৰ বাহিৰত প্ৰস্তুত কৰা কোনো সামগ্ৰী অইন ৰাজ্যৰ পৰা অসমলৈ আমদানি কৰা – এই দুই ক্ষেত্ৰত তেনে কৰ ব্যৱস্থা কিদৰে প্ৰযোজ্য হ'ব?

যদি ভাৰতৰ বাহিৰৰ পৰা তেনে কোনো সামগ্ৰী পোনপটীয়াকৈ অসমলৈ আমদানি কৰা হয়, তেনে আন্তৰ্জাতিক আমদানিকৃত সামগ্ৰীৰ ওপৰত ৰাজ্য চৰকাৰে কোনো কৰ আৰোপ ব্যৱস্থা লোৱাৰ ক্ষেত্ৰত সংবিধানৰ ২৮৬(১) (বি) অনুচ্ছেদত নিষেধাজ্ঞা প্ৰদান কৰা হৈছে। উক্ত অনুচ্ছেদৰ মতে, প্ৰণয়ন কৰা কেন্দ্ৰীয় বিক্ৰীকৰ আইনৰ (১৯৫৬) ৫(২) ধাৰাত এই কথা অধিক স্পষ্ট কৰিছে। অৱশ্যে তেনে সামগ্ৰীৰ বিক্ৰীৰ পৰিপ্ৰেক্ষিতত বিক্ৰীকৰ আৰোপ আৰু আদায় ব্যৱস্থা লোৱাত কোনো বাধা নাই। কিন্তু অসমত তেনে কোনো বিক্ৰী নহ'লে আমদানিকৃত তেনে সামগ্ৰীৰ ওপৰত কৰ আৰোপ নিষেধাজ্ঞা সংবিধানৰ উপৰোক্ত অনুচ্ছেদ আৰু কেন্দ্ৰীয় আইনৰ ৫ (২) ধাৰা মতে প্ৰযোজ্য হ'ব বুলি আমাৰ বিশ্বাস।

চৰকাৰে প্ৰস্তাৱ কৰা মতে যদি ভাৰতৰ বাহিৰত প্ৰস্তুত কৰা খোৱাতেল আৰু ঘিউৰ ওপৰত বিলাস-কৰ আৰোপৰ ব্যৱস্থা লোৱা হয়, তেনে কৰৰ মজুত মালৰ ওপৰতহে আৰোপ কৰা হ'ব, বিক্ৰীৰ ওপৰত নহয়। তেনে মজুত মাল স্বভাৱতে আমদানিকৃত সামগ্ৰীৰূপে গণ্য হয়। অৰ্থাৎ তেনে মজুত সামগ্ৰী আমদানি পৰ্যায়তে থাকে, বেপাৰীসকলে তাৰ কোনো বিক্ৰীকাৰ্য সম্পন্ন নহয়। এনে ক্ষেত্ৰত তেনে সামগ্ৰীৰ মজুত মালৰ ওপৰত বিলাস-কৰ আৰোপ ব্যৱস্থা সম্বন্ধে সন্দেহৰ অৱকাশ আছে আৰু ভৱিষ্যতে বিতৰ্কৰ সৃষ্টি হোৱা স্বাভাৱিক।

আনহাতে, যদি ভাৰতৰ বাহিৰৰ পৰা আমদানি কৰা তেনে সামগ্ৰী আইন ৰাজ্যলৈ আমদানি কৰা হয় আৰু পিছলৈ অসমত আমদানি কৰা হয়, আমাৰ অনুমান মতে তেনে সামগ্ৰীৰ ওপৰত প্ৰৱেশ-কৰ নাইবা বিলাস-কৰ আৰোপৰ ক্ষেত্ৰত কোনো বাধা নাই।

প্ৰকৃততে বিলাস সামগ্ৰীৰ অৰ্থৰ হৈছে 'চৌখিন ব্যৱহাৰিক সামগ্ৰী'। 'খোৱাতেল' বা 'ঘিউ' কোনো চৌখিন ব্যৱহাৰিক সামগ্ৰী নহয়। সেয়া হৈছে প্ৰয়োজনীয় নিত্য ব্যৱহাৰিক সামগ্ৰী। গতিকে, এনে ধৰণৰ সামগ্ৰীৰ ওপৰত বিলাস-কৰ আৰোপ ব্যৱস্থা কিমানখিনি সমীচীন হ'ব সেয়াও এক বিচাৰ্যৰ বিষয়। একে সামগ্ৰীৰ ওপৰত বিলাস-কৰ আৰোপ, বিক্ৰী-কৰ আৰোপ ব্যৱস্থা কিমান সমীচীন হ'ব সেয়াও এক চিন্তাৰ বিষয়।

## বিড়িৰ ওপৰত বিলাস-কৰ আৰোপ ব্যৱস্থা

বিড়ি হৈছে সাধাৰণ ৰাইজৰ উপভোগৰ এটি সামগ্ৰী। খেতিয়ক, শ্ৰমিক, ৰিক্সাৱালা, ঠেলাৱালা আদি সাধাৰণ শ্ৰেণীৰ লোকে ইয়াক ব্যৱহাৰ কৰে। ইয়াক কোনো ক্ষেত্ৰতে 'বিলাসযুক্ত সামগ্ৰী' বুলি আখ্যা দিব নোৱাৰি। এনেস্থলত বাস্তৱ দিশৰ পৰা তেনে সামগ্ৰীৰ ওপৰত বিলাস-কৰ আৰোপ ব্যৱস্থা কিমানখিনি যুক্তিসঙ্গত আৰু ন্যায়পূৰ্ণ সেই বিষয়ে যথাযথ পৰীক্ষা-নিৰীক্ষাৰ প্ৰয়োজন।

## মাছ, ইউ এছ টি, গাখীৰ আৰু ফুলৰ ওপৰত প্ৰৱেশ-কৰ আৰোপ ব্যৱস্থা

কেঁচা মাছ, গাখীৰ আৰু প্ৰাকৃতিক ফুল অসম সাধাৰণ বিক্ৰী-কৰ আইন মতে একোটা-কৰমুক্ত সামগ্ৰী। অৰ্থাৎ অসমত তেনে সামগ্ৰী কিনা-বেচা কৰিলে বা আন্তঃৰাজ্যিক বিক্ৰী-সম্পন্ন কৰিলে বিক্ৰী-কৰ আৰোপৰ পৰা অব্যাহতি দিয়া হৈছে। সাধাৰণতে তেনে সামগ্ৰী দৈনিক ব্যৱহাৰ্য সামগ্ৰী। মাছ, গাখীৰ সৰ্বসাধাৰণ ৰাইজে খায়। ফুল পূজা-অৰ্চনাত ব্যৱহাৰ হয়। এনেক্ষেত্ৰত উক্ত সামগ্ৰীসমূহৰ ওপৰত কৰ আৰোপ ব্যৱস্থাই চৰকাৰৰ এক বিচাৰবিহীন সিদ্ধান্তৰ কথাহে উনুকিয়াই দিয়ে। আনহাতে, এই কৰ আৰোপ ব্যৱস্থা এক বৈষম্যপূৰ্ণ ব্যৱস্থা বুলি অনুমান হয়। এনে ব্যৱস্থাই ভাৰতীয় সংবিধানৰ ৩০১, ৩০৩ আৰু ৩০৪ অনুচ্ছেদে কিমানখিনি সুৰক্ষা দিব সেয়াও এক বিচাৰ্য বিষয়। এইখিনিতে উল্লেখ কৰিব পাৰি যে গুৰুত্ব মাছৰ প্ৰথমস্তৰৰ বিক্ৰীৰ ওপৰত কৰ ব্যৱস্থা আছেই।

## পাণৰ ওপৰত কৰ ব্যৱস্থা প্ৰত্যাহাৰ

তামোল-পাণ প্ৰতিজন অসমীয়াৰে ভোগ্য বস্তু। পাণৰ ওপৰত কৰ ব্যৱস্থা আজি যুগ

বুলি ধৰি লৈছে আছে। অসমৰ বাহিৰৰ পৰা বছৰি বহুতো লাখ টকাৰ মিঠাপাতি পাণ আমদানি হয়। আমাৰ ধাৰণা মতে, আজি বহু বছৰ ধৰি এনে পাণ বিক্ৰীৰ ওপৰত থকা কৰ ব্যৱস্থাই চৰকাৰৰ ৰাজহ আদায়ৰ ক্ষেত্ৰত এক বৃহৎ পৰিমাণৰ অৱিহণা যোগাই আছে। এনেক্ষেত্ৰত হঠাতে উক্ত সামগ্ৰী কৰমুক্ত সামগ্ৰী বুলি অভিহিত কৰি এচাম ব্যৱসায়ীক উক্ত কৰৰ পৰা অব্যাহতি দিয়া কিমানখিনি সমীচীন হ'ব, চৰকাৰে সেই বিষয়ে পুনৰ বিবেচনা কৰিব বুলি আমি ভাবো।

## চাও আৰু বাৰ্লিৰ ওপৰত কৰ ব্যৱস্থা প্ৰত্যাহাৰ

অনুৰূপভাৱে, চাও আৰু বাৰ্লিৰ ওপৰত কৰ আৰোপ ব্যৱস্থা প্ৰত্যাহাৰ কৰাৰ কোনো যুক্তিযুক্ততা নাই। বাৰ্লি সাধাৰণতে টিনযুক্ত টেমাত বিক্ৰী কৰে আৰু তেনে সামগ্ৰী পুষ্টিকৰ খাদ্য সামগ্ৰীৰে এটা অংশ। এনেক্ষেত্ৰত চৰকাৰে সেই ব্যৱস্থা প্ৰত্যাহাৰ কৰিলে ৰাজহ আদায়ত অশেষ ক্ষতিসাধন কৰিব।

## অসম, ব্যৱসায় বৃত্তি, নিয়োগ আদি কৰ আইনৰ (১৯৪৭) সংশোধনী ব্যৱস্থা

বাজেটত উল্লেখ কৰা হৈছে যে উপৰোক্ত আইনৰ কৰৰ হাৰ সংশোধনী ব্যৱস্থা অহা ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হ'ব আৰু তাৰ দ্বাৰা ৰাজহ আদায়ৰ পৰিমাণ বছৰি পাঁচকোটি টকা বৰ্দ্ধিত হ'ব। এয়া প্ৰকৃততে এটি গঠনমূলক ব্যৱস্থা।

কিন্তু চৰকাৰে যোৱা ১৯৯২ চনৰ সংশোধিত এই আইনখনৰ ত্ৰুটি-বিচ্যুতি সম্বন্ধে সম্পূৰ্ণ এক উদাসীন মনোভাৱ পোষণ কৰি আছে। বিভিন্ন লোকৰ পৰা এই আইনখনৰ ত্ৰুটিপূৰ্ণ দিশ আঙুলিয়াই দিয়া সত্ত্বেও চৰকাৰে পুনৰ সংশোধনৰ কোনো উপযুক্ত ব্যৱস্থা লোৱা নাই। অকল কৰৰ হাৰ বঢ়ালেই নহ'ব, কৰ আদায় ব্যৱস্থাও সুনিশ্চিত কৰিব লাগিব। আইনখনত চাকৰিয়ালসকলৰ পৰা নিয়োগ-কৰ আদায়ত অধিক গুৰুত্ব দিয়া হৈছে। আন আন ক্ষেত্ৰত প্ৰতিবেদন দাখিল, কৰ নিৰ্ধাৰণ প্ৰক্ৰিয়া আৰু ৰাজহৰ সুকলম ব্যৱস্থা সন্নিবিষ্ট কৰা হোৱা নাই। আইনখনত কিছুমান গঠনমূলক ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে যদিও বহুতো ক্ষেত্ৰত পৰস্পৰৰ সংঘৰ্ষ আৰু বিসংগতি লক্ষ্য কৰি অহা হৈছে। এই লেখকে লিখা গ্ৰন্থ 'টেক্স এণ্ড এলাইড ল'জ অব্ দি আসাম প্ৰফেচনছ, ট্ৰেডছ, কলিংছ এণ্ড এমপ্লইমেণ্টছ টেক্স এক্ট (১৯৪৭)'ত এই বিষয়ে সকলো কথা বিশদভাৱে আলোচনা কৰা হৈছে। যদিও এই আইন এতিয়া চৰকাৰী বিষয়া, ব্যৱসায়ী আদি সকলোৱে ব্যৱহাৰ কৰি আছে, কিন্তু ইয়াৰ ত্ৰুটিপূৰ্ণ দিশসমূহ সংশোধনৰ কাৰণে চৰকাৰে কোনো ব্যৱস্থা লোৱা নাই। এয়া প্ৰকৃততে পৰিতাপৰ বিষয়।

## দ্বিতীয় সংস্কাৰ কমিটিৰ প্ৰতিবেদনত উল্লেখিত গঠনমূলক পৰামৰ্শসমূহৰ বাস্তৱ ৰূপায়ণৰ ক্ষেত্ৰত চৰকাৰৰ আগ্ৰহৰ অভাৱ

দ্বিতীয় সংস্কাৰ কমিটিৰ প্ৰতিবেদনত ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত বহুতো গঠনমূলক পৰামৰ্শৰ কথা সন্নিবিষ্ট কৰা হৈছে। বাজেটত মাথোন চাউল, আটা, দালিৰ ওপৰত কৰ আৰোপ ব্যৱস্থা লোৱা বুলি উল্লেখ কৰিছে। আনহাতে, চৰকাৰে কৰ প্ৰশাসনৰ সংস্কাৰৰ

সম্বন্ধে ব্যৱস্থা লোৱা হ'ব বুলি উল্লেখ কৰিছে। বিত্তীয় সংস্কাৰ কমিটীৰ প্ৰতিবেদনত ক্ষেত্ৰ জৰীপ, কৰ নিৰ্ধাৰণ, কৰ আদায়, কৰ ফাঁকি প্ৰতিৰোধ, আভ্যন্তৰীণ হিচাপ পৰীক্ষণ আদিৰ সংস্কাৰ আৰু উন্নতমানৰ ব্যৱস্থা লোৱা সম্বন্ধে বিশদ পৰামৰ্শ আগবঢ়োৱা হৈছে। যদিও বাজেটখনত তেনে কোনো স্পষ্টীকৰণ দিয়া হোৱা নাই, আমি ভাবো যে তেনে প্ৰস্তাৱিত সংস্কাৰ ব্যৱস্থাত উপৰোক্ত পৰামৰ্শাৱলীৰ কাৰ্যকৰী ব্যৱস্থা লোৱা হ'ব।

আমি বহুবাৰ উল্লেখ কৰিছো যে কৰ ফাঁকিৰ মূল উৎস হৈছে পৰীক্ষণচকীসমূহ। যেতিয়ালৈকে এইবোৰৰ কাৰ্যপদ্ধতি আৰু কাৰ্যক্ৰম উন্নত কৰা নাযায় কৰ ফাঁকি প্ৰতিৰোধ ব্যৱস্থা কাৰ্যকৰী হোৱা সম্ভৱ নহয়। বিত্তীয় সংস্কাৰ কমিটীয়ে এইক্ষেত্ৰত বিশেষ অধ্যয়ন, পৰীক্ষা আদিৰ বিষয়ে এটি উচ্চক্ষমতাসম্পন্ন কমিটী গঠনৰ পৰামৰ্শ আগবঢ়াইছে। এই বিষয়ে কোনো বিহিত ব্যৱস্থা লোৱা হ'ব বুলি বাজেটখনত উল্লেখ কৰা হোৱা নাই। গতিকে, কৰ ফাঁকি প্ৰতিৰোধ ব্যৱস্থা কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত চৰকাৰৰ কিমানখিনি সদিচ্ছা আছে সেই বিষয়ে আমি কোনো মতামত দিয়া সম্ভৱ নহয়।

বিত্তীয় সংস্কাৰ কমিটীৰ ১৯২ পৃষ্ঠাৰ প্ৰতিবেদনত অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব দিয়া হৈছে। বিভিন্ন সদস্যই লোৱা মুঠ ১১৩ টা বৈঠকৰ অন্তত এক ঐকমত্য প্ৰতিবেদনত প্ৰতিফলিত হৈছে। কিন্তু তলত দিয়া বিষয়সমূহৰ কাৰ্যকৰী ব্যৱস্থা সম্বন্ধে বাজেটখনত কোনো উল্লেখ নাই।

নাৰ্চিংহোম আৰু অতিথিশালাসমূহত ৰোগীক প্ৰদান কৰা বাসস্থান, সেৱা আৰু বিলাস প্ৰদানৰ সুবিধাৰ কাৰণে 'দ্য আসাম টেক্স অন্ (হোটেল এণ্ড লোজিং হাউছেছ) এক্ট (১৯৮৯)' মতে দায়বদ্ধ কৰাৰ ব্যৱস্থা লোৱা হোৱা নাই। প্ৰতিজন ৰোগীৰ পৰা এক বৃহৎ পৰিমাণৰ নথিভুক্ত আৰু অনথিভুক্ত ধন আদায় কৰিও কোনোক্ৰমেও উক্ত প্ৰতিষ্ঠানসমূহে চৰকাৰৰ এনে ৰাজহৰ দায়বদ্ধতাৰ পৰা অব্যাহতি পাই থকা কথা অতি আচৰিত। ইয়াত কাৰ স্বাৰ্থ জড়িত আছে?

### প্ৰতিৰক্ষা বিভাগৰ নন-কমিছনড্ বিষয়াসকলৰ কৰ ৰেহাই ব্যৱস্থা

কমিটীয়ে নন-কমিছনড্ বিষয়া (প্ৰতিৰক্ষা বিভাগৰ) কৰ ৰেহাই ব্যৱস্থাৰ সম্ভাব্য অপব্যৱহাৰ সম্বন্ধে আশংকা প্ৰকাশ কৰি বিহিত ব্যৱস্থা ল'বলৈ পৰামৰ্শ আগবঢ়াইছে। আনহাতে, ভ্ৰাম্যমান চিনেমা হলসমূহৰ ওপৰত নিৰূপিত একগোট কৰ ৫০০০ টকাৰ পৰিমাণ ২০,০০০ টকালৈ বৃদ্ধি কৰাৰ পৰামৰ্শও প্ৰতিবেদনত অন্তৰ্ভুক্ত কৰিছে।

কিন্তু বাজেটত সেইবোৰৰ কাৰ্যকৰী ব্যৱস্থা লোৱা বিষয়ৰ কোনো উল্লেখ নাই।

### বিদ্যুৎকৰ ৰেহাই ব্যৱস্থা

কমিটীয়ে বিদ্যুৎ কৰ সংশোধন ব্যৱস্থা বৰ্তমান ক্ষেত্ৰত বৃহৎ উদ্যোগসমূহকহে উপকৃত কৰিছে বুলি অভিমত প্ৰকাশ কৰিছে। এইক্ষেত্ৰত ওলোটা ব্যৱস্থা লৈ ক্ষুদ্ৰ উদ্যোগসমূহ উপকৃত কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। কিন্তু বাজেটত সেই সম্বন্ধে চৰকাৰৰ কোনো দৃষ্টিভংগীৰ কথা উল্লেখ নাই।

## কৃষি আয়কৰ

কৃষি আয়কৰ পদ্ধতিৰ সংশোধন ব্যৱস্থা বৰ্তমান প্ৰৱৰ্তিত কৃষি আয়কৰ নিৰ্ধাৰণ ব্যৱস্থা ৰাজ্যখনৰ স্বাৰ্থৰ পৰিপন্থী। 'দ্য আসাম এগ্ৰিকালচাৰেল ইনকাম টেক্স এক্ট (১৯৩৯)' কৰ যদিও সাংবিধানিক ভিত্তিত প্ৰণোদিত এখন স্বতন্ত্ৰ আইন, কিন্তু ইয়াৰ কাৰ্যক্ৰম 'দ্য ইণ্ডিয়ান ইনকাম টেক্স এক্ট (১৯৬১)'এ নিয়ন্ত্ৰণ কৰি আছে। অকল চাহৰ উৎপাদনৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে শতকৰা ৪০ ভাগ আয়ৰ ওপৰত কৰ আদায় কৰি আৰু আয়কৰ কৰ্তৃপক্ষই নিৰ্ধাৰণ কৰি দিয়া বাকী ৬০ ভাগ আয়ৰ ওপৰতহে ৰাজ্য চৰকাৰে কৰ নিৰ্ধাৰণ কৰে। আন উৎপাদিত সামগ্ৰীৰ ওপৰত ভেনেধৰণৰ ব্যৱস্থা অৱলম্বন কৰা নাই। এই ব্যৱস্থা প্ৰকৃততে বৈষম্যমূলক। কমিটীয়ে এই বিষয়ত সংশোধনী ব্যৱস্থাৰ কাৰণে বিহিত ব্যৱস্থা ল'বলৈ ৰাজ্য চৰকাৰলৈ পৰামৰ্শ আগবঢ়াইছে।

কিন্তু বাজেটত সেই সকলোবোৰ পৰামৰ্শৰ কাৰ্যকৰী ব্যৱস্থা সম্বন্ধে কোনো উল্লেখ নাই।

## শোধানাগাৰৰ পৰা পাবলগীয়া ৫০০ কোটি টকাৰ কৰ

বিভিন্ন সংবাদ মাধ্যমযোগে এই লেখকে অসমৰ শোধানাগাৰ দুটাৰ পৰা পাবলগীয়া কৰ সম্বন্ধে উল্লেখ কৰি আহিছে।

সম্প্ৰতি বঙাইগাঁও বিফাইনাৰী এণ্ড পেট্ৰোকেমিকেলছৰ বিষয়টো ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ বিচাৰাধীন হৈ আছে। আনহাতে অনুৰূপভাৱে ইণ্ডিয়ান অয়েল কৰ্পৰেচন লিমিটেডৰ পৰা ৫০০ কোটিমান টকা পোৱা যাব বুলি কমিটীৰ প্ৰতিবেদনত উল্লেখ কৰা হৈছে। কমিটীয়ে ৰাজ্য চৰকাৰক এই বিষয়ে অতি তৎপৰতাৰে ব্যৱস্থা ল'বলৈ পৰামৰ্শ আগবঢ়াইছে।

## অসমৰ চাহপাত অইন ৰাজ্যলৈ বিক্ৰীৰ বাবে স্থানান্তৰ কৰা প্ৰক্ৰিয়া

অসমৰ চাহপাত অইন ৰাজ্যলৈ বিক্ৰীৰ বাবে স্থানান্তৰ কৰা প্ৰক্ৰিয়া বহুতো ক্ষেত্ৰত এক ভুৱা ব্যৱস্থা বুলি প্ৰতিপন্ন হৈছে। প্ৰকৃততে তেনে স্থানান্তৰ বহুত ক্ষেত্ৰত আন্তঃৰাজ্যিক বিক্ৰীৰ পৰিপ্ৰেক্ষিতত সম্পন্ন হোৱা বুলি প্ৰমাণিত হৈছে। কমিটীয়ে এইক্ষেত্ৰত বিহিত ব্যৱস্থা ল'বলৈ চুপাৰিছ কৰিছে।

আমি ভাবো যে চৰকাৰে এই বিষয়ে উপযুক্ত কাৰ্যপদ্ধতি যুগুত কৰি তাৰ কাৰ্যকৰী ব্যৱস্থা ল'বলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিয়োজিত কৰিব।

## ইটাভাটাৰ ওপৰত একগোট কৰ আৰোপ ব্যৱস্থা

অসমৰ কৰ আয়ুক্তই ইটাৰ বিক্ৰীৰ ওপৰত বিক্ৰী কৰ আদায়ৰ সলনি ইটাভাটাৰ মালিকসকলক একগোট কৰ আৰোপ ব্যৱস্থা যোৱা ১৯৯৭ চনৰ পৰা প্ৰৱৰ্তন কৰিছে। এনে কৰৰ পৰিমাণ প্ৰকৃততে দিবলগীয়া কৰৰ আধাতকৈও কম বুলিয়ে অনুমান হয়। ফলত এই চাৰিবছৰে চৰকাৰে কমেও ২০ কোটি টকা কৰ কম আদায় পাইছে বুলি আমাৰ বিশ্বাস।

এনে ব্যৱস্থাই যে ৰাজহ আদায়ৰ ক্ষেত্ৰত উপযুক্ত সঁহাৰি পোৱা নাই কমিটীৰ দৃষ্টিভংগীৰ

পৰা উপলব্ধি কৰিব পাৰি।

এনে জনস্বাৰ্থহীন ব্যৱস্থা অচিৰেতে প্ৰত্যাহাৰ কৰি পূৰ্ব ব্যৱস্থা কাৰ্যকৰী কৰি কৰ নিৰ্ধাৰণ আৰু আদায়ৰ উপযুক্ত ব্যৱস্থা ল'লে ৰাজ্যখনৰ ৰাজহৰ উন্নতি সাধন হ'ব।

আমাৰ এই প্ৰবন্ধত আমি অসম বাজেটৰ বহুতো বিসংগতিপূৰ্ণ দিশ আলোচা কৰিলো। লগতে চৰকাৰে যে অসমৰ স্থিতিশীল সম্পদ গতিশীল কৰিবলৈ কোনো প্ৰচেষ্টা লোৱা নাই সেই বিষয়ে এটি ছবি দাঙি ধৰিলে।

আমি ভাবো যে বাজেট অনুমোদনৰ কাৰণে কৰা আলোচনাত আমাৰ দৃষ্টিভংগী যথাযথভাৱে বিবেচিত হ'ব।

আমাৰ অসম

১৮/৩/২০০২

# অসমৰ বিত্তীয় সংকট

অসমৰ একাংশ বিষয়া-কৰ্মচাৰীসকলে যোৱা অক্টোবৰ মাহৰ দৰমহা আজিও পোৱা নাই। সংবাদ মাধ্যমযোগে প্ৰকাশ পোৱা মতে ২০ নৱেম্বৰৰ আগতে দৰমহা পোৱাৰ আশা অতি ক্ষীণ। এনে ক্ষেত্ৰত বিষয়া-কৰ্মচাৰীসকলৰ মনত নৈৰাশ্য বৃদ্ধি হোৱা স্বাভাৱিক কথা। ফলত, তেওঁলোকৰ উৎসাহ-উদ্দীপনা স্তিমিত হৈছে, কামৰ মনোভাৱ হ্ৰাস পাই আহিছে। আন্দোলন-কাৰ্যত লিপ্ত হ'লে আচৰিত হ'বলগীয়া একো নাই। পূৰ্বৰ চৰকাৰে অকংগ্ৰেছী চৰকাৰসমূহৰ লগত কিছু সু-সম্বন্ধ আৰু সমন্বয় ৰক্ষা কৰি সুবিধা আদায় কৰিছিল, কিন্তু বৰ্তমান চৰকাৰে এই বিষয়ে কোনো কৃতকাৰ্যতা লাভ কৰিবলৈ সক্ষম হোৱা নাই যদিও মুখ্য মন্ত্ৰী তৰুণ গগৈয়ে বাৰে বাৰে দিল্লীলৈ গৈ আছে আৰু কেন্দ্ৰীয় নেতৃবৃন্দক লগ ধৰি আছে।

দিল্লী মছনদত অধিষ্ঠিত শাসনকৰ্তাসকলে অসমখনৰ স্বাৰ্থ ৰক্ষা নাইবা অসমৰ ৰাইজৰ উন্নতিৰ কাৰণে আগ্ৰহী নহয় - এই কথা স্বাধীনতা লাভৰ পিছৰে পৰাই লক্ষ্য কৰি অহা হৈছে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ ভিন ভিন দলৰ হ'ব পাৰে, ৰাজনৈতিক আদৰ্শত অমিল থাকিব পাৰে, কোনো মতানৈক্য থাকিব পাৰে। কিন্তু দেশখনৰ স্বাৰ্থ-সংহতি ৰক্ষাৰ ক্ষেত্ৰত কোনো বৈষম্যপূৰ্ণ আচৰণ থাকিব নালাগে। কাৰণ অসমৰ কিবা সমস্যা হ'লে সেয়া অসমতে সীমাবদ্ধ থাকিব নালাগে — সেয়া সৰ্বভাৰতীয় সমস্যা বুলিহে গণ্য কৰিব লাগে। আজি যদি বিত্তীয় অস্থিৰতাৰ সুযোগ লৈ কূটাঘাতমূলক কাৰ্যৰ বিস্তৃতি লাভ কৰে বা কিবা আইন-শৃংখলাৰ চৰম অৱনতি ঘটে, তেন্তে ৰাজ্যখনৰ অৱস্থা কি হ'ব? অসমৰ ৰাইজৰ সম্ভাব্য দুৰ্গতি সম্বন্ধে কেন্দ্ৰীয় চৰকাৰে উপলব্ধি কৰিবনে? অসমৰ ৰাইজ সহজ-সৰল আৰু অতি নিৰীহ প্ৰকৃতিৰ। এই সদগুণৰ সুযোগ লৈয়ে, তেওঁলোক সকলো দিশৰ পৰা বঞ্চিত হৈ আছে, বৈষম্যমূলক আচৰণ পাই আছে।

আজি প্ৰায় এক দশক কাল ধৰি অসমত অভূতপূৰ্ব অৰ্থ-সংকটে দেখা দিছে। বৰ্তমানে সেই অৱস্থা চৰম সীমাত উপনীত হৈছে। অসমত অঘোষিত বিত্তীয় অস্থিৰতাই দেখা দিছে। সংকটমোচনৰ চিন্তাই প্ৰশাসনক ব্যাকুল কৰি তুলিছে। কেউদিশে বিভ্ৰান্ত মনোভাৱৰ সৃষ্টি হৈছে। ৰাজ্য চৰকাৰখন এক অগ্নি-পৰীক্ষাৰ সন্মুখীন হৈছে। কাৰণ প্ৰশাসনত তিষ্ঠি থাকিবলৈ হ'লে প্ৰথম আৰু প্ৰধান কৰ্তব্য হ'ল — প্ৰবল বিত্তীয় সংকটৰ পৰা ৰাজ্যখনক মুক্ত কৰা। ইয়াৰ অন্যথাই কেৱল বিষয়া-কৰ্মচাৰীয়ে নহয়, ৰাইজৰ পৰাও চৰকাৰে আস্থা হেৰুৱাব লাগিব। ইয়াৰ প্ৰাথমিক প্ৰক্ৰিয়া হিচাপে ৰাজ্য চৰকাৰে এখন বিত্ত সংস্কাৰ কমিটী গঠন কৰি দিছে। তেওঁলোকে ইতিমধ্যে সকলো দিশ অধ্যয়ন কৰিছে আৰু উপযুক্ত পৰ্যালোচনাৰ পৰিপ্ৰেক্ষিতত প্ৰতিবেদন দাখিল কৰিব। কিন্তু সেই সংস্কাৰ ব্যৱস্থা যদি তৎপৰতাৰে লোৱা নহয় আৰু তেনে পৰামৰ্শ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত ৰাজনৈতিক স্বাৰ্থত কোনো ধৰণে জড়িত হয়, তেনেহ'লে সেয়া এক নিষ্ফল বুদ্ধি-ব্যায়াম বুলিহে পৰিগণিত হ'ব।

অলপতে মুখ্য মন্ত্ৰীয়ে মুম্বাইলৈ গৈ মহাৰাষ্ট্ৰ চৰকাৰে সংকটপূৰ্ণ বিত্তীয় অৱস্থাৰ উন্নতি ঘটোৱাৰ পৰিপ্ৰেক্ষিতত কি ব্যৱস্থা লৈছিল অধ্যয়ন কৰি আহিছে। অচিৰে আন দুখন ৰাজ্যলৈয়ো যোৱাৰ কথা। কিন্তু অসমৰ এই প্ৰবল বিত্তীয় সংকটত পৰিবেষ্টিত হৈ থকা অৱস্থাত এনে ভ্ৰমণৰ কি প্ৰয়োজন আছিল? আয়ুক্ত বা সচিব পৰ্যায়ৰ এজন বিষয়াৰ দ্বাৰাও তেনে অধ্যয়ন সম্ভৱ আছিল। যি কি নহওক, এই বিষয়ে প্ৰয়োজনীয় কাৰ্যকৰী ব্যৱস্থা লোৱাৰ ক্ষেত্ৰত ৰাইজে অধিক আগ্ৰহেৰে বাট চাই আছে। যোৱা ৩-১১-২০০১ তাৰিখে মুখ্য মন্ত্ৰীয়ে অসমৰ কৰ, আবকাৰী আৰু পৰিবহন বিষয়াসকলৰ এখন যুটীয়া সভাত ভাষণ দি অসমৰ শোচনীয় বিত্তীয় সংকটৰ পৰিপ্ৰেক্ষিতত ৰাজহ আদায়ত গুৰুত্ব দিবলৈ বিষয়াসকলক অনুৰোধ জনাইছিল — যাতে এই সংকটপূৰ্ণ অৱস্থাৰ যথাযথ প্ৰত্যাহ্বান দিব পৰা যায় আৰু ৰাজহ আদায় উন্নত হয়।

অসমত কৰ-ৰাজহ আদায় তলত দিয়া ধৰণৰ —

১৯৯২-১৯৯৩ — ৪৪৮.০৪ কোটি টকা

১৯৯৩-১৯৯৪ — ৫২৩.৭৪ কোটি টকা

১৯৯৪-১৯৯৫ — ৫২৪.৬৬ কোটি টকা

১৯৯৫-১৯৯৬ — ৫৯০.৭৫ কোটি টকা

১৯৯৬-১৯৯৭ — ৬৩২.১৪ কোটি টকা

১৯৯৭-১৯৯৮ — ৭০৮.৮৩ কোটি টকা

১৯৯৮-১৯৯৯ — ৭৮৪.৯৬ কোটি টকা

১৯৯৯-২০০০ — ৯৪৯.৭০ কোটি টকা

২০০০-২০০১ — ১১৩৮.২৩ কোটি টকা

১৯৯৩-৯৪, ১৯৯৯-২০০০, আৰু ২০০০-২০০১ চনৰ অভিলেখ কৰ বৃদ্ধিৰ কাৰণ হ'ল — (১) দ্য আছাম জেনেৰেল চেল্ছ টেক্স এক্ট (১৯৯৩) প্ৰৱৰ্তনৰ পলত নতুন কৰ ব্যৱস্থাৰ পৰিপ্ৰেক্ষিত, (২) ১৯৯০ চনত প্ৰণয়ন কৰা দ্য আছাম টেক্সেশ্যন অন স্পেচিফাইড ল্যাণ্ড এক্টৰ অধীনত কেঁচা চাহপাতৰ উৎপাদনৰ ভিত্তিত চাহ বাগিচাৰ মাটিৰ ওপৰত কৰ ব্যৱস্থা কাৰ্যকৰী কৰি তোলা ব্যৱস্থা, (৩) দ্য আছাম টেক্স অন লাক্সুৰী এক্ট (১৯৯৭) কাৰ্যকৰী কৰা, (৪) উত্তৰ-পূৰ্বাঞ্চলত ধঁপাতজাত সামগ্ৰী উৎপাদনৰ পৰিপ্ৰেক্ষিতত তেনে উৎপাদিত মজুত সামগ্ৰীৰ ওপৰত কৰ আৰোপ আৰু আদায়ৰ ব্যৱস্থা লোৱা, (৫) খনিজ তেল কৰমুক্ত সামগ্ৰীৰ ওপৰত কৰ আৰোপ আৰু আদায়ৰ ব্যৱস্থা লোৱা, (৬) খনিজ সামগ্ৰীৰ ওপৰত কৰৰ হাৰ বৃদ্ধি কৰা। আনহাতে, ব্যৱসায়ৰ কলেৱৰো ক্ৰমাৎ বৃদ্ধি আৰু কৰ বিষয়াসকলৰ প্ৰচেষ্টাও এইক্ষেত্ৰত লেখত ল'বলগীয়া।

সংবাদ মাধ্যমযোগে প্ৰকাশ পাইছে যে ২০০০-২০০১ চনৰ কৰ আদায়ৰ নিৰিখ ১২৮০ কোটি টকা ধাৰ্য কৰা হৈছিল। সম্প্ৰতি জানিব পৰা গৈছে যে সেই আদায়ৰ নিৰিখ ১৬০০ কোটি টকালৈ বৰ্ধিত কৰা হৈছে। তাৰেই ২০ কোটি টকা কৰ পৰিদৰ্শকসকলে আচুতীয়াভাৱে ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ পৰা নিৰ্ধাৰিত বছৰি ২০০০ টকা হাৰে আদায় কৰিব লগীয়া বুলি কোৱা হৈছে। এই বিষয়ে লোৱা ব্যৱস্থা কৰ বিভাগৰ আভ্যন্তৰীণ কথা। কিন্তু বাহিৰৰ জনকন পৰা কৰ

আদায় পদ্ধতি আৰু আন আন আনুষংগিক বিষয় আলোচনা কৰা প্ৰয়োজন।

যোৱা ৯-১১-২০০১ তাৰিখে সংবাদ মাধ্যমযোগে প্ৰকাশ হৈছে যে অসম চৰকাৰৰ মাহিলি আয় ৪০০ কোটি টকা আৰু ব্যয় ৫৬০ কোটি টকা। অৰ্থাৎ মাহেক ঘাটিৰ পৰিমাণ ১৬০ কোটি টকা। এই কথাও প্ৰকাশ পাইছে যে চৰকাৰৰ বৰ্তমানৰ ধাৰ হৈছে [illegible] কোটি টকা। সংবাদ মাধ্যমৰ মতে, কেন্দ্ৰৰ পৰা ধাৰ অনুদানৰ শতকৰা ১১ শতাংশ কেন্দ্ৰীয় চৰকাৰে পূৰ্বৰ ধাৰ আদায়ৰ কাৰণে উৎসতে কাটি লয়। (আমাৰ অসম, ৯-১১-২০০১) [illegible] বিত্তীয় অৱস্থা কিদৰে উন্নত হ'ব? চৰকাৰৰ হাতত তো আলাদীনৰ চাকি নাই যে যাদুৰে সেই ঘাটি টকা পৰিপূৰণ কৰিব।

এনেক্ষেত্ৰত ৰাজহ আদায়ৰ নিৰিখ বৰ্ধিত কৰা অতি স্বাভাৱিক কথা। কিন্তু তেনে আদায় আইনৰ গণ্ডীৰ ভিতৰতহে অতি শৃংখলাপূৰ্ণভাৱে, নিষ্ঠাৰে কৰিব লাগিব, কোনো বল প্ৰয়োগ বা আতিশয্যৰে নহয়। এইক্ষেত্ৰত কোনো অশান্তি বা সংঘাতৰ সৃষ্টি নকৰি কৰ বিভাগসমূহে কৰদাতাসকলৰ লগত সমন্বয় ৰক্ষা কৰি আগবঢ়াহে সমীচীন হ'ব। প্ৰতিজন কৰদাতাক এই বিষয়ে নিজৰ নিজৰ দায়িত্ব আৰু দায়বদ্ধতা সম্বন্ধে সচেতন কৰি এই কৰ আদায় প্ৰক্ৰিয়াত জড়িত কৰিলে অধিক সুফল পোৱা যাব। অৱশ্যে কোনো কৰদাতাৰ প্ৰতাৰণাপূৰ্ণ মনোভাৱৰ ওপৰত নতি স্বীকাৰ কৰি কোনো আপোচমূলক ব্যৱস্থা লোৱাও সমীচীন নহ'ব। তেনেক্ষেত্ৰত আইনগত ব্যৱস্থা লোৱাহে প্ৰয়োজনীয় হ'ব। এই কথা কোনেও অস্বীকাৰ নকৰিব যে একাংশ অসৎ ব্যৱসায়ীয়ে হিচাপ-বহিৰ্ভূতভাৱে বহুতো সামগ্ৰী আমদানি আৰু ৰপ্তানি কৰি তেনে সামগ্ৰীৰ বিক্ৰী-মূল্যৰ ওপৰত কৰ ফাঁকি দিয়ে। এই কথাও সমভাৱে অৱগত যে পৰীক্ষণ চকী, পৰিবহণকাৰী আৰু কোনো কৰ্তৃপক্ষৰ সহযোগত তেনে কৰ ফাঁকি প্ৰক্ৰিয়া কাৰ্যকৰী কৰা সম্ভৱ। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে কৰ পৰীক্ষণ চকীসমূহত ৰাজনৈতিক নেতাৰ প্ৰভাৱ, উগ্ৰপন্থীৰ প্ৰভাৱ আৰু কিছু প্ৰশাসনীয় বিষয়াৰ প্ৰভাৱ বিদ্যমান। তেওঁলোকৰ এনে সহযোগ একপক্ষীয় নহয় — ইয়াত বিভিন্ন মহলৰ অন্তৰ্নিহিত স্বাৰ্থ জড়িত হৈ আছে। যদি কৰ পৰীক্ষণ চকীসমূহে ৰাজ্যখনৰ প্ৰবল বিত্তীয় সংকটৰ গুৰুত্ব উপলব্ধি কৰি আৰু সুধী সমাজৰ অনুৰোধৰ প্ৰতি শ্ৰদ্ধা আৰু সঁহাৰি জনাই তেনে কৰ ফাঁকি প্ৰক্ৰিয়াৰ পৰা নিৰ্লিপ্ত থাকে আৰু তেনে কাৰ্য প্ৰতিৰোধৰ কাৰণে উপযুক্ত ব্যৱস্থা লয়, আমি ভাবো যে ৰাজ্যখনৰ অৰ্থনৈতিক দিশত বহুতো উন্নতি লাভ হ'ব। অনুৰূপভাৱে গুৱাহাটী আৰু আন আন বাণিজ্যিক গুৰুত্বপূৰ্ণ নগৰসমূহৰ ব্যৱসায়ীসকলৰ ব্যৱসায় প্ৰতিষ্ঠান, গুদাম আদি মাজে সময়ে পৰিদৰ্শন কৰি আসোঁৱাহ, ত্ৰুটি আৰু কৰ ফাঁকি প্ৰক্ৰিয়া ধৰা পেলালে চৰকাৰ ৰাজহ লাভৱান হ'ব বুলি আমাৰ বিশ্বাস। কিন্তু এনে কাৰ্যত সততা, দক্ষতা আৰু নিষ্ঠাৰ অতি প্ৰয়োজন।

আমাৰ দৃঢ় বিশ্বাস যে ইটা, চুণাৰী, কয়লা, মৰাপাট আদিৰ আদায়ত কৰ/একচাইজ কৰ, ভূমি কৰ আদি ক্ষেত্ৰত যথেষ্ট আসোঁৱাহ আছে। কৰ নিৰ্ধাৰণ পদ্ধতিও আমাৰ বিবেচনাত অতি নিম্নমানৰ হৈ আছে। আদায়ত বল আদায় কৰিও তাতে এক সুকীয়া অংশ কৰ্মচাৰীৰ সুবিধা নিজৰ ব্যৱস্থা কৰি ধৰা হয়। এইক্ষেত্ৰত আমি বিভাগীয় মুখ্যাধিকাৰীৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ। তেখেতে এনে আসোঁৱাহপূৰ্ণ ব্যৱস্থাৰ সংস্কাৰ সাধন কৰিবলৈ সমৰ্থ হ'ব বুলি আমাৰ বিশ্বাস।

এই প্ৰসঙ্গত উল্লেখ কৰা সমীচীন হ'ব যে 'দ্য আছাম এণ্ট্ৰি টেক্স এক্ট' (২০০১)' যোৱা ১-১০-২০০১ তাৰিখৰ পৰা বলবৎ হৈছিল। সংবিধানপ্ৰদত্ত এনে এক কৰ ব্যৱস্থা লোৱাৰ কাৰণে এই লিখকে প্ৰবন্ধপাতিৰ জৰিয়তে যোৱা ৬-১১-১৯৯৭, ১৯-১-১৯৯৮ তাৰিখে আৰু আন বহুতো সময়ত পৰামৰ্শ আগবঢ়াইছিল। কিন্তু আমাৰ বিবেচনা মতে আইনখন অতি ত্ৰুটিপূৰ্ণ আৰু এইখন ৰাজহৰ স্বাৰ্থ কিমানখিনি সুৰক্ষা দিব সেয়া এক বিচাৰ্যৰ বিষয়। আইনখনত প্ৰণয়ন কৰা দীৰ্ঘম্যাদী ব্যৱস্থাৰ ফলত এচাম কৰদাতাই কৰ ফাঁকি দিয়াৰ সুবিধা পাব আৰু চৰকাৰৰ দায়বদ্ধতাহে ক্ৰমাৎ বাঢ়িব। এই লিখকে 'দ্য আছাম এণ্ট্ৰি টেক্স এক্ট - ২০০১ এন অভাৰ ভিউ' (অইলফিল্ড টাইমছ' ২৫-৪-২০০১) আৰু 'প্ৰবেশ কৰ ব্যৱস্থা আইনৰ কিছু বিসংগতিপূৰ্ণ দিশ' (অসমীয়া প্ৰতিদিন', ১৮-৬-২০০১) প্ৰবন্ধৰ জৰিয়তে তেনে ত্ৰুটি-বিচ্যুতিৰ কথা আলোচনা কৰিছিল।

ভাৰতীয় তেল নিগমে পেট্ৰ'ল আৰু পেট্ৰ'লিয়াম সামগ্ৰীৰ দ্বিতীয় স্তৰৰ বিক্ৰীৰ ওপৰত গ্ৰাহকসকলৰ পৰা কৰ্তৃত্ববিহীনভাৱে কৰ আদায় কৰি উক্ত কৰ অসমৰ ৰাজকোষত আদায় নিদি কেন্দ্ৰীয় চৰকাৰৰ 'অইল পুল একাউণ্টত' স্থানান্তৰ কৰিছিল। উক্ত সংস্থাও কৰ্তৃত্ববিহীনভাৱে তেনে কৰ নিজ হিচাপত জমা ৰাখি অসমক ন্যায্যপ্ৰাপ্তিৰ পৰা বঞ্চিত কৰিছিল। এই প্ৰবন্ধ লিখকে পোনতে ১৯৯১ চনত ৰাজ্য চৰকাৰক এই কথা দৃষ্টিগোচৰ কৰিছিল। পৰৱৰ্তী কালত বিভিন্ন প্ৰবন্ধৰ জৰিয়তে এই কথা দৃষ্টি আকৰ্ষণ কৰাৰ পৰিপ্ৰেক্ষিতত সম্প্ৰতি উক্ত টকাৰ (অনুমান ৪০০ কোটি) দাবী উত্থাপন কৰি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰা বুলি জানিব পৰা গৈছে। সংশ্লিষ্ট বিষয়াসকলে নথি-পত্ৰৰ ভিত্তিত যোৱা ২৪-৯-৮২ তাৰিখ পৰা পাবলগীয়া উক্ত টকা ইমানদিনে আদায় কৰিবলৈ কিয় ব্যৱস্থা লোৱা নাছিল সেয়া এক আচৰিত কথা। যি কি নহওক, উক্ত টকাখিনি আদায় হ'লে অসমৰ অৰ্থনৈতিক অৱস্থাৰ যথেষ্ট উন্নতি সাধন হ'ব।

চাহপাতৰ ওপৰত বিভিন্ন কৰ ৰেহাই ব্যৱস্থা প্ৰত্যাহাৰৰ বাবে আৰু তেনে চাহপাতৰ অবৈধ 'স্থানান্তৰৰ দাবী'সমূহৰ প্ৰতিৰোধ ব্যৱস্থাৰ কাৰণে এই লিখকে চৰকাৰক বিভিন্ন ধৰণে অৱগত কৰি আছে। এনে ধৰণৰ প্ৰক্ৰিয়াৰ কাৰ্যকৰী ব্যৱস্থা ল'লে চৰকাৰৰ 'ৰাজহ আদায়ৰ অশেষ উন্নতি সাধন হ'ব বুলি আমাৰ দৃঢ় বিশ্বাস।

এজোন ব্যৱসায়ীৰ কৰ দিয়াৰ দায়িত্ব আৰু দায়বদ্ধতা সম্বন্ধে দ্য আছাম জেনেৰেল ছেল্‌ছ টেক্স এক্টত বিতংভাৱে সন্নিবিষ্ট কৰা হৈছে। কেৱল বিক্ৰী হ'লে কৰ দিয়াৰ প্ৰশ্ন নাহে। কৰৰ দায়বদ্ধতাও থাকিব লাগিব। কোনো ক্ষেত্ৰত দায়বদ্ধতা নোহোৱাকৈ কৰ আৰোপ ব্যৱস্থা ন্যায়সঙ্গত নহয়।

অসমৰ কৰায়ুক্তজনে চি টি এক্স ১১-৯৯/১২ নং ২১-৬-৯৯ তাৰিখৰ এক জাননীযোগে বছৰি ২ লাখ টকাৰ তলত বিক্ৰী কৰা ক্ষুদ্ৰ ব্যৱসায়ীসকলক বছৰি ২ হাজাৰ টকা হিচাপে একমুঠ টকা জমা দিবলৈ এক নিৰ্দেশ জাৰি কৰিছে। আজি ২ বছৰ আগতে জাৰি কৰা উক্ত জাননীখনৰ কাৰ্যকৰীতাই কিমানখিনি ৰাজহ আদায় কৰাত সক্ষম হৈছে সেই তথ্য নথি-পত্ৰইহে ক'ব। সম্প্ৰতি উক্ত কৰ আদায় কৰিবলৈ বিষয়াসকলক দায়িত্ব প্ৰদান কৰিছে আৰু

এই ভাবে চাৰি মাহত তেনে আদায়ৰ নিৰিখ ধাৰ্য কৰিছে ২০ কোটি টকা নিৰ্ধাৰণ কৰিছে। ব্যৱসায়ীয়ে কৰ জমা দিব আৰু কৰ কৰ্তৃপক্ষই আদায় ল'ব — এই বিষয়ে আমাৰ ক'বলগীয়া নাই। এইক্ষেত্ৰত পাণ দোকানী, সৰু সৰু ষ্টেচনাৰী দোকানসমূহৰ ওপৰতহে কৰ দিয়াৰ দায়িত্ব আৰু দায়বদ্ধতা আহিব। কিন্তু আইনৰ গণ্ডীৰ ভিতৰত তেনে ব্যৱসায়ীয়ে কৰ দিব লাগিব নে নাই, সেয়াও বিচাৰ কৰিব লাগিব। কাৰণ কৰ আইনসমূহ ন্যায়িক ভিত্তিত গঠিত। তেনে ব্যৱসায়ীৰ দায়বদ্ধতা সম্বন্ধে এই লিখকে 'এ লুক ইনটু দ্যা লাম্প ছাম টেক্স অপশ্যন ফৰ স্মল ট্ৰেডাৰ্ছ' প্ৰবন্ধটিত বিতংভাৱে আলোচনা কৰিছে। (অইলফিল্ড টাইমছ' ২২/২৩/-৩-৩-২০০০)। তেনে কৰ আৰোপ আৰু আদায়ৰ ক্ষেত্ৰত কৰ কৰ্তৃপক্ষই ন্যায়িক দিশত গুৰুত্ব আৰোপ কৰা সমীচীন হ'ব। চৰকাৰৰ ৰাজহ আদায়ৰ দোহাই দি ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ পৰা দায়বদ্ধতা নথকা সত্ত্বেও যাতে কৰ আদায় কৰা নহয়, তাৰ প্ৰতি প্ৰতিজন কৰ বিষয়াই লক্ষ্য ৰখা অতি প্ৰয়োজনীয় হ'ব বুলি আমি অনুভৱ কৰোঁ। উপৰিউক্ত আলোচনাৰ পৰা এই কথাকে আমি ক'ব খোজোঁ যে ৰাজহ আদায়ৰ ক্ষেত্ৰত চৰকাৰৰ নিষ্ঠা আৰু দৃঢ় মনোভাৱৰ অতি প্ৰয়োজন। অকল বাৰে বাৰে মেল-মিটিং কৰি বিষয়াসকলৰ সময় নষ্ট কৰিলে প্ৰকৃত কাম যথাযথভাৱে সুসম্পন্ন কৰিব নোৱাৰাৰ কাৰণে চৰকাৰ আৰু কৰ প্ৰশাসক বিষয়াসকলৰ মনত ভিতৰতহে থাকিব। সকলো প্ৰচেষ্টা আধাবাটতে সমাধিস্থ হ'ব। অসমৰ সৰ্বাংগীন উন্নতিহে আমাৰ কাম্য।

আমাৰ অসম
২৭/১২/২০০১

# বিক্ৰীকৰ হ্ৰাস-ব্যৱস্থাৰ সংশোধন

বিক্ৰীকৰ অসমৰ ৰাজহ আদায়ৰ এটি প্ৰধান উৎস। 'দ্য আছাম জেনেৰেল চেইল্‌ছ্ এ", ১৯৯৩ (বিক্ৰীকৰ আইন)য়ে বিক্ৰীকৰ আৰোপ আৰু আদায় ব্যৱস্থা নিয়ন্ত্ৰণ কৰে। বিভিন্ন সামগ্ৰীৰ ওপৰত কৰ আৰোপ ব্যৱস্থা বিভিন্ন ধৰণৰ। কিছুমান সামগ্ৰীৰ প্ৰথম স্তৰৰ বিক্ৰীৰ ওপৰত, কিছুমান প্ৰথম আৰু শেষ স্তৰৰ বিক্ৰীৰ ওপৰত, কিছুমান অকল শেষ বিক্ৰীৰ ওপৰত কৰ আৰোপ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে। আনহাতে, কোনো ঠিকা আদি কামৰ ক্ষেত্ৰত কোনো সামগ্ৰী হস্তান্তৰ কৰিলে আৰু আৰ্থিক বিবেচনাৰ ভিত্তিত এজনে আন এজনক মালিকত্ব প্ৰদান নকৰি সাময়িকভাৱে ব্যৱহাৰৰ কাৰণে কোনো সামগ্ৰী হস্তান্তৰ কৰিলে, তেনে হস্তান্তৰ প্ৰক্ৰিয়াক বিক্ৰী বুলি গণ্য কৰিবলৈ আইনখনৰ 'বিক্ৰী'ৰ সংজ্ঞাত উল্লেখ কৰা আছে আৰু তেনে হস্তান্তৰ কৰা সামগ্ৰীৰ ওপৰত কৰ আৰোপ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে।

বিভিন্ন সামগ্ৰীৰ বিক্ৰী মূল্যৰ ওপৰত বিভিন্ন হাৰত কৰ আৰোপ ব্যৱস্থা অৱলম্বন কৰা হৈছে। টকাত ২ পইচা হাৰৰ পৰা টকাত ২০ পইচা হাৰলৈকে নিৰ্দ্ধাৰিত সামগ্ৰীৰ ওপৰত নিৰ্দিষ্ট হাৰত কৰ আৰোপ ব্যৱস্থা লোৱা হৈছে। অৱশ্যে শেষ বিক্ৰী, ঠিকা কাম আৰু সাময়িক ব্যৱহাৰৰ কাৰণে হস্তান্তৰ কৰা সামগ্ৰীৰ ক্ষেত্ৰত কৰৰ হাৰ টকাত ৮ পইচা হিচাপে সীমাবদ্ধ ৰখা হৈছে।

অসম চৰকাৰে যোৱা ২৮-৪-৯৮ তাৰিখৰ এক টি এস ১৮৯/৯৩/পি টি/২৫৫ নম্বৰৰ এক বিজ্ঞপ্তিযোগে বিক্ৰীকৰ আইন পঞ্জীভুক্ত কোনো ব্যৱসায়ীয়ে যদি কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰ নাইবা উক্ত চৰকাৰৰ দ্বাৰা পৰিচালিত কোনো প্ৰতিষ্ঠান, নিগম বা উদ্যোগক বিজ্ঞপ্তিত উল্লেখিত কোনো ধৰণৰ সামগ্ৰী যোগান ধৰে বা বিক্ৰী কৰে, তেনে সামগ্ৰীৰ বিক্ৰীমূল্যৰ ওপৰত নিৰ্দ্ধাৰিত কৰৰ হাৰ হ্ৰাস কৰি টকাত ৪ পইচা হাৰে কৰ আদায় দিবলৈ নিৰ্দেশ দিছে। এই বিজ্ঞপ্তিযোগে দিয়া নিৰ্দেশ মতে ক্ৰেতাসকলে 'বি' ফৰ্মত দিয়া এক ঘোষণা পত্ৰ মতে তেনে হ্ৰাস কৰযুক্ত সামগ্ৰীসমূহ ক্ৰয় কৰিব পাৰে।

বিজ্ঞপ্তিখনত উল্লেখ কৰা উক্ত কৰ হ্ৰাস ব্যৱস্থা সম্বন্ধে কিছু প্ৰাসংগিক কথা আলোচনা কৰা সংগত হ'ব বুলি অনুভৱ কৰো —

১। বিক্ৰীকৰ আইনৰ যি ধাৰা প্ৰয়োগ কৰি এনে কৰ হ্ৰাস ব্যৱস্থাৰ প্ৰৱৰ্তন কৰা হৈছে, প্ৰকৃততে তেনে হ্ৰাস ব্যৱস্থা তলত দিয়া ক্ষেত্ৰতহে প্ৰযোজ্য।

(ক) কোনো পৰৱৰ্তী ব্যৱসায়ীয়ে কৰা কোনো নিৰ্দ্ধাৰিত বা সকলো বিক্ৰীৰ ক্ষেত্ৰত তেনে কৰ ৰেহাই বা হ্ৰাস ব্যৱস্থা ;

(খ) কোনো নিৰ্দিষ্ট শ্ৰেণীৰ লোকক কোনো নিৰ্দ্ধাৰিত বা সকলো বিক্ৰী-মূল্যৰ ওপৰত কৰৰ ৰেহাই বা হ্ৰাস ব্যৱস্থা ;

আইনৰ এনে ব্যৱস্থাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে কি কাৰণত কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ বা তেনে চৰকাৰৰ দ্বাৰা পৰিচালিত প্ৰতিষ্ঠান, নিগম আৰু উদ্যোগসমূহলৈ কৰা বিক্ৰীৰ ক্ষেত্ৰত নিৰ্ধাৰিত কৰ ৪ পইচালৈ হ্ৰাস কৰিলে, সেই কথা বোধগম্য নহয়। ৰাজ্য চৰকাৰসমূহলৈ তেনে যোগান কৰা সামগ্ৰীৰ ক্ষেত্ৰত কৰ হ্ৰাস ব্যৱস্থা সম্বন্ধে আমাৰ ক'বলগীয়া একো নাই -- কাৰণ তেনে হ্ৰাস কৰ এহাতে গ্ৰাহকলৈ দিব, আনহাতে গ্ৰাহকে ৰাজ্য চৰকাৰৰ কৰ পিতানত জমা কৰিব। কিন্তু আন ক্ষেত্ৰত তেনে প্ৰবৰ্ত্তিত হ্ৰাস ব্যৱস্থাই ৰাজ্যখনৰ অৰ্থনৈতিক দিশত ক্ষতিসাধন কৰা বুলি অনুভৱ হয়।

আনহাতে, এনে কৰ হ্ৰাস ব্যৱস্থা কেৱল কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ বা উভয় চৰকাৰৰ দ্বাৰা পৰিচালিত প্ৰতিষ্ঠান, নিগম আৰু উদ্যোগৰ ক্ষেত্ৰতে সীমাবদ্ধ কৰি ৰখা হৈছে। আন গ্ৰাহকে নিৰ্ধাৰিত হাৰত তেনে সামগ্ৰী ক্ৰয় কৰিব লাগে। এই ব্যৱস্থাৰ দ্বাৰা ৰাজ্য চৰকাৰে এক বৈষম্যপূৰ্ণ নীতি অৱলম্বন কৰা বুলি পৰিগণিত হৈছে।

২। বিজ্ঞপ্তিখনত কোন অনুসূচীৰ অন্তৰ্ভুক্ত, কি সামগ্ৰী কি হাৰৰ বিপৰীতে ৪ পইচালৈ হ্ৰাস কৰিছে তাৰ কোনো উল্লেখ নাই। ফলত ক্ৰেতা আৰু বিক্ৰেতাৰ মনত এক বিভ্ৰান্তিৰ সৃষ্টি হোৱা স্বাভাৱিক।

৩। কোনো ব্যৱসায়ীয়ে যদি প্ৰথম স্তৰৰ কৰযুক্ত উক্ত সামগ্ৰী কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰ বা প্ৰতিষ্ঠান বা নিগম আদিক বিক্ৰী কৰে, তেনেক্ষেত্ৰত তেনে বিক্ৰীৰ ওপৰত টকাত ৪ পইচা হাৰে কৰ আদায় দিব লাগে। কিন্তু দ্বিতীয় স্তৰৰ বিক্ৰীৰ ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হ'ব, বিজ্ঞপ্তিখনত উল্লেখ নাই। আইন ব্যৱস্থা মতে, তেনে সামগ্ৰী উপযুক্ত প্ৰমাণৰ ভিত্তিত কৰ দায়বদ্ধতাৰ পৰা অব্যাহতি পায়, কিন্তু বিজ্ঞপ্তিখনত তেনে ব্যৱস্থা সন্নিবিষ্ট নকৰাৰ ফলত দ্বিতীয় স্তৰৰ বিক্ৰীৰ ক্ষেত্ৰতো টকাত ৪ পইচা হাৰে কৰ জমা দিব লাগে। প্ৰকৃততে আইনৰ প্ৰদত্ত ব্যৱস্থা মতে, তেনে অবৈধভাৱে আদায় কৰা কৰ ৰাজেয়াপ্ত কৰিব লাগে। ফলত বিজ্ঞপ্তিখন অতি ত্ৰুটিপূৰ্ণ বুলি অনুভৱ হয়।

৪। কিছুমান সামগ্ৰী প্ৰথম বা অন্তৰ্বৰ্তী বিক্ৰীৰ ক্ষেত্ৰত ঘোষণাপত্ৰ প্ৰদান কৰি ক্ৰয় কৰা হয় আৰু তাৰ ফলত সম্পূৰ্ণ কৰ ৰেহাই বা কৰ হ্ৰাস ব্যৱস্থা উপভোগ কৰা সম্ভৱ হয়। তেনে সামগ্ৰীৰ শেষ বিক্ৰীৰ ক্ষেত্ৰত নিৰ্ধাৰিত হাৰত কৰ আদায় কৰিব লাগে। তেনে সামগ্ৰী যদি কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ অথবা উক্ত চৰকাৰৰ দ্বাৰা পৰিচালিত আন আন প্ৰতিষ্ঠান, নিগম বা উদ্যোগক যোগান ধৰা বা বিক্ৰী কৰা হয়, তেনেহ'লে কৰৰ হাৰ ৪ পইচালৈ হ্ৰাস পায়। এনেক্ষেত্ৰত ব্যৱসায়ীসকলে এহাতে তেনে নিৰ্ধাৰিত সামগ্ৰী ক্ৰয় কৰোঁতে সম্পূৰ্ণ কৰ ৰেহাই বা আংশিক কৰ ৰেহাই ব্যৱস্থা উপভোগ কৰে, আনহাতে বিক্ৰীৰ ক্ষেত্ৰতো ৪ পইচা হাৰে হ্ৰাস কৰ দিয়াৰ সুযোগ গ্ৰহণ কৰে। এই ব্যৱস্থা ৰাজহ আদায়ৰ স্বাৰ্থৰ প্ৰতিকূলে হোৱা বুলি আমাৰ বিশ্বাস।

৫। সংবিধানত প্ৰদত্ত ব্যৱস্থা মতে, আন্তঃৰাজ্যিক বেচা-কিনাৰ ক্ষেত্ৰত কিছুমান সামগ্ৰীক গুৰুত্বপূৰ্ণ সামগ্ৰী বুলি চিহ্নিত কৰিবলৈ সংসদক ক্ষমতা প্ৰদান কৰা হৈছে। সংসদে 'দ্য চেণ্ট্ৰেল চেইল্‌ছ টেক্স এক্ট, ১৯৫৬' ('কেন্দ্ৰীয় বিক্ৰীকৰ আইন')ত তেনেবোৰ সামগ্ৰী চিহ্নিত কৰিছে।

উক্ত আইনমতে, তেনে সামগ্ৰীক কৰৰ হাৰ টকাত ৪ পইচাৰ অধিক হ'ব নালাগে আৰু ক্ৰয় বা বিক্ৰীকৰ এখন ৰাজ্যত এবাৰৰ বেছি হ'ব নালাগে। বিজ্ঞপ্তিখনত 'লোহা আৰু তীখা'ৰ কথা উল্লেখ কৰা আছে। আমদানিকৃত বা প্ৰস্তুতকৃত সামগ্ৰী বিক্ৰী কৰিলে তেনে সামগ্ৰীৰ কৰৰ হাৰ টকাত ৪ পইচা আদায় দিবলৈ কোৱা হৈছে। দ্বিতীয় বা পৰৱৰ্তী বিক্ৰীৰ ক্ষেত্ৰত তেনে ব্যৱস্থাৰ ওপৰত উল্লেখ কৰা মতে সঙ্গত নহয়। আনহাতে, তেনে ব্যৱস্থাই সংবিধান আৰু কেন্দ্ৰীয় বিক্ৰীকৰ আইনৰ নিৰ্দেশ উলংঘা কৰা হৈছে বুলি অনুভৱ হয়।

৬। বিজ্ঞপ্তিখনৰ মতে, তেনে হ্ৰাস কৰ ব্যৱস্থা ক্ৰেতাসকলে প্ৰদান কৰা 'বি' ফৰ্মযোগে দিয়া ঘোষণাপত্ৰৰ ভিত্তিত গ্ৰহণযোগ্য হ'ব। কিন্তু সাধাৰণতে, দেখা যায় যে ক্ৰেতাসকলে তেনে 'বি' ফৰ্মত যথাযথভাৱে ক্ৰয়ৰ তথ্য-পাতি দাখিল নকৰি কেৱল চহী আৰু মোহৰযোগে ক্ৰেতা ব্যৱসায়ীক হস্তান্তৰ কৰে। ফলত তেনে ব্যৱসায়ীয়ে নানা ধৰণেৰে উক্ত ঘোষণাপত্ৰ নিজ সুবিধা মতে ব্যৱহাৰ কৰিবলৈ সুযোগ পায়।

প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে তেনে ধৰণৰ অপক্ৰিয়া আন্তঃৰাজ্যিক বিক্ৰীৰ ক্ষেত্ৰত কেন্দ্ৰীয় বা আন ৰাজ্যই প্ৰদান কৰা 'ডি' ফৰ্মত সংঘটিত হোৱা প্ৰায়ে পৰিলক্ষিত হয়। গতিকে এনেবোৰ ব্যৱস্থা ৰাজ্যখনৰ কৰ ৰাজহ আদায়ৰ স্বাৰ্থ কিমানখিনি সুৰক্ষা দিব, সেয়া এক বিচাৰ্য বিষয়।

৭। পূৰ্বতে উল্লেখ কৰা হৈছে যে ঠিকাৰ ক্ষেত্ৰত হস্তান্তৰ কৰা কোনো সামগ্ৰীৰ কৰৰ হাৰ টকাত ৮ পইচা। যদি কোনো ব্যৱসায়ীয়ে ঠিকাৰ কামত বিজ্ঞপ্তিত উল্লেখিত সামগ্ৰী হস্তান্তৰ কৰে আৰু তেনে সামগ্ৰী স্বতন্ত্ৰভাৱে বিক্ৰী দেখুৱায়, তেতিয়া হ'লে কৰৰ হাৰ ৪ পইচালৈ হ্ৰাস পায়। ফলত চৰকাৰে এক যুজন পৰিমাণৰ কৰ আদায়ৰ পৰা বঞ্চিত হয়।

আমি ইয়াৰ আগতে বহবাৰ উল্লেখ কৰিছো যে ঠিকা আদি কামত চৰকাৰে আমদানিকৃত আৰু দ্বিতীয় স্তৰত কোনো গুৰুত্বপূৰ্ণ সামগ্ৰী হস্তান্তৰৰ ক্ষেত্ৰত কৰ ৰেহাইৰ ব্যৱস্থা কৰিছে। আমদানিকৃত তেনে সামগ্ৰীৰ কৰ ৰেহাই দিয়াৰ ফলত ৰাজ্য চৰকাৰে যোৱা ১-৭-৯৩ অবিধৰ পৰা এক যুজন পৰিমাণৰ ৰাজহ হেৰুৱাই আছে।

৮। আমি পূৰ্বতে উল্লেখ কৰা ২৮-৪-৯৮ অবিধৰ বিজ্ঞপ্তিখনৰ কাৰ্যকাল আইনৰ সংশ্লিষ্ট ধাৰা মতে তিনি বছৰলৈকে আছিল। বিজ্ঞপ্তিখনৰ ম্যাদ যোৱা ২৮-৪-২০০১ তাৰিখে অন্ত পৰিছে। জনা মতে, তেনে অবৈধ বিজ্ঞপ্তিখনৰ ভবিষ্যতে বৰ্তমানেও হ্ৰাস কৰ আদায় কৰি থকা হৈছে। এনে প্ৰক্ৰিয়া ৰাজ্যখনৰ ৰাজহ আদায়ৰ স্বাৰ্থৰ চৰম পৰিপন্থী। ৰাজ্য চৰকাৰে আজি ছমাহ কাল ধৰি বহুতো কম টকা আদায় কৰি আছে।

কৰ আৰোপ কৰা, ৰেহাই কৰ হ্ৰাস আদি ব্যৱস্থা ৰাজ্য চৰকাৰৰ স্বতঃসিদ্ধ ক্ষমতা আৰু এক্তিয়াৰৰ অন্তৰ্ভুক্ত। সাধাৰণ বাহিৰে এই প্ৰক্ৰিয়াত বাধা প্ৰদান কৰিব নোৱাৰে। কিন্তু ৰাজ্যখনৰ বৃহত্তৰ ৰাজহ স্বাৰ্থত বাহিৰৰ মতামতকো উপেক্ষা কৰা উচিত নহয়।

আমি জনা মতে, কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু উক্ত চৰকাৰসমূহৰ দ্বাৰা পৰিচালিত প্ৰতিষ্ঠান, নিগম আদি অসমৰ বাহিৰৰ পৰা কোনো সামগ্ৰী আমদানি ব্যৱস্থা প্ৰতিযোগ কৰিবলৈ উক্ত কৰ হ্ৰাসৰ ব্যৱস্থা লৈছিল। কিন্তু তাৰ দ্বাৰা চৰকাৰ কিমানখিনি লাভৱান হৈছিল জনা

নাযায়। আমাৰ ধাৰণামতে, এক বৃহৎ ব্যৱসায়ী গোষ্ঠীয়ে এই ব্যৱস্থাৰ ফলত লাভৱান হৈছে আৰু চৰকাৰৰ এক বৃহৎ অংকৰ ৰাজহ লোকচান ভৰি আছে।

এই সংক্ৰান্তত এই প্ৰবন্ধৰ লেখকে লিখা 'হেকেও খোট্ অন দি চেইন ষ্ট্ৰাকচাৰ অৱ আসাম' শীৰ্ষক এটি প্ৰবন্ধ যোৱা ২৬-২৭/৭/৯১ তাৰিখে 'অইলফিল্ড টাইমছ' সংবাদ পত্ৰত প্ৰকাশ পাইছিল। অৱশ্যে এই বিষয়ে চৰকাৰৰ প্ৰতিক্ৰিয়া জনা নাযায়।

অসমৰ আজি এই সংকটপূৰ্ণ বিত্তীয় অৱস্থাই ৰাজ্যখনৰ উন্নতিৰ ক্ষেত্ৰত সকলোপিনে বাধা প্ৰদান কৰি আছে। ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়নৰ দিশত ৰাজনৈতিক নেতাসকল যিমানখিনি-সজাগ আৰু সচেষ্ট সেই কথা আমি উল্লেখ নকৰাই ভাল। কিন্তু, ৰাজ্যখনৰ সৰ্বাংগীন উন্নতিৰ ক্ষেত্ৰত প্ৰবল জনমতৰ প্ৰয়োজন।

আমি প্ৰতিজন সচেতন ৰাইজক অনুৰোধ কৰোঁ — সকলো ধৰণৰ ত্ৰুটি-বিচ্যুতি আঙুলিয়াই দি প্ৰবল জনমত গঢ়ি তোলক, যাতে চৰকাৰে কোনোক্ষেত্ৰতে হাত সাৱটি বহি থাকিব নোৱাৰে।

(আমাৰ অসম)
১৫/১১/২০০১

# ত্ৰুটীপূৰ্ণ আইন ন্যায়িক প্ৰত্যাহ্বানৰ সন্মুখীন হয়

কৰ আইনসমূহ চৰকাৰৰ ৰাজহ আদায়ৰ একোটি গুৰুত্বপূৰ্ণ ভিত্তি। এই আইনসমূহৰ যথাযথ প্ৰয়োগৰ দ্বাৰা চৰকাৰৰ কোটি কোটি টকা কৰ ৰাজহ আদায় হয় — ৰাজ্যখনৰ বিত্তীয় পৰিস্থিতি উন্নত হয়। সংবিধানপ্ৰদত্ত ব্যৱস্থা আৰু আৰোপিত বিভিন্ন বাধা বিবেচনা কৰি কৰ আইনসমূহ প্ৰণয়ন কৰা হয়। সাংবিধানিক নীতি-নিয়ম উলংঘা কৰিলে বা আন ত্ৰুটী-বিচ্যুতি পৰিলক্ষিত হ'লে, তেনে আইন ন্যায়িক প্ৰত্যাহ্বানৰ সন্মুখীন হয়। কোনো ক্ষেত্ৰত কোনো আইন ত্ৰুটীপূৰ্ণ বুলি বিবেচিত হ'লে চৰকাৰে তেনে আইন প্ৰয়োগ কৰিব নোৱাৰাৰ ফলত ৰাজহ আদায়ৰ পৰা বঞ্চিত হয়, ফলত ৰাজ্যখনৰ আৰ্থিক দিশত অশেষ ক্ষতি সাধন হয়। এই সংক্ৰান্তত 'দ্য আসাম টেক্সেশ্যন অন গুড্‌ছ কেৰেইড বাই ৰোড ওৰ অন ইনল্যাণ্ড ওৱাটাৰ ওৱেজ এক্ট(১৯৫৪) পাৰচেইজ্ টেক্স এক্ট (১৯৬৭)' - এই আইন দুখনৰ কথা উল্লেখ কৰিব পাৰি। প্ৰথমখন আইন সাংবিধানিকভাৱে অবৈধ বুলি ভাৰতৰ উচ্চতম ন্যায়ালয়ে ৰায় প্ৰদান কৰিছিল আৰু দ্বিতীয়খন আইনৰ কাৰ্যকৰী ব্যৱস্থা সম্বন্ধে গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰায়দান কৰাৰ পিছত ইয়াৰ কাৰ্যক্ৰম ২১/৫/৬৮ তাৰিখৰ পৰা ৩/৭/৭১ তাৰিখলৈ পিছুৱাই দিব লগীয়া হৈছিল। ফলত ৰাজ্যখনৰ আৰ্থিক দিশত এক বিপৰ্যয়ৰ সৃষ্টি হোৱা স্বাভাৱিক কথা আছিল। আইনবোৰৰ এনে আন বহুতো ত্ৰুটীপূৰ্ণ দিশ ন্যায়ালয়ে পৰ্যালোচনা কৰি অবৈধ নাইবা নিয়মবিহীন বুলি ৰায়দান কৰাৰ কথা বিৰল নহয়। কিছুমান ত্ৰুটীপূৰ্ণ দিশ যথাযথ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা নাই যদিও, হোৱাৰ যথেষ্ট থল আছে।

**আইন সংশোধনব্যৱস্থা ঃ** কৰ আইনসমূহ সংবিধান প্ৰদত্ত বিধি আৰু আন সংশ্লিষ্ট আইনৰ লগত সমন্বয় ৰক্ষা কৰি প্ৰণয়ন কৰা অতি প্ৰয়োজন। বিশেষকৈ লক্ষণীয় — তেনে আইন প্ৰণয়ন ব্যৱস্থাই যাতে কোনো ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত অহেতুক বাধা আৰোপ নকৰে। বহুতে আইনৰ সংশোধনৰ ক্ষেত্ৰত বহুতো ত্ৰুটীপূৰ্ণ দিশ পৰিলক্ষিত হয়।। ফলত তেনে আসোঁৱাহৰ ফলত প্ৰণয় কৰা সংশোধন ব্যৱস্থা বহুতো ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সন্মুখীন হয়। অৱশ্যে কোনো আইনৰ বৈধতা বা অবৈধতা সম্বন্ধে মন্তব্য দিয়া কথা আমাৰ এক্তিয়াৰৰ বাহিৰত, কিন্তু দেশখনৰ সাধাৰণ নাগৰিক হিচাপে তেনে কোনো কথা আঙুলিয়াই দিয়াৰ অধিকাৰ আমাৰ যথাযথভাৱে আছে বুলি সদায় অনুভৱ কৰোঁ।

এনে কিছু ত্ৰুটী-বিচ্যুতিৰ কথা এই প্ৰসঙ্গতে আলোচনা কৰা হ'ল।

১। দ্য আসাম টেক্সেশ্যন (অন লাক্সুৰীজ) এক্ট (১৯৯৭) (বিলাস-কৰ আইন) ঃ

যোৱা ১/৮/৯৭ তাৰিখৰ পৰা বলবৎ হোৱা এই আইনৰ দ্বাৰা চিগাৰ, চিগাৰেট, চুৰুট, জৰ্দা বা আন গন্ধযুক্ত ধঁপাত-সামগ্ৰীৰ মজুত মালৰ ওপৰত কৰ আৰোপ ব্যৱস্থা প্ৰণয়ন কৰা হৈছিল। এনে মজুত মাল অসমৰ বাহিৰৰ পৰা আমদানিকৃত সামগ্ৰী নাইবা অসমত উৎপাদন

কৰা সামগ্ৰীও হ'ব পাৰে। কিন্তু উক্ত বিলাস-কৰ আৰোপ কৰাৰ ব্যৱস্থা অসমত ব্যৱহাৰ কৰা মজুত সামগ্ৰীৰ ওপৰতহে সীমাবদ্ধ বুলি আইনখনত সন্নিবিষ্ট কৰা হৈছিল। যদি কোনো ধঁপাতজাত বা তেনে কৰযুক্ত সামগ্ৰী অসমৰ বাহিৰলৈ ৰপ্তানি হয়, তেনে সামগ্ৰী মজুত থকা ক্ষেত্ৰত বিলাসযুক্ত সামগ্ৰী বুলি পৰিগণিত নহয় আৰু কৰমুক্ত বুলি গণ্য হয়।

**কেন্দ্ৰীয় চৰকাৰৰ ধঁপাত-সামগ্ৰীৰ ওপৰত জমা দিয়া আবকাৰী শুল্ক ঘূৰাই দিয়াৰ ব্যৱস্থা ঃ**

কেন্দ্ৰীয় চৰকাৰে এক জাননীযোগে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ কিছুমান নিৰ্দিষ্ট এলেকাত চিগাৰেট, জৰ্দা আৰু আন আন ধঁপাতজাত সামগ্ৰী প্ৰভৃতিৰ ক্ষেত্ৰত জমা দিয়া আবকাৰী শুল্ক এশভাগে ঘূৰাই দিয়াৰ কথা ঘোষণা কৰিছিল। ইয়াৰ উদ্দেশ্য আছিল — এই পশ্চাদগামী ৰাজ্যখনত ঔদ্যোগিক বিকাশ সক্ৰিয় কৰি তোলা। উক্ত আবকাৰী শুল্ক ঘূৰাই দিয়া ঘোষণাৰ পৰিপ্ৰেক্ষিতত ভাৰতৰ এক শ্ৰেণীৰ ব্যৱসায়ীয়ে অসমৰ ঘোষিত এলেকাসমূহত তেনে ধঁপাত-সামগ্ৰী উৎপাদনৰ কাৰখানা প্ৰতিষ্ঠা কৰিছিল। কিন্তু তেওঁলোকৰ প্ৰকৃত উদ্দেশ্য 'অসমৰ ঔদ্যোগিক বিকাশ' নাছিল — উদ্দেশ্য আছিল — আবকাৰী শুল্ক ঘূৰাই পোৱাৰ পূৰ্ণ সুবিধা গ্ৰহণ কৰি এক বৃহৎ পৰিমাণৰ মুনাফা আদায় কৰা। তেনে উৎপাদন প্ৰতিষ্ঠানসমূহ অসমৰ বাহিৰতে সৰহভাগ ধঁপাতজাত সামগ্ৰী উৎপাদন কৰিছিল। অসমত অতি নগণ্য পৰিমাণৰ উৎপাদন কৰিছিল। কিন্তু প্ৰায়সংখ্যক মাল অসমলৈ আনি ইয়াৰ উৎপাদন ক্ষেত্ৰত পেকিং কৰি পুনৰ অসমৰ বাহিৰলৈ প্ৰেৰণ কৰিছিল। যিহেতু আবকাৰী আইন মতে 'পেকিং' ও 'উৎপাদন'ৰ সংজ্ঞাত অন্তৰ্ভুক্ত এচাম অসৎ ব্যৱসায়ীয়ে এই সুযোগ গ্ৰহণ কৰিছিল। তেনে সামগ্ৰী অসমৰ বাহিৰলৈ ৰপ্তানি কৰিলে বিলাস-কৰ ৰেহাই পায়। গতিকে এনে ঔদ্যোগিক নীতি অসমৰ ক্ষেত্ৰত কোনো লাভজনক বুলি পৰিগণিত নহ'ল। কিছুসংখ্যক মজুতকাৰীয়ে তেনে উৎপাদনৰ মজুত মালৰ মূল্যৰ ওপৰত সম্ভাব্য আবকাৰী শুল্ক ঘূৰাই পোৱাৰ অজুহাতত তেনে আবকাৰী শুল্ক অন্তৰ্ভুক্ত নকৰি এক বৃহৎ পৰিমাণ মূল্যৰ ওপৰত কৰ ফাঁকি দিবলৈকো প্ৰয়াস পাইছিল। আবকাৰী শুল্ক ভৱিষ্যতে ঘূৰাই পোৱা আৰু মালৰ ওপৰত আবকাৰী শুল্ক অন্তৰ্ভুক্ত নকৰা একে কথা নহয়। গতিকে এই যুক্তিৰ কোনো নীতিসংগত বা আইনসংগত ভিত্তি নাছিল।

মুঠতে এই কথা ভালকৈয়ে অনুভৱ হৈছিল যে তেনে উৎপাদনকাৰী প্ৰতিষ্ঠানসমূহে বহুতো ক্ষেত্ৰত ভুৱা নথি-পত্ৰৰ যোগে আবকাৰী শুল্ক ঘূৰাই পোৱাৰ ব্যৱস্থা অৱলম্বন কৰিছিল আৰু কেন্দ্ৰীয় চৰকাৰৰ উত্তৰ-পূৰ্বাঞ্চলৰ ঔদ্যোগিক বিকাশ ব্যৱস্থা বাস্তৱ ক্ষেত্ৰত এক প্ৰহসনত পৰিণত হৈছিল। কেন্দ্ৰীয় চৰকাৰে এনেধৰণৰ চাতুৰীৰ কথা উপলব্ধি কৰি আবকাৰী শুল্ক ৰেহাই নীতি প্ৰত্যাহাৰ কৰিলে, ফলত ঔদ্যোগিক বিকাশ প্ৰকল্পও আধাবাটতে থমকি ৰ'ল।

অসম চৰকাৰে তেনে উৎপাদিত সামগ্ৰীৰ প্ৰায় সৰহসংখ্যক মজুত মাল অসমৰ বাহিৰলৈ ৰপ্তানি কৰাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে এক বৃহৎ পৰিমাণৰ বিলাস-কৰ হেৰুৱাই আছে বুলি অনুভৱ কৰি বিলাস-কৰ আইনখনত এক সংশোধন আনিলে। এই সংশোধন মতে, অসমৰ বাহিৰলৈ ৰপ্তানি কৰা ধঁপাতজাত উৎপাদন সামগ্ৰীৰ ওপৰত তেনে কৰ ৰেহাই ব্যৱস্থা প্ৰত্যাহাৰ কৰিলে।

এই প্ৰসংগতে উল্লেখ কৰা সমীচীন হ'ব যে উক্ত বিলাস-কৰ আইনখনৰ মূল ভিত্তি আছিল উৎপাদিত বা আমদানিকৃত ধঁপাতজাত সামগ্ৰীৰ অসমত ব্যৱহাৰ কৰা মজুত সামগ্ৰীৰ ওপৰত কৰ আৰোপ ব্যৱস্থা। গতিকে, তেনে ৰেহাই ব্যৱস্থা প্ৰত্যাহাৰ কৰাৰ ফলত আইনখনৰ মূল গাঁথনিৰ লগত এক সংঘাতৰ সৃষ্টি হ'ল। এই কথা সহজতে উপলব্ধি কৰিব পাৰি যে অসম বিলাস কৰ আইন অসমৰ বিলাসৰ ক্ষেত্ৰতহে প্ৰযোজ্য। আইন ৰাজ্যৰ বিলাসৰ ক্ষেত্ৰত নহয়। গতিকে, এই সাধাৰণ কথা বিবেচনা নকৰাৰ ফলত এহাতে আইনখনৰ প্ৰকৃত মান লাঘৱ হ'ল, আনহাতে, আইনখনে প্ৰত্যাহ্বানৰ পথ মুকলি কৰিলে। অৱশ্যে, আইন প্ৰণয়ন আৰু আইন সংশোধন চৰকাৰ আৰু ৰাজ্য বিধানসভাৰ স্বতঃপ্ৰোত অধিকাৰ, কিন্তু তেনে আইনৰ নীতি আৰু প্ৰয়োগ সম্বন্ধে বাইজৰ মতামতো এটি গুৰুত্বপূৰ্ণ বিষয়।

আমাৰ অনুৰোধ — চৰকাৰে এই বিষয়ে পুনৰ পৰীক্ষা-নিৰীক্ষা কৰি এটি নিশ্চিত সিদ্ধান্ত গ্ৰহণ কৰিব — যাতে অধিক সোণৰ কণী লাভ কৰাৰ আশাত হাঁহটোৰ পেট কাটি অপৰিপক্ব কণীবোৰ নিৰ্মূল কৰাৰ দৰে ভৱিষ্যতৰ ৰাজহ আদায়ৰ পথ বন্ধ নহয়, এই বিষয়ে চৰকাৰে সতৰ্কতা অৱলম্বন কৰা প্ৰয়োজন।

২। দ্য আসাম জেনেৰেল ছেইলছ টেক্স এক্ট (১৯৯৭) (অসম বিক্ৰীকৰ) ঃ

আপীল কৰ্তৃপক্ষ বা ট্ৰিবুনেলৰ ওচৰত আপীল ব্যৱস্থা ঃ

বিক্ৰীকৰ আইনৰ ৩(৫) ধাৰা মতে, ৰাজ্য চৰকাৰে কৰ উপায়ুক্ত বা ততোধিক উচ্চ পৰ্যায়ৰ বিষয়াক কৰ আপীল কৰ্তৃপক্ষৰ ক্ষমতা প্ৰদান কৰিব পাৰে। আইনৰ এই স্বতন্ত্ৰ ক্ষমতাৰ দ্বাৰা কৰণীয় কাৰ্য-পদ্ধতিৰো স্বতন্ত্ৰতা ৰক্ষা কৰে।

কৰ আয়ুক্তই তেনে আপীল কৰ্তৃপক্ষক নিজৰ কোনো ক্ষমতা প্ৰদান কৰিব নালাগে — কাৰণ আপীল কৰ্তৃপক্ষ তথা আপীল কৰ উপায়ুক্ত কৰ আয়ুক্তৰ সহায়কাৰী বিষয়া নহয়। আনহাতে, বিক্ৰীকৰ আইনৰ ৩(২) (বি) ধাৰা মতে কৰ আয়ুক্তই তেনে আপীল কৰ্তৃপক্ষৰ সিদ্ধান্তৰ ওপৰত কোনো ধৰণৰ হস্তক্ষেপ কৰিব নোৱাৰে। যদি কিবা ভুল বা ৰাজহৰ প্ৰতিকূলে কোনো ৰায় প্ৰদান কৰে, কৰ আয়ুক্তই তেনে ৰায়ৰ বিৰুদ্ধে 'আসাম ছেইলছ টেক্স এডমিনিষ্ট্ৰেটিভ ট্ৰিবুনেল'ৰ ওচৰত গোচৰ দিব পাৰে। কিন্তু চৰকাৰে আজি ৮ বছৰে উক্ত ট্ৰিবুনেল গঠন কৰা নাই — আনহাতে, আইনৰ ৫ ধাৰা (ট্ৰিবুনেল গঠন) কাৰ্যকৰী কৰা নাই যদিও আইনৰ ৩৩ আৰু ৩৪ ধাৰা এতিয়াও কাৰ্যকৰী হৈ আছে।

অবৈধভাৱে বিভিশ্যন আবেদন গ্ৰহণ আৰু নিষ্পত্তি ঃ

প্ৰচলিত প্ৰথা অনুযায়ী ক্ষুদ্ৰ ব্যৱসায়ীসকলে আপীল কৰ্তৃপক্ষৰ ৰায়ৰ বিৰুদ্ধে কৰ আয়ুক্তৰ ওচৰত বিভিশ্যন আবেদন দাখিল কৰে আৰু শুনানি গ্ৰহণ কৰি নিষ্পত্তি কৰে। যিহেতু আপীল কৰ্তৃপক্ষ কৰ আয়ুক্তৰ সহায়কাৰী বিষয়া নহয়, তেনে ক্ষেত্ৰত বিক্ৰীকৰ আইনৰ (৩৬)(১) বা ৩৬(২) মতে কোনো নিজাববীয়াকৈ লোৱা বিভিশ্যন বা আবেদনৰ ওপৰত গ্ৰহণ বা নিষ্পত্তি কৰা কোনো বিভিশ্যনৰ বৈধতা সন্দেহজনক। এই বিষয়ে এই প্ৰবন্ধৰ লিখকে সংবাদ মাধ্যমৰ যোগেদি আলোচনা কৰিছিল — কিন্তু চৰকাৰৰ প্ৰতিক্ৰিয়া কি জনা নাযায়।

আনহাতে, বিক্ৰীকৰ আইনৰ ৩(৫) ধাৰা মতে, চৰকাৰে ক্ষমতা প্ৰদান কৰা আপীল কৰ আয়ুক্তজন বিক্ৰীকৰ আইনৰ ৩(১) ধাৰা আৰু ৭ বিধি মতে কৰ আয়ুক্তৰ সহায়কাৰী বিষয়া নহয়। কিন্তু চৰকাৰে কৰ আয়ুক্তক আপীল কৰ্তৃপক্ষৰ ভুল আৰু ৰাজহৰ প্ৰতিকূলে দিয়া ৰায়ৰ বিৰুদ্ধে নিজাববীয়াকৈ ৰিভিশ্যন প্ৰক্ৰিয়া গ্ৰহণ কৰিবলৈ উক্ত আইনৰ ৭ বিধিৰ সংশোধন আনি 'আপীল কৰ আয়ুক্তক' কৰ আয়ুক্তৰ সহায়কাৰী বিষয়া হিচাপে অন্তৰ্ভুক্ত কৰিলে। এই ব্যৱস্থাই বিক্ৰীকৰ আইনৰ ৩(৫), ৩৩(২) (বি) আৰু ৩৬ ধাৰা লংঘন কৰা বুলি সাধাৰণ মানুহেও বুজি পাব। গতিকে, তেনে সংশোধন ব্যৱস্থা চৰকাৰৰ এক ভুল পদক্ষেপ। তেনে ধৰণে কোনো নিজাববীয়াকৈ ৰিভিশ্যন প্ৰক্ৰিয়া গ্ৰহণ কৰিলে - সেই ব্যৱস্থাৰ প্ৰত্যাহ্বান হোৱা স্বাভাৱিক কথা।

**কৰ আয়ুক্তৰ দ্বাৰা ৰিভিশ্যন শুনানি আৰু নিষ্পত্তিৰ নতুন ব্যৱস্থা গ্ৰহণ**

ইয়াৰ পিছত কৰ আয়ুক্তক ৰিভিশ্যন ক্ষমতা প্ৰদান কৰাৰ আৰু এক অভিনৱ ব্যৱস্থা অৱলম্বন কৰা পৰিলক্ষিত হ'ল। যোৱা ১/৬/৯১ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ আইনৰ ৩৬ ধাৰাৰ (ৰিভিশ্যন) এটি সংশোধন ঘটাই (৩) নং উপ-ধাৰা সন্নিবিষ্ট কৰা হ'ল। উক্ত উপ-ধাৰা মতে, যদি কোনো কৰ নিৰ্ধাৰক বিষয়া আপীল কৰ্তৃপক্ষৰ ৰায়ৰ ওপৰত ক্ষুব্ধ হয়, তেনে বিষয়াই উক্ত ৰায়ৰ বিৰুদ্ধে কৰ আয়ুক্তৰ ওচৰত ৰিভিশ্যন আবেদন দাখিল কৰিব পাৰে। কিন্তু কোনো কৰদাতা বা ব্যৱসায়ী তেনে কৰ আয়ুক্তৰ ওচৰত যদি ক্ষুব্ধ হয়, তেনে ৰিভিশ্যন আবেদন ব্যৱস্থা সন্নিবিষ্ট কৰা নাই। গতিকে, তেনে সংশোধন একপক্ষীয় আৰু বৈষম্যমূলক বুলি অনুভৱ হয়।

এই প্ৰসংগতে উল্লেখ কৰিব পাৰি যে কৰ অধীক্ষকে কৰ আয়ুক্তৰ প্ৰদত্ত ক্ষমতাৰ অধীনতহে কাৰ্যনিৰ্বাহ কৰে। তেওঁৰ নিজাববীয়া কোনো ক্ষমতা নাই। আপীল উপায়ুক্তৰ ৰায়ৰ ওপৰত ক্ষুব্ধ হ'লেও তেওঁ নিজে একো কৰিব নোৱাৰে। যিহেতু আপীল উপায়ুক্তজন কৰ অধীক্ষকতকৈ উচ্চ পৰ্যায়ৰ বিষয়া; গতিকে এই ৰায় সম্বন্ধে বিভিন্ন তথ্য আৰু নথি-পত্ৰ ভিত্তিত কৰ আয়ুক্তৰ দৃষ্টিগোচৰ কৰিব লাগিব — আৰু কৰ আয়ুক্তই অনুমোদন জনালেহে প্ৰশাসনিক দিশৰ পৰা তেনে ৰিভিশ্যন আবেদন দাখিল কৰা সম্ভৱপৰ হ'ব। এনে ক্ষেত্ৰত অনুমোদন জনোৱাৰ আগতে ঘটনাৰ গুৰুত্ব কৰ আয়ুক্তই অধ্যয়ন কৰে আৰু এক অনুকূল মত পোষণ কৰে। গতিকে, তেনে ৰিভিশ্যন আবেদন নিষ্পত্তি সম্পূৰ্ণভাৱে পক্ষপাতিত্বমূলক হোৱা স্বাভাৱিক।

এইক্ষেত্ৰত আমি আইনৰ ৩৩(২) (বি) ধাৰা পুনৰ আঙুলিয়াই দিয়াৰ প্ৰয়োজন অনুভৱ কৰোঁ — য'ত কৰ আয়ুক্তৰ তেনে বিষয়ত হস্তক্ষেপ কৰাত প্ৰকাৰান্তে বাধা প্ৰদান কৰিছে।

'নিজাববীয়া ৰিভিশ্যন' আৰু 'উপযোক্ত বিষয়' লৈ এই প্ৰবন্ধৰ লিখকে সংবাদ মাধ্যমৰ জৰিয়তে মতামত আগবঢ়াইছিল, কিন্তু চৰকাৰৰ প্ৰতিক্ৰিয়া কি জনা নাযায়।

**আদায় ব'ৰ্ডৰ ৰেক্টিফিকেশ্যনৰ ওচৰত আবেদন (ৰেক্ট)ঃ**

এইবোৰ প্ৰক্ৰিয়াৰ ক্ষেত্ৰত চৰকাৰে কোনো সংশোধন ঘটোৱা নাই আৰু আদৰ

সকলোৰোৰ ব্যৱস্থা অব্যাহত আছে। ফলত ইটোৰ সৈতে সিটোৰ সংঘৰ্ষ হৈ আছে।

ইয়াৰ পিছত ৰাজ্য চৰকাৰে ২/২/২০০০ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ বিক্ৰীকৰ আইনত ৫-এ আৰু ৫-বি ধাৰা সন্নিবিষ্ট কৰিলে — যাৰ দ্বাৰা কোৱা হৈছে যে ট্ৰিবুনেল গঠন নোহোৱালৈকে ব'ৰ্ডে আইনৰ ৩৪ ধাৰা বা ৩৬ ধাৰাৰ ৰায়ৰ বিৰুদ্ধে গোচৰৰ আৱেদন গ্ৰহণ কৰিব পাৰে।

দৰাচলতে ব'ৰ্ডৰ কাৰ্য-প্ৰণালী নিজা নিয়মাৱলীৰ দ্বাৰা পৰিচালিত হয়। কিন্তু বিক্ৰীকৰ আইনৰ সংশ্লিষ্ট ৩৩ আৰু ৩৪ ধাৰাৰ সংশোধন নোহোৱাকৈ তেনে আপীল আৱেদন দাখিল, শুনানি আৰু নিষ্পত্তি প্ৰক্ৰিয়াৰ বিভিন্ন দিশ সম্বন্ধে বিচাৰ্য বিষয়। উক্ত ধাৰাৰ লগত আইনৰ অইন সংশোধিত ধাৰা আৰু বিধি আৰু ব'ৰ্ডৰ নিয়মাৱলীৰ যদি কিবা সংঘৰ্ষ হয়, তেনেহ'লে ৰাজহ আদায়ৰ ক্ষেত্ৰত অধিক প্ৰত্যাহ্বান আহিব পাৰে।

উপৰোক্ত আলোচনাৰ দ্বাৰা এই কথা স্পষ্ট হৈছে যে সংশোধন প্ৰক্ৰিয়া কোনো নিৰ্দিষ্ট নীতিৰ ভিত্তিত লোৱা নহয়। এটাৰ পিছত এটাকৈ সংশোধন আনি আইনৰ গাম্ভীৰ্য আৰু গুৰুত্ব বহুতো ক্ষেত্ৰত হ্ৰাস কৰাৰ প্ৰয়াস কৰা হৈছে। আমাৰ ধাৰণা - বিভাগীয় কৰ্তৃপক্ষই আইনৰ বিভিন্ন দিশ সম্বন্ধে অধ্যয়ন, গৱেষণা আৰু বিশ্লেষণ নকৰাৰ ফলত এনে আসোঁৱাহ বা ক্ৰটীপূৰ্ণ কামৰ পুনৰাবৃত্তি ঘটিছে। সংশোধনৰ খাতিৰতে সংশোধন কৰিলেই নহ'ব, বিভিন্ন দিশৰ পৰা পৰ্যালোচনা কৰিব লাগিব, আইনৰ আন আন ক্ৰটী-বিচ্যুতি সম্বন্ধে আৰু বহুতো আলোচনা কৰিবলগীয়া আছে — সময়ান্তে সংস্থাপন কৰা হ'ব।

(আমাৰ অসম)
১০/৯/২০০১

## চৰকাৰৰ পৰৱৰ্তী পদক্ষেপ

অসম চৰকাৰে অসমৰ বাহিৰলৈ ৰপ্তানী কৰা বিলাসযুক্ত সামগ্ৰীৰ মজুত মালৰ ওপৰোতো বিলাস কৰ আৰোপ ব্যৱস্থা ক্ৰটীপূৰ্ণ বুলি অনুভৱ কৰি যোৱা ৮/৫/২০০২ তাৰিখৰ পৰা পুনৰ আইনৰ এক সংশোধন আনি আগৰ ব্যৱস্থাকে বাহাল ৰাখিলে। আইন প্ৰণয়ন বা সংশোধনৰ ক্ষেত্ৰত এনে ধৰণৰ মধ্যে-মধ্যে অনা সংশোধনী ব্যৱস্থাৰ ফলত নানা ধৰণৰ খেলিমেলিৰ সৃষ্টি হয়।

লেখক

# শোধন তৈলৰ মূল্য নিৰূপণ

অসমৰ তেল শোধনাগাৰসমূহত উৎপাদিত আৰু অসমলৈ আমদানিকৃত পেট্ৰ'ল, ডিজেল, কেৰাচিন, মেহুল দ্ৰব্য আৰু আন আন পেট্ৰ'লজাত সামগ্ৰীৰ (শোধন তৈল) প্ৰথম স্তৰৰ বিক্ৰীৰ ওপৰত কৰ আৰোপৰ ব্যৱস্থা আছে। যথাযথভাৱে কৰ আদায় দিয়াৰ প্ৰমাণৰ ভিত্তিত দ্বিতীয় বা ততোধিক স্তৰৰ বিক্ৰীৰ ওপৰত কৰ ৰেহাই দিয়াৰ ব্যৱস্থাও আছে। যোৱা ৫/৩/৯৮ তাৰিখৰ পৰা আসাম জেনেৰেল চেলছ টেক্স এক্টৰ (১৯৯৩) (বিক্ৰীকৰ আইন) কিছু সংশোধন ঘটাই উক্ত সামগ্ৰীসমূহৰ ওপৰত কৰ আৰোপৰ ব্যৱস্থাৰ এটি নতুন নীতি অৱলম্বন কৰা হৈছে। উক্ত সংশোধনৰ দ্বাৰা বিক্ৰীকৰ আইনৰ ৮(১) ধাৰাত ২ নং ব্যাখ্যা এটি সন্নিবিষ্ট কৰা হৈছে। উক্ত ব্যাখ্যা মতে, যদি কোনো তৈল কোম্পানীয়ে বিক্ৰীকৰ আইনত পঞ্জীকৃত অইন কোনো তৈল কোম্পানীক তেনে শোধন তৈল বিক্ৰী কৰে, তেন্তে আভ্যন্তৰীণ সম্পাদিত বিক্ৰীক প্ৰথম স্তৰৰ বিক্ৰী বুলি গণ্য কৰা নহ'ব। তেনেস্থলত উক্ত ধাৰা সন্দৰ্ভত ৰচনা কৰা নীতি মতে কৰ আৰোপৰ ব্যৱস্থা লোৱা হ'ব আৰু পৰৱৰ্তী বিক্ৰীক প্ৰথম স্তৰৰ বিক্ৰী বুলি কৰ আৰোপৰ ব্যৱস্থা ল'ব পাৰিব। উক্ত ব্যাখ্যাৰ লগত সংগতি ৰাখি অসম চৰকাৰে বিক্ৰীকৰ আইনত ১২(২) আৰু ১২(৩) বিধি সন্নিবিষ্ট কৰি যথাযথ ব্যৱস্থাৰে নীতি প্ৰৱৰ্তন কৰিছে।

## তৈল কোম্পানীসমূহ

উক্ত বিধিত সন্নিবিষ্ট কৰা তেনে তৈল কোম্পানীসমূহ হ'ল — ইণ্ডিয়ান অইল কৰ্পোৰেচন লিমিটেড (আই অ' চি), ভাৰত পেট্ৰ'লিয়াম কৰ্পোৰেচন লিমিটেড (বি পি চি এল), বঙাইগাঁও ৰিফাইনেৰী এণ্ড পেট্ৰ'লিয়াম কেমিকেলছ লিমিটেড (আছাম ডিভিজন, আই অ' চি আছাম ডিভিজন), ইণ্ডো-বাৰ্মা পেট্ৰ'লিয়াম কোম্পানী লিমিটেড (আই বি কোঃ লিঃ) আৰু নুমলীগড় ৰিফাইনেৰী লিমিটেড (এন আৰ এল)।

## কৰমুক্ত থকাৰ বাবে ঘোষণা-পত্ৰ

তৈল কোম্পানীসমূহে তেনে আভ্যন্তৰীণ বিক্ৰীৰ ক্ষেত্ৰত ক্ৰেতা তৈল কোম্পানীৰ পৰা এখন ঘোষণা-পত্ৰ ল'ব লাগে। উক্ত ঘোষণা-পত্ৰৰ চৰ্ত মতে তেনে শোধন-তৈল অসমৰ ভিতৰতে বিক্ৰী কৰিব লাগিব আৰু সেই বিক্ৰীমূল্যৰ ওপৰত নিৰ্দিষ্ট হাৰত কৰ দিব লাগিব। প্ৰথমটো কোম্পানীয়ে উক্ত ঘোষণা কৰাৰ ভিত্তিত বিক্ৰীকৰ ৰেহাই পাব। যদি কোনো ক্ৰেতা ব্যৱসায়ীয়ে উক্ত চৰ্ত ভংগ কৰে, তেন্তে কোম্পানীৰ উক্ত কৰ দিয়াৰ দায়বদ্ধতা থাকিব।

## শোধন তৈলৰ মূল্য নিৰ্ধাৰণ নীতি

ভাৰত চৰকাৰৰ পেট্ৰ'লিয়াম মন্ত্ৰালয়ৰ অধীনত গঠিত অইল কো-অৰ্ডিনেচন কমিটীয়ে (অ' চি চি) শোধন তৈলৰ মূল্য নিৰ্ধাৰণ নীতি নিয়ন্ত্ৰণ কৰে। তৈল কোম্পানীসমূহ উক্ত নীতিৰ দ্বাৰা পৰিচালিত হয়। যোৱা ১/৪/৯৮ তাৰিখৰ আগলৈকে শোধন তৈল সামগ্ৰীৰ দুই প্ৰকাৰ

মূল্যৰ প্ৰচলন আছিল — 'এক্স-বিফাইনেৰী প্ৰাইচ' আৰু 'বিটেনশ্যন প্ৰাইচ'। এক্স-বিফাইনেৰী প্ৰাইচত উৎপাদন মূল্য, আবকাৰী শুল্ক অন্তৰ্ভুক্ত থাকে। বিটেনশ্যন প্ৰাইচ আমদানিকৃত খাৰুৱা তেল, স্থানীয় খাৰুৱা তেলৰ মূল্য, শোধনাগাৰৰ খৰচ আদি বিভিন্ন খৰচৰ বিবেচনাৰ ভিত্তিত নিৰ্ণয় কৰা হয়। স্বভাৱতে বিটেনশ্যন প্ৰাইচ এক্স-বিফেইনাৰী প্ৰাইচতকৈ বেছি। অ' চি চিৰ নিৰ্দেশ মতে, বি আৰ পি এল নামৰ প্ৰতিষ্ঠানটোৱে এক্স-বিফাইনেৰী প্ৰাইচত তেওঁলোকৰ উৎপাদিত শোধানাগাৰ সামগ্ৰীখিনি বজাৰত বিক্ৰী কৰিবলৈ আই অ' চিক হস্তান্তৰ কৰে। বি আৰ পি এলে তেনে বিক্ৰীমূল্যৰ ওপৰত কৰ জমা দিয়ে। কিন্তু অ' চি চিয়ে বিটেনশ্যন প্ৰাইচ আৰু এক্স-বিফাইনেৰী প্ৰাইচৰ প্ৰভেদ মূল্য বি আৰ পি এলৰ হিচাপৰ ভিত্তিত প্ৰদান কৰে আৰু বি আৰ পি এল এ তেওঁলোকৰ নথি-পত্ৰত উক্ত প্ৰভেদ-মূল্যখিনি বিক্ৰীমূল্য বুলি সন্নিবিষ্ট কৰে। কিন্তু তেনে প্ৰভেদ-মূল্যৰ (বিক্ৰীমূল্যৰ একাংশ) ওপৰত কোনো কৰ জমা নিদিয়ে।

## দ্বিতীয় বিক্ৰীৰ ওপৰত কৰ আদায়

আই অ' চিয়ে নিজৰ উৎপাদিত শোধন তৈল আৰু বি আৰ পি এলৰ পৰা ক্ৰয় কৰা শোধন তৈল বিটেনশ্যন প্ৰাইচত বজাৰত বিক্ৰী কৰে। কিন্তু বিক্ৰীমূল্যৰ সমতা ৰক্ষা কৰিবলৈ আই অ' চিয়ে দ্বিতীয় স্তৰৰ বিক্ৰীৰ ওপৰতো কৰ আৰোপ কৰি আদায় কৰে। কিন্তু উক্ত আদায় কৰা কৰ আই অ' চিয়ে অসম চৰকাৰৰ হিচাপত জমা নিদিয়ে। আৰু সেই কৰ আই অ' চিৰ পুল একাউণ্টত হস্তান্তৰ কৰে। অসমৰ বাইজৰ পৰা বেআইনীভাৱে আদায় কৰা তেনে কৰ অকল পুল একাউণ্টত জমা কৰে। তাৰ দ্বাৰা অসমৰ বাইজ কোনো ক্ষেত্ৰতে উপকৃত নহয়। যোৱা ২৪/৯/৮২ তাৰিখৰ আগলৈকে শোধন তৈল সামগ্ৰীৰ বিক্ৰীৰ ওপৰত আয়তন হিচাপে কৰ আদায় দিয়া হৈছিল, কিন্তু তাৰ পিছত বিক্ৰীমূল্যৰ ওপৰত কৰ আদায়ৰ ব্যৱস্থা প্ৰবৰ্তন কৰা হৈছিল। তেতিয়াৰ পৰাই তেনে দ্বিতীয় স্তৰৰ বিক্ৰীৰ ওপৰত কৰ আদায় হৈ আছে আৰু কেন্দ্ৰীয় চৰকাৰৰ উক্ত অ' চি চি নামৰ প্ৰতিষ্ঠানটিৰ পুল একাউণ্টত জমা হৈ আছে।

এই প্ৰবন্ধৰ লেখকে তথ্য-পাতিসহ যোৱা ১৯৯১ চনত এনে আসোঁৱাহ অসমৰ কৰ আয়ুক্তৰ জৰিয়তে চৰকাৰক দৃষ্টি আকৰ্ষণ কৰিছিল। এই বিষয়ে কি ব্যৱস্থা লৈছে জনা নাযায়। কিন্তু গুৱাহাটী হাইকৰ্টৰ চিভিল ৰুল ১৯৩৯-১৯৯৬ ৰায়ৰ ওপৰত আই অ' চিয়ে কৰা ৩৬ নং (১৯৯৯) আপীলৰ ৰায়ৰ পৰা অনুভৱ হয় যে পিছলৈ (অৰ্থাৎ ১৯৯১ চনৰ পিছত) সেই তৈল কোম্পানীয়ে (আই অ' চিয়ে) তেনে কৰ উপাদানক 'ছাৰচাৰ্জ' বুলি আখ্যা দিছিল। যদিও উচ্চ ন্যায়ালয়ৰ ৰায় অসম চৰকাৰৰ সপক্ষে প্ৰদান কৰা হৈছে — তাৰ দ্বাৰা আই অ' চি অসমৰ বাইজৰ পৰা অবৈধভাৱে আদায় কৰা কৰ — অসম চৰকাৰলৈ ঘূৰাই দিয়া প্ৰশ্নক ৰক্ষণাবেক্ষণ দিয়াৰ প্ৰশ্ন উঠা নাই। কাৰণ উক্ত কৰ নিৰ্ধাৰণ পদ্ধতি এটি সুকীয়া ভিত্তিত প্ৰতিষ্ঠিত। আমি ভাবো, যদি সংশ্লিষ্ট নথি-পত্ৰ পৰীক্ষা কৰি অসম চৰকাৰৰ তৰফৰ পৰা তেনে অবৈধ কৰ আদায় আৰু কেন্দ্ৰীয় চৰকাৰৰ অ' চি চি পুল একাউণ্টত কৰ্তৃত্বহীনভাৱে জমা দিয়া কথা স্পষ্টকৈ আঙুলিয়াই দিয়া যায়, কেন্দ্ৰীয় চৰকাৰে সেই টকা অসম চৰকাৰক ঘূৰাই দিবলৈ বাধ্য থাকিব। যাক বুলি নাথাই জিজি বুলি খোৱাৰ দৰে 'কৰ' বুলি আদায় নকৰি 'ছাৰ চাৰ্জ'

বুলি একে পৰিমাণত ধন আদায় কৰিলে আনো তেনে কৰ যোৱাই পাৰলৈ সক্ষম হ'ব। সেই 'স্তব চাৰ্জ' কি? অৱশ্যে ৰাজ্য চৰকাৰৰ এই সম্বন্ধে প্ৰতিক্ৰিয়া কি জনা নাযায়। এই প্ৰবন্ধৰ লেখকে বিভিন্ন প্ৰবন্ধ আৰু চিঠি-পত্ৰৰ জৰিয়তে বিষয়টো চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিছিল। চৰকাৰ যদি এই বিষয়ে নিস্পৃহ হৈ থাকে, আমাৰ কৰিব লগীয়া একো নাই। কিন্তু আমি ভাবো, কেন্দ্ৰীয় চৰকাৰৰ লগত তথ্য-পাতিৰ ভিত্তিত এই বিষয়ে যোগাযোগ কৰিলে অসমৰ বাহিৰৰ পৰা অবৈধভাৱে আদায় কৰি কৰ্তৃত্ববিহীনভাৱে অ' চি চিৰ পুল একাউণ্টত জমা কৰা প্ৰায় ৪০০ কোটি টকা আদায় কৰা সম্ভৱ হ'ব।

## শোধন তেলৰ নতুন বিক্ৰীমূল্য পদ্ধতি নিৰূপণ

বি আৰ পি এল কৰ নিৰ্ধাৰণ আৰু আই অ' চিৰ অবৈধভাৱে কৰ আদায় পদ্ধতি আৰু অসম চৰকাৰৰ কৰ বিষয়াসকলৰ নিষ্ঠাপূৰ্ণ কামৰ পৰিপ্ৰেক্ষিতত আমি অনুমান কৰা মতে কেন্দ্ৰীয় চৰকাৰ সচেতন হ'ল। তাৰে ফলস্বৰূপে যোৱা ১/৪/৯৮ তাৰিখৰ পৰা বিক্ৰীমূল্য নিৰূপণ পদ্ধতিৰে এক পৰিবৰ্তন আনিলে। অৰ্থাৎ যোৱা ১/৪/৯৮ তাৰিখৰ পৰা এক্স-ৰিফাইনেৰী প্ৰাইচ আৰু ৰিটেনশ্যন প্ৰাইচ উঠাই দি সকলোৱে কাৰণে দুয়োটা শোধনাগাৰৰ শোধন তৈল বিক্ৰী সম্বন্ধে হোৱা বিতৰ্কৰ অন্ত পৰিল। এই ব্যৱস্থাৰ ফলত অসমৰ ৰাজহ আদায়ৰ যথেষ্ট উন্নতি হ'ল।

## অসম চৰকাৰৰ পেহতীয়া নীতি

আমাৰ বোধেৰে কেন্দ্ৰীয় চৰকাৰে যোৱা ১/৪/৯৮ ৰ পৰা প্ৰৱৰ্তন কৰা নতুন মূল্য নীতিৰ পৰিপ্ৰেক্ষিতত অসম চৰকাৰে ৫/৩/৯৮ তাৰিখে গ্ৰহণ কৰা কৰ আৰোপ ব্যৱস্থা সম্পূৰ্ণ অপ্ৰাসঙ্গিক। হয়তোবা উক্ত ১/৪/৯৮ তাৰিখৰ মূল্য-নীতি নিৰূপণ ব্যৱস্থা সম্বন্ধে অসম চৰকাৰ জ্ঞাত নোহোৱাৰ ফলত ৰাজ্যকোষৰ ৰাজহ স্বাৰ্থ ৰক্ষাৰ হকে এনে ব্যৱস্থা লোৱা হৈছে। কিন্তু পৰিবৰ্তিত অৱস্থাৰ পৰিপ্ৰেক্ষিতত তেনে ব্যৱস্থা প্ৰত্যাহাৰ কৰা সমীচীন বুলি আমি ভাবো। চৰকাৰে এই বিষয়ে বিবেচনা কৰি এটি বিহিত ব্যৱস্থা ল'ব বুলি আশা কৰিলো।

## ঘোষণা-পত্ৰৰ সম্ভাব্য অপব্যৱহাৰ

ঘোষণা-পত্ৰৰ চৰ্ত মতে কোনো তৈল কোম্পানীয়ে আন তৈল কোম্পানীৰ পৰা শোধন তৈল বা আন সামগ্ৰী ক্ৰয় কৰিলে অসমতে বিক্ৰী কৰিব লাগিব। অৰ্থাৎ তেনে সামগ্ৰীৰ আন্তঃৰাজ্যিক বিক্ৰী সম্পন্ন হ'ব নালাগিব বা অসমৰ বাহিৰত বিক্ৰীৰ বাবে স্থানান্তৰ কৰিব নোৱাৰিব। ইয়াৰ অন্যথায় আইনৰ সংশ্লিষ্ট ধাৰা মতে কৰ আৰোপ আৰু জৰিমনাৰ উপৰি তেনে খৰিদ মূল্যৰ ওপৰত কৰ আদায় দিব লাগিব।

আমাৰ প্ৰশ্ন হৈছে, আই অ' চিয়ে কোটি কোটি টকা মূল্যৰ শোধন তৈল বি আৰ পি এলৰ পৰা খৰিদ কৰি কিদৰে তেনে সামগ্ৰী বেলেগে চিহ্নিত কৰি ৰাখিব ? আমাৰ বিশ্বাস — আই অ' চি নিজৰ উৎপাদিত সামগ্ৰী আৰু বি এলৰ পৰা কিনা সামগ্ৰীৰ বিক্ৰীৰ ক্ষেত্ৰত বেলেগে হিচাপ নাৰাখে। যদি ৰাখে অতি উত্তম কথা। তাত আমাৰ কোনো বিতৰ্কৰ প্ৰশ্ন নুঠে। যদি

নাৰাখে, ঘোষণা-পত্ৰযোগে ক্ৰয় কৰা সমুদায় সামগ্ৰী অসমত বিক্ৰী কৰাৰ সত্যাসত্যতা কিদৰে নিৰাপণ কৰা সম্ভৱ হ'ব? কৰ নিৰ্ধাৰণ বিষয়াসকলে এই প্ৰাসংগিক বিষয়টো পৰীক্ষা কৰি চাইছেনে? যদি এই বিষয়ে যথাযথ ব্যৱস্থা লোৱা নহয়, তেনে ঘোষণা-পত্ৰৰ অপব্যৱহাৰ হোৱা স্বাভাৱিক কথা হ'ব আৰু তেনে সামগ্ৰীৰ ওপৰত কৰ নেহাই ব্যৱহাৰ কৰাত চৰকাৰে এক বুজন পৰিমাণৰ ৰাজহ হেৰুৱাই থাকিব আৰু সেয়া অসমৰ ৰাইজৰ স্বাৰ্থৰ প্ৰতিকূল বুলি অভিহিত হ'ব।

আমাৰ অসম
১৫/৮/২০০১

## পৰৱৰ্তী পদক্ষেপ

যোৱা ১ জুলাই, ১৯৯৩ চনত 'দ্য আসাম জেনাৰেল চেইলচ্ টেক্স এক্ট' প্ৰবৰ্তন কৰা হয়। উক্ত আইনৰ ৮(১) ধাৰাৰ ১নং ব্যাখ্যা মতে দ্বিতীয় শ্ৰেণীৰ বিক্ৰীৰ ওপৰতো তেনে কৰ আদায় কৰা সম্ভৱ হৈছে।

কিন্তু যোৱা ২৪/৯/১৯৮২ তাৰিখৰ পৰা ৩০/৬/১৯৯৩ লৈকে গ্ৰাহকৰ পৰা অবৈধভাৱে আদায় কৰা তেনে কৰ অসম চৰকাৰৰ ৰাজকোষত জমা কৰাৰ কোনো ব্যৱস্থা লোৱা হোৱা নাই।

আনহাতে সম্প্ৰতি উক্ত আইনখনত আৰু কিছুমান সংশোধন অনা হৈছে। তাৰে পৰিপ্ৰেক্ষিতত যদি কোনো ক্ৰেতা তৈল কোম্পানীয়ে ঘোষণা পত্ৰযোগে ক্ৰয় কৰা তেনে সামগ্ৰী অসমত বিক্ৰী নকৰে বা আন্তঃৰাজ্যিক বিক্ৰী সম্পন্ন নকৰে অৰ্থাৎ অইন ৰাজ্যলৈ তেনে সামগ্ৰী বিক্ৰীৰ বাবে স্থানান্তৰ কৰে তেনে ক্ষেত্ৰত উক্ত সামগ্ৰীক ক্ৰয় কৰৰ সামগ্ৰী বুলি গণ্য কৰি তাৰ ওপৰত ক্ৰয় কৰ আদায় কৰিব। ঘোষণা পত্ৰযোগে কিনি অসমত বিক্ৰী নকৰি আন্তঃৰাজ্যিক বিক্ৰী আৰু অইন ৰাজ্যলৈ স্থানান্তৰ কৰা উভয়ে উক্ত আইন বহিৰ্ভূত কথা। এনে ক্ষেত্ৰত উক্ত সংশোধন বৈষম্যতাপূৰ্ণ আৰু তাৰ দ্বাৰা ৰাজহ আদায়ক সুৰক্ষা নিদিয়ে।

আনহাতে আইনখনত এনে প্ৰৱৰ্তিত ব্যৱস্থাৰ উপৰিও তেনে অতিৰিক্ত ব্যৱস্থা বিধানখিনি ন্যায়সংগত তাৰ এক পৰীক্ষা-নিৰীক্ষা প্ৰয়োজন।

# শোধনাগাৰৰ তৈল-সামগ্ৰীৰ কৰ আৰোপ ব্যৱস্থা

আজি কিছুদিনৰ পৰা সংবাদ মাধ্যমযোগে প্ৰকাশ পাইছে যে অসম চৰকাৰে ভাৰতীয় তৈল নিগমৰ (তৈল নিগম) পৰা ৪১১ কোটি টকা বিক্ৰীকৰ পাব লগীয়া আছে আৰু সেই টকা আদায় পালে অসমৰ সংকটপূৰ্ণ বিত্তীয় সমস্যা বহুখিনি লাঘৱ হ'ব। সাধাৰণতে, তৈল নিগমে মাহেকীয়া প্ৰবিৱৰণ দাখিল কৰাৰ আগতে ৰাজকোষত যথাযথ ধন আদায় দিয়ে। এনে ক্ষেত্ৰত কি কাৰণে ইমান বিক্ৰীকৰ অনাদায় হৈ আছে, এই বিষয়ে কোনো স্পষ্টীকৰণ নাই। গতিকে, এনে অনাদায় বিক্ৰীকৰৰ সম্বন্ধে বিশদ তথ্য-পাতি পোৱা নাযায়। এটা কথা স্বভাৱতে মনত উদয় হয়, কৰ কৰ্তৃপক্ষই তেনে অনাদায় কৰ আদায়ৰ ক্ষেত্ৰত কিয় আইনগত ব্যৱস্থা গ্ৰহণ কৰা নাই?

যদিও এই অনাদায় কৰ সম্বন্ধে কোনো বিশদ তথ্যপাতি পোৱা নাযায় — আমি ভাবো যে এইক্ষেত্ৰত কিছু গূঢ় ৰহস্য অন্তৰ্নিহিত হৈ আছে। এই প্ৰসঙ্গত কিছু আলোচনা কৰা সমীচীন হ'ব বুলি আমি অনুভৱ কৰো।

### এক্স বিফাইনাৰী প্ৰাইচ আৰু ৰিটেনশ্যন প্ৰাইচ

খাৰুৱা তৈল আৰু শোধনাগাৰসমূহত উৎপাদিত পেট্ৰ'লজাত সামগ্ৰীৰ ক্ৰয়-বিক্ৰী ভাৰত চৰকাৰৰ পেট্ৰ'লিয়াম মন্ত্ৰালয়ে নিয়ন্ত্ৰণ কৰে। উক্ত মন্ত্ৰালয়ৰ অধীনস্থ তৈল সমন্বয় কমিটিয়ে (সমন্বয় কমিটি) উক্ত পেট্ৰ'লজাত সামগ্ৰীৰ বিক্ৰীৰ নিয়ম-নীতি, বিক্ৰীমূল্যৰ নিৰিখ আদি নিৰ্ধাৰণ কৰে। আন্তঃৰাষ্ট্ৰীক আমদানিকৃত খাৰুৱা তৈলৰ মূল্য, ভাৰতত উৎপাদিত খাৰুৱা তৈলৰ মূল্য, শোধন খৰচ আৰু আন বিভিন্ন বিচাৰ-বিবেচনাৰ ভিত্তিত তেনে পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ বিক্ৰীমূল্য নিৰ্ধাৰণ কৰা হয়। এইক্ষেত্ৰত, উক্ত সমন্বয় কমিটিয়ে শোধনাগাৰত উৎপাদিত পেট্ৰ'লিয়াম সামগ্ৰীৰ বিক্ৰীৰ ওপৰত দুই ধৰণৰ কৰ আৰোপ ব্যৱস্থা প্ৰৱৰ্তন কৰে। (১) এক্স-বিফাইনাৰী প্ৰাইচ আৰু (২) ৰিটেনশ্যন প্ৰাইচ।

এক্স-বিফাইনাৰী প্ৰাইচ ঃ কিছুমান তৈল শোধনাগাৰ আছে, যিবোৰে নিজাকৈয়াকে তেওঁলোকৰ উৎপাদিত সামগ্ৰী গ্ৰাহকৰ ওচৰত বিক্ৰী কৰিব নোৱাৰে। 'মাৰ্কেটিং কোম্পানীৰ জৰিয়তেহে বিক্ৰী কৰিব লাগে। অসমৰ বঙাইগাঁও বিফাইনেৰী এণ্ড পেট্ৰ'-কেমিকেলছ লিমিটেড (বঙাইগাঁও শোধনাগাৰ) তেনে ধৰণৰ শোধনাগাৰ। উক্ত নিগমৰ ওচৰত এক্স-বিফাইনাৰী প্ৰাইচত বিক্ৰী কৰিব লাগে।

ৰিটেনশ্যন প্ৰাইচ ঃ আনহাতে, কিছুসংখ্যক শোধনাগাৰ আছে, যিবোৰে নিজ উৎপাদিত সামগ্ৰী আৰু আইল শোধনাগাৰৰ মাৰ্কেটিং এজেণ্ট হিচাপে এক্স-বিফাইনাৰী প্ৰাইচত ক্ৰয় কৰা সামগ্ৰী বজাৰত ৰিটেনশ্যন প্ৰাইচত বিক্ৰী কৰে। তৈল নিগম সেই শ্ৰেণীৰ শোধনাগাৰ। সাধাৰণতে ৰিটেনশ্যন প্ৰাইচ এক্স-বিফাইনাৰী প্ৰাইচতকৈ কম বেছি।

**বঙাইগাঁও শোধনাগাৰৰ পেট্ৰ'লজাত সামগ্ৰী বিক্ৰী ঃ** বঙাইগাঁও শোধনাগাৰে তেওঁলোকৰ উৎপাদিত পেট্ৰ'লজাত সামগ্ৰী এক্স-ৰিফাইনাৰী প্ৰাইচত মাৰ্কেটিং কোম্পানী তৈল নিগমক বিক্ৰী কৰে আৰু তেনে বিক্ৰীমূল্যৰ ওপৰত নিৰ্ধাৰিত হাৰত কৰ জমা দিয়ে। পূৰ্বতে উল্লেখ কৰা হৈছে যে ৰিটেলশ্যন প্ৰাইচ এক্স-ৰিফাইনাৰী প্ৰাইচতকৈ বহু বেছি। এইক্ষেত্ৰত সমন্বয় কমিটীয়ে বঙাইগাঁও শোধনাগাৰক বাকী টকাখিনি নিজা হিচাপৰ পৰা (সংৰক্ষিত পুল-একাউণ্টৰ পৰা) উক্ত শোধনাগাৰক আদায় দিয়ে। বঙাইগাঁও শোধনাগাৰে বাকী টকাখিনি তেওঁলোকৰ হিচাপত শোধনাগাৰ সামগ্ৰীৰ বিক্ৰীমূল্য হিচাপে নথিভুক্ত কৰে। এই বিক্ৰীমূল্য তেওঁলোকে দাখিল কৰা বছৰেকীয়া আয়-ব্যয়ৰ প্ৰবিবৰণত প্ৰদৰ্শন কৰে আৰু আয়ৰ ওপৰত আয়কৰ জমা দিয়ে। মুঠতে তৈল সমন্বয় কমিটীৰ পৰা পোৱা টকাখিনি আংশিক বিক্ৰীমূল্য হিচাপে প্ৰতিপন্ন হয়। কথাটো ঠিক এনে ধৰণৰ – 'ক'ই 'খ'ক নিৰ্দেশ দিলে যে 'গ'ৰ পৰা ৬০০ টকা আদায় লৈ 'গ'ক 'ক'য়ে এখন চাইকেল দিব। বাকী টকাখিনি 'ক'ই 'খ'ক দিব। 'গ'ই চাইকেলখন ল'লে। 'ক'ই 'খ'ক বাকী ৪০০ টকা দিলে। 'খ'য়ে বিক্ৰীমূল্য ১০০০ টকা আদায় পালে। গতিকে 'খ'য়ে সমুদায় ১০০০ টকাৰ ওপৰত বিক্ৰীকৰ আদায় দিব। এয়া এক আভ্যন্তৰীণ ব্যৱস্থা। এনে অনুৰূপ ব্যৱস্থা বঙাইগাঁও শোধনাগাৰৰ ক্ষেত্ৰতো প্ৰযোজ্য হৈছে। বঙাইগাঁও শোধনাগাৰে একে সামগ্ৰীৰ আংশিক বিক্ৰীমূল্য পায় তৈল নিগমৰ পৰা আৰু আংশিক মূল্য পায় 'সমন্বয় কমিটী'ৰ পৰা। কিন্তু প্ৰচলিত প্ৰথানুযায়ী বঙাইগাঁও শোধনাগাৰে যোৱা ২৪/৯/১৯৮২ তাৰিখৰ পৰা (অৰ্থাৎ আয়তনৰ পৰিবৰ্তে বিক্ৰীমূল্যৰ ওপৰত কৰ ব্যৱস্থা প্ৰবৰ্তন কৰাৰে পৰা) তৈল নিগমৰ পৰা আদায় পোৱা আংশিক বিক্ৰীমূল্যৰ ওপৰতহে কৰ জমা দিয়ে। বাকী বিক্ৰীমূল্যৰ ওপৰত কোনো কৰ জমা নিদিয়ে। এই ৰহস্য উদ্‌ঘাটন হ'ল ১৯৯০-৯১ চনত। তেতিয়া মই বঙাইগাঁৱৰ কৰ অধীক্ষক। ১৯৮২ চনৰ পৰা কৰ নিৰ্ধাৰণ প্ৰক্ৰিয়া মুলতুৱী থকাৰ পৰিপ্ৰেক্ষিতত মই কৰ নিৰ্ধাৰণৰ যথাযথ ব্যৱস্থা হাতত লোৱাৰ পিছত এই ৰহস্য মোৰ চকুত পৰিল। কৰ নিৰ্ধাৰণৰ বিভিন্ন নিয়ম-নীতি আৰু পদ্ধতি গ্ৰহণৰ অন্তত মই উক্ত শোধনাগাৰক ১৯৮২ চনৰ পৰা কিছু কাৰ্য্যকাললৈ কৰ নিৰ্ধাৰণ কৰিলো। বঙাইগাঁও শোধনাগাৰে এক বৃজন পৰিমাণৰ কৰ আৰু অনাদায় কৰৰ ওপৰত সূত জমা দিবৰ বাবে জাননী পালে। ফলত চৰকাৰৰ তৰফৰ পৰা লোৱা কৰ আৰোপ ব্যৱস্থা তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ল। বৰ্তমানে অসম চৰকাৰৰ আবেদনৰ ভিত্তিত উক্ত কৰ আৰোপ ব্যৱস্থাৰ বৈধতা সম্বন্ধে ভাৰতৰ উচ্চতম ন্যায়ালয়ত বিচাৰাধীন হৈ আছে। ন্যায়ালয়ৰ গুৰুত্বপূৰ্ণ ৰায়ে এইক্ষেত্ৰত বিতৰ্কৰ অৱসান ঘটাব।

## ভাৰতীয় তৈল নিগমৰ দ্বাৰা দ্বিতীয় স্তৰৰ বিক্ৰীৰ ওপৰত কৰ আদায়

পেট্ৰ'লজাত সামগ্ৰীৰ প্ৰথম স্তৰৰ বিক্ৰীৰ ওপৰত কৰ আদায় হয়। তৈল নিগমে তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ প্ৰথম স্তৰৰ বিক্ৰীৰ ওপৰত কৰ আদায় কৰি জমা দিয়ে, আনহাতে, বঙাইগাঁও শোধনাগাৰৰ পৰা এক্স-ৰিফাইনাৰী প্ৰাইচত পেট্ৰ'লজাত সামগ্ৰী উক্ত তৈল নিগমে দ্বিতীয় স্তৰৰ বিক্ৰী ৰিটেলশ্যন প্ৰাইচত সম্পন্ন কৰে। কিন্তু তৈল নিগমে উক্ত

স্তৰৰ বিক্ৰীৰ সমতা ৰক্ষা কৰি দ্বিতীয় স্তৰৰ বিক্ৰীৰ ওপৰত কৰ আদায় কৰে। সেই টকা তেওঁলোকে অসমৰ ৰাজকোষত জমা নিদিয়ে আৰু সমন্বয় কমিটীৰ পুল একাউণ্টত হস্তান্তৰ কৰে। গ্ৰাহকৰ পৰা বিক্ৰীকৰ অবৈধভাৱে আদায় কৰি তাক ৰাজকোষত জমা নিদি সমন্বয় কমিটীক হস্তান্তৰ কৰা আৰু সমন্বয় কমিটীয়ে কৰ্তৃত্বহীনভাৱে তেনে কৰৰ টকা সংৰক্ষণ কৰা অতি গৰ্হিত কাম বুলি পৰিগণিত হয়।

এই লেখকে ১৯৯০-৯১ চনত এনে প্ৰতাৰণামূলক কাৰ্য উদ্ঘাটন কৰিছিল। কিন্তু যিহেতু তৈল নিগমৰ কৰ প্ৰশাসন প্ৰক্ৰিয়া বঙাইগাঁও কৰ অধীক্ষকৰ এক্তিয়াৰৰ বাহিৰত আছিল, সেয়ে যথাযথ তথ্যপাতিৰ ভিত্তিত কৰ আযুক্তৰ ওচৰত এক বিশদ প্ৰতিবেদন দাখিল কৰি বিহিত ব্যৱস্থা ল'বলৈ পৰামৰ্শ আগবঢ়াইছিল। জানিব পৰা মতে, এই বিষয়ে যথাযথ ব্যৱস্থা লোৱাৰ পৰিপ্ৰেক্ষিতত তৈল নিগমে তেওঁলোকৰ কাৰ্যক্ৰম পৰিৱৰ্তন কৰি পৰৱৰ্তী কালত উক্ত 'দ্বিতীয় স্তৰৰ বিক্ৰীকৰ আদায় ব্যৱস্থাক' 'ছাৰ চাৰ্জ আদায় ব্যৱস্থা' লৈ ৰূপান্তৰিত কৰিছিল আৰু কৰ কৰ্তৃপক্ষক ইয়াক 'ছাৰ চাৰ্জ' বুলি ব্যাখ্যা দাঙি ধৰিছিল। এইক্ষেত্ৰত পৰৱৰ্তীকালত কি ব্যৱস্থা লৈছিল জনা নাযায়। এনে ছাৰ চাৰ্জ কিহৰ ওপৰত, কি কাৰণে আৰু কি হাৰত আদায় কৰা হৈছিল আৰু ছাৰ চাৰ্জৰ হাৰৰ লগত কৰৰ হাৰৰ সামঞ্জস্য আছিল নে - এই কথা অনুসন্ধান কৰিলে জোলোঙাৰ মেকুৰী নিজে নিজে ওলাই অহা সম্ভৱ আছিল।

## দ্য আসাম জেনেৰেল চেলছ টেক্স এক্ট (১৯৯৩) প্ৰসংগ

দ্য আসাম জেনেৰেল চেলছ টেক্স এক্ট (১৯৯৩) মতে, কোনো সামগ্ৰীৰ ক্ৰয় মূল্যতকৈ বিক্ৰীমূল্যৰ হাৰ যদি শতকৰা ৪০ ভাগৰ অধিক হয়, তেন্তে দ্বিতীয় স্তৰৰ বিক্ৰীক প্ৰথম স্তৰৰ বিক্ৰী বুলি গণ্য কৰিব পাৰি। তৈল নিগমে এক্স-ৰিফাইনাৰী প্ৰাইচত পেট্ৰ'লজাত সামগ্ৰী ক্ৰয় কৰি ৰিটেনশ্যন প্ৰাইচত বিক্ৰী কৰিলে বিক্ৰীমূল্য বৃদ্ধি পায়। তাৰ ওপৰত কৰ যোগ কৰিলে (তথাকথিত ছাৰ চাৰ্জ) বিক্ৰীমূল্য শতকৰা ৪০ ভাগৰ অধিক হয়। আইন প্ৰৱৰ্তিত ব্যৱস্থা অনুযায়ী গুৱাহাটী কৰ কৰ্তৃপক্ষই কিছু পৰ্যায়ত উক্ত তৈল নিগমক দ্বিতীয় শ্ৰেণীৰ বিক্ৰীক প্ৰথম শ্ৰেণীৰ বিক্ৰী বুলি গণ্য কৰি কৰ নিৰ্ধাৰণ কৰিলে। কিন্তু ১৯৮২ চনৰ পৰা ১৯৯৩ চনৰ জুন মাহলৈ নতুন আইন প্ৰয়োগ কৰিবলৈ কোনো ব্যৱস্থা লোৱা সম্ভৱ নহ'ল। ফলত তৈল নিগমে উক্ত কৰ নিৰ্ধাৰণ ব্যৱস্থাৰ প্ৰত্যাহ্বান জনাই গুৱাহাটী উচ্চ ন্যায়ালয়ত গোচৰ তৰিলে। কিন্তু আবেদন নাকচ হ'ল। তৈল নিগমৰ দায়বদ্ধতা অটুট থাকিল।

## পেট্ৰ'লজাত সামগ্ৰীৰ বিক্ৰীমূল্যৰ ওপৰত নতুন নীতি প্ৰৱৰ্তন

কেন্দ্ৰীয় চৰকাৰে তালমৰে উপলব্ধি কৰিছিল যে তেওঁলোকে প্ৰৱৰ্তন কৰা বিক্ৰীমূল্যৰ নীতিসমূহ ৰাজ্য চৰকাৰৰ স্বাৰ্থৰ পৰিপন্থী। পৰৱৰ্তী ঘটনাৰ পৰিপ্ৰেক্ষিতত তেওঁলোকে প্ৰৱৰ্তন কৰা ব্যৱস্থা ক্ৰমাৎ প্ৰত্যাহ্বানৰ সন্মুখীন হৈ আহিছে বুলি তেওঁলোকে উপলব্ধি কৰিছিল। ফলত যোৱা ১/৪/১৯৯৮ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ তেওঁলোকে পূৰ্বতে অৱলম্বন কৰা নীতি প্ৰত্যাহাৰ কৰি সকলো বিক্ৰীমূল্য সমৰূপভাৱে নিৰ্ধাৰণ কৰিলে। ফলত বঙাইগাঁও শোধনাগাৰে অধিক হাৰত কৰ জমা দিবলৈ আৰম্ভ কৰিলে। চৰকাৰৰ ৰাজহ আদায় বৃদ্ধি হ'ল।

## আভ্যন্তৰীণ বিক্ৰীৰ ক্ষেত্ৰত অসম চৰকাৰৰ নতুন নীতি প্ৰৱৰ্তন

কেন্দ্ৰীয় চৰকাৰে যোৱা ১/৪/১৯৯৮ তাৰিখৰ পৰা প্ৰৱৰ্তন কৰা নতুন বিক্ৰীমূল্য নিৰূপণ ব্যৱস্থা আওকাণ কৰি অসম চৰকাৰে যোৱা ৫/৬/১৯৯৮ তাৰিখৰ পৰা বলবৎ হোৱাকৈ এক নতুন নীতি মতে অসমত অৱস্থিত এটা তৈল কোম্পানীয়ে আন এটা তৈল কোম্পানীক বিক্ৰী কৰিলে প্ৰথম কোম্পানীয়ে দ্বিতীয় কোম্পানীৰ পৰা পোৱা এক ঘোষণা-পত্ৰৰ ভিত্তিত তেনে আভ্যন্তৰীণ বিক্ৰীৰ ওপৰত কোনো বিক্ৰীকৰ দিব নালাগে। পৰৱৰ্তী কোম্পানীয়ে গ্ৰাহকসকললৈ তেনে সামগ্ৰী বিক্ৰী কৰিলে কৰৰ দায়বদ্ধতা আছে। অৱশ্যে উক্ত ঘোষণা-পত্ৰ মতে, তেনে ক্ৰয়কৃত সামগ্ৰী কেৱল অসমতে বিক্ৰী কৰিব পাৰিব। অসমৰ বাহিৰলৈ বিক্ৰী কৰিলে নাইবা অসমৰ বাহিৰলৈ তেনে সামগ্ৰী বিক্ৰীৰ বাবে স্থানান্তৰ কৰিলে উক্ত ঘোষণা পত্ৰৰ অপব্যৱহাৰ হোৱা বুলি গণ্য হয় আৰু তেনে ক্ৰেতা কোম্পানীয়ে ক্ৰয়মূল্যৰ ওপৰতো কৰ আদায় দিবলৈ বাধ্য থাকে। সম্প্ৰতি এইক্ষেত্ৰত জৰিমনা আৰোপ ব্যৱস্থাও আইনত সন্নিৱিষ্ট কৰা হৈছে।

তৈল নিগম এক বৃহৎ বাণিজ্যিক প্ৰতিষ্ঠান। বঙাইগাঁও শোধনাগাৰৰ পৰা ক্ৰয় কৰা পেট্ৰ'লজাত সামগ্ৰী অসমতে বিক্ৰী কৰে নে আন্তঃৰাজ্যিক বিক্ৰী সম্পন্ন কৰে, নে অইন ৰাজ্যলৈ বিক্ৰীৰ বাবে স্থানান্তৰ কৰে, নে অইন দেশলৈ বিক্ৰীৰ পৰিপ্ৰেক্ষিতত ৰপ্তানি কৰে; তাক সততে নিৰ্ণয় কৰা টান। ফলত অসম চৰকাৰৰ যথাযথ ৰাজহ আদায়ত ব্যাঘাত জন্মিব বুলি ভাবিবৰ যথেষ্ট থল আছে। অৱশ্যে তীক্ষ্ণ বুদ্ধিসম্পন্ন বিষয়াৰ কাৰণে এই তথ্য উদ্‌ঘাটন কৰা একো টান কাম নহয়।

অসম চৰকাৰে অৱলম্বন কৰা এনে বিসংগতিপূৰ্ণ ব্যৱস্থাৰ ফলত পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ বিক্ৰীৰ ওপৰত কৰ নিৰ্ধাৰণত যথেষ্ট খেলি-মেলিৰ সৃষ্টি হৈছে। আনহাতে, বঙাইগাঁও শোধনাগাৰ আৰু তৈল নিগমৰ কৰ নিৰ্ধাৰণ প্ৰক্ৰিয়া যথাযথভাৱে সম্পাদন হোৱা নাই বুলি বহুতে কয়।

এনেবোৰ ত্ৰুটি-বিচ্যুতি পৰ্যালোচনা কৰি এই লেখকে লিখা প্ৰবন্ধসমূহ 'অইল ফিল্ড টাইমছ' (ইক'নমিক ডেইলী) সংবাদ-পত্ৰবোৰে প্ৰকাশ পাইছিল —

১। ৰিভাইজড্ টেক্স অন অইল প্ৰডাক্টছ্ টু ৰেষ্ট্ৰিক্ট ৰেভিনিউ ফ্ল' অব দ্য ষ্টেট (৩/৭/১৯৯৯)।

২। ডিছমেণ্টালিং এ পি এম - এ ষ্টেপ ইন ৰাইট ডাইৰেকশ্যন (৭/৭/১৯৯৯)।

৩। আছাম বিং ৰোবড্ অব ইট্‌ছ ডিউছ টু ইনক্ৰেট চেণ্টাৰ্ছ কোফাৰ (১১/৭/১৯৯৯)।

এই প্ৰবন্ধসমূহে চৰকাৰৰ সজাগতা আনিলে চৰকাৰৰ দ্বিতীয় তেনে স্তৰৰ বিক্ৰীৰ ওপৰত কৰ আদায় আৰু সমন্বয় কমিটিক হস্তান্তৰ কৰা কথাত গুৰুত্ব আৰোপ কৰিলে আৰু উক্ত কৰ আদায়ৰ কাৰণে তৎপৰ হ'ল।

'প্ৰকৃততে ৰহস্য উদ্‌ঘাটন' আৰু 'তাৰ ভিত্তিত কৰণীয় কাৰ্যক্ৰম' দুটা বেলেগ বস্তু। প্ৰকৃত তথ্য উদ্‌ঘাটন নহ'লে পৰৱৰ্তী প্ৰক্ৰিয়া হাতত লোৱা সম্ভৱ নহয়। এনে ক্ষেত্ৰত প্ৰকৃত কৃতিত্ব কাৰ লেখা এক বিতৰ্ক বিষয়। এই কথা উল্লেখ কৰাৰ কাৰণ জনাই জানিব, বুজাই বুজিব।

যি কি নহওক, আমাৰ অনুমান, চৰকাৰে প্ৰকাশ কৰা ৪১১ কোটি টকা যোৱা

২৪/৯/১৯৮২ তাৰিখৰ পৰা ৩১/৩/১৯৯৮ তাৰিখলৈ তৈল নিগমে দিব লগীয়া বিক্ৰীকৰৰ টকা। আমি ভাবো চৰকাৰে এই ক্ষেত্ৰত অতি তৎপৰতাৰে উক্ত টকা আদায় কৰা প্ৰয়োজন। অসমৰ ৰাইজ তথা গ্ৰাহকৰ পৰা আদায় কৰা টকা সমন্বয় কমিটীয়ে সংৰক্ষণ কৰাৰ কোনো অধিকাৰ নাই। সেই টকা অসম চৰকাৰৰ প্ৰাপ্য আৰু অসমৰ ৰাইজৰ উন্নতিৰ হকে উক্ত টকা ব্যয় হোৱা সমীচীন হ'ব।

ইতিমধ্যে, অসম চৰকাৰে 'দ্য আসাম জেনেৰেল চেইলছ টেক্স এক্ট (১৯৯৩)' পুনৰ এক সংশোধন আনিছে। ১০/৫/২০০২ তাৰিখৰ পৰা বলবৎ হোৱা এই সংশোধনী ব্যৱস্থা মতে, যদি কোনো তৈল কোম্পানীয়ে ঘোষণা-পত্ৰ যোগে ক্ৰয় কৰা পেট্ৰ'লজাত সামগ্ৰী অসমৰ বাহিৰলৈ বিক্ৰীৰ কাৰণে স্থানান্তৰ কৰে তেনে তৈল কোম্পানীক অসমত শেষ ক্ৰেতা বুলি গণ্য কৰা হ'ব আৰু আইনৰ পঞ্চম অনুসূচীত উক্ত সামগ্ৰী অন্তৰ্ভুক্ত কৰি নিৰ্ধাৰিত হাৰত কৰ আৰোপ ব্যৱস্থা লোৱা হ'ব। ই এক অতি আচৰিত কথা। একেটা সামগ্ৰী একেখনৰ ক্ৰয়-বিক্ৰী প্ৰক্ৰিয়াত এবাৰ বিক্ৰী কৰত দায়বদ্ধ হ'ব এবাৰ ক্ৰয় কৰত দায়বদ্ধ হ'ব। এনে ধৰণৰ সংশোধনী ব্যৱস্থাই আইনখনৰ প্ৰশাসন ব্যৱস্থাত অধিক খেলি-মেলিৰহে সৃষ্টি কৰিব।

প্ৰকৃততে কেন্দ্ৰীয় চৰকাৰে লোৱা ১/৪/১৯৯৮ তাৰিখৰ পৰা প্ৰবৰ্তন কৰা নীতিৰ পৰিপ্ৰেক্ষিতত অসম চৰকাৰে লোৱা ৫/৬/১৯৯৮ ত লোৱা সংশোধনী ব্যৱস্থা অতি অপ্ৰয়োজনীয় আৰু অপ্ৰাসংগিক আছিল। লোৱা ১০/৫/২০০২ তাৰিখৰ পৰা প্ৰণয়ন কৰা আইন ব্যৱস্থাই অধিক জটিলতাৰ সৃষ্টি কৰিলে। কাৰণ কৰ আদায়ৰ এনে ব্যৱস্থা উক্ত আইনখনৰ ১২(৩) বিধিত ইতিমধ্যে সন্নিৱিষ্ট কৰা হৈছিল। এনেধৰণৰ সংশোধনৰ বিষয়ে লোৱা ১৯৯১ চনতে চিন্তা-চৰ্চা কৰা হৈছিল যদিও ইয়াৰ দ্বাৰা সংশ্লিষ্ট ব্যৱসায়ীয়ে কৰ ফাঁকি দিয়াৰ সুবিধা পাব বুলি এনে চিন্তা-চৰ্চা সিমানতে প্ৰত্যাহাৰ কৰা হৈছিল। কিন্তু সম্প্ৰতি ৫/৬/১৯৯৮ আৰু ১০/৫/২০০২ তাৰিখে লোৱা সংশোধনী ব্যৱস্থাই অধিক জটিলতাৰ সৃষ্টি কৰিব আৰু কালক্ৰমত সেয়া এক অপৰিণত আৰু অপৰিপক্ক ব্যৱস্থা বুলি পৰিগণিত হ'ব। আজি কেইবছৰমান ধৰি লক্ষ্য কৰি অহা হৈছে — কৰ আইনসমূহৰ প্ৰতি মাহতে সংশোধনী ব্যৱস্থা লোৱা হয়। প্ৰশাসনৰ সুবিধাৰ্থে নে আন কিবা কাৰণত তেনে ব্যৱস্থা লোৱা হৈ আছে, আৰু এক শীৰ্ষৰ বুলি অনুমান হয়। যদি ৰাইজৰ স্বাৰ্থৰ কাৰণে কৰা হৈছে, লোৱা ৫ বছৰত কিমান ৰাজহ বাঢ়িছে? আমি জনা মতে, চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া ১৬০০ কোটি টকাৰ আদায় ১২০০ কোটি টকাৰ ভিতৰত সীমাবদ্ধ হৈ আছে। এই বিষয়ে চৰকাৰে কিবা চিন্তা-চৰ্চা কৰিছেনে?

আমি ভাবো, অসমৰ ৰাইজৰ বৃহত্তৰ স্বাৰ্থত লোৱা ৫/৬/১৯৯৬ ত আৰু ১০/৫/২০০২ তাৰিখে লোৱা সংশোধনী ব্যৱস্থা চৰকাৰে প্ৰত্যাহাৰ কৰক। যিহেতু পেট্ৰ'লজাত সামগ্ৰীৰ বিক্ৰীকৰ প্ৰথম স্তৰত আদায় কৰিব লাগে আৰু যিহেতু সমন্বয় কমিটীয়ে বিক্ৰীমূল্যৰ হাৰ প্ৰায় সমৰূপভাৱে নিৰ্ধাৰণ কৰিছে — এনে প্ৰত্যাহাৰ ব্যৱস্থাৰ ফলত লক্ষণীয়ভাৱে চৰকাৰৰ ৰাজহ আদায় বৃদ্ধি পাব।

আমাৰ অসম
৩১/৫/২০০২

# কয়লাৰ কৰ আদায় পদ্ধতিৰ সংস্কাৰৰ প্ৰয়োজন

লিডু আৰু মাৰ্ঘেৰিটাৰ কয়লা খনিসমূহৰ পৰা যথেষ্ট পৰিমাণৰ কয়লা উৎপাদিত হয়। তেনে কয়লাৰ বিক্ৰীমূল্যৰ ওপৰত আৰোপিত কৰে অসমৰ ৰাজহ আদায়ৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাই আহিছে। নামনি অসমত মেঘালয়ৰ পৰা আমদানি কৰা খাচী আৰু নাঙল কয়লা ক্ৰমে গুৱাহাটীৰ বেলতলাত আৰু যোগীঘোপাৰ কাবাইটাৰীত সংৰক্ষণ কৰা হয়। সেই অঞ্চলসমূহৰ পৰা অনা কয়লা ৰাজ্যৰ লগত আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিক্ৰী কৰা হয়। ৰাজ্যত বিক্ৰী কৰা কয়লাৰ ওপৰত কৰৰ হাৰ টকাত ৪ পইচা। আন্তঃৰাজ্যিক বিক্ৰী অইন ৰাজ্যৰ পঞ্জীকৃত ব্যৱসায়ী লৈ বিক্ৰী কৰিলে টকাত ৪ পইচা, অপঞ্জীকৃত ব্যৱসায়ীলৈ বিক্ৰী কৰিলে টকাত ৮ পইচা। আন্তঃৰাষ্ট্ৰীয় বিক্ৰীৰ ক্ষেত্ৰত উপযুক্ত প্ৰমাণ সাপেক্ষে কোনো কৰ আৰোপ কৰা নহয়। যদি আগতীয়াকৈ কোনো আমানত ধন আদায় কৰা হয়। সেই টকা তেনে ব্যৱসায়ীয়ে ঘূৰাই পায়। এতিয়া প্ৰশ্ন হৈছে, কি দৰে তেনে সামগ্ৰী আন দেশলৈ বিক্ৰী কৰা হৈছে তাৰ সত্যতা নিৰ্ণয় কৰিব পাৰি? সংশ্লিষ্ট কেন্দ্ৰীয় বিক্ৰীকৰ আইনত কোৱা হৈছে যে কোনো সামগ্ৰী ভাৰতৰ সীমা ৰেখা অতিক্ৰম কৰিলে তাক অইন দেশলৈ ৰপ্তানি কৰা বুলি গণ্য হয়, কিন্তু সেই ৰপ্তানি ভিত্তি কি তাৰ কোনো বিশ্লেষণ নাই। স্বভাৱতে এই ক্ষেত্ৰত দুটা বিষয় প্ৰাসঙ্গিক। (১) ব্যৱসায়ীসকলৰ মাজত তেনে ৰপ্তানি সম্বন্ধে এখন চুক্তি থাকিব লাগিব আৰু তেনে চুক্তিত সংশ্লিষ্ট চৰকাৰৰ অনুমোদন থাকিব লাগিব। (২) ব্যৱসায়ীসকলে তেনে সামগ্ৰী ভাৰতৰ সীমা ৰেখা অতিক্ৰম কৰাৰ প্ৰমাণ পত্ৰ দাখিল কৰিব লাগিব। তেনে প্ৰমাণ পত্ৰ সম্বন্ধে আইনত কোনো ব্যৱস্থা সন্নিবিষ্ট কৰা নাই যদিও, এই ক্ষেত্ৰত দুয়োখন দেশৰ শুল্ক বিভাগে দিয়া প্ৰমাণ পত্ৰ প্ৰদান ব্যৱস্থাই অতি যুক্তি যুক্ত বুলি আমি ভাবো। অভিজ্ঞতাৰ পৰা দেখা গৈছে যে অসমৰ পৰা এক বুজন পৰিমাণৰ কয়লা ভূটানলৈ ৰপ্তানি কৰা দেখুৱা হয়। কিন্তু দুয়ো পক্ষই বা এক পক্ষীয়ভাৱে প্ৰস্তুত কৰা চুক্তি পত্ৰসমূহৰ সত্যতা আৰু বৈধতা সম্বন্ধে সন্দেহৰ যথেষ্ট থল থাকে। চুক্তিত প্ৰয়োজনীয় তথ্যপাতি যোগান আৰু টকা আদান-প্ৰদানৰ চৰ্তসমূহ প্ৰায়ে সন্নিবিষ্ট নকৰে। সংশ্লিষ্ট চৰকাৰৰ অনুমোদন আছে নে তাৰো উল্লেখ নাই। চুক্তি পত্ৰবোৰত কোনো সাক্ষী নাথাকে। তেনেক্ষেত্ৰত প্ৰায়বোৰ চুক্তি পত্ৰ ভুৱা বুলি প্ৰতিপন্ন হয়।সেয়া সম্পূৰ্ণভাৱে এক প্ৰহসন বুলি গণ্য হয়। আনহাতে কয়লা ৰপ্তানি সাপেক্ষে এখন প্ৰমাণ পত্ৰ দাখিল কৰা হয়, কিন্তু সেয়া একপক্ষীয়।

ভাৰতীয় শুল্ক কৰ্তৃপক্ষৰ চহী বহুতো ক্ষেত্ৰত দেখা নাযায়।এই ক্ষেত্ৰত বাস্তৱ অভিজ্ঞতাৰ এটি ঘটনাৰ কথা উল্লেখ কৰিব পাৰি। ১৯৭২-৭৩ চনৰ কথা। অলপ দিন আগতে বাংলা দেশ এখন স্বাধীন ৰাষ্ট্ৰ বুলি ঘোষণা কৰা হৈছে। মই তেতিয়া দামৰা (শ্ৰীৰামপুৰ) পৰীক্ষণ চকীত কাম কৰো। বাংলাদেশৰ চাউলৰ নাটনি। গতিকে একাংশ ব্যৱসায়ীয়ে অবৈধভাৱে চোৰাং চাউলৰ কাৰবাৰ কৰিব খোজে। চাউল এটি কৰমুক্ত সামগ্ৰী। কিন্তু কৰমুক্ত সামগ্ৰী হ'লেও পৰীক্ষণ চকীৰ নথি-পত্ৰত তেনে সামগ্ৰীৰ চলাচল সন্নিবিষ্ট কৰিব লাগিব। মই মোৰ অক্ষমতাৰ কথা

প্ৰকাশ কৰিলো। এদিন এক ট্ৰাক চাউল আহিল মই ধুবাই পঠিয়ালো। আন এনিশা ময়দাৰ নথিপত্ৰ প্ৰদান কৰি চাউল চলাচল কৰিব খোজা গাড়ী এখন পুলিচৰ ওচৰত হস্তান্তৰ কৰিলো। অশেষ হেঁচা প্ৰয়োগ সত্বেও মোৰ প্ৰতিবেদন প্ৰত্যাহাৰ নকৰিলো।

এখন গাড়ী সদায়ে ভূটানৰ পৰা চাউল অনা দেখুৱায়। সন্দেহবশতঃ গাড়ীখনৰ গতি-বিধি অনুসৰণ কৰিলো। আগদিনাখন খালী গাড়ী পৰীক্ষণ চকী অতিক্ৰম কৰিলে নিশা ৯-৩০ বজাত। পিছদিনাখন চাউল সহ গাড়ীখন শ্ৰীৰামপুৰ পৰীক্ষণ পালেহি পুৱা ৬ বজাত। ভূটান পৰীক্ষণ চকী অতিক্ৰম কৰা কাগজ (প্ৰমাণ পত্ৰ) আগদিনা খনৰে। গতিকে আমাৰ সন্দেহ সত্যত পৰিণত হ'ল। চাউল খিনি ভূটানৰ পৰা অহা নাই। জেৰা কৰাৰ ফলত প্ৰকৃত সত্য কথা ওলাই পৰিল। চাউলখিনি প্ৰায়ে কোকৰাঝাৰ বা গোঁসাই গাঁও অঞ্চলৰ পৰা অহে আৰু ভুৱা নথি পত্ৰ প্ৰদৰ্শন কৰি সীমান্ত পৰীক্ষণ চকী অতিক্ৰম কৰে। যোগান বিভাগ এই বিষয়ে নীৰৱ। কিন্তু মই নীৰৱ দৰ্শক হৈ থাকিবলৈ টান পালো। নথি-পত্ৰখিনি আৰক্ষী কৰ্তৃপক্ষক বিহিত ব্যৱস্থা ল'বলৈ হস্তান্তৰ কৰিলো। এই কথা আলোচনা কৰাৰ কাৰণ এয়ে যে একপক্ষীয় ভূটান কৰ্তৃপক্ষই দিয়া প্ৰমাণ পত্ৰ সমূহত সন্দেহ কৰাৰ যথেষ্ট অৱকাশ আছে। গতিকে অসমৰ কৰ কৰ্তৃপক্ষই এই বিষয়ে সজাগ হোৱা অতি প্ৰয়োজন। বাতৰি কাকতত প্ৰায়ে প্ৰকাশ পাই আছে যে কয়লাৰ কৰ আদায়ৰ পৰিমাণ হ্ৰাস পাইছে। এনে ভুৱা আন্তঃৰাজ্যিক বিক্ৰীৰ ক্ষেত্ৰতো দেখা যায় যে মালবাহী গাড়ীসমূহক এটি নিৰ্দিষ্ট আমানত ধন আদায়ৰ ভিত্তিত পৰীক্ষণ চকী অতিক্ৰম কৰিবলৈ দিয়া হয়। ২০ টনেই হওক বা ত্ৰিশ টনেই হওক, আমানত ধন আদায়ৰ একে নিৰিখ। প্ৰকৃততে এয়া এক ভুল ব্যৱস্থা। কাৰণ আমানত ধন আদায় ওজন আৰু দামৰ ভিত্তিহে কৰা উচিত ট্ৰাক হিচাপে নহয়। কয়লা ব্যৱসায় এচাম উৎকট ব্যৱসায়ীৰ দ্বাৰা পৰিচালিত হয়। গতিকে তেনে ব্যৱসায়ীক পিছলৈ চিহ্নিত কৰা অতি টান হৈ পৰে। এনে ক্ষেত্ৰত যদি আমানত ধন কমকৈ আদায় কৰা হয়, ভৱিষ্যতে বিক্ৰী মূল্যৰ ওপৰত কৰ আদায় কৰা সম্ভৱ নহয়। বহুতো ক্ষেত্ৰত দেখা যায় যে কয়লা ব্যৱসায়ীসকলে প্ৰকৃত কয়লাৰ প্ৰতি টনৰ বিক্ৰী মূল্য ১৩০০ বা ততোধিক টকাৰ বিপৰীতে ৮০০ টকা দেখুৱায়। ফলত জমা দিয়া আমানত ধনৰ পৰিমাণ দিবলগীয়া কৰতকৈ অধিক হয় আৰু ব্যৱসায়ীসকলে তেনে অধিক জমা দিয়া ধন ভৱিষ্যতত দিবলগীয়া আমানত ধনৰ লগত মিলাই দিবলৈ দাবী কৰে। আমি অনুভৱ কৰো যে গোটেই প্ৰক্ৰিয়াটোত ভুল আৰু অবিবেচক নীতিৰ দ্বাৰা পৰিচালিত হয় আৰু তাৰ ফলত চৰকাৰৰ ৰাজহ আদায়ৰ যথেষ্ট ক্ষতি সাধন হয়। গতিকে এনে ক্ষেত্ৰত কৰ কৰ্তৃপক্ষই এটি গঠনমূলক ব্যৱস্থা লোৱা অতি সমীচিন হ'ব। এক বা একাধিক প্ৰভাৱশালী চক্ৰই এই কয়লা ব্যৱসায় নিয়ন্ত্ৰণ কৰে। এই কয়লা চৰকাৰী-বেচৰকাৰী উদ্যোগসমূহত যোগান ধৰা হয়। কিন্তু কৰ কৰ্তৃপক্ষই কেতিয়াবা অনুসন্ধান কৰিছে নে বিক্ৰেতা ব্যৱসায়ী সকলে কাৰ ওচৰত তেনে সামগ্ৰী যোগান ধৰে — বিক্ৰী কৰি কিমান মূল্য পায়? আমি ভাবো কৰা নাই। ব্যৱসায়ীসকলৰ ভুৱা নথি-পত্ৰৰ ভিত্তিত তেনে কৰ নিৰ্দ্ধাৰণ হয়। যদি কেৱল প্ৰেৰণ কৰা মাল গাড়ী অনুসৰণ কৰি অনুসন্ধান কৰা যায় তেনে যোগান আৰু যোগান মূল্যৰ প্ৰকৃত তথ্য পাতি সংগ্ৰহ কৰা সম্ভৱ হ'ব। তেনে মূল্যৰ ওপৰত কৰ আদায় কৰিলে চৰকাৰ অধিক লাভৱান হ'ব। প্ৰকৃততে

অসমত কোনো কাৰ্যকৰী অনুসন্ধান শাখা নথকাৰ কাৰণে চৰকাৰে কয়লা বিক্ৰীৰ প্ৰকৃত মূল্যৰ ওপৰত কৰ আদায় কৰিবলৈ সক্ষম হোৱা নাই। আমি ভাবো ৰাজ্যখনৰ বৃহত্তৰ কৰ আদায়ৰ স্বাৰ্থত তেনে কৰ নিৰ্দ্ধাৰণ কাৰ্য একপক্ষীয়ভাৱে নকৰি নাইবা ব্যৱসায়ীয়ে প্ৰদান কৰা এই হিচাব পত্ৰত সম্পূৰ্ণভাৱে আস্থা নাৰাখি কৰ কৰ্তৃপক্ষই বিভিন্ন স্থানৰ পৰা তেনে কয়লা যোগানৰ তথ্যপাতি সংগ্ৰহ কৰি প্ৰকৃত বিক্ৰীমূল্যৰ ওপৰত কৰ আৰোপৰ ব্যৱস্থা লোৱা অতি সমীচিন হ'ব। ন্যায়িক কাৰ্য বিৱৰণী প্ৰক্ৰিয়া সম্পন্ন কৰাৰ আগতে সকলো প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰি কৰ নিৰ্দ্ধাৰণ এটি গঠনমূলক ব্যৱহাৰ দ্বাৰা চৰকাৰ অধিক লাভৱান হোৱা স্বাভাৱিক।

সংবিধানৰ ৫০ নং অনুচ্ছেদ মতে কাৰ্যবাহী আৰু ন্যায়িক প্ৰশাসন পৃথক কৰণ এটি গুৰুত্বপূৰ্ণ বিষয়। সেই মৰ্মে আদালতবোৰ কাৰ্যবাহী আৰু ন্যায়িক দণ্ডাধীশ বেলেগে নিয়োগ কৰা হৈছে। আন আন প্ৰশাসনতো তেনে ব্যৱস্থা অৱলম্বন কৰা হৈছে। কিন্তু জালুকবাৰী আৰু কাৰাইচাৰী কৰ পৰীক্ষণ চকীত সেই নীতি অৱলম্বন কৰা হোৱা নাই। একেজন কৰ অধীক্ষকে চকীসমূহৰ কাৰ্যবাহী বিষয়া আৰু কৰ নিৰ্দ্ধাৰণ বিষয়া হিচাপে দ্বৈত ক্ষমতা প্ৰদান কৰা হৈছে। এনে ক্ষেত্ৰত পৰীক্ষণ চকী পৰিচালনা আৰু কৰ নিৰ্দ্ধাৰণ কৰ্তৃপক্ষ ৰূপে কাৰ্য নিৰ্বাহ কৰা একেজন ব্যক্তিৰ দ্বাৰা ক্ষমতা অপপ্ৰয়োগৰ সম্ভাৱনাৰ কথা নুই কৰিব নোৱাৰি। অলপ দিনৰ আগতে সংবাদ মাধ্যমৰ জৰিয়তে প্ৰকাশ পাইছিল যে জালুকবাৰী পৰীক্ষণ চকীত কৰ আদায়ৰ পৰিমাণ ১৯ কোটিৰ পৰা ১১ কোটিলৈ হ্ৰাস পাইছে। চৰকাৰে এই বিষয়ে কোনো স্পষ্টীকৰণ দিয়া পৰিলক্ষিত হোৱা নাই। কি কাৰণত তেনে কৰ আদায়ৰ পৰিমাণ হ্ৰাস পাইছে জনা নাযায়। জনামতে, মেঘালয় চৰকাৰে তেনে কৰ যথাযথভাৱে আদায় কৰি আছে অৰ্থাৎ কৰ আদায় কমা নাই। আমাৰ অনুমান হয় যে বহুতো কয়লাৰ গাড়ী আমানত ধন জমা নিদি ট্ৰাক বা ৰেলযোগে অসমৰ বাহিৰলৈ গৈছে নাইবা এবাৰ জমা দিয়া আমানত ধনৰ ভিত্তিত একাধিক বাৰ পৰীক্ষণ চকী অতিক্ৰম কৰিছে।

আন আন পৰীক্ষণ চকীৰ লগতে জালুকবাৰী আৰু কাৰাইচাৰী পৰীক্ষণ চকীৰ সংস্কাৰৰ অতি প্ৰয়োজন হৈছে। তাৰে প্ৰাৰম্ভিক ক্ৰিয়া হিচাবে কৰ অধীক্ষকসকলৰ ক্ষমতা পৃথক কৰণ এটি অতি অপৰিহাৰ্য বিষয়। কৰ নিৰ্দ্ধাৰণ প্ৰক্ৰিয়া সংশ্লিষ্ট এলেকাৰ কৰ অধীক্ষকৰ ওপৰত ন্যস্ত কৰা নীতি এই ক্ষেত্ৰত প্ৰাসংগিক। একেটা এলেকাত দুজন কৰ অধীক্ষক থকাত কৰ্মদক্ষতা হ্ৰাস পাইছে আৰু প্ৰশাসনৰ কামত ব্যাঘাত জন্মিছে। পৰীক্ষামূলকভাৱে উক্ত ক্ষমতা বিকেন্দ্ৰীকৰণৰ অতি প্ৰয়োজন। যদি কৰ নিৰ্দ্ধাৰণৰ বিষয়টো সংশ্লিষ্ট এলেকাৰ কৰ অধীক্ষকৰ ওপৰত ন্যস্ত কৰা হয় নাইবা কয়লাৰ কৰ নিৰ্দ্ধাৰণৰ কাৰণে বেলেগ প্ৰশাসনীয় ব্যৱস্থা লোৱা হয়, এই ক্ষেত্ৰত যথেষ্ট সুফল পোৱা যাব বুলি ভবাৰ থল আছে। তেনে ক্ষেত্ৰত সংশ্লিষ্ট কৰঅধীক্ষক গৰাকী প্ৰতিখন ট্ৰাকত বহন কৰা কয়লাৰ ওজন, তেনে কয়লাৰ বিক্ৰীমূল্য আদি বিবেচনা কৰি আমানত ধন যথাযথভাৱে আদায় কৰাৰ সুবিধা পাব আৰু গাড়ী চলাচলৰ কাৰণে চালানসমূহ প্ৰতিস্বাক্ষৰ কৰা সুচল হ'ব। আনহাতে, কৰ নিৰ্দ্ধাৰণ বিষয়া আৰু পৰীক্ষণ চকীৰ বিষয়াই পৰস্পৰ কামৰ সমন্বয় ৰক্ষা কৰি চলাত সক্ষম হ'ব। ফলত পৰীক্ষণ চকীৰ বিষয়াসকলে পৰিদৰ্শন কাৰ্যত অধিক মনোনিৱেশ কৰিব পাৰিব আৰু কাম-কাজৰ মান আৰু তৎপৰতা বৃদ্ধি পাব।

দৈনিক জনমভূমি
৩/৮/২০০১

# চাহপাতৰ ওপৰত বিক্ৰী কৰ আৰোপ ব্যৱস্থা

অসমৰ কৰফাঁকি প্ৰক্ৰিয়া প্ৰতিৰোধ কৰিবলৈ ১/৭/৯৩ তাৰিখৰ পৰা প্ৰণয়ন কৰা আসাম জেনাৰেল টেক্স এক্ট (১৯৯৩) ত (এজিএছটি) এটি দুস্তৰীয়া কৰ ব্যৱস্থা সন্নিৱিষ্ট কৰা হৈছে। সেই ব্যৱস্থা মতে যদি কোনো ব্যৱসায়ীয়ে উক্ত আইনত পঞ্জীকৃত কোনো ব্যৱসায়ীলৈ চতুৰ্থ অনুসূচীত বৰ্ণিত কৰযুক্ত সামগ্ৰী বিক্ৰী কৰে, তেন্তে ব্যৱসায়ীয়ে নিৰ্দ্ধাৰিত হাৰত প্ৰথম স্তৰত কৰ দিব লাগে। তেন্তে ক্ৰেতা ব্যৱসায়ীয়ে যদি অনুৰূপভাৱে উক্ত সামগ্ৰী আন ক্ৰেতালৈ বিক্ৰী কৰে, তেন্তে অন্তৰ্বৰ্তী বিক্ৰীৰ ওপৰত কোনো কৰ দিব নালাগে। যদি তেন্তে বিক্ৰী শেষ স্তৰৰ বিক্ৰী হয়, তেতিয়া হ'লে অনুসূচীত নিৰ্দ্ধাৰিত হাৰত তেন্তে শেষ বিক্ৰী কৰ আদায় দিব লাগে। আনহাতে যদি কোনো পঞ্জীকৃত ব্যৱসায়ী কোনো অপঞ্জীকৃত ব্যৱসায়ীলৈ তেন্তে সামগ্ৰী বিক্ৰী কৰে। সেই বিক্ৰীৰ ওপৰত সমুদায় কৰ একেলগে আদায় দিব লাগে। তেন্তে পঞ্জীকৃত ব্যৱসায়ীলৈ বিক্ৰী কৰা প্ৰমাণ-পত্ৰ হিচাবে উক্ত আইনৰ ১০ ধাৰাত আৰু ১৯(২) বিধিত বৰ্ণনা কৰা মতে ফৰ্ম 'এ' যোগে এক ঘোষণা পত্ৰ ক্ৰেতা ব্যৱসায়ীৰ পৰা সংগ্ৰহ কৰিব লাগে। ফৰ্ম 'এ'ৰ চৰ্ত অনুযায়ী তেন্তে বেহাই হাৰৰ খৰিদ বিক্ৰী মাথোন অসমৰ ভিতৰতে সীমাবদ্ধ থাকিব লাগিব, অসমৰ বাহিৰত নহয়। আনকি তেন্তে সামগ্ৰী কোনো প্ৰস্তুতিকৰণ প্ৰক্ৰিয়া বা নিজা ব্যৱহাৰৰ কাৰণেও লগাব পৰা নাযাব। যদি প্ৰমাণ-পত্ৰ যোগে তেন্তে খৰিদ কৰা সামগ্ৰীৰ আন্তঃৰাজ্যিক বিক্ৰী সম্পন্ন হয়, ব্যৱসায়ীজনে আইনৰ ১১ (১) (বি) বিধিমতে উক্ত খৰিদ মূল্যৰ ওপৰত কৰ দিব লাগিব আৰু অবৈধভাৱে ঘোষণা পত্ৰৰ ব্যৱহাৰৰ কাৰণে আইনৰ ২৩(১) (ডি) ধাৰামতে জৰিমনা দিব লাগিব। প্ৰস্তুতিকৰণৰ ক্ষেত্ৰতো অনুৰূপ ব্যৱস্থাৰ সন্মুখীন হ'ব লাগিব। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে উক্ত দুই স্তৰীয়া কৰ ব্যৱস্থা যোৱা ১৫/৯/৯৫ তাৰিখৰ পৰা প্ৰত্যাহাৰ কৰি প্ৰথম স্তৰৰ কৰ হিচাপে আইনৰ ২য় অনুসূচীত অন্তৰ্ভুক্ত কৰা হৈছিল। যোৱা ১/৭/৯৬ তাৰিখৰ পৰা সেই ব্যৱস্থা পুনৰ প্ৰত্যাহাৰ কৰি আগৰ ব্যৱস্থাকে প্ৰৱৰ্তন কৰা হৈছিল। অৱশ্যে চাহ উক্ত অনুসূচীত অন্তৰ্ভুক্ত ইয়াৰ পিছৰ কথা।

চাহপাতৰ ওপৰত যোৱা ১/৮/৯৭ তাৰিখৰ আগলৈ শেষ স্তৰত বিক্ৰী কৰ আৰোপ ব্যৱস্থা আছিল। কিন্তু যোৱা ১/৮/৯৭ তাৰিখৰ পৰা তেন্তে বিক্ৰীৰ ওপৰত দুই স্তৰীয়া কৰ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছিল। প্ৰথম স্তৰত বিক্ৰীৰ ওপৰত টকাত ২ পইচা আৰু শেষ বিক্ৰীৰ ওপৰত টকাত ৬ পইচা। পঞ্জীকৃত ব্যৱসায়ীলৈ বিক্ৰী নকৰিলে প্ৰথম স্তৰতে টকাত ৮ পইচা আদায় দিব লাগে। যোৱা ১/১/২০০০ তাৰিখৰ পৰা উক্ত কৰ ব্যৱস্থাৰ সংশোধন ঘটাই প্ৰথম স্তৰত টকাত ৪ পইচা আৰু শেষ স্তৰত টকাত ৪ পইচা হিচাবে কৰ আৰোপ ব্যৱস্থা লোৱা হৈছিল যদিও যোৱা ১/২/২০০০ তাৰিখৰ পৰা পুনৰ সংশোধন ঘটাই আগৰ পদ্ধতিকে বহাল কৰা হ'ল। কি কাৰণত এনে সংশোধন আৰু প্ৰতিসংশোধন ব্যৱস্থা ল'বলগীয়া হৈছিল জনা নাযায়।

চাহ নিলাম কেন্দ্ৰত ব্ৰোকাৰ (দালাল)ৰ জৰিয়তে চাহপাত কিনা-বেচা কৰা হয়। তেন্তে

দালাল এজিএছটি আইনৰ ২(১০)(৩) ধাৰা মতে একোজন ব্যৱসায়ী আৰু উক্ত আইন মতে তেওঁলোকৰ কৰৰ দায়বদ্ধতা আছে। গতিকে তেনে দালালে আইনমতে পঞ্জীকৰণ কৰিব লাগে। বিক্ৰী কৰ জমা দিব লাগে আৰু প্ৰবিবৰণ দাখিল কৰিব লাগে।

আসাম ছেইলছ টেক্স এক্ট (১৯৪৭), (এতিয়া বাতিল হৈছে) যোৱা ১০/৪/৮৭ তাৰিখৰ পৰা ৩ বি ধাৰা সন্নিবিষ্ট কৰি দালালৰ ওপৰত টকাত ১ পইচা হাৰে এটি কৰ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছিল। যোৱা ২৮/৩/৮৯ তাৰিখৰ পৰা সেই ব্যৱস্থা টকাত ২ পইচা হাৰে বৰ্দ্ধিত কৰা হৈছিল যদিও সেই আইনত (১৫)(৫) ধাৰা সন্নিবিষ্ট কৰি তেনে কৰ ব্যৱসায়ীৰ বিক্ৰী কৰৰ পৰা বাদ দিয়া ব্যৱস্থা কৰা হৈছিল। ফলত এই কৰ আৰোপ ব্যৱস্থাৰ পৰা চৰকাৰৰ কোনো লাভ হোৱা নাছিল। মাথোন কাগজে-পত্ৰে তেনে এটি কৰ ব্যৱস্থা লোৱা হৈছে বুলি পৰিগণিত হৈছিল আৰু তাৰ দ্বাৰা মানৱ শক্তিৰ অপব্যৱহাৰহে কৰা হৈছিল।

যোৱা ১/৭/৯৭ তাৰিখৰ পৰা বলবৎ হোৱা এ জি এছ টি আইনত গুৱাহাটী নিলাম কেন্দ্ৰৰ দালালৰ ওপৰত কোনো কৰ আৰোপ ব্যৱস্থা সন্নিবিষ্ট কৰা হোৱা নাছিল। কিন্তু তেনে কৰ আদায় ব্যৱস্থা অব্যাহত আছিল। এই আসোঁৱাহ ধৰা পৰাৰ লগে লগে চৰকাৰে যোৱা ১৩/১২/৯৩ তাৰিখে উক্ত আইনৰ ৯(৩) ধাৰা মতে টকাত ২ পইছা হাৰে অতিৰিক্ত কৰ আৰোপৰ ব্যৱস্থা প্ৰৱৰ্তনকৰিছিল। কিন্তু প্ৰকৃতপক্ষে উক্ত ধাৰাত কৰ আদায়ৰ কোনো ক্ষমতা প্ৰদান কৰা নাছিল, কৰ ৰেহাই আৰু কৰৰ হাৰ হ্ৰাস কৰা ব্যৱস্থাহে প্ৰদত্ত আছিল। এনেদৰে ক্ষমতা অপ প্ৰয়োগৰ পৰিপ্ৰেক্ষিতত চৰকাৰ সমালোচনাৰ সন্মুখীন হ'ব লাগিছিল। কিছুমানে উচ্চ ন্যায়ালয়ত বিচাৰৰ বাবে গোচৰ তৰিছিল। এই লিখকে বিভিন্ন প্ৰবন্ধ পাতিৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছিল, কিন্তু চৰকাৰ নিমাত নিৰ্ব্বিকাৰ।

চৰকাৰে প্ৰৱৰ্তন কৰা ব্যৱস্থা মতে দালালৰ জৰিয়তে কৰা প্ৰথম স্তৰৰ বিক্ৰীৰ ওপৰত টকাত ২ পইচা কৰ দিব লাগে। কিন্তু তেনে ৰেহাই হাৰত কৰ আদায় দিব লাগিলে পূৰ্বত উল্লেখ কৰা মতে ফৰম 'এ'ত ঘোষণা পত্ৰ দাখিল কৰিব লাগে। সেই ঘোষণা পত্ৰৰ চৰ্ত অনুযায়ী তেনে চাহপাত অসমতে বিক্ৰী হ'ব লাগে। কিন্তু সাধাৰণতে দেখা যায় যে, তেনে ক্ৰয় কৰা চাহপাত ব্যৱসায়ীসকলে অসমৰ বাহিৰলৈ আন্তঃৰাজ্যিক বিক্ৰী সম্পন্ন কৰে, মুখ্য কাৰ্যালয় বা এজেণ্টলৈ বিক্ৰীৰ বাবে স্থানান্তৰ কৰে নাইবা ভাৰতৰ বাহিৰলৈ ৰপ্তানি কৰে তেনে ক্ষেত্ৰত তেনে ৰেহাই মূল্যৰ বাবে ফৰম 'এ' গ্ৰহণযোগ্য নহয় আৰু তেনে দালালে টকাত ৮ পইচা হিচাবেহে কৰ আদায় দিব লাগে। যদি কোনোবাই তেনে প্ৰমাণপত্ৰযোগে নিলাম কেন্দ্ৰৰ পৰা ৰেহাই মূল্যত চাহপাত খৰিদ কৰি আন্তঃৰাজ্যিক বিক্ৰী সম্পন্ন কৰে, নাইবা মুখ্য কাৰ্যালয় বা এজেণ্টলৈ স্থানান্তৰ কৰে বা আন্তঃৰাষ্ট্ৰীয় বিক্ৰী সম্পন্ন কৰে, তেনে খৰিদৰ ওপৰত আইনৰ ১৯(১) (বি) বিধি মতে বাকী কৰ আৰোপ ব্যৱস্থা ল'ব লাগে আৰু তেনে দোষৰ বাবে আইনৰ ২৩(১) (ডি) ধাৰামতে জৰিমনাৰ সন্মুখীন হ'ব লাগে।

প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি, কোনো ব্যৱসায়ীয়ে গুৱাহাটী নিলাম কেন্দ্ৰত অংশ নোলোৱাকৈ দালালৰ জৰিয়তে অনুৰূপভাৱে বিক্ৰী কৰিলে অনুৰূপ কৰ ৰেহাইৰ সুবিধা লাভ কৰে (৩১/১২/৯৮ তাৰিখৰ জাননীযোগে)। আনহাতে, প্ৰথম ক্ষেত্ৰত আন্তঃৰাজ্যিক বিক্ৰীৰ

ওপৰত চেণ্ট্ৰাল চেলছ টেক্স এক্ট (১৯৫৬) মতে যোৱা ২১/৭/১৯৭২ তাৰিখৰ পৰা কৰ ৰেহাইৰ ব্যৱস্থা কৰা হৈছে আৰু আন ক্ষেত্ৰত যোৱা ৩১/১২/৯৮ তাৰিখৰ পৰা অনুৰূপ ব্যৱস্থা লোৱা হৈছে।

আইনৰ প্ৰতিষ্ঠিত উক্ত ধাৰা আৰু বিধি অনুযায়ী চাহপাত কিনা-বেচা আৰু কৰ আদায় প্ৰক্ৰিয়া সম্বন্ধে এটি ভয়াবহ প্ৰবঞ্চনামূলক কাম চলি আছে। চৰকাৰে বছৰি কিমান কোটি হেৰুৱাই আছে তাৰ হিচাব নাই। এই কথা মন কৰিবলগীয়া যে অসমত যি চৰকাৰেই অধিষ্ঠিত নহওঁক চাহ ব্যৱসায়ীসকলৰ ওপৰত তেওঁলোকে এটি উদাৰ মনোভাৱ পোষণ কৰে। ৰাজহ আদায়ৰ ক্ষেত্ৰত উদ্ভৱ হোৱা জটিলতাৰ কথা চিন্তা-চৰ্চা নকৰে। ফলত চৰকাৰে কোটি কোটি টকা আদায়ৰ পৰা বঞ্চিত হৈ আছে। অৱশ্যে আন্তঃৰাষ্ট্ৰীক ৰপ্তানীৰ ক্ষেত্ৰত চেণ্ট্ৰাল চেইলছ টেক্স এক্টৰ ৫(৩) ধাৰা আৰু এ. জি. এছ. টি. এক্টৰ ২৮ বিধি মতে ক্ৰমে ফৰ্ম এইচ আৰু ফৰ্ম '৭' দাখিল কৰিলে। কোনো কৰৰ দায়বদ্ধতা নাহে।

এই সকলো কথা পৰ্যালোচনা কৰি এই প্ৰৱন্ধৰ লিখকৰ যোৱা ১১/৯/৯৭ ।ভেল মেজাৰছ অফ টেক্স ওন টি" নামৰ এটি প্ৰৱন্ধ প্ৰকাশ পাইছিল (আইল ফিল্ড টাইমছ)। এই প্ৰৱন্ধ প্ৰকাশ পোৱাৰ দিনাখনেই অসমৰ কৰ আয়ুক্ত মহোদয়ে বিষয়াসকলক এটি স্পষ্টীকৰণ দিছিল যে নিলাম বজাৰৰ বিক্ৰীক প্ৰথম স্তৰৰ বিক্ৰী বুলি গণ্য কৰা হ'ব। এই স্পষ্টীকৰণৰ প্ৰকৃততে দ্ব্যৰ্থক বুলি গণ্য হয়। যদি প্ৰথম স্তৰৰ বিক্ৰী বুলি ধৰিব লাগে তেনেহ'লে তেনে 'চাহপাত' আইনৰ দ্বিতীয় অনুসূচীত সন্নিবিষ্ট কৰিব লাগিব, অন্যথাই নহয়। যদি দুতৰপীয়া বিক্ৰীৰ প্ৰথম স্তৰৰ বিক্ৰী বুলি গণ্য কৰা হয়, ওপৰত আলোচনা কৰা মতে আসোঁৱাহ সমূহ থাকিয়ে যাব।

আমি জনাত দালালসকলৰ পৰা টকাত ২ পইচা হাৰে কৰ আদায় কৰা হৈছে। কিন্তু তেনে কৰ আদায় 'এ' ফৰ্মৰ ভিত্তি হৈছে নে? যদি হৈছে, আন্তঃবাণিজ্যিক বিক্ৰী, মুখ্য কাৰ্যালয় বা এজেণ্টলৈ স্থানান্তৰ কৰা ক্ষেত্ৰত তেনে ফৰ্ম 'এ'ৰ অপব্যৱহাৰৰ ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হৈছে? যদি কোনো ফৰ্ম 'এ' লোৱা হোৱা নাই কৰ নিৰ্ধাৰক বিষয়াই কিহৰ ভিত্তিত বেছাই মূল্যত কৰ আদায় কৰি আছে?

আমাৰ এই পৰ্যালোচনা অতি গুৰুত্বপূৰ্ণ। ইয়াত কোটি কোটি টকাৰ ৰাজহৰ স্বাৰ্থ জড়িত হৈ আছে। চৰকাৰৰ তৰফৰ পৰা এনে গুৰুত্বপূৰ্ণ বিষয় পৰ্যালোচনা কৰা দেখা নাযায় — কৰিলেও উদাস মনোভাৱ গ্ৰহণ কৰা বুলিহে অনুভৱ হয়।

অসমৰ আৰ্থিক অৱস্থা অতি শোচনীয়। এনে ক্ষেত্ৰত আমাৰ স্থিতিপূৰ্ণ সম্পদ ৰাজিৰ সদ্ব্যৱহাৰ কৰিব লাগে — ইয়াক ভ্ৰাম্যমান কৰি তুলিব লাগে। অসমৰ ৰাজহৰ বৃহত্তৰ স্বাৰ্থত আমি এই বিষয়ে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। চৰকাৰে সমগ্ৰ বিষয়টোৰ ওপৰত এটি গুৰুত্ব আৰোপ কৰিলে ৰাজহ আদায়ৰ পথ অতি সুচল হ'ব বুলি আমাৰ দৃঢ় বিশ্বাস।

দৈনিক জনমভূমি
১১/৭/২০০১

## পৰীক্ষণ চকীত কৰ্তৃত্বহীন হস্তক্ষেপ আৰু কৰফাঁকি প্ৰসংগ

'অসমীয়া প্ৰতিদিন'ৰ ১৯ জুনৰ সংখ্যাত 'চৰকাৰে শৈলেন আৰু ছদিকক ৰক্ষণাবেক্ষণ দিছে কিয় ?' শীৰ্ষক এটি বাতৰি প্ৰকাশ পাইছিল। এই সন্দৰ্ভত এক সম্যক আলোচনাৰ প্ৰয়োজন।

পৰীক্ষণ চকীসমূহৰ পৰিচালনাত বহু ব্যক্তি, সংগঠন, বিষয়া আৰু ৰাজনৈতিক নেতা জড়িত হৈ থাকে বুলি প্ৰায়ে সংবাদ মাধ্যমযোগে প্ৰকাশ পায়। অসম চৰকাৰে কৰ ফাঁকি প্ৰতিৰোধ আৰু উন্নত ৰাজহ আদায়ৰ স্বাৰ্থত এঘাৰটা পৰীক্ষণ চকী স্থাপন কৰিছে। প্ৰতিটো পৰীক্ষণ চকীৰ প্ৰশাসনৰ দায়িত্ব কৰ অধীক্ষকৰ ওপৰত ন্যস্ত কৰা হৈছে। কৰ অধীক্ষকক সহায় কৰিবলৈ কৰ পৰিদৰ্শক আৰু বিভাগীয় কৰ্মচাৰী আছে। কিন্তু অইন কোনো ব্যক্তি, সংগঠন, বিষয়া বা ৰাজনৈতিক নেতা এই প্ৰক্ৰিয়াত জড়িত থকাটো সম্পূৰ্ণ আইনবহিৰ্ভূত কথা। স্বভাৱতে তেনেবোৰ ব্যক্তি, সংগঠন আদিয়ে স্বাৰ্থন্বেষী মনোভাৱেৰে এনে কাৰ্যত জড়িত হৈ পৰে বুলি আমাৰ বিশ্বাস।

অসমৰ মাৰ্ঘেৰিটা আৰু লিডু অঞ্চলত প্ৰচুৰ কয়লাৰ খনি আছে। কিন্তু উক্ত অঞ্চলৰ কয়লাৰ ব্যৱসায় কোনো বিতৰ্কৰ সন্মুখীন হোৱা নাই। মেঘালয়ৰ পৰা আমদানিকৃত কয়লা ব্যৱসায়তহে বিভিন্ন বিতৰ্কৰ সন্মুখীন হৈছে। সাধাৰণতে মেঘালয়ৰ কয়লাৰ আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় বিক্ৰী অসমতে সম্পাদিত হয়। গুৱাহাটীৰ বেলতলাত 'খাচী কয়লা' আৰু যোগীঘোপাৰ কাৰাইটাৰীত 'নাংগল কয়লা'ৰ বেহা-বেপাৰ চলে। সেই সমূহ অঞ্চলক কয়লা ব্যৱসায়ীৰ 'চৰণীয়া পথাৰ' বুলি অভিহিত কৰিব পাৰি। জনামতে মেঘালয়ৰ কয়লা ইমান লাভজনক ব্যৱসায় যে বহুতে ইয়াক 'ক'লা হীৰা'ৰ ব্যৱসায় বুলি আখ্যা দিয়ে।

### কয়লাৰ ওপৰত অসমত আৰোপিত কৰ বৈধ

ভাৰতীয় সংবিধানত প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি কেন্দ্ৰীয় চৰকাৰে আন আন সামগ্ৰীৰ লগত কয়লাক আন্তঃৰাজ্যিক বেহা-বেপাৰৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ সামগ্ৰী বুলি ঘোষণা কৰিছে। আইনৰ ব্যৱস্থানুযায়ী তেনে কয়লা অসমত বিক্ৰী কৰিলে বিক্ৰী কৰৰ হাৰ ৪ পইচা, কোনো পঞ্জীকৃত ব্যৱসায়ীক আন্তঃৰাজ্যিক বিক্ৰী কৰিলে টকাত ৪ পইচা আৰু অপঞ্জীকৃত ব্যক্তি বা ব্যৱসায়ীক বিক্ৰী কৰিলে টকাত ৮ পইচাৰ অধিক হ'ব নোৱাৰিব। আনহাতে এখন ৰাজ্যত একাধিক ক্ৰয়-বিক্ৰয় সম্পন্ন হ'লে এবাৰতকৈ অধিক কৰ আৰোপ কৰা সম্ভৱ নহয়। অনুৰূপভাৱে কোনো ক্ৰয় বা বিক্ৰীৰ ওপৰত যদি অসমত কোনো কৰ আদায় হয় আৰু পৰৱৰ্তী সময়ত উক্ত কয়লাৰ আন্তঃৰাজ্যিক বিক্ৰী সম্পন্ন হয়, তেনেক্ষেত্ৰত উপযুক্ত কেন্দ্ৰীয় বিক্ৰী কৰ জমা দিয়াৰ প্ৰমাণ সাপেক্ষে স্থানীয় বিক্ৰীকৰ ঘূৰাই দিয়া হয়। বাতৰিত প্ৰকাশ পোৱামতে মেঘালয়ত কোনো বিক্ৰী কৰ জমা দিলে অসমত পুনৰ তেনে বিক্ৰী কৰ আদায় দিব নালাগে, এই কথাৰ কোনো ভিত্তি নাই। অসম চৰকাৰে তেনে বিক্ৰী কৰ বৈধভাৱে আদায়কৰি আছে।

## বিক্ৰী কৰ আৰু আমানত ধন

কোনো ব্যৱসায়ীৰ বছৰেকীয়া বিক্ৰী তিনি লাখ টকা অতিক্ৰম কৰিলে বিক্ৰীকৰ জমা দিয়া প্ৰমাণপত্ৰসহ মাহেকীয়া প্ৰবিৱৰণী দাখিল কৰিব লাগে। প্ৰত্যক্ষ অভিজ্ঞতাৰ পৰা দেখা গৈছে যে এচাম কয়লা ব্যৱসায়ীয়ে ভুৱা নাম আৰু ঠিকনাৰে কয়লাৰ ব্যৱসায় কৰে। সাময়িকভাৱে ব্যৱসায় চলাই তেনে ব্যৱসায়ী সন্ধানহীন হয়। ফলত কৰ আদায়ত বাধা জন্মে। এনেদৰে চৰকাৰৰ এক বুজন পৰিমাণৰ কৰ অনাদায় হৈ থাকে। প্ৰকৃত মূল ব্যৱসায়ী মঞ্চৰ পৰা আঁতৰত থাকে আৰু এনেদৰে বেনামী ব্যৱসায় চলাই কৰ ফাঁকি দিয়ে।

'আমানত ধন' কৰ আদায় সুনিশ্চিত কৰা আৰু সুৰক্ষা দিয়াৰ ক্ষেত্ৰত এক প্ৰয়োজনীয় ব্যৱস্থা। উক্ত আমানত ধন আদায় কৰিবলৈ কৰ অধীক্ষকক ক্ষমতা প্ৰদান কৰা হৈছে। তেনে আমানত ধন আদায় কৰাৰ আগতে কৰ অধীক্ষকে ব্যৱসায়ীজনক তেনে আদায়ৰ প্ৰয়োজনীয়তা আৰু যুক্তিযুক্ততা সম্বন্ধে অৱগত কৰি এক শুনানিৰ ব্যৱস্থা কৰিব লাগে। যথাযথ শুনানিৰ ভিত্তিত তেনে আমানত ধনৰ নিৰিখ ধাৰ্য কৰিব লাগে। কিন্তু কয়লাৰ ক্ষেত্ৰত এক অভিনৱ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে। উক্ত ব্যৱস্থামতে অসমৰ কৰ আযুক্তই এক জাননীযোগে তেনে আমানত ধনৰ নিৰিখ 'প্ৰতিখন কয়লাৰ মালগাড়ী' হিচাপে ধাৰ্য কৰি দিয়ে আৰু কৰ অধীক্ষকে সেই নিৰিখমতে তেনে আমানত ধন আদায় কৰে। তেনে আমানত ধনৰ নিৰিখ ধাৰ্য কৰাৰ আগতে সামগ্ৰীৰ মান, ওজন, দৰ আৰু আন আনুষংগিক বিষয় বিবেচনা কৰা নহয়। আনহাতে আইনপ্ৰদত্ত ব্যৱস্থাৱলীও এইক্ষেত্ৰত অনুসৰণ কৰা নহয়। তেনে আমানত ধন প্ৰকৃততে একপক্ষীয়ভাৱে আদায় কৰা হয়। কৰ আযুক্তই তেনে ধনৰ নিৰিখ নিৰ্ধাৰণ কৰাৰ পৰিপ্ৰেক্ষিতত কৰ অধীক্ষকে প্ৰদত্ত ক্ষমতা প্ৰয়োগৰ বাধাপ্ৰাপ্ত হয়। ফলত এনে ব্যৱস্থাৰ দ্বাৰা জটিলতাৰ সৃষ্টি হোৱা স্বাভাৱিক। প্ৰকৃততে কৰ আযুক্তক কোনো ব্যক্তিয়ে আমানত ধনৰ নিৰিখ ধাৰ্য কৰাত ক্ষুব্ধ হ'লে পুনৰ পৰীক্ষাৰ বাবে শুনানি ল'ব পাৰে। কিন্তু কৰ আযুক্তই নিজেই যেতিয়া এনে নিৰিখ কাৰ্যত জড়িত হৈ পৰে, ব্যৱসায়ীয়ে কাৰ ওচৰত বিচাৰৰ বাবে আবেদন দাখিল কৰিব? গতিকে আমানত ধনৰ এনে আদায় প্ৰক্ৰিয়া আইনৰ গণ্ডীৰ বাহিৰত বুলিহে অনুমান হয়।

## কয়লাৰ ওপৰত কৰ নিৰ্ধাৰণ

কৰ নিৰ্ধাৰণ এক অৰ্দ্ধন্যায়িক প্ৰক্ৰিয়া। ব্যৱসায়ীৰ হিচাপ আৰু আন আন তথ্যপাতিৰ ভিত্তিত তেনে কৰ নিৰ্ধাৰণ কৰা হয়। কয়লা ব্যৱসায়ীসকলে অসমৰ বাহিৰৰ প্ৰতিষ্ঠানবোৰলৈ কয়লা সৰবৰাহ কৰে আৰু এক বৃহৎ অংকৰ ধন আদায় কৰে। কিন্তু তেনে যোগানৰ তথ্যপাতি সংগ্ৰহ নকৰি ব্যৱসায়ীৰ হিচাপৰ ভিত্তিত সাধাৰণতে কৰ অধীক্ষকসকলে কৰ আৰোপ কৰে। ফলত ব্যৱসায়ীসকলে কম বিক্ৰীমূল্যৰ হিচাপ প্ৰদান কৰি লাখ লাখ টকা অধিক আমানত ধন জমা দিয়া বুলি উক্ত ধন ঘূৰাই লোৱাৰ ব্যৱস্থা কৰে।

আনহাতে কয়লা ব্যৱসায়ীসকলে ভুৱা নথি-পত্ৰ প্ৰস্তুত কৰি বহু সময়ত অসমৰ বাহিৰলৈ আন্তঃৰাজ্যিক বিক্ৰী সম্পন্ন হোৱা বুলি দাবী কৰে। এই বিষয়ে বিক্ৰী মূল্য লোৱাৰ যথাযথ তথ্য, বেংকৰ হিচাপ আৰু আন্ আন আনুষংগিক তথ্য সম্বন্ধে কোনো অনুসন্ধান কৰা নহয়।

ফলত এনে ৰপ্তানি ব্যৱস্থা আৰু বিক্ৰী কৰ উপযুক্ত অনুসন্ধান ব্যৱস্থা অৱলম্বন নকৰি কৰ নিৰ্ধাৰণ কৰাৰ ফলত চৰকাৰে বছৰি কোটি কোটি টকাৰ ৰাজহ হেৰুৱাই আছে বুলি ভবাৰ যথেষ্ট থল আছে।

বাতৰিত প্ৰকাশ যে ভেল্যু এডেড টেক্স (ভেট) ব্যৱস্থা প্ৰৱৰ্তনৰ ফলত অসমত জমা হোৱা কৰ ৰাজ্য চৰকাৰে কয়লা ব্যৱসায়ীসকলক ঘূৰাই দিব লাগে। এইখিনিতে স্পষ্ট কৰি দিয়া সমীচীন হ'ব যে ভেট ব্যৱস্থা এতিয়াও প্ৰৱৰ্তন হোৱা নাই। অহা ১-৪-২০০৩ তাৰিখৰ পৰাহে হোৱাৰ কথা। এনেক্ষেত্ৰত তেনে কৰ ঘূৰাই দিয়া কথা অপ্ৰাসংগিক বুলি গণ্য কৰিব পাৰি।

ক্ৰয়-বিক্ৰী ক্ৰেতা-বিক্ৰেতাৰ মাজত সম্পাদিত চুক্তিৰ পৰিপ্ৰেক্ষিতহে কাৰ্যকৰী হয়। কেতিয়াবা দালাল বা এজেণ্টে ক্ৰেতা-বিক্ৰেতাৰ লগত সম্পৰ্ক আৰু সমন্বয় ৰক্ষা কৰে। কিন্তু কৰ আইনত ক্ৰেতা আৰু বিক্ৰেতাহে কৰ কৰ্তৃপক্ষৰ ওচৰত দায়বদ্ধ। এনেক্ষেত্ৰত আন কোনো ব্যক্তি, সংগঠন আদিৰ কোনো স্থিতি নাই।

## কৰ পৰীক্ষণ চকী আৰু ছিণ্ডিকেট

আজি কিছুদিনৰ পৰা সংবাদ মাধ্যমযোগে প্ৰকাশ পাই আহিছে যে জালুকবাৰী পৰীক্ষণ চকীত ছিণ্ডিকেটৰ প্ৰভাৱ বৃদ্ধি পাইছে আৰু তেওঁলোকে পৰীক্ষণ চকীৰ পৰিচালনাৰ ক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰিছে। ছিণ্ডিকেট মানে 'সংঘ'। কয়লা ব্যৱসায়ীসকলৰ স্বাৰ্থৰ সুৰক্ষাৰ ক্ষেত্ৰত তেনে ছিণ্ডিকেট গঠন সম্বন্ধে বাহিৰৰ কোনো কথা ক'বলগীয়া নাই। কিন্তু প্ৰশাসনৰ লগত জড়িত হোৱা কাৰ্য সম্পূৰ্ণ আইন বহিৰ্ভূত কথা। যদি বাতৰিত উল্লেখ কৰা কথা সঁচা হয় তেন্তে ছিণ্ডিকেটে পৰীক্ষণ চকীৰ পৰিচালনাৰ ক্ষেত্ৰত আইনৰ গণ্ডীৰ বাহিৰত কাম কৰি আছে। অৱশ্যে এই প্ৰক্ৰিয়াত কৰ অধীক্ষকৰ সম্মতি আৰু অনুমোদন নহ'লে বা ৰাজনৈতিক পৃষ্ঠপোষকতা নাথাকিলে অগ্ৰসৰ হোৱা সম্ভৱ নহয় বুলি ভবা যায়। এনে অবাঞ্ছিত হস্তক্ষেপ উদ্দেশ্যহীনীয়া স্বাৰ্থৰ পৰিপূৰক বুলি গণ্য হয়। এই বিষয়ে চৰকাৰে এক বিহিত ব্যৱস্থা লোৱা উচিত।

## কম হাৰত কয়লাৰ চালান বিক্ৰী

কয়লাবাহী ট্ৰাক উপযুক্ত আমানত ধন জমাৰ পৰিপ্ৰেক্ষিতত চালানৰ ভিত্তিত চলাচল কৰিব পাৰে। তেনে টকা নিৰ্দিষ্ট ব্যৱসায়ীৰ নামত জমা হয় আৰু উক্ত নামত চালান প্ৰদান কৰা হয়। বাতৰিত প্ৰকাশ যে উক্ত চালান ১৫০০ টকা মূল্যৰ পৰিবৰ্তে ৫০০ টকাত বিক্ৰী হয়। এই কথা কিদৰে সম্ভৱ হ'ব পাৰে? হয়তোবা আমানত ধন জমা দিয়া প্ৰতিখন প্ৰমাণপত্ৰৰ ওপৰত একাধিক চালান দিয়া হয় নহ'লে কোনো আমানত ধন জমা নিদিয়াকৈ তেনে চালান দিয়া হয়। ইয়াৰ অন্যথা প্ৰতিখন চালান ১০০০ টকাৰ কম হাৰত বিক্ৰী কৰা কিদৰে সম্ভৱ হ'ব পাৰে?

## ছিণ্ডিকেটৰ প্ৰভাৱ

জানিব পৰামতে জালুকবাৰী পৰীক্ষণ চকীত প্ৰকৃত ক্ৰেতা-বিক্ৰেতাক প্ৰায়ক্ষেত্ৰতে পঞ্জীকৰণ কৰা নহয়। ক্ৰয়-বিক্ৰয়ৰ লগত প্ৰত্যক্ষভাৱে জড়িত নথকা এচাম ব্যক্তি বা সংগঠনে নিজৰ নামত তেনে ব্যৱসায়ৰ পঞ্জীকৰণ কৰে। প্ৰকৃত ব্যৱসায়ীসকলৰ তেনে পঞ্জীকৃত ব্যক্তি

বা সংগঠনৰ পৰা চালান ক্ৰয় কৰিবলৈ নিৰ্দেশ দিয়া হয়। এনে ব্যৱস্থাই অকল প্ৰচলিত আইন যে উলংঘা কৰিছে তেনে নহয় ইয়াৰ দ্বাৰা ৰাজহ আদায়ৰ স্বাৰ্থত অশেষ ব্যাঘাত জন্মিছে। প্ৰকৃতপক্ষে ক্ৰেতা-বিক্ৰেতা এই পঞ্জীকৰণ পদ্ধতিত জড়িত নথকাৰ ফলত আন ব্যক্তিয়ে কিদৰে আইনৰ দায়বদ্ধতা সম্পন্ন কৰে সেয়াও এক বিচাৰ্য বিষয়। তেনেবোৰ তথাকথিত পঞ্জীকৃত ব্যৱসায়ীয়ে নিয়মিতভাৱে আয়কৰ জমা দিয়ে নে নাই? যদি নিদিয়ে তাৰফলত অসমে পাবলগীয়া আয়কৰৰ অংশ হেৰুৱাই আছে।

আমাৰ ধাৰণা উপৰোক্ত অনিয়ম আৰু বেআইনী কাৰ্য কৰ কৰ্তৃপক্ষৰ পৰোক্ষ সন্মতি আৰু ৰাজনৈতিক নেতাসকলৰ পৃষ্ঠপোষকতাত চলি থকা সম্ভৱ হৈছে। আইনৰ ৰক্ষকসকলে যদি আইন ভংগ কৰিবলৈ প্ৰশ্ৰয় দিয়ে ৰাজহ আদায় কিমানখিনি সুৰক্ষিত হ'ব?

## কাৰ্যবাহী আৰু ন্যায়িক প্ৰক্ৰিয়া

কৰ কৰ্তৃপক্ষই সংবিধানৰ ৫০ অনুচ্ছেদ ভংগ কৰি জালুকবাৰী আৰু কাৰাইচাৰী পৰীক্ষণ চকীৰ কৰ অধীক্ষকক পৰীক্ষণ চকীৰ ভাৰপ্ৰাপ্ত কাৰ্যবাহী বিষয়া আৰু কৰ নিৰ্ধাৰক বিষয়াৰ ক্ষমতা প্ৰদান কৰিছে। একেজন বিষয়াক দ্বৈত কামত নিয়োগ কৰা ক্ষেত্ৰত প্ৰশাসনত একনায়কত্বৰ সৃষ্টি হোৱা স্বাভাৱিক কথা। ইয়াৰ দ্বাৰা যে ৰাজ্যখনৰ ৰাজহ স্বাৰ্থ কিমানখিনি সুৰক্ষিত হৈছে কোৱা টান।

## পৰীক্ষণ চকীসমূহত বদ-বদলি ব্যৱস্থা

পৰীক্ষণ চকীসমূহলৈ বদ-বদলি ব্যৱস্থা আজি কিছুদিনৰ পৰা অতি প্ৰহসনমূলক বুলি গণ্য কৰা হৈছে। একেজন বিষয়াই তেওঁৰ কাৰ্যকালৰ ভিতৰত কিমানবাৰ পৰীক্ষণ চকীত বদলি হয় তাৰ লেখ নাই। কাৰণ দৰ্শোৱা হয় ৰাজহৰ স্বাৰ্থৰ খাতিৰত। কিন্তু কি কাৰণত তেনে বিষয়া পৰীক্ষণ চকীৰ কাৰণে অপৰিহাৰ্য জনা নাযায়। এই ব্যৱস্থাৰ ফলত ৰাজহ আদায়ৰ উন্নতি ঘটিছেনে?

আমাৰ মুখ্যমন্ত্ৰীয়ে সদ্যহতে বিত্ত বিভাগৰ দায়িত্ব গ্ৰহণ কৰিছে। হয়তোবা তেওঁ ইমান ভিতৰলৈ সোমোৱা নাই। হয়তো তেওঁ ভাবিব পাৰে যে পূৰ্বৱৰ্তী ৰাজনৈতিক নেতাসকলে কৰা কাম-কাজৰ সংস্কাৰ সাধন কৰা উচিত নহয়। তেনেক্ষেত্ৰত ব্ৰিটিছ প্ৰধানমন্ত্ৰী ওৱালপোলৰ নীতি 'Let the sleeping dog lie' গ্ৰহণ কৰাহে সমীচীন হ'ব।

অসম আজি প্ৰবল বিত্তীয় সংকটৰ গৰাহত। এনে এক পৰিস্থিতিত যদি পৰীক্ষণ চকীসমূহত অৰাজকতাৰ সৃষ্টি কৰা হয় আৰু যথাযথ ৰাজহ আদায়ত বাধাপ্ৰাপ্ত হয় তেনেহ'লে অসমৰ শোচনীয় বিত্তীয় সমস্যাৰ কিদৰে সমাধান হ'ব? ৰাজ্যখনৰ ৰাজহ আদায়ৰ ক্ষেত্ৰত যথাযথ গঠনমূলক ব্যৱস্থা লোৱা হোৱা নাই বুলি প্ৰায়ে সংবাদ মাধ্যমত প্ৰকাশ হৈ আছে। বিত্তীয় সংস্কাৰ কমিটীৰ পৰামৰ্শাৱলী বস্তাফিটাৰ মাজত সীমাবদ্ধ হৈ আছে।

আমাৰ অনুৰোধ বিত্তীয় সংকট মোচনৰ বাবে চৰকাৰ সচেতন হওক — আইনগতভাৱে ৰাজ্যখনৰ ৰাজহ সম্পদ গতিশীল কৰক।

প্ৰতিদিন

২/৭/২০০২

# পৰীক্ষণ চকীৰ সংস্কাৰ ব্যৱস্থাই উন্নত ৰাজহ আদায় সুনিশ্চিত কৰিব

পৰীক্ষণ চকীসমূহৰ কাৰ্যপদ্ধতি আৰু পৰিচালন ব্যৱস্থাৰ সংস্কাৰৰ কাৰণে বিভিন্ন সময়ত বিভিন্ন পৰামৰ্শ আগবঢ়াই থকা হৈছে। কিন্তু চৰকাৰে এই বিষয়ে কি ব্যৱস্থা লৈছে জনা নাযায়। সম্প্ৰতি সংবাদ মাধ্যমযোগে প্ৰকাশ পাইছে যে গোসাঁইগাঁও মহকুমাধিপতিৰ হস্তক্ষেপৰ ফলত শ্ৰীৰামপুৰ পৰীক্ষণ চকীত চলি থকা দুৰ্নীতি প্ৰক্ৰিয়া বাধাপ্ৰাপ্ত হৈছে; ৰাজহ ফাঁকিৰ পৰিমাণ হ্ৰাস পাইছে। ইয়াৰ ফলত কৰ ৰাজহ আদায় উন্নত হ'ব বুলি ৰাইজৰ আশা জন্মিছে। আমি ভাবো যে প্ৰশাসনযন্ত্ৰৰ শিথিলতাৰ কাৰণে পৰক্ষীণ চকীসমূহৰ কৰ্মৰ মান বহুতো নিম্নগামী হৈ আহিছে। যোৱা ১৯৭৪ চনৰ কথা। তেতিয়া সৰ্বেশ্বৰ গোস্বামী আছিল অসমৰ কৰ আয়ুক্ত। আন্তঃৰাজ্যিক কৰৰ বিষয়ে আলোচনা কৰিবলৈ তেওঁ পশ্চিমবংগলৈ গৈছিল। উভতি অহাৰ সময়ত পৰীক্ষণ চকী পোৱাৰ বহু আগতে তেওঁ গাড়ীৰ পৰা নামি মনে মনে খোজকাঢ়ি আহি শ্ৰীৰামপুৰ পৰীক্ষণ চকী কাৰ্যালয়ৰ বাৰাণ্ডা পালেহি। তেতিয়া ভিতৰত কিছুমান নাটকীয় দৃশ্য চলি আছিল গাড়ী এৰা-ধৰা সম্বন্ধে। এটা সময়ত তেওঁ কাৰ্যালয়ত সোমাল। সকলোৱে ভূত দেখা যেন পালে। গোস্বামী আছিল অতি অল্পভাষী আৰু প্ৰবল ব্যক্তিত্বসম্পন্ন বিষয়া। যি বুজিলে বুজিলে। যাবৰ সময়ত অতি গহীনভাৱে বিষয়াজনক সাৱধানবাণী শুনাই গ'ল – ভৱিষ্যতে যেন এনে ঘটনাৰ পুনৰাবৃত্তি নহয়। তেওঁ যিমান দিন আছিল পৰীক্ষণ চকীসমূহৰ বিষয়াসকলে কাম-কাজত যথেষ্ট সাৱধানতা অৱলম্বন কৰিছিল। সেয়া আছিল প্ৰকৃত প্ৰশাসন। ১৯৯২ চনত কৰ আয়ুক্ত ৰূপে মধুকৰী গোপাল জেনকাটা কুমাৰ ভানুৱে নিয়োগ পালে। তেওঁ গোসাঁইগাঁও মহকুমাৰ মহকুমাধিপতি হৈ থাকোঁতে পৰীক্ষণ চকীসমূহৰ দুৰ্নীতিপূৰ্ণ কাৰ্য বন্ধ কৰিবলৈ বহুতো চেষ্টা কৰিছিল আৰু কৃতকাৰ্যও হৈছিল। কিন্তু এচাম ব্যৱসায়ী আৰু পৰিবহণ সংস্থাৰ চেষ্টাত তেওঁ বদলি হ'ল। কৰ আয়ুক্ত হিচাপে যোগদান কৰাৰ পিছত অসমৰ সকলো বিষয়া-কৰ্মচাৰী দুৰ্নীতি সম্বন্ধে অতি সচেতন হ'ল। পৰীক্ষণ চকীৰতো কথাই নাই। তেওঁ গুৱাহাটীৰ পৰা ওলাই গ'লে ক'লৈ যায় কোনেও ক'ব নোৱাৰে। বিভাগটোত তেওঁৰ অভিজ্ঞই আছিল তেওঁৰ সুনিপুণ প্ৰশাসন। ইয়াতো তেখেত বেছি দিন থাকিব নোৱাৰিলে কাৰণ ৰাজনৈতিক। কিন্তু এই গৰাকী বিষয়া যদি তিনি বছৰ কৰ বিভাগত থাকিলেহেঁতেন বিভাগটোৰ বহুতো উন্নতি সাধন হ'লহেঁতেন।

প্ৰকৃততে পৰীক্ষণ চকীসমূহৰ দুৰ্নীতিপূৰ্ণ কামত ৰাজনৈতিক নেতাসকলৰ যথেষ্ট প্ৰভাৱ থাকে। ১৯৭১-৭২ চনত যেতিয়া বক্সিৰহাট আৰু শ্ৰীৰামপুৰ পৰীক্ষণ চকী কাৰ্যকৰী হয় তেতিয়া কোনো বিষয়াই তেনে বিপদসংকুল এলেকাত যাবলৈ আগ্ৰহ প্ৰকাশ নকৰিছিল। গ'লেও কিমান সোনকালে বদলি ল'ব পৰা যায়, সেই চিন্তাত অত্যাধিকাৰ দিছিল। সেই সময়ৰ

কৰ আয়ুক্তত চন্দ্ৰধৰ ত্ৰিপাঠীয়ে এই বিষয়ত এটি নতুন নীতি নিৰ্ধাৰণ কৰিলে। প্ৰতিজন বিষয়াই কৰ পৰীক্ষণ চকীত এবছৰৰ কাৰণে কাম কৰিব লাগিব আৰু তাৰ পিচত এটা কাৰ্যকালৰ কাৰণে তেওঁলোকৰ নিজা জিলা বা নিজ পছন্দৰ স্থানত বদলি কৰা হ'ব। এই ব্যৱস্থা বহুত দিনলৈ কাৰ্যকৰী হৈ আছিল। কিন্তু পিচলৈ দেখা গ'ল যে বহু বিষয়াই পৰীক্ষণ চকীত কাম কৰিবলৈ বেছি আগ্ৰহী। পৰীক্ষণ চকীত বদলি হয় এবাৰ নহয় বাৰে বাৰে। ৰাজহৰ স্বাৰ্থত নহয় নিজা স্বাৰ্থত। প্ৰশাসন যন্ত্ৰই বদলিৰ কাৰণে চুপাৰিছ নকৰে, ৰাজনৈতিক নেতাসকলে বদলি কৰে। কি কাৰণত প্ৰশাসন যন্ত্ৰক নেওচি ৰাজনৈতিক নেতাসকলৰ জৰিয়তে বদলি লয়, সেই কথা আলোচনা নকৰাই ভাল। ইয়াৰ ফলত ৰাজহ সুৰক্ষাৰ স্বাৰ্থ গৌণ হৈ পৰিল — ব্যক্তিগত স্বাৰ্থই প্ৰাধান্য লাভ কৰিলে। এই ব্যৱস্থা আজিও আছে আৰু হয়তো চলিয়েই থাকিব। এজন বিষয়াই কিমানবাৰ পৰীক্ষণ চকীলৈ বদলি লৈছে তাৰ হিচাপ নথি-পত্ৰই ক'ব। এই প্ৰক্ৰিয়াৰ দ্বাৰা একালে অনিবাৰ্য কাৰণত ৰাজহ আদায় ক্ষতিগ্ৰস্ত হৈছে আৰু আনহাতে বিষয়াসকলে নিজৰ নিজৰ কৰ্ম নিপুণতা আৰু কৰ্মদক্ষতা হ্ৰাস কৰিছে। আন ৰাজ্যৰ দৰে অসমতো পৰীক্ষণ চকীসমূহ স্থাপনৰ মূল উদ্দেশ্য আছিল কৰ ফাঁকি ধৰা পেলোৱা আৰু তেনে প্ৰক্ৰিয়া প্ৰতিৰোধ কৰা। কিন্তু বাস্তৱ ক্ষেত্ৰত সেয়া কিমানখিনি সফলতা লাভ কৰিছে, সেয়া বিচাৰ্য বিষয়। বৰ্তমান ব্যৱস্থামতে মগাপাট, কয়লা, চুপাৰি, বাঁহ আদি সামগ্ৰী বেংক ড্ৰাফ্টৰ জৰিয়তে আমানত ধন জমা দিয়াৰ প্ৰমাণপত্ৰ দেখুৱালে যাবলৈ দিয়া হয়। প্ৰকৃততে এইবোৰ সামগ্ৰীৰ ব্যৱসায়ীসকলৰ নিজ নিজ ব্যৱসায়স্থল আছে আৰু আইনমতে তেনে ব্যৱসায়ীসকল সংশ্লিষ্ট এলেকাৰ কৰ অধীক্ষকৰ ওচৰত দায়বদ্ধ। তেনে বিষয়াইহে উপযুক্ত কাৰ্য-বিৱৰণী প্ৰক্ৰিয়ালৈ যথোচিত আমানত ধন আদায় কৰি তাৰ উপযুক্ত প্ৰমাণপত্ৰ প্ৰদান কৰিব লাগে আৰু তাৰ ভিত্তিত মালবাহী গাড়ীসমূহ পৰীক্ষণ চকী অতিক্ৰম কৰিবলৈ দিব লাগে। কিন্তু সংশ্লিষ্ট এলেকাৰ কৰ অধীক্ষকক একাষৰীয়া কৰি আইনৰ প্ৰচলিত ব্যৱস্থা আওকাণ কৰি অলিখিত অথচ আইনৰ জৰিয়তে গাড়ীসমূহৰ গতিবিধি নিয়ন্ত্ৰণ কৰা হয়। এই ব্যৱস্থাই কৰ ফাঁকি ব্যৱস্থা অধিক সক্ৰিয় কৰিছে। কৰ পৰীক্ষণ চকীবোৰে অধিক কৰ আদায় দেখুৱাই শলাগ লৈছে। প্ৰকৃততে, এই কৰ ফাঁকি কম নহয়। এই ধৰণে সংশ্লিষ্ট এলেকাৰ কৰ অধীক্ষকৰ ন্যস্ত ক্ষমতাত হস্তক্ষেপ কৰি কৰ্তৃত্ববিহীনভাৱে আমানত ধন নিৰূপণ আৰু আদায় কৰা কাৰ্য পৰীক্ষণ চকীসমূহত প্ৰদান কৰি অধিক কৰ ফাঁকি দিয়াৰ পথ সুগম কৰা হৈছে। আচলতে আইনৰ সংশ্লিষ্ট ধাৰাত ফাঁকি কৰ আদায়ৰ ক্ষেত্ৰত তেনে আমানত ধন বা কৰ আদায় কৰিবলৈ ক্ষমতা প্ৰদান কৰা হৈছে। কিন্তু বৰ্তমানে সংশ্লিষ্ট এলেকাৰ কৰ অধীক্ষকৰ কৰ্তৃত্ব আওকাণ কৰি এনে ব্যৱস্থা এক গতানুগতিক প্ৰক্ৰিয়াত পৰিণত হৈছে।

আমি বাৰে বাৰে আঙুলিয়াই দি আহিছো যে ওৱে ব্ৰীজ, পৰীক্ষণ দল আৰু ৰক্ষীৰ কোনো ব্যৱস্থা নথকাৰ কাৰণে পৰীক্ষণ চকীসমূহত কৰ ফাঁকি ব্যৱস্থা অব্যাহত আছে। বহুত ক্ষেত্ৰত দেখা যায় যে ব্যৱসায়ীসকলে ভুৱা নাম, ভুৱা ঠিকনা নাইবা চালান বহিৰ্ভূত সামগ্ৰী পৰীক্ষণ চকীসমূহৰ মাজেদি আমদানি কৰে আৰু অবাধগতিত বিক্ৰী কৰে। এইক্ষেত্ৰত কৰ বিষয়াসকলে ব্যৱসায়ীৰ ভঁৰাল, পৰিবহণ সংস্থাৰ ভঁৰাল আদি পৰিদৰ্শন কৰি চালান-বহিৰ্ভূত

সামগ্ৰী ধৰা পেলাই জৰিমনাসহ এক বুজন পৰিমাণৰ কৰ আদায় কৰা বুলি সংবাদ মাধ্যমযোগে প্ৰকাশ পাইছিল। কিন্তু যোৱা এবছৰৰ অধিক কালৰ পৰা এই প্ৰক্ৰিয়া বন্ধ হৈ আছে — কাৰণ কি জনা নাযায়। অৱশ্যে বিষয়াসকলৰ নিষ্ঠাপূৰ্ণ কাৰ্যপদ্ধতিয়েহে তেনে কৰ আদায়ত কৃতকাৰ্যতা আনা সম্ভৱ। এই কথা ঠিক যে কৰ ফাঁকি এটি অপৰাধমূলক প্ৰক্ৰিয়া। ইয়াত বিষয়া-ব্যৱসায়ী উভয়ে জড়িত থকা সম্ভৱ। একপক্ষীয়ভাৱে ব্যৱসায়ীয়ে তেনে কাম কৰা সম্ভৱপৰ নহয়। তেনেক্ষেত্ৰত তেনে অপৰাধমূলক কামৰ কাৰণে যথাযথ ব্যৱস্থা ল'লে এই প্ৰক্ৰিয়া বহুখিনি হ্ৰাস হ'ব পাৰে।

পূৰ্বতে উল্লেখ কৰামতে শ্ৰীৰামপুৰ পৰীক্ষণ চকীত যদি কৰ ফাঁকি প্ৰক্ৰিয়া হ্ৰাস পাইছে, আমি ভাবো বক্সিৰহাট পৰীক্ষণ চকীৰ ক্ষেত্ৰতো অনুৰূপ ব্যৱস্থা লোৱা সমীচীন হ'ব। নহ'লে সকলো গাড়ীৰ গতি সলনি কৰি বক্সিৰহাটেদি যাতায়াত কৰিব। যদি প্ৰৱেশ দুৱাৰ দুখনৰ কৰ ফাঁকি প্ৰতিৰোধ ব্যৱস্থা অধিক কাৰ্যকৰী কৰি তোলা যায় ৰাজ্যখনৰ অৰ্থনৈতিক উন্নতিৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰাধিকাৰ লাভ হ'ব।

চৰকাৰে যোগীঘোপাৰ কাৰ্বাইটাৰী পৰীক্ষণ চকী আৰু গুৱাহাটীৰ জালুকবাৰী পৰীক্ষণ চকী দুটাৰ কাৰ্যব্যৱস্থা অকল কয়লাৰ ক্ষেত্ৰতহে সীমাবদ্ধ ৰাখিছে। আমি ভাবো যে সেইবোৰ পৰীক্ষণ চকীৰ কাৰ্যক্ৰম আন আন সামগ্ৰীৰ ক্ষেত্ৰতো সম্প্ৰসাৰণ কৰিলে অধিক সুফল পোৱা যাব। তেতিয়াহ'লে গুৱাহাটীলৈ আমদানি কৰা আৰু তথাকথিত মেঘালয় বা আন আন ৰাজ্যলৈ গতি কৰা সকলো সামগ্ৰীৰ যথাযথ পৰীক্ষা-নিৰীক্ষা কৰা সম্ভৱ হ'ব।

কৰ নিৰ্ধাৰণৰ দায়িত্ব সংশ্লিষ্ট এলেকাৰ কৰ অধীক্ষকসকলৰ। অৱশ্যে কয়লাৰ ক্ষেত্ৰত এটি সুকীয়া কৰ নিৰ্ধাৰণ গোট স্থাপন কৰিব পাৰি। কিন্তু প্ৰচলিত ব্যৱস্থামতে পৰীক্ষণচকীসমূহৰ কৰ অধীক্ষকসকলক পৰীক্ষণ কাৰ্য আৰু কৰ নিৰ্ধাৰণ দায়িত্ব প্ৰদানৰ দ্বাৰা প্ৰশাসন কাৰ্যৰ অশেষ ব্যাঘাত জন্মিছে। আমি ভাবো যে এহাতে তেওঁলোকক কয়লাৰ বাহিৰে আন আন সামগ্ৰী পৰীক্ষণৰ দায়িত্ব অৰ্পণ কৰা উচিত আৰু আনহাতে কৰ নিৰ্ধাৰণ কাৰ্যৰ পৰা তেওঁলোকক অব্যাহতি দিয়া উচিত। তেতিয়াহ'লে পৰীক্ষণ চকীসমূহৰ প্ৰশাসনৰ মান উন্নত হ'ব।

অসম চৰকাৰে আমাৰ উপৰোক্ত আলোচনাৰ তাৎপৰ্য উপলব্ধি কৰি ক'ব পৰীক্ষণ চকীসমূহৰ প্ৰশাসনৰ সংস্কাৰ ব্যৱস্থা তৎপৰতাৰে ল'ব বুলি আমাৰ বিশ্বাস। তেনে ব্যৱস্থাই কৰ ফাঁকি প্ৰতিৰোধৰ ক্ষেত্ৰত সফলতা লাভ কৰিব আৰু ৰাজ্যখনৰ যথাযথ ৰাজহ আদায় সুনিশ্চিত কৰিব।

প্ৰতিদিন
২/১০/২০০১

# কৰ পৰীক্ষণ চকী আৰু ইয়াৰ প্ৰশাসন

প্ৰায় এসপ্তাহৰ আগতে গুৱাহাটী জালুকবাৰীৰ কৰ পৰীক্ষণ চকীৰ কৰ অধীক্ষকৰ চাকৰিৰ অদল-বদল সম্বন্ধে এটি প্ৰবল বিতৰ্কৰ সৃষ্টি হৈছিল। তেনে অদল-বদলৰ বিতৰ্কিত কাহিনীয়ে বাতৰি কাকতসমূহৰ শিৰোনামা দখল কৰিছিল। দুয়োজন বিষয়া সম্বন্ধে আক্ৰমণ আৰু প্ৰতি-আক্ৰমণৰ বাতৰিও বাহিৰৰ দৃষ্টিগোচৰ হৈছিল। প্ৰশাসনৰ দিশত কোন বিষয়াক কেনে কাৰ্যত আৰু কোন ঠাইত অধিষ্ঠিত কৰা হ'ব, সেয়া চৰকাৰৰ বিশেষ অধিকাৰৰ অন্তৰ্ভুক্ত। এই ক্ষেত্ৰত ৰাজহুৱা স্বাৰ্থই প্ৰাধান্য লাভ কৰে। তাহানি ইংৰাজ শাসন কালত 'ৰাজহুৱা স্বাৰ্থৰ খাতিৰত' শব্দাৱলী অতি গাম্ভীৰ্যপূৰ্ণ আৰু গুৰুত্বপূৰ্ণ বুলি অভিহিত হৈছিল। স্বৰাজোত্তৰ কালতো এটি বিশেষ সময়লৈকে তেনে 'ৰাজহুৱা স্বাৰ্থৰ খাতিৰত' শব্দাৱলীৰ প্ৰয়োগ অতি গুৰুত্বপূৰ্ণ বুলি পৰিগণিত হৈছিল। কিন্তু সেই যমো নাই অযোধ্যাও নাই। 'ৰাজহুৱা স্বাৰ্থৰ খাতিৰত' শব্দাৱলী আজিকালি 'ব্যক্তিগত স্বাৰ্থৰ খাতিৰত'হে প্ৰয়োগ কৰা হয়।

চৰকাৰে কোন বিষয়াক ক'লৈ বদলি কৰে, তেওঁৰ ঠাইত কাক অধিষ্ঠিত কৰে সেয়া আমাৰ আলোচনাৰ বিষয় নহয়। কিন্তু প্ৰচাৰ মাধ্যমৰ শিৰোনামা দখলকৰা এই বিতৰ্কিত অদল-বদল সম্বন্ধে এটি আলোচনাৰ প্ৰয়োজন। বিষয়া বদলিৰ ক্ষেত্ৰত চৰকাৰৰ নিয়মৰ নিৰ্দিষ্ট নীতি আছে। উক্ত অদল-বদল চৰকাৰৰ তেনে নীতিৰ বহিৰ্ভূত যেন অনুমান হয়। এই ক্ষেত্ৰত পৰীক্ষণ চকী স্থাপনৰ আৰু ইয়াৰ কাৰ্যকৰী ব্যৱস্থা সম্বন্ধে আলোচনা কৰা অতি সমীচীন হ'ব।

## পৰীক্ষণ চকী স্থাপনৰ অতীত বুৰঞ্জী

১৯৬৫ চনত যেতিয়া ভাৰত-পাকিস্তানৰ যুদ্ধ কালত পূৰ্ব পাকিস্তান (এতিয়াৰ বাংলাদেশ)ৰ মাজেদি জলপথ সম্পূৰ্ণৰূপে বন্ধ হ'ল, তেতিয়া উত্তৰ-পূব ভাৰতৰ ৰাজ্য অসমত বেহা-বেপাৰৰ ক্ষেত্ৰত এটি অভূতপূৰ্ব অৱস্থাৰ সৃষ্টি হ'ল। ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা অসমলৈ স্থলপথেৰে সকলো সামগ্ৰী আমদানি-ৰপ্তানি কৰিবলগীয়া হ'ল। ভাৰত-চীনৰ যুদ্ধৰ পিছত ৰাষ্ট্ৰীয় ঘাইপথসমূহ উন্নতমানৰ কৰি তোলা হ'ল, অসমৰ উত্তৰ কাষেদি লেডোৰোড যোত বুলি আন এটি ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ হ'ল। ফলত স্থল পৰিবহণৰ যথেষ্ট উন্নতি সাধন হ'ল। জলপথেৰে কোনো সামগ্ৰী অনা-নিয়াৰ ক্ষেত্ৰত কৰ বিষয়াসকলৰ তেনে মাল-পৰীক্ষণ বা পৰিদৰ্শনৰ বিশেষ কোনো অসুবিধা হোৱা নাছিল, কিন্তু স্থল পৰিবহণে পৰিদৰ্শনৰ ক্ষেত্ৰত বহুতো বাধাৰ সৃষ্টি হ'ল। ফলত ব্যৱসায়ীসকলে অবৈধভাৱে হিচাপ বহিৰ্ভূত মাল আমদানি আৰু ৰপ্তানি কৰি কৰফাঁকি দিয়াৰ সুবিধা পালে। কৰ প্ৰতিৰোধ আৰু ফাঁকি বন্ধ কৰাৰ উপযুক্ত ব্যৱস্থা লোৱাৰ ফলত অসম বিষয়াসকলৰ মাজিৰাত তুমুল বাক-বিতণ্ডাৰ সৃষ্টি হ'ল। অৱশেষত তেতিয়াৰ বিত্তমন্ত্ৰী কামাখ্যা প্ৰসাদ ত্ৰিপাঠীৰ নিৰ্দেশত ১৯৭১ চনত যুদ্ধকালীন ভিত্তিত অসম আৰু পশ্চিমবঙ্গৰ মাজত বক্সিৰহাট আৰু শালবাৰী (শ্ৰীৰামপুৰ) আৰু অসম

আৰু ত্ৰিপুৰাৰ মাজত চুৰাইবাৰী পৰীক্ষণ চকী স্থাপন কৰা হ'ল।

## কয়লা পৰীক্ষণ চকী স্থাপন

মেঘালয়ত খনিজাত সামগ্ৰী কয়লা প্ৰচুৰ পৰিমাণে উৎপন্ন হয়। সেই কয়লা অসমলৈ আমদানি হয় আৰু ইয়াৰ ডিপোবোৰত সংৰক্ষণ হয়। ভাৰতৰ বিভিন্ন ব্যৱসায়ীয়ে এই কয়লা ক্ৰয় কৰে। অসমৰ চাহ বাগিচা আৰু উদ্যোগসমূহেও কিনে। অসম চৰকাৰক তেনে বিক্ৰীৰ ওপৰত কোনো বিক্ৰী কৰ নিদিয়ে। কয়লাবাহী গাড়ীবোৰে মেঘালয়ৰ কয়লা কৰমুক্ত বুলি অভিহিত কৰি বিনা বাধাই চলাচল কৰে। অসম চৰকাৰে অসমত তেনে কয়লা বিক্ৰীৰ কৰ অনাদায় হোৱা বুলি উপলব্ধি কৰি শৰাইঘাট দলঙৰ ওচৰত জালুকবাৰী পৰীক্ষণ চকী স্থাপন কৰিলে। আচলতে কয়লা ব্যৱসায়ীসকলৰ প্ৰায়বোৰে অসমত কোনো ঘৰ-বাৰী নাই, নিগাজী ব্যৱসায়ো নাই। তেনে ব্যৱসায়ীবোৰ 'উৰন্ত' ব্যৱসায়ী। লগে লগে কৰ আদায় নকৰিলে পিছলৈ আদায় কৰা সম্ভৱ নহয়। এই কথা উপলব্ধি কৰি কৰৰ অনুৰূপ পৰ্যায়ৰ এটি আমানত ধন আদায় কৰা ব্যৱস্থা লোৱা হ'ল। প্ৰথমতে নগদ টকা আদায় কৰা আৰু পিছলৈ ট্ৰেজাৰী চালানৰ যোগেদি আদায় কৰা হ'ল। কিন্তু দুয়োবিধ ব্যৱস্থাৰ ফলত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ল আৰু ফলত বেঙ্কড্ৰাফ্‌ট যোগে তেনে ধন আদায়ৰ ব্যৱস্থা কৰা হ'ল। অনুৰূপভাৱে, মেঘালয়ৰ গাৰোপাহাৰ অঞ্চলৰ নাঙল কয়লা অসমৰ ডিপোসমূহৰ যোগেদি বিক্ৰী হোৱা আৰম্ভ হ'ল। উক্ত কয়লাৰ কৰ ফাঁকি বোধ কৰিবলৈ প্ৰথমতে গোৱালপাৰা চহৰৰ কাৰবালাত এটি পৰীক্ষণ চকী স্থাপন কৰা হ'ল আৰু পিছলৈ সেই চকী যোগীযোপালৈ স্থানান্তৰ কৰি কাৰাইটাৰী পৰীক্ষণ চকী স্থাপন কৰা হ'ল।

## পৰীক্ষণ চকীৰ প্ৰশাসন ব্যৱস্থা

সাধাৰণতে পৰীক্ষণ চকীসমূহ চহৰৰ পৰা নিলগত স্থাপন কৰিবলগীয়া হয়। কাৰণ চহৰ এলেকাত যান-বাহনৰ ভিৰে প্ৰতিকূল পৰিবেশৰ সৃষ্টি কৰি আইন-শৃংখলাৰ অৱনতি ঘটায়। তেনেবোৰ অঞ্চললৈ পৰিয়াল স্থানান্তৰৰ সুবিধা নাই। এনে ক্ষেত্ৰত ১৯৭৩ চনত চৰকাৰে এটি ব্যৱস্থা কৰিছিল যে প্ৰতিজন কৰ বিষয়াই চাকৰিৰ কাৰ্যকালৰ ভিতৰত অন্ততঃ এবছৰৰ বাবে এবাৰ পৰীক্ষণ চকীত কাৰ্যনিৰ্বাহ কৰিব লাগিব আৰু সেই কাৰ্যকালৰ অন্তত বিষয়াসকলক নিজা চহৰ বা তাৰে আশে-পাশে এটি কাৰ্যকালৰ কাৰণে বদলি কৰা হ'ব। এই প্ৰবন্ধ লিখকে ১৯৭২ চনৰ ১ জানুৱাৰীত দামৰা (শ্ৰীৰামপুৰ) চকী স্থাপনৰ সময়ৰ পৰা ১ বছৰ ৭ মাহ কাৰ্যনিৰ্বাহ কৰিছিল যদিও অশেষ নিষ্ঠা, আন্তৰিকতা আৰু ধৈৰ্যৰে কাম কৰিবলগীয়া হৈছিল। তথাপি সেয়া আছিল চাকৰি জীৱনৰ এটি তিক্ত অভিজ্ঞতা।

আজি কিছুদিনৰ পৰা দেখা গৈছে যে একাংশ কৰ বিষয়া পৰীক্ষণ চকীত কাৰ্যনিৰ্বাহ কৰিবলৈ বিশেষ আগ্ৰহী। একবাৰ নহয়, দুবাৰ নহয়, বাৰে বাৰে। একেটা পৰীক্ষণ চকীত নহয়, কেবাটাতো। অনুভৱ হয়, তেওঁলোক যেন পৰীক্ষণ চকী পৰিচালনাৰ বিশেষজ্ঞ। অন্য মতে, তেনে বদলিৰ বাবে বিভাগীয় মুৰব্বী বা প্ৰশাসনৰ মুৰব্বীৰ অনুমোদন নালাগে,, ৰাজনৈতিক হস্তক্ষেপৰ দ্বাৰা সুসম্পন্ন হয়। ১৯৯২-৯৩ চনৰ পৰা এই কথাটোৱেই অগ্ৰাধিকাৰ পাইছে। ফলতে

অলপ দিন বন্ধ হৈছিল। ২০০১ চনৰ জানুৱাৰী মাহৰ পৰা আকৌ এই ব্যৱস্থা কাৰ্যকৰী হৈ আছে। আনকি, মহিলা বিষয়াও পৰীক্ষণ চকীত নিযুক্ত হৈছে। বিভাগীয় মুৰব্বীয়ে বিষয়াসকলৰ কৰ্ম-ক্ষমতা আৰু কৰ্মৰ মান নিৰ্ণয় কৰিব লাগে নে ৰাজনৈতিক নেতাসকলে? যদি ৰাজনৈতিক নেতাসকলে, তেনেহ'লে কিহৰ ভিত্তিত? সেই কথা আলোচনা কৰা সমীচীন নহয়। পৰীক্ষণ চকীৰ পৰিৱেশ অতি পঙ্কিল। তাৰ কাম-কাজৰ মান অতি নিম্নস্তৰৰ বুলি বাহিৰে কয়। এনে ক্ষেত্ৰত বিষয়াসকলক বাৰে বাৰে পৰীক্ষণ চকীত বদলি কৰি চৰকাৰে নিজৰ ভৰিত নিজে কুঠাৰ মৰা নাই জানো? পিছলৈ জটিলতাপূৰ্ণ কাম-কাজ পৰিচালনাত তেওঁলোকৰ নিষ্ঠা আৰু সততা থাকে জানো? এনে স্বাৰ্থজনিত কাম একপক্ষীয় নহয়, উভয়পক্ষৰ সমন্বয়ত হয়। ফলত চৰকাৰৰ ন্যায়সঙ্গত কৰ আদায় প্ৰক্ৰিয়াত ব্যাঘাত জন্মে।

## জালুকবাৰী পৰীক্ষণ চকীৰ বিতৰ্কিত অধ্যায়

ওপৰৰ আলোচনাৰ পৰা আমি এটি সিদ্ধান্তত উপনীত হৈছো যে পৰীক্ষণ চকীসমূহৰ বদলি সন্দৰ্ভত এটি অদৃশ্য প্ৰক্ৰিয়া বিৰাজ কৰে। জালুকবাৰী পৰীক্ষণ চকীত এজন বিষয়াই ৪ বছৰ ধৰি কাম কৰিছিল — পিছৰ চাৰি/পাঁচ বছৰ আৰু এজনে কাৰ্যনিৰ্বাহ কৰিলে — তাৰ পিছত আগৰজন তাঁলৈকে পুনৰ বদলি হ'ল। জনা মতে, উক্ত বদলি ৰাজনৈতিক হস্তক্ষেপৰ ফলতহে হৈছে। বিভাগীয় বা প্ৰশাসনীয় মুৰব্বীৰ কোনো অনুমোদন নাই। অসমত প্ৰায় ১৩০ জন কৰ অধীক্ষক আছে। তাৰ ভিতৰত এই দুজন বিষয়া কি কাৰণে জালুকবাৰী পৰীক্ষণ চকী পৰিচালনাৰ কাৰণে অপৰিহাৰ্য? তেওঁলোকৰ দক্ষতা বা সাধুতা সম্বন্ধে তোলা বিতৰ্কত আমাৰ ক'বলগীয়া একো নাই, কাৰণ সেয়া প্ৰশাসনীয় কথা। কিন্তু আমাৰ প্ৰশ্ন হৈছে বিগত চৰকাৰৰ মুৰব্বীয়ে অসমবাসীৰ ওচৰত নিকা দুৰ্নীতিমুক্ত প্ৰশাসনৰ কাৰণে দায়বদ্ধতাৰ কথা বাৰে বাৰে ঘোষণা কৰিছে, তেখেতে কিয় প্ৰচাৰ মাধ্যমে তোলা এই বিতৰ্ক সম্বন্ধে কোনো স্পষ্টীকৰণ দিয়া নাই বা বিতৰ্কৰ অন্ত পেলাবলৈ এক তৃতীয় ব্যক্তিক উক্ত জালুকবাৰী পৰীক্ষণ চকীত কাৰ্যনিৰ্বাহ কৰিবলৈ দিয়া নাই? আমি জনা মতে, চৰকাৰে ১৯৯২ চনত জ্যেষ্ঠ কৰ বিষয়াৰ ১৫টা পদৰ সৃষ্টি কৰিছিল যাতে তেনে বিষয়াক প্ৰশাসনত আৰু কৰ নিৰ্ধাৰণ কাৰ্যত নিয়োগ কৰিব পাৰি। প্ৰকৃতাৰ্থত তেনে ব্যৱস্থা কাৰ্যকৰী হৈছে নে? জালুকবাৰী পৰীক্ষণ চকীত এজন জ্যেষ্ঠ কৰ বিষয়া নিয়োগ কৰি চৰকাৰে বিষয়াসকলৰ কাৰ্যদক্ষতাৰ মান হ্ৰাস কৰা নাই জানো?

অসম আজি প্ৰবল বিত্তীয় সংকটৰ মুখত। চৰকাৰে কৰ্মচাৰীক দৰমহা দিব নোৱাৰে — আন কথাতো বাদেই। মাননীয় বিত্তমন্ত্ৰী মহোদয়ে কৰ বিষয়াসকলক দুগুণ কৰ আদায়ৰ বাবে নিৰ্দেশ দিয়া কথা অলপতে বাতৰি কাকতত প্ৰকাশ পাইছে। এনে ক্ষেত্ৰত এনে এক গুৰুত্বপূৰ্ণ পদবীত থাকি তেখেতৰ কাৰ্যই যদি এনে বিতৰ্কৰ সৃষ্টি কৰে চৰকাৰৰ স্থিতি থাকিব ক'ত?

[illegible]

৬/৭/২০০১

## প্ৰৱেশ কৰ আইনৰ সঘন সংশোধন

# অৰ্থনৈতিক উন্নতিৰ বাবে চৰকাৰৰ সদিচ্ছা নাই

ভাৰতীয় সংবিধানৰ ২৪৬(৩) অনুচ্ছেদ তথা সপ্তম অনুসূচীৰ ৰাজ্যিক তালিকাৰ ৫২ দফাত প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি অসম বিধান মণ্ডলীয়ে 'দি আছাম এণ্ট্ৰি টেক্স এক্ট, ২০০১' (প্ৰৱেশ কৰ আইন) প্ৰণয়ন কৰিছে। যদি কোনো আমদানিকাৰীয়ে এই আইনৰ অনুসূচীত অন্তৰ্ভুক্ত কোনো সামগ্ৰী অসমৰ স্থানীয় কোনো এলেকাত বিক্ৰী, উপভোগ বা ব্যৱহাৰৰ কাৰণে আমদানি কৰে, তেনে আমদানিকাৰীৰ উক্ত সামগ্ৰীৰ ক্ৰয় মূল্যৰ ওপৰত নিৰ্ধাৰিত হাৰত প্ৰৱেশ কৰ আদায় দিয়াৰ দায়বদ্ধতা আছে।

সংবিধানৰ ২৮৬ (১) (বি) অনুচ্ছেদত কোনো আমদানি আৰু ৰপ্তানিকৃত সামগ্ৰীৰ ওপৰত ৰাজ্য চৰকাৰক কোনো কৰ আইন প্ৰণয়ন কৰিবলৈ নিষেধ আৰোপ কৰিছে। ফলত অইন ৰাষ্ট্ৰৰ পৰা আমদানিকৃত আৰু অইন ৰাষ্ট্ৰলৈ ৰপ্তানিকৃত সামগ্ৰীৰ ওপৰত অসম বা অইন ৰাজ্যই কোনো কৰ আৰোপ ব্যৱস্থা প্ৰৱৰ্তন কৰিব নোৱাৰে। অৱশ্যে তেনে আমদানিকৃত সামগ্ৰীৰ বিক্ৰীৰ ওপৰত বিক্ৰীকৰ আৰোপ ব্যৱস্থা অব্যাহত থাকিব।

প্ৰৱেশ কৰ আইনত কৰ ৰেহাই সম্বন্ধে তলত দিয়া বিষয়সমূহ সন্নিবিষ্ট কৰা হৈছে ঃ

১। ভাৰত চৰকাৰৰ প্ৰতিৰক্ষা বিভাগে উপভোগ আৰু ব্যৱহাৰৰ কাৰণে আমদানি কৰা নিৰ্ধাৰিত সামগ্ৰী।

২। ভাৰত চৰকাৰে উপভোগ আৰু ব্যৱহাৰৰ কাৰণে আমদানি কৰা নিৰ্ধাৰিত সামগ্ৰী।

৩। দি আছাম পাব্লিক ডিষ্ট্ৰিবিউচন অৰ্ডাৰ (১৯৮২) মতে বিক্ৰী বা ব্যৱহাৰৰ কাৰণে আমদানি কৰা নিৰ্ধাৰিত সামগ্ৰী।

৪। কোনো আমদানিকাৰী বা আন কোনো ব্যক্তিয়ে কৰ জমা দিয়া প্ৰমাণপত্ৰ দাখিল কৰা কোনো নিৰ্ধাৰিত সামগ্ৰী।

তদুপৰি ৰাজহুৱা স্বাৰ্থৰ পৰিপ্ৰেক্ষিতত অনুসূচীত নিৰ্ধাৰিত কোনো আমদানিকৃত সামগ্ৰী সম্পূৰ্ণ বা আংশিকভাৱে কৰ ৰেহাই দিয়াৰ ক্ষমতা চৰকাৰৰ ওপৰত ন্যস্ত কৰা হৈছে।

আনহাতে অসম চৰকাৰে ইতিমধ্যে প্ৰদত্ত ক্ষমতাৰ ভিত্তিত প্ৰসাৰ ভাৰতী আৰু দূৰদৰ্শনৰ উপভোগ আৰু ব্যৱহাৰৰ কাৰণে আমদানিকৃত নিৰ্ধাৰিত সামগ্ৰীৰ ওপৰত কৰ ৰেহাই প্ৰদান কৰিছে।

'দি আছাম জেনেৰেল চেলচ টেক্স এক্ট ১৯৯৩' (বিক্ৰীকৰ আইন) আৰু 'প্ৰৱেশ কৰ আইন' উভয়ে সংবিধানৰ সুকীয়া ভিত্তিত প্ৰণোদিত কৰ আইন — উভয়ৰে সুকীয়া উদ্দেশ্য আৰু বৈশিষ্ট্য আছে। প্ৰথমখন হৈছে ৰাজ্যখনত বিক্ৰী, উপভোগ আৰু ব্যৱহাৰৰ কাৰণে আমদানি কৰা নিৰ্ধাৰিত সামগ্ৰীৰ ওপৰত কৰ ব্যৱস্থা। ক্ৰয় আৰু বিক্ৰীৰ ক্ষেত্ৰত দুয়োখন আইনৰ সম্পৰ্ক

আৰু সমন্বয় ৰক্ষা কৰাৰ প্ৰয়োজন। যিহেতু প্ৰৱেশ কৰ আইনৰ নিৰ্ধাৰিত সামগ্ৰী বিক্ৰী, উপভোগ বা ব্যৱহাৰৰ কাৰণে আমদানি কৰা হয়, উক্ত আইনে বিক্ৰীকৃত সামগ্ৰীৰ যথাযথ ক্ৰয় আৰু বিক্ৰী নথিভুক্ত কৰা আৰু যথাযথভাৱে কৰ জমা দিয়া প্ৰক্ৰিয়াত সহায় কৰে আৰু সুৰক্ষা দিয়ে বুলি আমাৰ ধাৰণা। প্ৰশাসনৰ ক্ষেত্ৰত দুয়োখন আইনৰ স্থিতি আৰু উদ্দেশ্য ভিন্নমুখী যদিও উভয় আইনৰ স্বাৰ্থ ওতঃপ্ৰোতভাৱে জড়িত।

প্ৰৱেশ কৰ আইনত সন্নিবিষ্ট কৰা হৈছে যে বিক্ৰীকৰ আইনৰ কৰ নিৰ্ধাৰক বিষয়াই প্ৰৱেশ কৰ আইনৰ কৰ নিৰ্ধাৰক বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰিব। আন আন বিষয়াসকলৰ ক্ষেত্ৰত তেনে ব্যৱস্থা সম্বন্ধে স্পষ্টীকৰণ দিয়া নাই। ফলত তেনে ক্ষমতা প্ৰয়োগ কৰাৰ ক্ষেত্ৰত এক বাধাৰ সন্মুখীন হোৱা স্বাভাৱিক কথা।

আনহাতে প্ৰৱেশ কৰ প্ৰশাসনৰ ব্যৱস্থা বিক্ৰীকৰ আইনৰ প্ৰয়োগৰ দ্বাৰা কাৰ্যকৰী কৰা হ'ব বুলি আইনৰ সংশ্লিষ্ট ধাৰাত সন্নিবিষ্ট কৰা হৈছে। কিন্তু আমাৰ ধাৰণা, তেনে প্ৰয়োগ ব্যৱস্থাই কৰ নিৰ্ধাৰণ আৰু আন প্ৰক্ৰিয়াত সুৰক্ষা নিদিয়ে। কাৰণ বিক্ৰীকৰ আইনখনৰ প্ৰয়োগ ব্যৱস্থা ক্ৰয় আৰু বিক্ৰীৰ ক্ষেত্ৰত আৰু প্ৰৱেশ কৰ আইনখন বিক্ৰী, উপভোগ আৰু ব্যৱহাৰৰ ক্ষেত্ৰত আমদানিকৃত সামগ্ৰীৰ ওপৰত প্ৰযোজ্য। এনে ক্ষেত্ৰত উক্ত আইনৰ ধাৰা প্ৰয়োগ কৰি প্ৰৱেশ কৰ আইনৰ প্ৰশাসনৰ ব্যৱস্থা গ্ৰহণ কৰিলে প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা অস্বাভাৱিক নহয়। আমাৰ মতে এই ক্ষেত্ৰত প্ৰৱেশ কৰ আইনত স্বতন্ত্ৰ ধাৰা সন্নিবিষ্ট কৰাৰ প্ৰয়োজন।

সাধাৰণতে কোনো আইনত কৰৰ দায়বদ্ধতা আহিলে পঞ্জীকৰণৰ প্ৰশ্ন আহে। পঞ্জীকৃত ব্যৱসায়ী বা ব্যক্তি আইনৰ গণ্ডীৰ ভিতৰত থাকি আইনৰ সংশ্লিষ্ট দায়বদ্ধতা সম্পন্ন কৰা গতানুগতিক আইনগত প্ৰক্ৰিয়া। কোনো ক্ষেত্ৰতে তেনে দায়বদ্ধ ব্যক্তি বা প্ৰতিষ্ঠানক আংশিকভাৱে পঞ্জীকৰণ ব্যৱস্থাৰ ক্ষেত্ৰত কোনো শিথিল ব্যৱস্থা সন্নিবিষ্ট কৰা নাই। কিন্তু আইনখনৰ নিৰ্ধাৰিত বিধিত তেনে পঞ্জীকৰণ ব্যৱস্থা বিক্ৰী আৰু ঠিকা কামত আমদানি কৰাৰ ক্ষেত্ৰতহে সীমাবদ্ধ কৰি ৰখা হৈছে। উপভোগ বা ব্যৱহাৰৰ কাৰণে আন সামগ্ৰীৰ ক্ষেত্ৰত তেনে পঞ্জীকৰণ ব্যৱস্থা সন্নিবিষ্ট কৰা হোৱা নাই। কোনো উদ্যোগ বা ব্যৱসায় প্ৰতিষ্ঠানে আমদানি কৰা সামগ্ৰী বিক্ৰী কৰ আইনৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। তেনে ক্ষেত্ৰত উপভোগ বা ব্যৱহাৰৰ কাৰণে আমদানি কৰা ব্যক্তিৰ পঞ্জীকৰণৰ ক্ষেত্ৰত প্ৰয়োজনীয়তা শিথিল কৰা এক বৈষম্যমূলক ব্যৱস্থা বুলিহে অনুমান হয়। ইয়াৰ ফলত কৰ আদায় প্ৰক্ৰিয়াত ব্যাঘাত জন্মিব পাৰে বুলি আমাৰ ধাৰণা। এই ব্যৱস্থাই ৰাজহ আদায়ৰ সুৰক্ষা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত সন্দেহৰ অৱকাশ আছে।

আইনখনৰ মূল ধাৰাসমূহ সকলো নিৰ্ধাৰিত সামগ্ৰী আমদানিৰ ক্ষেত্ৰত প্ৰযোজ্য। আমদানিকাৰীসকলে বিৱৰণেৰে আইনৰ দায়বদ্ধতা পালন কৰিব লাগে তাৰ ব্যৱস্থা অৱলম্বন কৰা হৈছে। আনহাতে বিভিন্ন ধৰণৰ মটৰগাড়ীৰ ক্ষেত্ৰত এক সুকীয়া ব্যৱস্থা সন্নিবিষ্ট কৰা হৈছে। ফলত কৰ আদায় আৰু আন আন আনুষংগিক ক্ষেত্ৰত তেনে আমদানিকৃত মটৰগাড়ী কৰ আদায় ব্যৱস্থাৰ এক স্বতন্ত্ৰ বৈশিষ্ট্যপূৰ্ণ ব্যৱস্থা অৱলম্বন কৰা হৈছে।

আইনখনত দায়বদ্ধ পঞ্জীকৃত আৰু অপঞ্জীকৃত আমদানিকাৰীয়ে যথাযথভাৱে কৰ জমা

দিয়া প্ৰমাণপত্ৰসমূহ মাহেকীয়া, তিনিমহীয়া আৰু বছৰেকীয়া প্ৰতিবেদন দাখিল কৰা কথা সন্নিবিষ্ট কৰা হৈছে যদিও আমদানিকৃত মটৰ মালিকৰ সম্বন্ধে তেনে কোনো স্পষ্টীকৰণ দিয়া হোৱা নাই। ফলত আইনৰ তেনে সংশ্লিষ্ট ধাৰা ব্যৰ্থক বুলি পৰিগণিত হয়।

যোৱা ১/১০/২০০১ তাৰিখৰ পৰা বলবৎ হোৱা প্ৰৱেশ কৰ আইনখন ইতিমধ্যে তিনিবাৰ সংশোধন কৰা হৈছে। নতুন এখন আইন প্ৰণয়নৰ ক্ষেত্ৰত ত্ৰুটি-বিচ্যুতি থকা স্বাভাৱিক কথা। তেনে ক্ষেত্ৰত কোনো গঠনমূলক ব্যৱস্থা লৈ সংশোধন ঘটালে কোনো আপত্তি নাই। কিন্তু তেনে সংশোধনৰ দ্বাৰা যদি আইনখনৰ মূলনীতি আৰু উদ্দেশ্যৰ স্খলন ঘটে আৰু তেনে ব্যৱস্থা যদি ৰাজ্যখনৰ স্বাৰ্থৰ পৰিপন্থী হয় তেতিয়া জনমত গঢ়ি উঠা স্বাভাৱিক কথা।

প্ৰৱেশ কৰ আইনৰ মূলনীতি আৰু উদ্দেশ্য হৈছে বিক্ৰী উপভোগ আৰু ব্যৱহাৰৰ কাৰণে আমদানি কৰা সামগ্ৰীৰ ক্ষেত্ৰত কৰ আৰোপ ব্যৱস্থা। এক গঠনমূলক ব্যৱস্থা আৰু এই ব্যৱস্থাৰ ফলত ৰাজ্যখনৰ ৰাজহ আদায় বৃদ্ধি পাইছে। এনে সামগ্ৰীৰ ওপৰত কৰ ব্যৱস্থা দুই ধৰণৰ – প্ৰৱেশ কৰ আৰু বিক্ৰীকৰ। কিন্তু একেটা সামগ্ৰীৰ বাবে বাবে যাতে কৰ দিবলগীয়া নহয় তাৰ কাৰণে আইনখনত বিক্ৰীকৰৰ আদায়ৰ ক্ষেত্ৰত আদায় কৰা প্ৰৱেশ কৰ সুবিন্যস্ত কৰি বাকীখিনি টকা বিক্ৰীকৰ হিচাপে আদায় কৰাৰ ব্যৱস্থা কৰা হৈছে, যাতে সামগ্ৰীৰ বিক্ৰী মূল্যৰ সমতা ৰক্ষা হয় আৰু ক্ৰেতাসকলবো অসুবিধা নহয়। এই ক্ষেত্ৰত প্ৰৱেশ কৰ আইন আৰু বিক্ৰীকৰ আইনৰ লগত সম্পৰ্ক আৰু সমন্বয় ৰক্ষা কৰাৰ কাৰণে ক্ৰয়-বিক্ৰীসমূহ যথাযথভাৱে নথিভুক্ত আৰু কৰ আদায় সম্ভৱপৰ হৈছে। ফলত কৰ ফাঁকি প্ৰক্ৰিয়া বহুখিনি হ্ৰাস পাইছে। অৱশ্যে এই ক্ষেত্ৰত এচাম অসৎ ব্যৱসায়ী শ'লঠেকত পৰিছে। কৰ ফাঁকি প্ৰক্ৰিয়া বাধাগ্ৰস্ত হৈছে। আমি জনাত এই ব্যৱস্থা লোৱাৰ ফলত ৰাজ্যখনত উন্নতধৰণৰ কৰ আদায় সম্ভৱ হৈছে।

কিন্তু আচৰিত কথা যে হঠাতে চৰকাৰ ৰাজহ আদায়ৰ মূল গতিপথৰ পৰা কক্ষচ্যুত হ'ল। অসম চৰকাৰে আইনখনৰ এক আমূল পৰিবৰ্তন আনিলে। যোৱা ১/৫/২০০২ তাৰিখৰ পৰা আইনখনৰ মূলনীতি আৰু উদ্দেশ্যৰ সলনি হ'ল। এই সংশোধনৰ ব্যৱস্থানুযায়ী –

যদি কোনো আমদানিকাৰীয়ে অনুসূচীত উল্লিখিত কোনো সামগ্ৰী বিক্ৰীৰ বাবে আমদানি কৰে আৰু তেনে সামগ্ৰী যদি প্ৰথম স্তৰৰ, শেষ স্তৰৰ আৰু প্ৰথম আৰু শেষ স্তৰৰ বিক্ৰীযুক্ত সামগ্ৰী হয় তেনে সামগ্ৰীৰ আমদানিৰ ওপৰত আমদানিকাৰীৰ কোনো প্ৰৱেশ কৰৰ দায়বদ্ধতা নাথাকে।

আনহাতে যদি তেনে আমদানিকৃত সামগ্ৰীৰ কোনো আন্তঃৰাজ্যিক বিক্ৰী নাইবা আন্তঃৰাষ্ট্ৰীয় বিক্ৰী সম্পন্ন হয় নাইবা তেনে সামগ্ৰী আইন ৰাজ্যলৈ বিক্ৰীৰ কাৰণে স্থানান্তৰ কৰা হয়, তেনে ক্ষেত্ৰতো প্ৰৱেশ কৰৰ দায়বদ্ধতা নাহে।

আইনখনৰ এক অনুৰূপ সংশোধনযোগে উল্লিখিত আন্তঃৰাজ্যিক বিক্ৰী বা স্থানান্তৰৰ ব্যৱস্থা অৱলম্বন কৰিলে কোনো বিক্ৰীকৰযুক্ত সামগ্ৰীৰ আমদানিকাৰীয়ে প্ৰৱেশ কৰৰ পৰা অব্যাহতি পাব। চাউল, দাইল, আটা, মচলা তেনে সামগ্ৰীৰ অন্তৰ্ভুক্ত।

এই ব্যৱস্থাৰ ফলত প্ৰৱেশ কৰ আইন প্ৰশাসনৰ ক্ষেত্ৰত এক বিশৃংখলৰ সৃষ্টি হৈছে। কাৰণ প্ৰৱেশ কৰ ব্যৱস্থা বিক্ৰীৰ ক্ষেত্ৰত প্ৰত্যাহাৰ কৰাৰ পৰিপ্ৰেক্ষিতত এক শ্ৰেণীৰ ব্যৱসায়ীয়ে

পূৰ্বৰ দৰে হিচাপ বহিৰ্ভূতভাৱে কোনো সামগ্ৰী আমদানি কৰাত কোনো বাধা নাথাকিব — কৰফাঁকি প্ৰক্ৰিয়া অব্যাহত থাকিব। অৱশ্যে চাউল, দাইল, আটা আৰু ময়দাৰ কোনো আন্তঃৰাজ্যিক বিক্ৰী সংঘটিত নহ'লে চৰকাৰে প্ৰৱেশ কৰ ন্যায্যভাৱে আদায় কৰিবলৈ সক্ষম হ'ব বুলি আমাৰ বিশ্বাস। বিক্ৰীকৰযুক্ত সামগ্ৰীৰ প্ৰৱেশ কৰ আদায়ৰ ক্ষেত্ৰত প্ৰকৃত পক্ষে প্ৰৱেশ কৰ ব্যৱস্থা মাথোন উপভোগ আৰু ব্যৱহাৰৰ কাৰণে আমদানিকৃত সামগ্ৰীৰ ওপৰতহে প্ৰধানকৈ সীমাবদ্ধ থাকিব। তাৰ দ্বাৰা কি পৰিমাণৰ কৰ আদায় হ'ব সময়েহে ক'ব।

বিক্ৰী উপভোগ আৰু ব্যৱহাৰৰ কাৰণে আমদানি কৰা সামগ্ৰীৰ ওপৰত প্ৰৱেশ কৰ আৰোপ ব্যৱস্থা অতি গঠনমূলক আৰু বিজ্ঞানসন্মত আছিল। সংবিধান ৰচনাৰ কৰ্মকৰ্তাসকলে বোধকৰো বিক্ৰীকৰ ফাঁকিৰ সুৰকাৰ কাৰণে সংবিধানত এনেধৰণৰ কৰ আইন প্ৰণয়ন ব্যৱস্থা অন্তৰ্ভুক্ত কৰিছিল। কিন্তু সংবিধানৰ ব্যৱস্থা নেওচি এনে যুক্তিবিহীন ব্যৱস্থাই ৰাজ্যখনৰ ক্ষতি সাধন কৰিলে বুলি অনুভৱ হয়।

আমাৰ দৃঢ় বিশ্বাস যে এক সুবিধাবাদী মহলাৰ ন্যস্ত স্বাৰ্থ ৰক্ষাৰ পৰিপ্ৰেক্ষিতত চৰকাৰ মূল গতিপথৰ পৰা কক্ষচ্যুত হৈছে। আমাৰ মতে ৰাজ্যখনৰ ৰাজহ আদায় ব্যৱস্থাৰ ক্ষেত্ৰত ই এক ধ্বংসমুখী নীতি বুলি পৰিগণিত হ'ব।

শুনা গৈছে যে সম্প্ৰতি এক শ্ৰেণীৰ স্বাৰ্থান্বেষী ব্যৱসায়ীয়ে চাউল, ঘেঁহু, দাইল আদিৰ ওপৰতো প্ৰৱেশ কৰ ব্যৱস্থা প্ৰত্যাহাৰ কৰিবলৈ চৰকাৰৰ ওপৰত হেঁচা প্ৰয়োগ কৰি আছে। চাউল, ঘেঁহু, দাইল আদি অসম বিক্ৰীকৰ আইনত কৰমুক্ত সামগ্ৰী। তেনে সামগ্ৰীৰ বিক্ৰীৰ ওপৰত কোনো বিক্ৰীকৰ দিব নালাগে। কিন্তু ৰাজ্য চৰকাৰে প্ৰণয়ন কৰা এনে প্ৰৱেশ কৰ আৰোপ ব্যৱস্থাৰ ফলত ৰাজকোষত এক বুজন পৰিমাণৰ কৰ আদায় হৈ আছে। যদি চৰকাৰে এই বিষয়ত নতিস্বীকাৰ কৰে, তেতিয়া হ'লে প্ৰৱেশ কৰ আইনখন কাৰ্যকৰী কৰি ৰখাৰ কোনো যুক্তিযুক্ততা নাই।

চৰকাৰে ৰাজ্যখনৰ শোচনীয় অৰ্থনৈতিক অৱস্থাৰ কথা বাৰে বাৰে ঘোষণা কৰি আছে যদিও প্ৰকৃতপক্ষে চৰকাৰ ৰাজ্যখনৰ এনে অৰ্থনৈতিক অৱস্থাৰ উন্নতিৰ কাৰণে কিমানখিনি সজাগ আৰু সচেষ্ট? আমাৰ মতে অসমৰ সম্পদসমূহ গতিশীল নকৰিলে অৰ্থনৈতিক উন্নয়ন সম্ভৱপৰ নহয়।

আনহাতে পৰীক্ষণ চকীসমূহৰ কাৰ্যক্ৰম উন্নতি কৰা আৰু উৎসতে কৰ ফাঁকি বন্ধ কৰাৰ ক্ষেত্ৰত চৰকাৰ তৎপৰ নহয়। দ্বিতীয় সংস্কাৰ কমিটীৰ গঠনমূলক পৰামৰ্শাৱলীৰ কাৰ্যকৰী ব্যৱস্থা ল'বলৈ এতিয়াও বাকী। কৰ ফাঁকি প্ৰক্ৰিয়া ধৰা পেলোৱাৰ ক্ষেত্ৰত কৰ্মতৎপৰতা অকল গুৱাহাটীতে সীমাবদ্ধ নাৰাখি আন আন বাণিজ্যিক কেন্দ্ৰসমূহতো সম্প্ৰসাৰণ কৰা উচিত হ'ব।

যি কি নহওক, প্ৰৱেশ কৰ আৰোপ ব্যৱস্থাৰ ক্ষেত্ৰত সঘন সংশোধন কৰাৰ সম্পৰ্কে আমাৰ এই আলোচনা চৰকাৰে এক গঠনমূলক দৃষ্টিভংগীৰে বিবেচনা কৰিব বুলি আমাৰ বিশ্বাস।

প্ৰতিদিন

৬/৮/২০০২

# বিলাসযুক্ত সামগ্ৰীৰ ওপৰত কৰ আৰোপ ব্যৱস্থা

ভাৰতীয় সংবিধানৰ ২৪৬(৩) অনুচ্ছেদত ৰাজ্যিক বিধানমণ্ডলীক সপ্তম অনুসূচীৰ দ্বিতীয় বিষয়সমূহৰ ওপৰত আইন প্ৰণয়ন কৰিবলৈ ক্ষমতা প্ৰদান কৰা হৈছে। উক্ত তালিকাৰ ৬২ দফা মতে, অসম বিধানমণ্ডলীয়ে 'দ্য আছাম টেক্সেশ্যন (অ'ন লাক্‌জুৰীছ) এক্ট, ১৯৯৭' (বিলাস-কৰ আইন) প্ৰণয়ন কৰিছে। ইতিপূৰ্বে ৰাজ্যিক বিধানমণ্ডলীয়ে উক্ত ৬২ দফা মতে, 'দ্য আচাম টেক্স অ'ন লাক্‌জুৰীছ (হোটেলছ এণ্ড লোজিং হাউছেছ) এক্ট, ১৯৮৯' (১৯৮১ আইন) নামৰ এখন সুকীয়া বিলাস-কৰ আইন প্ৰণয়ন কৰিছিল। দুয়োখন আইনৰ সাংবিধানিক ভিত্তি যদিও একেই, কিন্তু উভয়ৰে উদ্দেশ্য আৰু লক্ষ্য স্বতন্ত্ৰ। প্ৰথম আইনখনত বিলাসযুক্ত সামগ্ৰীৰ মজুতকাৰীৰ ওপৰত কৰৰ দায়বদ্ধতা আৰু দ্বিতীয়খনত কোনো ব্যক্তিক ব্যৱসায়িক ভিত্তিত বাসস্থান, সেৱা আৰু বিলাসপূৰ্ণ সুবিধা আগবঢ়োৱা ব্যক্তি বা ব্যৱসায়ীৰ কৰৰ দায়বদ্ধতা। আমাৰ আলোচনাৰ বিষয়বস্তু হৈছে বিলাস-কৰ আইন। উক্ত আইনখন যোৱা ১-৮-১৯৯৭ ৰ পৰা কাৰ্যকৰী হৈছে।

## বিলাসযুক্ত সামগ্ৰী

বিলাস-কৰ আইনৰ বিলাসৰ সংজ্ঞাত কোৱা হৈছে যে যিবোৰ সামগ্ৰী সাধাৰণ ব্যৱহাৰৰ উৰ্দ্ধত, তেনে সামগ্ৰীক আইনখনৰ অনুসূচীত অন্তৰ্ভুক্তি সাপেক্ষে 'বিলাসযুক্ত সামগ্ৰী' বুলি গণ্য কৰিব পৰা যাব। গতিকে আইনৰ উক্ত ব্যাখ্যা মতে, সাধাৰণ ব্যৱহাৰৰ কোনো সামগ্ৰী বিলাসযুক্ত সামগ্ৰী বুলি অভিহিত কৰা সমীচীন নহ'ব।

## বিলাসযুক্ত সামগ্ৰীৰ ওপৰত কৰ আৰোপ ব্যৱস্থা

বিলাসযুক্ত আইনৰ অনুসূচীত অন্তৰ্ভুক্ত সামগ্ৰীৰ মজুতকাৰীৰ ওপৰত কৰ দায়বদ্ধতা আছে। কিন্তু যদি কোনো মজুত সামগ্ৰী অসমৰ বাহিৰলৈ প্ৰেৰণ কৰা হয়, তেনে মজুত সামগ্ৰীৰ ওপৰত কোনো কৰ আৰোপ নহয়। অসমত যোগান, বিক্ৰী আৰু বিতৰণ কৰিব লগীয়া মজুত সামগ্ৰীৰ মজুতকাৰীৰ ওপৰতহে তেনে কৰ আৰোপ ব্যৱস্থা প্ৰযোজ্য।

## বিলাস-কৰ আৰোপ ব্যৱস্থাৰ মূল নীতিৰ পৰিবৰ্তন

বিলাস-কৰ আৰোপৰ মূল নীতি হৈছে — অসমত যোগান, বিক্ৰী বা বিতৰণ আদি ব্যৱসায়ৰ পৰিপ্ৰেক্ষিতত তেনে সামগ্ৰী মজুতকাৰীৰ ওপৰত কৰ আৰোপ ব্যৱস্থা। পূৰ্বতে উল্লেখ কৰা মতে, তেনে মজুত সামগ্ৰী অসমৰ বাহিৰলৈ প্ৰেৰণ কৰিলে কোনো কৰৰ দায়বদ্ধতা নাছে। কিন্তু যোৱা ২০-৫-২০০০ৰ পৰা উক্ত মূল নীতিৰ সংশোধন ঘটোৱা হৈছে। এই সংশোধনী ব্যৱস্থা মতে, বিলাসৰ সামগ্ৰীৰ মজুতকাৰীয়ে সমুদায় মজুত সামগ্ৰীৰ ওপৰত বিলাস-কৰ আদায় দিব লাগে। অৰ্থাৎ অসমৰ বাহিৰলৈ প্ৰেৰণ কৰা তেনে মজুত সামগ্ৰীৰ ওপৰতো কৰৰ

দায়বদ্ধতা অনা হৈছে। এনে সংশোধনী ব্যৱহাৰ দ্বাৰা আইনখনৰ মূল নীতিৰ স্খলন ঘটোৱা হৈছে। এই ব্যৱস্থা যে প্ৰকৃততে জনস্বাৰ্থ-বিৰোধী আৰু আইন-বহিৰ্ভূত, সেই বিষয়ে কোনো সন্দেহ নাই।

## কেন্দ্ৰীয় চৰকাৰৰ কৰ ৰেহাই নীতি ঘোষণা

প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে ভাৰত চৰকাৰে উত্তৰ পূৰ্বাঞ্চলত ধঁপাত প্ৰস্তুতকৰণৰ কাৰণে এক উদাৰ নীতি ঘোষণা কৰিছিল। এই নীতি অনুযায়ী, উক্ত অঞ্চলত স্থাপিত উদ্যোগিক প্ৰতিষ্ঠানসমূহৰ উৎপাদনৰ ওপৰত আবকাৰী শুল্ক ৰেহাই দিয়া বুলি ক'ব নোৱাৰি। জমা দিয়া আবকাৰী শুল্কৰ প্ৰত্যাৰ্পণ ব্যৱস্থা। উপযুক্ত প্ৰমাণসাপেক্ষে তেনে টকা প্ৰত্যাৰ্পণ কৰিব লাগে। অসমত এনে বহুতো ধঁপাতযুক্ত সামগ্ৰী প্ৰস্তুত কাৰখানা স্থাপিত হ'ল। চিগাৰেট, জৰ্দা আদি বিভিন্ন ধঁপাতযুক্ত সামগ্ৰী প্ৰস্তুত কৰাৰ ব্যৱস্থা লোৱা হ'ল। কিন্তু বাস্তৱ ক্ষেত্ৰত এই ব্যৱস্থাই এক ভেঁকোভাওনাৰহে সৃষ্টি কৰিলে। জনা মতে, প্ৰকৃত উদ্যোগ প্ৰায় অসমৰ বাহিৰতে থাকে। অসমত পেকেট আৰু লেবেল মাৰি তেনে প্ৰস্তুতি সম্পন্ন কৰিবলৈ এচাম অসৎ ব্যৱসায়ী অধিক তৎপৰ হ'ল। তেনে উৎপাদিত সামগ্ৰী অকল অসমতে উপভোগ কৰা সম্ভৱ নহয়, অসমৰ বাহিৰলৈকে পঠিয়াব লাগে। তেনে বাহিৰলৈ পঠিওৱা সামগ্ৰীৰ ওপৰত কৰৰ দায়বদ্ধতা নাহে। এই প্ৰক্ৰিয়াৰ ফলত এক বৃহৎ পৰিমাণৰ সামগ্ৰী নিৰ্গমন হয় আৰু অসম চৰকাৰে তেনে মজুত সামগ্ৰীৰ ওপৰত কৰ আৰোপ ব্যৱস্থা ল'ব নোৱাৰে। অৱশ্যে অসমত 'যোগান, বিক্ৰী বা বিতৰণ' সামগ্ৰীৰ ওপৰত কৰ আৰোপ ব্যৱস্থা অটুট থাকে। অসম চৰকাৰে ৰাজহ সুৰক্ষাৰ স্বাৰ্থত তেনে ৰপ্তানী সামগ্ৰীকো অসমত থকা মজুত সামগ্ৰী বুলি সন্নিবিষ্ট কৰি আইনখনত এক সংশোধন আনিলে যদিও প্ৰকৃতপক্ষে তেনে সংশোধন আইনখনত প্ৰবৰ্তিত নীতি-বিৰুদ্ধ বুলি সহজতে অনুমান কৰিব পাৰি। এনেকুৱাতে বহুতো লোকৰ কনী পোৱাৰ আশাত কনী দিয়া হাঁহৰ পেট ফলাৰ দৰে চৰকাৰে এক নিবুদ্ধিতাৰ পৰিচয়হে দিলে। এই ব্যৱস্থাৰ ফলত এক তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ল। গোটেই বিষয়টো বিতৰ্কমূলক হৈ পৰিল।

## বিতৰ্কিত সংশোধনী ব্যৱস্থা প্ৰত্যাহাৰ

অৱশেষত চৰকাৰে এই ত্ৰুটিপূৰ্ণ সংশোধনী ব্যৱস্থা পুনৰ পৰ্যালোচনা কৰিলে। এই ব্যৱস্থাই ৰাজহ আদায়ৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিব বুলি উপলব্ধি কৰিলে। চৰকাৰে যোৱা ৮-৫-২০০২ৰ পৰা আইনখন পুনৰ সংশোধন কৰিলে আৰু ২০-৫-২০০০ ত লোৱা সংশোধনী ব্যৱস্থা প্ৰত্যাহাৰ কৰিলে। আইনৰ আগৰ ব্যৱস্থাই সংস্থাপিত হ'ল। চৰকাৰৰ এনে স্থিতিস্থাপকবিহীন নীতিসমূহে প্ৰায় ক্ষেত্ৰতে ৰাজহ আদায়ৰ স্বাৰ্থতসংঘাতৰ সৃষ্টি কৰি আহে বুলি সৰ্বসাধাৰণ ৰাইজৰ অনুভৱ কৰাৰ বহুতো থল আছে। এনেকুৱা নীতি ৰাজহৰ স্বাৰ্থৰ পৰিপন্থী বুলিহে আখ্যা দিব পাৰি।

বিলাস-কৰ আইন মতে, বিলাসযুক্ত মজুত সামগ্ৰীৰ মূল্য নিৰূপণৰ ক্ষেত্ৰত তলত দিয়া ব্যৱস্থা প্ৰযোজ্য —

১। যদি কোনো বিলাসযুক্ত সামগ্ৰী অসমত প্ৰস্তুত কৰা হয়, তেনেক্ষেত্ৰত কাৰখানাৰ

উৎপাদন মূল্যক উক্ত সামগ্ৰীৰ মজুত মূল্য বুলি গণ্য কৰা হয়।

২। যদি কোনো বিলাসযুক্ত সামগ্ৰী অসমৰ বাহিৰৰ পৰা আমদানি কৰা হয়, তেনেক্ষেত্ৰত খৰিদ বিল, পৰিবহণ, ইঞ্চিওৰেঞ্চ আদিৰ খৰচ, আবকাৰী শুল্ক, বিক্ৰীকৰ আদি সন্নিবিষ্ট কৰি তেনে মজুত সামগ্ৰীৰ মূল্য নিৰূপণ কৰা হয়।

## উত্তৰ পূৰ্বাঞ্চলত উৎপাদিত ধঁপাতজাত সামগ্ৰীৰ মূল্যত আবকাৰী শুল্ক অন্তৰ্ভুক্ত নকৰা ব্যৱস্থা

আমি পূৰ্বতে উল্লেখ কৰিছো যে কেন্দ্ৰীয় চৰকাৰ ঘোষিত নীতি মতে, আবকাৰী শুল্কৰ ৰেহাই নহয়, জমা দিয়া আবকাৰী শুল্কৰ প্ৰত্যাৰ্পণ। তেনেক্ষেত্ৰত অসমত উৎপাদিত ধঁপাতৰ মজুত সামগ্ৰীত আবকাৰী শুল্কও অন্তৰ্ভুক্ত হৈ থাকে। বিলাস-কৰ উক্ত সামগ্ৰীৰ মজুত মূল্যৰ ওপৰত ধাৰ্য হয়। জানিব পৰা মতে, এচাম অসৎ ব্যৱসায়ীয়ে কেন্দ্ৰীয় চৰকাৰৰ উক্ত ঘোষিত নীতিৰ বিকৃত ৰূপ দি মজুত সামগ্ৰীৰ মূল্যৰ আবকাৰী শুল্ক বাদ দি কৰ জমা দিবলৈ ব্যৱস্থা অবলম্বন কৰিছিল। এই প্ৰক্ৰিয়াৰ ফলত তেনে মজুতকাৰীয়ে এক বুজন পৰিমাণৰ কৰ ফাঁকি দিবলৈ তৎপৰ হৈছিল। এই প্ৰবন্ধৰ লেখক 'লাক্‌জুৰী টেক্স অ'ন টবাকো প্ৰডাক্টছ এন এনালাইছিচ' শীৰ্ষক এক প্ৰবন্ধৰ জৰিয়তে এই ব্যৱস্থাৰ এক তীব্ৰ প্ৰতিবাদ সংস্থাপন কৰিছিল। (অইলফিল্ড টাইম্‌ছ, ২৭-৯-২০০০)। আমাৰ দৃঢ় বিশ্বাস — ৰাজহৰ সুৰক্ষাৰ স্বাৰ্থত চৰকাৰে এইক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে।

## বিলাসযুক্ত সামগ্ৰী

বিলাস কৰ আইনৰ অনুসূচীত পোনতে চুৰট, চিগাৰেট, চিগাৰ, সুগন্ধি ধঁপাত আৰু জৰ্দা, পাইপ আৰু চিগাৰেটত ব্যৱহাৰ কৰা সংমিশ্ৰিত ধঁপাত আৰু প্ৰতিমিটাৰ ৬০০ টকাৰ অধিক মূল্যৰ কাপোৰ অন্তৰ্ভুক্ত কৰা হৈছিল।

ইয়াৰ পিছত যোৱা ৩-১১-২০০১ ৰ পৰা চৰকাৰে উক্ত অনুসূচীৰ কিছু পৰিৱৰ্তন আনিলে। এই পৰিৱৰ্তিত ব্যৱস্থা মতে —

১। সুগন্ধি আৰু গোন্ধবিহীন ধঁপাত, খৈনী, চাধা আদিক উক্ত বিলাসযুক্ত সামগ্ৰী হিচাপে অন্তৰ্ভুক্ত কৰা হৈছিল।

২। ধঁপাত সংমিশ্ৰিত পাণ-মচলা, গুটখা আদি সামগ্ৰী উক্ত অনুসূচীত সন্নিবিষ্ট কৰা হৈছিল।

৩। হাতেবোৱা আৰু কাৰখানাত প্ৰস্তুত কৰা কেমন কাপোৰ (শাৰীসহ), পছম আৰু টেৰিকটনযুক্ত ছুটিং কাপোৰ অন্তৰ্ভুক্ত কৰা হৈছিল।

অসমৰ হাতেবোৱা এৰী, পাট, মুগা আদি কাপোৰ বয়নশিল্পৰ এক চৰম নিদৰ্শন। এনে আপুৰুগীয়া সম্পদ অসমৰ বাহিৰৰ ৰাজ্য, আনকি আন্তৰাষ্ট্ৰীয় বজাৰতো সমাদৰ লাভ কৰে। গতিকে এনে বয়নশিল্পৰ ওপৰত বিলাস-কৰ আৰোপ ব্যৱস্থা অতি দুৰ্ভাগ্যজনক আৰু ইয়াৰ ফলত উক্ত শিল্পৰ বিপৰ্যয় ঘটা এক স্বাভাৱিক কথা। অসমৰ গাঁৱে-ভূঁএে, নগৰে-চহৰে এই ব্যৱস্থাৰ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। এই লেখকৰ প্ৰবন্ধ 'বয়নশিল্পৰ ওপৰত কৰ — ধ্বংস

হ'ব অসমৰ খনুৱা উদ্যোগ' এইক্ষেত্ৰত উল্লেখযোগ্য।(অসমীয়া প্ৰতিদিন, ২০-১০-২০০১)। এইখিনিতে উল্লেখ কৰা উচিত হ'ব যে চৰকাৰে প্ৰৱৰ্তন কৰা উক্ত কৰ ব্যৱহৃত কোনো কৰৰ হাৰৰ উল্লেখ নাছিল। মাথোন সংশোধনৰ খাতিৰতহে সংশোধন কৰিছিল। অৱশেষত চৰকাৰৰ ধ্যানভঙ্গ হ'ল। চাবে তিনি মাহৰ পিছত অৰ্থাৎ যোৱা ১৯-২-২০০২ তহে কৰৰ হাৰ নিৰ্ধাৰণ কৰিলে। উল্লেখযোগ্য যে তেনে কৰৰ হাৰ যোৱা ৩-১১-২০০১ ৰ পৰাই নিৰ্ধাৰিত কৰা হৈছিল, যিটো প্ৰকৃততে নীতি-বহিৰ্ভূত। চৰকাৰে কৰ নিৰ্ধাৰণ কৰে, বাইজে দিব লাগে। এয়াই গতানুগতিক ব্যৱস্থা।

## বিলাস-কৰ সামগ্ৰীৰ পুনৰ সংশোধন

অসম চৰকাৰে যোৱা ৮-৫-২০০২ ৰ পৰা বিলাস কৰ আইনৰ অনুসূচীত পুনৰ এক সংশোধন আনিলে। এই সংশোধন ব্যৱস্থা এনে ধৰণৰ —

১। এৰী, মুগা, পাট কাপোৰ, শাৰী-মেখেলা আৰু চাদৰৰ বাদে আন সকলো ধৰণৰ ৰেচম কাপোৰ আৰু শাৰীৰ ওপৰত বিলাস-কৰ আৰোপ ব্যৱস্থা।

২। পছম আৰু টেবিশছম দ্ৰব্যৰ ওপৰত উক্ত কৰ ব্যৱস্থা।

৩। বিড়িৰ ওপৰত তেনে কৰ ব্যৱস্থা।

৪। দেশৰ (ভাৰতৰ) বাহিৰত প্ৰস্তুত কৰা তৰুণযুক্ত তেল আৰু ভিজিটেবল্‌ছ ঘিঁউৰ' ওপৰত তেনে কৰ ব্যৱস্থা।

## আন দেশত প্ৰস্তুত কৰা তৰুণযুক্ত তেল আৰু ভিজিটেবল্‌ছ ঘিঁউ

সংবিধানৰ ২৮৬(১) (বি) অনুচ্ছেদত আন্তঃৰাষ্ট্ৰীয় আমদানি আৰু ৰপ্তানি সামগ্ৰীৰ ওপৰত কোনো কৰ আইন প্ৰণয়ন কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰসমূহক নিষেধ প্ৰদান কৰিছে। এই ক্ষেত্ৰত 'দ্য চেণ্ট্ৰেল চেল্‌ছ টেক্স এক্ট' (১৯৫৬) (কেন্দ্ৰীয় বিক্ৰীকৰ আইন) এই ক্ষেত্ৰত নীতি নিৰ্ধাৰণ কৰিছে। অৱশ্যে আমদানিকৃত তেনে কোনো সামগ্ৰী অসমত আনি বিক্ৰী কৰিলে কৰ আৰোপ কৰাৰ ক্ষেত্ৰত কোনো বাধা নাই। উদাহৰণস্বৰূপে ভূটান চিমেণ্টৰ কথা ক'ব পাৰি। তেনে সামগ্ৰীৰ আমদানিৰ ওপৰত কোনো কৰ আৰোপ কৰিব নোৱাৰি। কিন্তু বিক্ৰীৰ ওপৰত বিক্ৰীকৰ আৰোপত কোনো বাধা নাই।

যোৱা ৮-৫-২০০২ৰ সংশোধনী যোগে আন দেশত (ভাৰতৰ বাহিৰত) প্ৰস্তুত কৰা তৰুণযুক্ত তেল আৰু ভিজিটেবল্‌ছ ঘিঁউৰ ওপৰত বিলাস-কৰ আৰোপ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে। প্ৰকৃততে তেনে সামগ্ৰীৰ প্ৰথম স্তৰৰ বিক্ৰীৰ ওপৰত কৰ আৰোপ ব্যৱস্থা 'দ্য আছাম জেনেৰেল চেল্‌ছ টেক্স এক্ট, ১৯৯৩' (বিক্ৰীকৰ আইন) ত সন্নিবিষ্ট কৰা আছে। দেশৰ বাহিৰত প্ৰস্তুত কৰা সামগ্ৰী আচলতে দ্ব্যৰ্থমূলক বুলি ক'ব পাৰি। আইনদেশত প্ৰস্তুত কৰা তেনে সামগ্ৰী অসমত আহিলে স্বভাৱতে আন্তঃৰাষ্ট্ৰীয় আমদানি বুলি গণ্য হ'ব। অৱশ্যে যদি তেনে প্ৰস্তুত সামগ্ৰী প্ৰথমতে আন ৰাজ্যলৈ আহি পিছতহে ক্ৰয়-বিক্ৰীৰ পৰিপ্ৰেক্ষিতত অসমলৈ আমদানি হয়, তেতিয়া হ'লে তেনে কৰ আৰোপত বাধা নাই। কিন্তু তেনে সামগ্ৰী যদি পোনপটীয়াকৈ আন ৰাষ্ট্ৰৰ পৰা অসমলৈ গতি কৰে, তেতিয়া তেনে সামগ্ৰী আন্তঃৰাষ্ট্ৰীয় আমদানিকৃত সামগ্ৰীৰূপে গণ্য হয়। এতিয়া কথা হৈছে — তেনে আমদানিকৃত সামগ্ৰীৰ ওপৰত বিলাস-কৰ

আৰোপ হয় অসমত সংৰক্ষিত যোগান, বিক্ৰী আৰু বিতৰণৰ বাবে মজুত সামগ্ৰীৰ ওপৰত। গতিকে তেনে কৰ-ব্যৱস্থা প্ৰাক্-বিক্ৰীৰ ওপৰতহে আৰোপিত কৰ-ব্যৱস্থা। প্ৰকৃততে আমদানিকৃত তেনে সামগ্ৰীৰ ওপৰত বিলাস-কৰ আৰোপ ব্যৱস্থা সংবিধানৰ ২৮৬(১) অনুচ্ছেদৰ দ্বাৰা সুৰক্ষিত হ'ব নে নাই সেয়া এক বিচাৰ্য বিষয়। এই বিষয়ে এই লেখকে 'অসমৰ বাজেটৰ কিছু বিসঙ্গতিপূৰ্ণ দিশ' প্ৰবন্ধত আলোচনা কৰিছিল। (আমাৰ অসম, ১৮-৩-২০০২) কিন্তু উক্ত বিষয়ে চৰকাৰে কিবা চিন্তা-চৰ্চা কৰিছে নে নাই জনা নাযায়।

## একে সামগ্ৰীৰ ওপৰত দুই ধৰণৰ কৰ

ভক্ষণযুক্ত তেল আৰু ভিজিটেবল্‌ছ ঘিউৰ ওপৰত বিক্ৰীকৰ আৰোপ ব্যৱস্থা আছে। আন দেশত প্ৰস্তুত কৰা (তথা আন দেশৰ পৰা আমদানি কৰা) তেনে সামগ্ৰীৰ ওপৰত বিলাস-কৰ আৰোপ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে। একে সামগ্ৰীৰ ওপৰত একেখন ৰাজ্যত এক শ্ৰেণীৰ ব্যৱসায়ীৰ ওপৰত দুই ধৰণৰ কৰ। এয়া এক বৈষম্যপূৰ্ণ কৰ-ব্যৱস্থা নহয় জানো? গতিকে গ্ৰাহকে ইয়াৰ ফল ভুগিব লাগিব। আমি ভাবোঁ, চৰকাৰে এই বিষয়ে পুনৰ চিন্তা-চৰ্চা কৰা সমীচীন হ'ব আৰু প্ৰয়োজনবোধে এই ব্যৱস্থা প্ৰত্যাহাৰ কৰিব।

## কৰৰ হাৰৰ উল্লেখ নাই

মানুহে এবাৰ কিবা ভুল কৰিলে পিছলৈ যাতে তেনে ভুলৰ পুনৰাবৃত্তি নহয়, তাৰ বাবে সজাগ আৰু সচেতন হয়। আমাৰ প্ৰশাসন যন্ত্ৰ তথা চৰকাৰ এইক্ষেত্ৰত সম্পূৰ্ণ উদাসীন। বাহ্যিক অতিক্ষেপণে আমাৰ সকলো ক্ষেত্ৰতে অগ্ৰাধিকাৰ লাভ কৰে। ভিতৰত কি ঘটি আছে তাৰ বিচাৰ নাই। চৰকাৰৰ প্ৰৱৰ্তিত কৰ-ব্যৱস্থাৰ অনুসূচীত এইবাৰো কোনো কৰৰ হাৰ অন্তৰ্ভুক্ত কৰা চকুত নপৰে। গতিকে এইটোহে ভুল। এই ভুল সংশোধন হ'ব পৰৱৰ্তী জাননীৰ দ্বাৰা — পূৰ্বৱৰ্তী দিনৰ পৰা। তেনে কৰৰ বোজা সাধাৰণ ৰাইজৰ ওপৰতহে পৰিব। সঁচাকৈয়ে ই অতি আচৰিত কথা।

আমাৰ অসম
২৬/৬/২০০২

## পৰৱৰ্তী পদক্ষেপ

অসম চৰকাৰে যোৱা ৩১/৭/২০০২ তাৰিখে এক জাননী যোগে উক্ত দিনৰ পৰা ওপৰোক্ত সামগ্ৰীৰ কৰৰ হাৰ নিৰ্ধাৰণ কৰিছে। গতিকে চৰকাৰৰ অদূৰদৰ্শিতাৰ কাৰণে যোৱা ৮/৫/২০০২ তাৰিখৰ পৰা ৩০/৭/২০০২ তাৰিখলৈ উক্ত সামগ্ৰীৰ ওপৰত কোনো বিলাসী কৰ আৰোপ সম্ভৱ নহ'ব।

# মদৰ অবাধ প্ৰচলনত চৰকাৰৰ ভূমিকা

ইংৰাজসকলে প্ৰৰোচিতভাৱে অসমত কানিৰ প্ৰচলন ঘটাই অসমীয়া জাতিক এলেহুৱা আৰু অকৰ্মণ্য কৰি তুলিবলৈ অশেষ চেষ্টা কৰিছিল। ইংৰাজ শাসনৰ মূলমন্ত্ৰ আছিল — বিভেদ, বিভাজন নীতি, দমনমূলক, শোষণমূলক কাৰ্য, প্ৰৰোচনা আৰু প্ৰতাৰণাপূৰ্ণ কাৰ্যক্ৰম। এই মন্ত্ৰ আগত ৰাখি তেওঁলোকে জাতীয় ঐক্য আৰু সংহতি নাশ কৰিবলৈ আপ্ৰাণ চেষ্টা চলাইছিল। কিন্তু তেনে প্ৰচেষ্টাই ৰাইজৰ দেশপ্ৰেমৰ প্ৰবল স্থিতি আৰু স্বাধীনতা সংগ্ৰামৰ কাৰণে ঘটোৱা দৃঢ় মনোবল হ্ৰাস কৰিবলৈ সক্ষম হোৱা নাছিল। স্বাধীনতাপ্ৰিয় ভাৰতবাসীৰ চৰম ত্যাগ আৰু অশেষ কষ্টৰ পৰিপ্ৰেক্ষিতত ভাৰত মাতৃ পৰাধীনতাৰ শিকলিৰ পৰা মুক্তি পালে। ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিলে।

ভাৰতৰ এই মুক্তি সংগ্ৰামত বিভিন্ন ব্যক্তি, জাতি আৰু সংগঠন জড়িত আছিল। এইক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল কংগ্ৰেছ দলে। জাতিৰ জনক মহাত্মা গান্ধীৰ নীতি আৰু আদৰ্শত বলীয়ান হৈ তেখেতৰ নেতৃত্বত চলোৱা অহিংস আন্দোলনৰ ওচৰত ইংৰাজ চৰকাৰ নতিস্বীকাৰ কৰিবলৈ বাধ্য হ'ল। তাৰেই পৰিপ্ৰেক্ষিতত ইংৰাজসকলে জৱাহৰলাল নেহৰুৰ নেতৃত্বত কংগ্ৰেছ দলক ক্ষমতা হস্তান্তৰিত কৰিলে। সেই সময়ত কংগ্ৰেছ দলৰ আদৰ্শ আছিল অতি মহান। দেশপ্ৰেম, নিষ্ঠা, ত্যাগ আৰু আদৰ্শপূৰ্ণ জীৱনধাৰা দেশ শাসনৰ মূল মন্ত্ৰ আছিল। কিন্তু ক্ৰমাৎ সেইসকল আদৰ্শবাদী নেতাৰ মহাপ্ৰয়াণ ঘটিল। শাসনৰ ভাৰ এনে এক শ্ৰেণীৰ নেতাৰ ওপৰত ন্যস্ত হ'ল, যিসকলৰ কোনো নিষ্ঠা বা মৌলিক আদৰ্শ নাই। ক্ষমতাৰ প্ৰবল বাসী আৰু স্বাৰ্থন্বেষী মনোভাৱ তেওঁলোকৰ প্ৰশাসনৰ মূল উপকৰণ হ'ল। দেশখনৰ ঐক্য আৰু সংহতি বাধাগ্ৰস্ত হ'বলৈ আৰম্ভ হ'ল। ইংৰাজসকলৰ পৰা উত্তৰাধিকাৰী সূত্ৰে পোৱা বিভেদ আৰু বিভাজন নীতি আৰু প্ৰৰোচনামূলক কাম-কাজ কংগ্ৰেছ শাসন কালতো অগ্ৰগতি লাভ কৰিবলৈ ধৰিলে। ষাঠীৰ দশকৰ শেষলৈকে শাসকসকলৰ শাসনৰ মূলমন্ত্ৰ আছিল দেশখনৰ উন্নতিসাধন কৰা। কিন্তু পিছলৈ সেয়া ব্যক্তিগত স্বাৰ্থলৈ ৰূপান্তৰিত হ'বলৈ ল'লে। অৱশ্যে তাৰে মাজত যে আদৰ্শপূৰ্ণ নেতা নাই, সেয়া নহয়, কিন্তু তেনে সংখ্যা নিচেই তাকৰ।

১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত ইংৰাজ আৰু মানসকলৰ মাজত সম্পাদিত ইয়াণ্ডাবু সন্ধিমতে অসমৰ শাসন ক্ষমতা ইংৰাজসকললৈ হস্তান্তৰিত হৈছিল। ইংৰাজসকলে অসম শাসন কৰিবলৈ ল'লে। আহোমসকলৰ দিনৰ পৰাই অসমত কানিৰ প্ৰচলন আৰম্ভ হৈছিল। কানি এবিধ ৰাগিয়াল সামগ্ৰী। কানিয়ে মানুহক এলেহুৱা কৰে। কৰ্ম আৰু যুদ্ধ কৰা প্ৰবৃত্তি নাশ কৰে। কানি খোৱা মানুহে সহজতে কানি এৰি দিবলৈ টান পায়। ইংৰাজসকলে অসমীয়া জাতিৰ শৌৰ্য, বীৰ্য, শক্তি, সাহস সম্বন্ধে ভালদৰে অৱগত আছিল। আহোম সেনাপতি লাচিত বৰফুকনৰ ৰণনিপুণতা আৰু আহোম সৈন্যৰ ৰণ পাৰদৰ্শিতা সম্বন্ধে তেওঁলোকে ভালদৰেই জানিছিল।

তেওঁলোকে উপলব্ধি কৰিছিল যে কালত এইসকল লোকে তেওঁলোকৰ সুচাৰু শাসন পদ্ধতিত বাধা প্ৰদান কৰিব। এনেক্ষেত্ৰত এই জাতিটোক শক্তিহীন কৰিব নোৱাৰিলে তেওঁলোকৰ অসম শাসন কাৰ্যত পদে পদে বিপদৰ সন্মুখীন হ'ব। গতিকে তেওঁলোকে কুবুদ্ধি প্ৰয়োগ আৰম্ভ কৰিছিল। তাৰেই প্ৰাৰম্ভিক প্ৰক্ৰিয়া হিচাপে কানিৰ অবাধ প্ৰচলনকাৰ্য অতি যুক্তিযুক্ত হ'ব বুলি অনুভৱ কৰিছিল — যাতে কানিৰ বাগীৰ প্ৰভাৱত অসমীয়াসকল এলেহুৱা আৰু অকৰ্মণ্য হয়। ইংৰাজসকলে কানি তৈয়াৰ কৰা প্ৰথা সাধাৰণ ৰাইজৰ হাতৰ পৰা উঠাই লৈছিল, কিন্তু কানি খোৱা ব্যৱস্থা অব্যাহত ৰাখিছিল। আনকি ঠায়ে ঠায়ে কানিৰ মহল স্থাপন কৰি কানিৰ বেহা-বেপাৰ আৰু মুক্ত সেৱনৰ ক্ষেত্ৰত যথাযথ সুযোগ-সুবিধা আগবঢ়াইছিল।

অনুৰূপভাৱে ইংৰাজসকলে দেশী আৰু মদৰ বিক্ৰীৰ কাৰণে ঠায়ে ঠায়ে মদৰ মহল স্থাপন কৰি সমান্তৰালভাৱে মদ পান কৰিবলৈ অসমীয়া জাতিক সমানে সুযোগ-সুবিধা প্ৰদান কৰিছিল।

জাতিৰ জনক মহাত্মা গান্ধীয়ে মাদক দ্ৰব্যৰ এনে অবাধ প্ৰচলনে সমগ্ৰ দেশবাসীৰ অশেষ ক্ষতিসাধন কৰি আছে বুলি উপলব্ধি কৰিছিল আৰু তেনে বাগিয়াল বস্তুৰ প্ৰচলন বন্ধ কৰিবলৈ দৃঢ়মত পোষণ কৰিছিল। আনকি হৰিজন সমাজকো এনে মাদক দ্ৰব্য সেৱনৰ অপকাৰিতা সম্বন্ধে অৱগত কৰাই তেনে বাগী বস্তু ব্যৱহাৰ সম্বন্ধে তেওঁলোকৰ এক প্ৰতিকূল মনোভাৱৰ সৃষ্টি কৰিছিল। কিন্তু তেখেতৰ জীৱনকালত এই ব্যৱস্থা যথাযথভাৱে কাৰ্যকৰী হ'বলৈ নাপালে। পৰৱৰ্তী কালত অৱশ্যে কংগ্ৰেছ চৰকাৰে মাদক দ্ৰব্যৰ প্ৰচলন বন্ধ কৰিবলৈ বহুতো ব্যৱস্থা গ্ৰহণ কৰিছিল। আনকি অসমৰ বহুতো জিলাক মদ নিষিদ্ধ অঞ্চল বুলি ঘোষণা কৰিছিল। অৱশ্যে উজনি অসমৰ চাহ বাগিচাসমূহত তেনে মদ নিষিদ্ধ ব্যৱস্থা কাৰ্যকৰী কৰা সম্ভৱ হোৱা নাছিল। নিৰ্ধাৰিত ব্যৱস্থা মতে, মদ বিক্ৰীৰ কাৰণে আবকাৰী কৰ্তৃপক্ষৰ পৰা এখন লাইচেন্স বা অনুজ্ঞা পত্ৰ ল'ব লাগিছিল। আনহাতে, উপভোগকাৰীয়ে অনুৰূপভাৱে তেনে মদ ক্ৰয়ৰ কাৰণে লাইচেন্স বা অনুজ্ঞা-পত্ৰ ল'ব লাগিছিল। এইক্ষেত্ৰত চৰকাৰৰ তৰফৰ পৰা বহুতো বাধা আৰোপ কৰা হৈছিল। কিন্তু এচাম ব্যৱসায়ী অবৈধভাৱে তেনে মদৰ কিনা-বেচা আৰু এচাম উপভোগকাৰীয়ে কোনো অনুজ্ঞা পত্ৰ নোহোৱাকৈ তেনে মদ ক্ৰয় কৰিবলৈ সক্ষম হৈছিল, সেইকথা কোনোৰে নজনা নহয়। আবকাৰী কৰ্তৃপক্ষৰ হেমাহিৰ ফলত তেনে অবৈধ ব্যৱস্থা সমান্তৰালভাৱে চলিছিল।

অসমত ১৯৪৭ চনৰ পৰা মদৰ বিক্ৰীৰ ওপৰত কোনো কৰ আৰোপ ব্যৱস্থা নাছিল। কিন্তু যোৱা ২৫/১০/১৯৬৭ চনৰ পৰা তেনে সামগ্ৰীৰ ওপৰত কৰ আৰোপ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছিল। তাৰে ফলস্বৰূপে অসম চৰকাৰে এক যুজন পৰিমাণৰ ৰাজহ আদায় পাবলৈ ধৰিলে। অৱশ্যে ভাৰতীয় প্ৰতিৰক্ষা প্ৰতিষ্ঠান আৰু অসম সশস্ত্ৰ পুলিচ বাহিনীলৈ কৰা মদৰ বিক্ৰীৰ ওপৰত তেনে বিক্ৰীকৰ ব্যৱস্থা প্ৰত্যাহাৰ কৰা হৈছিল।

কিন্তু হঠাতে ছন্দপতন ঘটিল। ১৯৬৭ চনৰ প্ৰায় ৩০ বছৰৰ পিছত যোৱা ১/৪/৯৭ ৰ পৰা চৰকাৰে উক্ত মদ বিক্ৰীৰ ওপৰত কৰ ব্যৱস্থা প্ৰত্যাহাৰ কৰিলে। এই ব্যৱহাৰ ফলত অসম চৰকাৰে বছৰি এক যুজন পৰিমাণৰ ৰাজহ হেৰুৱাব লগাত পৰিল।

ইতিমধ্যে অসম চৰকাৰে যোৱা ১৯৯৭ চনৰ পৰা 'দ্য আসাম টেক্স অন লাক্সুৰীছ

এই, ১৯৯৭' কাৰ্যকৰী কৰিলে। উক্ত প্ৰণোদিত আইন ব্যৱস্থা অনুযায়ী চৰকাৰে চিগাৰ, চিগাৰেট, চুৰুট, সুগন্ধি ধপাত, পাইপ আৰু চিগাৰেটত ব্যৱহাৰ কৰা ধপাতৰ সংমিশ্ৰণ আদিক 'বিলাসযুক্ত' সামগ্ৰী বুলি অভিহিত কৰি উক্ত সামগ্ৰীৰ মজুত মালৰ ওপৰত কৰ ব্যৱস্থা প্ৰবৰ্তন কৰিছিল। কিন্তু অতি আচৰিতকথা যে দেশী বা বিলাতী মদক উক্ত বিলাসযুক্ত সামগ্ৰী হিচাপে অন্তৰ্ভুক্ত কৰা নহ'ল যদিও প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে উক্ত সামগ্ৰীৰ বিলাসযুক্ত সামগ্ৰী হিচাপে গুৰুত্ব অধিক। চৰকাৰ এনে ব্যৱস্থা সম্বন্ধে এই লেখকে ৰাজহ আদায়ৰ স্বাৰ্থত 'মেইক ওৱাইন্স ডিয়াৰাৰ অৰ এলছ ইট উইল কোষ্ট ষ্টেট ডিয়াৰ', 'সুৰাৰ ওপৰত বিক্ৰী কৰ' (ওৱেন কিন্ত টাইমছ ১২/১০/৯৯ আৰু আজিৰ বাতৰি ১১/৯/৯৯) আৰু কেবাটাও প্ৰবন্ধ লিখিছিল। আনকি, এই বিষয়ে দ্বিতীয় সংস্কাৰ কমিটীৰো দৃষ্টি আকৰ্ষণ কৰিছিল। কিন্তু চৰকাৰে উক্ত পৰামৰ্শ সম্বন্ধে কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা পৰিলক্ষিত নহ'ল। অৱশ্যে অসম চৰকাৰে যোৱা ২৯ ফেব্ৰুৱাৰীত বলবৎ হোৱাকৈ উক্ত মাদক দ্ৰব্য সামগ্ৰীৰ প্ৰথম স্তৰৰ বিক্ৰীৰ ওপৰত পুনৰ কৰ আৰোপ ব্যৱস্থা প্ৰবৰ্তন কৰিলে। যোৱা ১১ মাৰ্চত অসমৰ ২০০২-২০০৩ ত বৰ্ষৰ বাজেট দাখিল কৰি অসমৰ বিত্ত মন্ত্ৰী দেৱানন্দ কোঁৱৰে ঘোষণা কৰিছিল যে এই কৰ ব্যৱস্থাই চৰকাৰক বছৰি ৩০ কোটি টকা আদায় দিব। সঁচাকৈয়ে ই এক আনন্দপূৰ্ণ কথা। সদনত উক্ত বাজেট গৃহীত হ'ল। কিন্তু অতি আচৰিত কথা উক্ত গৃহীত কৰা ব্যৱস্থা পুনৰ সংশোধন হ'ব বুলি যোৱা ২৫ এপ্ৰিলত অসম মন্ত্ৰী সভাই সিদ্ধান্ত লোৱা বুলি সংবাদ মাধ্যম যোগে প্ৰকাশিত হ'ল। ২ মাহ ৭ দিনৰ পিছত সদনত গৃহীত কৰব্যৱস্থা ৰাজ্য চৰকাৰে প্ৰত্যাহাৰ কৰা কাৰ্য ৰাজহৰ স্বাৰ্থৰ পৰিপন্থী বুলি এক অংশ লোকেও মত প্ৰকাশ কৰিব। অৰ্থাৎ বাজেটত উল্লেখ কৰা ৩০ কোটি টকা ৰাজ্য চৰকাৰে দেখদেখকৈ হেৰুৱাব। চৰকাৰৰ ২৬০০ কোটি টকাৰ ঘাটি বাজেটত আৰু ৩০ কোটি টকা যোগ হ'ব। এয়ে হৈছে চৰকাৰৰ ৰাজহ আদায় বৃদ্ধিৰ প্ৰচেষ্টা। সংবাদ মাধ্যমত প্ৰকাশ পোৱা মতে, এনে কৰ আৰোপ ব্যৱস্থাৰ ফলত সুৰাৰ বিক্ৰী হ্ৰাস পোৱাৰ আশংকা কৰি চৰকাৰে উক্ত কৰ ব্যৱস্থা প্ৰত্যাহাৰ কৰিব লগীয়া হ'ল বুলি অসম চৰকাৰে সংবাদ মাধ্যমযোগে প্ৰচাৰ চলালে। এইকথা কিমানখিনি যুক্তিপূৰ্ণ আৰু গ্ৰহণযোগ্য তাৰ বিচাৰ ৰাইজেহে কৰিব।

হিতেশ্বৰ শইকীয়াৰ নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰে অসমত মদৰ মুক্ত প্ৰচলন কাৰ্যকৰী কৰিবলৈ লোৱা সিদ্ধান্তৰ ফলত অসমত পুনৰ অবাধ মদৰ প্ৰচলন আৰম্ভ হ'ল। দিশপুৰ আৰু আত্মসমৰ্পণকাৰী উগ্ৰপন্থীসকলৰ সংস্থাপনৰ কাৰণে তেনে ব্যৱস্থা প্ৰবৰ্তন কৰা হৈছিল বুলিও প্ৰকাশ পাইছিল। এই ব্যৱস্থাৰ ফলত অসমৰ নগৰে-চহৰে প্ৰচুৰ পৰিমাণ মদৰ দোকান স্থাপন হ'ল। চাৰিওফালে মদৰ বিক্ৰী সম্প্ৰসাৰিত হ'ল। অৱশিষ্ট আছিল প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বাধীন অসম গণ পৰিষদৰ দ্বিতীয় কাৰ্যকাল। হিতেশ্বৰ শইকীয়াই লোৱা ব্যৱস্থাক সেই পেলাই অসমৰ চুকে-কোণে তেওঁলোক নেতৃত্বাধীন চৰকাৰে প্ৰচুৰ পৰিমাণে মদৰ মহল আবন্টন কৰিবলৈ ল'লে। এনে আবন্টনৰ দ্বাৰা জনস্বাৰ্থ সুৰক্ষা লোৱাতকৈ ৰাজনৈতিক স্বাৰ্থ ৰক্ষাইহে অধিক প্ৰাধান্য লাভ কৰিলে। এই ব্যৱস্থাৰ ফলত অসমৰ উঠি অহা ডেকাসকলে মদৰ ব্যৱহাৰত ব্যাপকভাৱে লিপ্ত হ'বলৈ ল'লে আৰু তাৰ ফলত সমাজত অন্যায়-অনাচাৰৰ পৰিমাণ বাঢ়িবলৈ ধৰিলে।

মহাত্মা গান্ধীয়ে স্বাধীনতা সংগ্ৰামৰ সময়ত ভাৰতবৰ্ষক 'ৰামৰাজ্য' হিচাপে গঢ়ি তুলিব বুলি মত পোষণ কৰিছিল। কিন্তু তেখেতৰ জীৱনকালত ইয়াৰ বিকৃত ৰূপহে কিছু পৰিমাণে দেখিবলৈ পাইছিল। পৰৱৰ্তী নেতাসকলৰ কাৰ্যপদ্ধতিৰ দ্বাৰা ইয়াকে প্ৰমাণ হৈছিল যে ৰামৰাজ্য গঢ়াৰ চিন্তাচৰ্চা কাৰো নাই। স্বাৰ্থপূৰ্ণ মনোভাৱ, ক্ষমতাৰ লোভ, বিভেদগামী নীতি, দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰ আজিৰ শাসন ব্যৱস্থাৰ মূল অলংকাৰ। দেশখন এক অৰাজকতা আৰু বিশৃংখলাৰ পথত গতি কৰা বুলি পৰিলক্ষিত হ'ল।এনে কথাও লক্ষ্য কৰা হৈছে যে দেশৰ ভৱিষ্যৎ শাসনক্ষমতা লাভ কৰিবলৈ কিছুমান ইচ্ছুক ব্যক্তিয়ে সংসদত অইনে লিখা ভাষণ পাঠ কৰি নিজকে ভাৰতৰ শাসন ব্যৱস্থাৰ সম্ভাব্য মুৰব্বী বুলি প্ৰদৰ্শন কৰিবলৈ গৈ নিজৰ অক্ষমতা আৰু শূন্যতা প্ৰদৰ্শন কৰে। এনেসকল নেতা বা নেত্ৰীয়ে কিদৰে দেশখনৰ স্বাৰ্থ সুৰক্ষিত কৰিব? দেশ ৰসাতলে যাব।

অনুৰূপভাৱে এসময়ৰ ছাত্ৰ আন্দোলনৰ নেতা প্ৰফুল্ল কুমাৰ মহন্তই অসম গণ পৰিষদ চৰকাৰৰ নেতৃত্ব বহন কৰি 'সোণৰ অসম গঢ়িম' বুলি ৰাইজক প্ৰতিশ্ৰুতি দিছিল। কিন্তু তেখেতৰ কাৰ্যকালত ৰাজ্যখন দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰৰ প্ৰকোপ ইমান বাঢ়িল যে অসমৰ ৰাইজে এই কথা উপলব্ধি কৰিলে — 'সোণৰ অসম গঢ়া' প্ৰতিশ্ৰুতি 'সোণৰ সংসাৰ গঢ়া' কাৰ্যলৈহে ৰূপান্তৰিত হ'ল। তেনে ভুৱা প্ৰতিশ্ৰুতিৰে ৰাইজক প্ৰতাৰণাহে কৰিলে।

সম্প্ৰতি আমাৰ জনপ্ৰিয় চৰকাৰসমূহৰ পৃষ্ঠপোষকতাত ৰাজ্যখনত মদৰ প্ৰচলন অধিক বৃদ্ধি পাইছে। ডেকাসকলৰে কথা নাই, আনকি বহুতো ক্ষেত্ৰত গাভৰুসকলোও অনুৰূপ আসক্তিত লিপ্ত হোৱা বুলি শুনা যায়। আনুষংগিক আন আন অসৎ প্ৰবৃত্তিতো আছেই। কিন্তু চৰকাৰ নিৰ্বাক। একালে চৰকাৰে ৰাজহ আদায় ব্যৱস্থা প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত লৈছে আৰু আনহাতে মদৰ অধিক প্ৰচলন কাৰ্যত অৰিহণা যোগাইছে। ইকালে মেঘালয় আৰু ভূটানৰ পৰাও অবাধে মদ অসমলৈ আমদানি হৈ আছে। তাৰ ওপৰত কোনো আবকাৰী শুল্ক আদায় নহয়। আনহাতে, ড্ৰাগছৰ প্ৰচলনতো আছেই। চৰকাৰৰ অক্ষমতা আৰু নিৰ্লিপ্ততাই সাধাৰণ ৰাইজৰ মনত ঘৃণা আৰু বিক্ষোভৰ সৃষ্টি হৈছে। ৰাইজৰ মনত দৃঢ়বিশ্বাস আছিল যে তৰুণ গগৈৰ নেতৃত্বত চৰকাৰৰ কৰ্মপদ্ধতি নতুন ৰূপত গতি কৰিব, কিন্তু সেই আশা আকাশ কুসুম বুলি গণ্য হৈছে। তেখেতে কোনো স্থিৰ আৰু গঠনমূলক সিদ্ধান্ত ল'ব নোৱাৰে। সতীৰ্থসকলৰ তালতে তাল মিলায়। আমাৰ বোধেৰে অসমৰ চৰকাৰসমূহে ইংৰাজসকলৰ শাসন পদ্ধতিৰ পৰাই অনুসৰণ কৰিছে - যাতে মদৰ ৰাগীত পৰি নতুন প্ৰজন্মই ধ্বংসৰ পথলৈ গতি কৰে। শাসকসকলে নিষ্কণ্টকভাৱে দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰপূৰ্ণ শাসন চলাই যাব পাৰে।

অনুৰূপভাৱে এই কথাও পৰিলক্ষিত হৈছে, অসমৰ মদৰ লটাৰীটোৱে চৰকাৰৰ কৰ্মপদ্ধতিৰ ওপৰত অশেষ প্ৰভাৱ বিস্তাৰ কৰি আছে। এটা সময়ত অসমৰ এখন মন্ত্ৰীসভা উজনি অসমৰ মদৰ লটাৰী এটাৰ প্ৰচেষ্টাত পতন ঘটিছিল। এই লটাৰীটোক সন্তুষ্ট কৰিবলৈ গৈ অসম চৰকাৰে ২ মাহ ৭ দিনৰ ভিতৰতে কৰ আৰোপ ব্যৱস্থা প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত ল'লে। অসমৰ এই শোচনীয় বিত্তীয় দুৰ্যোগত এখন জনপ্ৰিয় চৰকাৰ ৰাজ্যখনৰ হকে কৰা এনে স্বাৰ্থবিৰোধী কাম কোনো ক্ষেত্ৰতে প্ৰশংসাৰ যোগ্য নহয়, অতিশয় নিন্দনীয়। ভাবিলে দুখ লাগে, ৰাজ্যখনৰ ৰাজনৈতিক

নেতৃবৃন্দৰ এনে প্ৰৰোচনামূলক কৰ্মব্যৱস্থাই অসমৰ এচাম সৎ, সৰল, উঠি অহা ডেকা-গাভৰুক ধ্বংসৰ পথলৈ ঠেলি দিছে। ৰাজ্যখনত চৰম বিপৰ্যয়ৰ সৃষ্টি কৰিছে।

আমি ভকত গণে চৰকাৰক টানি অনুৰোধ কৰো যে গাদী ৰক্ষাতকৈ ৰাজ্যখনৰ স্বাৰ্থ ৰক্ষা কৰা অতি প্ৰয়োজনীয়। শাসনত মানুহ আহিব আৰু যাব — কিন্তু অসমৰ জনগণ চৌদিশৰ পৰা বিপদাপন্ন হ'লে ৰাজ্যখনৰ ঐক্য আৰু সংহতি কিদৰে সুৰক্ষিত হ'ব? ৰাজ্যখনত আৰু অধিক অস্থিৰতা বিৰাজ কৰিব।

আমাৰ অসম
১০/৫/২০০২

### উল্লেখনীয়

অসম চৰকাৰে এতিয়ালৈকে মদৰ বিক্ৰীৰ ওপৰত কৰ ব্যৱস্থা প্ৰত্যাহাৰ কৰা নাই। কি ব্যৱস্থা লয় সময়ে ক'ব।

# কৃষি আয়কৰ ব্যৱস্থাৰ সংস্কাৰৰ প্ৰয়োজন

'আয়কৰ' আৰু 'কৃষি আয়কৰ' দুটা সুকীয়া কৰ ব্যৱস্থা। দুয়োৰে স্বতন্ত্ৰ সাংবিধানিক ভিত্তি আছে। 'আয়কৰ' কেন্দ্ৰৰ, 'কৃষি আয়কৰ ৰাজ্যসমূহৰ বিষয়বস্তু। সংবিধানৰ সপ্তম অনুসূচীৰ প্ৰথম তালিকাৰ ৮২ দফাত কৃষি আয়ৰ বাহিৰে অইন আয়ৰ ওপৰত কৰ আৰোপ ব্যৱস্থা ল'বলৈ সংসদক ক্ষমতা প্ৰদান কৰা হৈছে। আনহাতে, উক্ত অনুসূচীৰ দ্বিতীয় তালিকাৰ ৪৬ দফাত ৰাজ্যিক বিধানমণ্ডলীক কৃষি আয়ৰ ওপৰত কৰ আৰোপ ব্যৱস্থা প্ৰবৰ্তন কৰাৰ ক্ষমতা ন্যস্ত কৰা হৈছে। সৰ্বভাৰতীয় ভিত্তিত 'দ্য ইনকাম টেক্স এক্ট' (আয়কৰ আইন) আৰু ৰাজ্যিক ভিত্তিত 'দ্য আছাম এগ্ৰিকালচাৰেল ইনকাম টেক্স এক্ট' (কৃষি আয়কৰ আইন) প্ৰণয়ন কৰা হৈছে। সংবিধান ৰচনা হোৱাৰ বহু আগবে পৰা উক্ত আইন দুখন প্ৰণয়ন কৰা হৈছিল। কিন্তু সংবিধানৰ উক্ত কৰ আৰোপ ব্যৱস্থাৰ অনুমোদন থকাৰ পৰিপ্ৰেক্ষিতত দুয়োখন আইন সংবিধানৰ ২৭৭ অনুচ্ছেদে প্ৰদান কৰা ৰক্ষণাবেক্ষণৰ পৰিপ্ৰেক্ষিতত পৰৱৰ্তী কালতো কাৰ্যকৰী হৈ আছে।

কৃষি আয়কৰ আইন অসমৰ মাটিত উৎপাদিত কৃষিজাত সামগ্ৰীৰ পৰা পোৱা আয়ৰ ওপৰত এটি কৰ ব্যৱস্থা। আনহাতে, আয়কৰ আইন কৃষিজাত সামগ্ৰীৰ আয়ৰ বাহিৰে অইন আয়ৰ ওপৰত এটি সুকীয়া কৰ ব্যৱস্থা। অসমত চাহপাত, ধান, মৰাপাট, সৰিয়হ, কুঁহিয়াৰ, দাইল, তামোল আদি বিভিন্ন কৃষিজাত সামগ্ৰী উৎপন্ন হয়। কিন্তু চাহ উৎপাদন আন আন কৃষিজাত সামগ্ৰীৰ উৎপাদনতকৈ প্ৰাধান্য লাভ কৰি আছে। অসমৰ চাহপাত বিশ্বৰ এক আদৰণীয় বস্তু।

সংবিধানৰ ৩৬৬(১) অনুচ্ছেদত কৃষি আয়ৰ সংজ্ঞাত কোৱা হৈছে যে তেনে আয়ৰ সংজ্ঞা ভাৰতীয় আয়কৰ আইনৰ সংজ্ঞাৰ দ্বাৰা নিয়ন্ত্ৰিত হ'ব। প্ৰকৃততে আয়কৰ আইনখন সংবিধানৰ অনুমোদনৰ ভিত্তিত প্ৰণয়ন কৰিবলগীয়া এক সৰ্বভাৰতীয় আইন। প্ৰচলিত নীতি আৰু ব্যৱস্থা অনুযায়ী সংবিধানে আইনসমূহক ৰক্ষণাবেক্ষণ দিয়ে, আইনৰ কাৰ্যকৰী ব্যৱস্থা নিয়ন্ত্ৰণ কৰে। কিন্তু 'কৃষি আয়ৰ সংজ্ঞা'ৰ ক্ষেত্ৰত আয়কৰ আইনেহে সংবিধানৰ সংশ্লিষ্ট সংজ্ঞাক নিয়ন্ত্ৰণ কৰা যুলি অনুভৱ হয়। ইয়াৰ কাৰণ অৱশ্যে বোধগম্য নহয়। আনহাতে, আয়কৰ আইনৰ ২(১) ধাৰাত কৃষি আয়ৰ সংজ্ঞা দিয়া হৈছে। অনুৰূপভাৱে কৃষি আয়ৰ সংজ্ঞা কৃষি আয়কৰ আইনৰ ২(এ)ত দিয়া হৈছে। উক্ত সংজ্ঞাৰ এটি ব্যাখ্যাত উল্লেখ কৰা হৈছে যে চাহপাতৰ ক্ষেত্ৰত হোৱা আয়, কৃষি আয়কৰ আইনৰ সংজ্ঞাত উল্লেখ কৰা মতে খেতি, প্ৰস্তুতিকৰণ আৰু বিক্ৰী — এই তিনিটা পৰ্যায়ত অন্তৰ্ভুক্ত থাকিব।

কৃষি আয়কৰ আইনৰ কাৰ্য-ব্যৱস্থা আৰু প্ৰশাসন পদ্ধতি অসম কৰ প্ৰশাসনৰ আন আন আইনৰ অনুৰূপ। এই আইনৰ ২০ ধাৰাত কৃষি আয়কৰ বিষয়াক কৰ নিৰ্ধাৰণৰ দায়িত্ব দিয়া হৈছে। প্ৰকৃততে কৰ নিৰ্ধাৰণ কাৰ্যক্ৰম এটি ন্যায়িক প্ৰক্ৰিয়া আৰু কৃষি আয়কৰ বিষয়াই তেওঁৰ ওপৰত প্ৰদত্ত অৰ্ধ-ন্যায়িক ক্ষমতা প্ৰয়োগ কৰি কৰ নিৰ্ধাৰণ কৰিব লাগে। আইন প্ৰদত্ত ক্ষমতাৰ

ভিত্তিত প্ৰবিৱৰণৰ সত্যতা গ্ৰহণ কৰি, নাইবা হিচাপ-পত্ৰ, আন নথি-পত্ৰ আৰু প্ৰমাণ-পত্ৰ পৰীক্ষা কৰি, তেখেতে কৰ নিৰ্ধাৰণ কৰিব পাৰে। যদি কোনো কৰদাতাই প্ৰবিৱৰণ দাখিল নকৰে বা তেখেতৰ জাননী অগ্ৰাহ্য কৰি কোনো ধৰণৰ প্ৰয়োজনীয় ব্যৱস্থা নলয়, কৃষি আয়কৰ বিষয়াই তেনে কৰদাতাক উপযুক্ত তদন্ত আৰু তথ্য-পাতিৰ ভিত্তিত একপক্ষীয়ভাৱে কৰ নিৰ্ধাৰণ কৰিব পাৰে। কিন্তু আয়কৰ আইনৰ নিৰ্ধাৰণৰ তেনে ক্ষেত্ৰত বিষয়াক অশেষ ক্ষমতা প্ৰদান কৰা হৈছে। আয়কৰ আইনৰ ৮ বিধিত কোৱা হৈছে চাহপাতৰ ওপৰত হোৱা সমূহ আয়ৰ শতকৰা ৪০ ভাগ আয়কৰ বিষয়াই কৰ নিৰ্ধাৰণ কৰাৰ পিছত তেনে আয়ৰ বাকী ৬০ ভাগ আয়ৰ ওপৰত কৃষি আয়কৰ বিষয়াই কৃষিকৰ আৰোপ ব্যৱস্থা ল'ব পাৰিব। আনহাতে, কৃষি আয়কৰ আইনৰ ৫ বিধিত কোৱা হৈছে যে কৃষি আয়কৰ বিষয়াই আয়কৰ বিষয়াৰ দ্বাৰা ধাৰ্য কৰা তেনে লভ্যাংশ গ্ৰহণ কৰিব লাগিব। এইক্ষেত্ৰত কৃষি আয়কৰ বিষয়াই তেখেতৰ সন্তুষ্টিৰ কাৰণে কৰদাতা নাইবা আয়কৰ বিষয়াৰ পৰা কিছু বিস্তৃত বিৱৰণ বা তথ্য-পাতি বিচাৰিব পাৰিব। কিন্তু ভাৰতৰ উচ্চ ন্যায়ালয়ে তেনে প্ৰদত্ত ক্ষমতা অবৈধ বুলি উক্ত অনুবিধি বাতিল কৰিছে। ফলত কৃষিকৰ বিষয়াজন, আয়কৰ বিষয়াই নিৰ্ধাৰণ কৰা লভ্যাংশৰ ওপৰতহে কৰ আৰোপ কৰিব পাৰিব। অৱশ্যে আইন প্ৰদত্ত কিছু বেহাইৰ ব্যৱহাৰ ক্ষেত্ৰত তেখেতে ক্ষমতা প্ৰয়োগ কৰিব পাৰিব। আইনখনৰ ২০ ধাৰাত এহাতে কৃষি আয়কৰ বিষয়াক কৰ নিৰ্ধাৰণৰ ক্ষেত্ৰত অশেষ ক্ষমতা প্ৰদান কৰিছে, আনহাতে আয়কৰ আইনৰ ৮ বিধি আৰু কৃষি আয়কৰ আইনৰ ৫ বিধি মতে উক্ত ক্ষমতা সংকোচন কৰিছে। আমাৰ সাধাৰণ বাইজৰ মতে, এনে পৰস্পৰ নীতি-বিৰুদ্ধ ব্যৱস্থা, যথাৰ্থতে প্ৰহসনমূলক। এখন আইনৰ প্ৰদত্ত ব্যৱস্থা আন এখন আইনে কিদৰে নিয়ন্ত্ৰণ কৰিব পাৰে, সেয়া এক বিচাৰ্য বিষয়। অৱশ্যে এই ক্ষেত্ৰত আইন দুখনৰ বৈধতা সম্বন্ধে আমাৰ প্ৰশ্ন কৰিবলগীয়া একো নাই — কাৰণ আমাৰ আলোচনা সম্পূৰ্ণভাৱে এক বাস্তৱ ব্যৱস্থাৰ বিশ্লেষণ আৰু পৰ্যালোচনা।

প্ৰকৃততে চাহপাতৰ আয়ৰ ক্ষেত্ৰত তিনিটা ভাগ কৰা হৈছে। উৎপাদন, প্ৰস্তুতিকৰণ আৰু বিক্ৰী। এই বিবেচনাৰ ভিত্তিত ৪০ শতাংশ আৰু ৬০ শতাংশ আয় নিৰ্ধাৰণৰ ব্যৱস্থা কৰা হৈছে। আন আন সামগ্ৰীৰ ক্ষেত্ৰত নহয়। ধানৰ পৰা চাউল, মৰাপাটৰ পৰা কপোৰ, বৈঠা; বহী আদি সৰিয়হৰ পৰা মিঠাতেল, কুঁহিয়াৰৰ পৰা গুড় প্ৰস্তুত হয়। বহুতো বাজ্যত উৎপাদনকাৰীয়ে তেনে প্ৰস্তুতকৰণৰ ব্যৱস্থা লৈহে বিক্ৰী কৰি আয় অৰ্জন কৰে। কিন্তু তেনেবোৰ সামগ্ৰীৰ ক্ষেত্ৰত কৃষি আয় আৰু বাণিজ্যিক আয় বেলেগে সন্নিবিষ্ট কৰা নাই। আমাৰ অনুমান — অসমত প্ৰচুৰ পৰিমাণে চাহপাত উৎপাদন হোৱাৰ পৰিপ্ৰেক্ষিতত তেনে সামগ্ৰীৰ ওপৰত হোৱা আয়ৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে কৰ আৰোপ ব্যৱস্থা অৱলম্বন কৰিছে। এই ব্যৱস্থা অসমৰ ৰাজহৰ যথেষ্ট ক্ষতিসাধন কৰিছে আৰু আমাৰ ধাৰণা — উক্ত কৃষিকৰ আইন ব্যৱস্থা অসমৰ স্বাৰ্থৰ প্ৰতিকূলে গৈছে।

কেঁচা চাহপাতৰ নিজাকৈ কোনো বাণিজ্যিক মূল্য নাই। কিসকল চাহ বাগিচাৰ মালিকৰ প্ৰস্তুতকৰণৰ বাবে নিজা কাৰখানাই নাই, তেওঁলোকে কেঁচা চাহপাত তেনে প্ৰস্তুতকাৰী চাহ বাগিচাত বিক্ৰী কৰে। কিন্তু তেনে চাহ বাগিচাৰ সংখ্যা অতি তাকৰ। গতিকে বাণিজ্যিক

বজাৰত প্ৰস্তুতকৰণ ব্যৱহাৰ্য চাহপাতলৈ ৰূপান্তৰ হৈ বিক্ৰী হোৱাৰ পিছতহে আয় আৰ্জন কৰা সম্ভৱ। তেনে চাহপাতৰ আয় উৎপাদন, প্ৰস্তুতকৰণ আৰু বিক্ৰীৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। নিজাববীয়াকৈ তেনে কৃষিজাত সামগ্ৰী আয় নিৰ্ধাৰণৰ ক্ষেত্ৰত বিবেচনা কৰা অতি সমীচীন হ'ব। আনহাতে, সমুদায় আয়ৰ ৪০ : ৬০ শতাংশ ভাগৰ কোনো ভিত্তি আইনখনত সন্নিবিষ্ট কৰা নাই। সংবিধানৰ সপ্তম অনুসূচীৰ প্ৰথম তালিকাৰ ৮২ দফা মতে, কেন্দ্ৰীয় চৰকাৰে কৃষি আয়ৰ ওপৰত আৰোপ কৰা কৰ ব্যৱস্থা এটি ভিন্ন যুক্তিৰ ভিত্তিত লোৱা হৈছে।

এই কথা স্পষ্ট যে কৃষি আয়কৰ বিষয়া কৃষিৰ ওপৰত হোৱা আয় নিজাববীয়াকৈ নিৰূপণ কৰিব নোৱাৰে। আয়কৰ বিষয়াই লোৱা সিদ্ধান্ত এই ক্ষেত্ৰত তেনে কৃষিকৰ বিষয়াৰ কাৰণে বাধ্যতামূলক। আইন প্ৰদত্ত ক্ষমতা প্ৰকৃততে এটি অলংকৰণস্বৰূপ ব্যৱস্থা বুলিহে পৰিগণিত হয়।

অসম চৰকাৰে ইতিমধ্যে কৃষি আয়কৰৰ সৰ্বাধিক হাৰ ৪৫ পইচালৈ হ্ৰাস কৰিছে, বিভিন্ন প্ৰকাৰৰ দ্বাৰা কৰ ৰেহাইৰ ব্যৱস্থা কৰিছে। নিলাম বজাৰত ক্ৰয় কৰা চাহপাত আৰু নিলাম বজাৰত অংশগ্ৰহণ নকৰি দালালৰ জৰিয়তে আন্তঃৰাজ্যিক বিক্ৰী কৰা চাহপাতৰ ওপৰত কেন্দ্ৰীয় বিক্ৰীকৰ সম্পূৰ্ণ ৰেহাই দিছে। বহুত ক্ষেত্ৰত অসমৰ বাহিৰলৈ এজেন্টৰ জৰিয়তে বিক্ৰী কৰিবলৈ স্থানান্তৰ কৰা চাহপাত প্ৰকৃততে আন্তঃৰাজ্যিক বিক্ৰী বুলি ধৰা পেলোৱা হৈছে। অনুৰূপভাৱে কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাত কৃষি আয়ৰ এটি যুক্ত পৰিমাণৰ অংশৰ ওপৰত কৰ আৰোপ কৰা সম্ভৱ হোৱা নাই। গতিকে গোটেইখিনি কাৰ্য বিশ্লেষণ কৰিলে দেখা যায় যে চাহগোষ্ঠীৰ প্ৰভাৱৰ ফলত অসম চৰকাৰে বছৰি কোটি কোটি টকাৰ ৰাজহ হেৰুৱাই আছে। বৰ্তমান ব্যৱস্থা মতে আইনখনত কৃষি আয়কৰ বিষয়াৰ প্ৰশাসন ক্ষেত্ৰত বিশেষ কৰণীয় নাই। এনে ক্ষেত্ৰত ইমানবোৰ ধাৰা সন্নিবিষ্ট কৰি আইনখন বলবৎ কৰি ৰখা বা ইমানবোৰ বিষয়া তেনে কাৰ্যৰ বাবে অধিষ্ঠিত কৰি ৰখাৰ কোনো যুক্তিযুক্ততা নাই। তেনে কৰ নিৰ্ধাৰণ পদ্ধতি অতি সংক্ষেপে সমাধান কৰাহে যুক্তিযুক্ত। মুঠতে কৃষি আয়কৰ আইনৰ এটি সংস্কাৰ অতি প্ৰয়োজন।

আমি আমাৰ স্থিতিপূৰ্ণ যুক্তিৰ দ্বাৰা এই কথাকে প্ৰতিপন্ন কৰিব খোজো যে চাহপাতৰ আয়ৰ সমুদায় প্ৰক্ৰিয়া কৃষিজাত সামগ্ৰীৰ উৎপাদনৰ ওপৰতহে সন্নিবিষ্ট। আয়কৰ আইনৰ ৮ বিধি বা কৃষি আয়কৰ আইনৰ ৫ বিধি এটি আৰোপিত ব্যৱস্থা। এনেক্ষেত্ৰত অসম চৰকাৰে যুক্তিপূৰ্ণভাৱে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী স্থাপন কৰি যাতে চাহ বাগিচাসমূহৰ ১০০ ভাগ আয় কৃষি আয়কৰ বুলি সন্নিবিষ্ট কৰি ৰাজ্যসমূহক উক্ত আয়ৰ ওপৰত কৃষিকৰ আৰোপৰ ক্ষমতা দিয়া হয় — তাৰ বাবে তৎপৰতাৰে ব্যৱস্থা লোৱা উচিত।

এই প্ৰসঙ্গতে উল্লেখ কৰিব পাৰি যে অসমৰ চাহ বাগিচাসমূহৰ প্ৰায়বোৰেই মুখ্য কাৰ্যালয় কলকাতাত। উক্ত মুখ্য কাৰ্যালয়সমূহে বাগিচাবোৰৰ কিনা-বেচা আৰু বিভিন্ন কাৰ্য-পদ্ধতি কলকাতাৰ পৰা নিয়ন্ত্ৰণ কৰে। তেনে মুখ্য কাৰ্যালয়সমূহে অসমত উৎপাদন কৰা চাহপাতৰ আয়ৰ ওপৰত আয়কৰ কলকাতাত জমা দিয়ে। আয়কৰ কেন্দ্ৰীয় চৰকাৰৰ বিষয়বস্তু এই বিষয়ে আমাৰ ক'বলগীয়া একো নাই। কিন্তু সংবিধানৰ ২৭০(২) অনুচ্ছেদ অনুসৰি উক্ত আয়কৰৰ

এটা অংশ পশ্চিমবংগ চৰকাৰেহে পায়, কাৰণ উক্ত ৰাজ্যত, আয় কৰ জমা দিয়ে, আয়কৰ নিৰ্ধাৰণ হয়। গতিকে অসমৰ মাটিত উৎপাদিত চাহপাতৰ বাবে আয়ৰ ওপৰত দিয়া আয়কৰ অংশৰ পৰাও অসম চৰকাৰ বঞ্চিত হয়। যদি উক্ত চাহ বাগিচাৰ মুখ্য কাৰ্যালয়সমূহ অসমলৈ স্থানান্তৰ কৰা হয়, তেতিয়া অসমৰ স্বাৰ্থ ৰক্ষা হ'ব। আনহাতে, যদি সংবিধানৰ সংশ্লিষ্ট অনুচ্ছেদ ২৭০ সংশোধন কৰি কৰ নিৰ্ধাৰণৰ ক্ষেত্ৰত যিখন ৰাজ্যৰ পৰা তেনে আয়ৰ উদ্ভৱ হয় সেই ৰাজ্যৰ কথা সন্নিৱিষ্ট কৰা যায়, তেতিয়া অসমৰ স্বাৰ্থ ৰক্ষণাবেক্ষণ সম্ভৱ হ'ব।

অনুৰূপভাৱে অসমৰ তেল কোম্পানী আৰু বহুতো উদ্যোগ-প্ৰতিষ্ঠানে কলকাতা, মুম্বাই আৰু ভাৰতৰ আন আন ৰাজ্যত আয়কৰ জমা দি থকাৰ ফলত অসম তেনে আয়কৰৰ অংশৰ পৰা বঞ্চিত হৈ আছে। আমাৰ ওপৰোক্ত আলোচনা অসমৰ ৰাজহ আদায়ৰ সম্পৰ্কে দাঙি ধৰা হৈছে। অসমৰ আজিৰ এই ভয়াবহ বিত্তীয় সংকটৰ পৰিপ্ৰেক্ষিতত আমাৰ নিচিনা ক্ষুদ্ৰ নাগৰিকে চিন্তাপূৰ্ণ বিবেচনাৰ ভিত্তিত পৰামৰ্শ আগবঢ়াব পাৰে। তেনে পৰামৰ্শ কাৰ্যকৰী কৰা বা বাস্তৱত ৰূপায়ণ কৰাৰ দায়িত্ব অসম চৰকাৰৰ।

আমাৰ অসম
৩/১০/২০০১

## উল্লেখনীয়

সম্প্ৰতি ব্যৱহাৰ আৰু উপভোগৰ কাৰণে আমদানী কৰা কিছু সামগ্ৰীৰ ওপৰত কৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ 'দ্য আসাম এণ্ট্ৰি টেক্স এক্ট', ২০০১' প্ৰণয়ন কৰা হৈছে। এই ব্যৱস্থাৰ ফলত উক্ত আইনত সন্নিৱিষ্ট কৰা সামগ্ৰীসমূহৰ কৰ আদায় ব্যৱস্থা সম্ভৱ হৈছে।

# আমোদ কৰ আৰু প্ৰমোদ কৰ

আমোদ, প্ৰমোদ আৰু কিছু ধৰণৰ বাজিৰ (Betting) ওপৰত কৰ আৰোপ কৰিবলৈ অসমত ১/৮/৩৯ তাৰিখৰ পৰা 'দি আসাম এমিউজমেণ্ট এণ্ড বেটিং টেক্স এক্ট (১৯৩৯) (আমোদ কৰ আইন) প্ৰণয়ন কৰা হৈছিল। ইংৰাজ শাসন কালত গৱৰ্ণমেণ্ট অফ ইণ্ডিয়া এক্টৰ (১৯৩৫) দুই নম্বৰ তালিকাৰ ৫০ নম্বৰ লিপি মতে এই আইন বলবৎ কৰা হৈছিল যদিও ভাৰতীয় সংবিধানৰ সাত নম্বৰ অনুসূচীৰ দুই নম্বৰ তালিকাৰ একষষ্ঠি নম্বৰ লিপি আৰু ২৭৭ অনুচ্ছেদৰ পৰিপ্ৰেক্ষিতত সেই আইনখন আজিও কাৰ্যকৰী হৈ আছে। আইনখনৰ দুটা অধ্যায় আছে যদিও মেঘালয় অসমৰ পৰা বিচ্ছিন্ন হৈ সুকীয়া ৰাজ্যৰ মৰ্যাদা পোৱাৰ পৰা প্ৰকৃততে 'বাজিৰ অধ্যায়টো' কাৰ্যকৰী হৈ থকা নাই। এই আইনৰ ব্যৱস্থা অনুযায়ী কোনো ব্যক্তিয়ে যদি কোনো আমোদ বা প্ৰমোদ অনুষ্ঠান প্ৰৱেশ মূল্য আদায় দি উপভোগ কৰিব খোজে তেনে প্ৰৱেশ মূল্যৰ কৰৰ হাৰ পঁচিশ পইচাৰ অধিক হয়, তেনেহ'লে তেনে প্ৰৱেশ মূল্যৰ ওপৰত তলত দিয়া হাৰে আমোদ বা প্ৰমোদ কৰ জমা দিব লাগিব — প্ৰৱেশ মূল্য এটকা বা তলত হ'লে — ৫০%। প্ৰৱেশ মূল্য দু টকা বা তলত হ'লে — ৮০%। প্ৰৱেশ মূল্য দুটকাৰ অধিক হ'লে ১০০%।

**কৰ আদায় পদ্ধতি ঃ** আমোদ কৰ এটি পৰোক্ষ কৰ ব্যৱস্থা। আমোদ বা প্ৰমোদ উপভোগকাৰীৰ পৰা কৰ আদায়ৰ প্ৰমাণস্বৰূপে প্ৰতিখন প্ৰৱেশ টিকটৰ ওপৰত কোষাগাৰৰ পৰা আগতে খৰিদ কৰা আমোদ কৰৰ টিকট যথাৰ্থ হাৰত লগোৱা হয়। যদি কেতিয়াবা অনিবাৰ্য কাৰণত তেনে টিকট কোষাগাৰৰ পৰা পোৱা নাযায় বা প্ৰদৰ্শনৰ স্বত্বাধিকাৰীয়ে কিনিবলৈ অপাৰগ হয়, তেনেহ'লে এই বিষয়ে সংশ্লিষ্ট কৰ কৰ্তৃপক্ষক আগতীয়াকৈ জাননী দি প্ৰদৰ্শনৰ ২৪ ঘণ্টাৰ ভিতৰতে চালানযোগে তেনে কৰ কোষাগাৰত জমা দিব লাগে। এই আমোদ কৰ টিকত কোষাগাৰৰ বাদে আন ক'ৰবাৰ পৰা যোগাৰ কৰিলে বৈধ বুলি প্ৰতিপন্ন নহয়।

**প্ৰদৰ্শনী কৰ ঃ** চিনেমা প্ৰদৰ্শনৰ ক্ষেত্ৰত আমোদ কৰৰ বাহিৰেও স্বত্বাধিকাৰীয়ে এটি শো টেক্স (প্ৰদৰ্শনী কৰ) প্ৰতি মাহৰ অন্তত জমা দি প্ৰতিবেদন দাখিল কৰিব লাগে। পূৰ্বতে এই কৰৰ হাৰ প্ৰতি প্ৰদৰ্শনীত ১০ টকা বা ১০% (যিটোৱে কম) জমা দিব লাগিছিল। কিন্তু অসম চৰকাৰে ২৯/৩/২০০১ তাৰিখৰ পৰা আমোদ কৰ আইনৰ এক সংশোধন আনি কৰৰ হাৰ প্ৰতি প্ৰদৰ্শনীত ১০০ টকালৈ বঢ়াই দিলে। কিছুমান সৰু সৰু চিনেমা প্ৰতিষ্ঠানৰ ক্ষেত্ৰত এই বৰ্ধিত কৰ ব্যৱস্থাই অসুবিধাৰ সৃষ্টি কৰিব, কাৰণ তেনে প্ৰদৰ্শনী কৰ এটি প্ৰত্যক্ষ কৰ ব্যৱস্থা আৰু বহুত ক্ষেত্ৰত সৰু সৰু প্ৰতিষ্ঠানে তেনে উচ্চহাৰৰ কৰ বহন কৰিবলৈ অপাৰগ হ'ব।

**সেৱা মাচুল ঃ** ৰাজ্য চৰকাৰে ৫/৬/৯৮ তাৰিখৰ পৰা সাৰ্ভিচ চাৰ্জ (সেৱা মাচুল) বুলি এক কৰ আৰোপ ব্যৱস্থা প্ৰণয়ন কৰিছে। এই ব্যৱস্থা এনেধৰণৰ — (১) প্ৰৱেশ মূল্য ৩ টকা

হ'লে - ১ টকা, (২) প্ৰৱেশ মূল্য ৩ টকাৰ ওপৰত হ'লে – ১.৫০ টকা। এই টকা কিদৰে আদায় দিয়া হ'ব উল্লেখ নাই।

**কিস্তৰ মাচুল ঃ** অসম চৰকাৰে ২১/৩/২০০১ তাৰিখৰ পৰা উক্ত কৰৰ উপৰি এক কিস্ত চাৰ্জ (কিস্ত মাচুল) আদায়ৰ ব্যৱস্থা কৰিছে। এই মাচুল আমোদ কৰৰ ওপৰত ২০% হাৰে দিব লাগিব। কিন্তু কি ধৰণে তেনে কৰ জমা দিব লাগিব তাৰ কোনো উল্লেখ নাই। অনামতে, বহুতো ঠাইত এই ব্যৱস্থা কাৰ্যকৰী হোৱা নাই।

**আমোদ কৰ আইন প্ৰশাসন ব্যৱস্থা ঃ** আমোদ কৰ আইনখনত প্ৰশাসনৰ ক্ষমতা ৰাজ্য চৰকাৰৰ ওপৰত ন্যস্ত কৰা হৈছে। ৰাজ্য চৰকাৰক এজন কৰ আয়ুক্ত নিযুক্ত কৰিবলৈ কৰ্তৃত্ব দিয়া হৈছে। অনুৰূপভাৱে আন আন বিষয়াৰ ওপৰত ক্ষমতা ন্যস্ত কৰিবলৈ কৰ্তৃত্ব দিয়া হৈছে। কিন্তু কোনো কৰ বিষয়া (কৰ আয়ুক্তৰ সহায়ক) নিযুক্তিৰ ব্যৱস্থা সন্নিবিষ্ট কৰা নাই। আনহাতে একেখন আইনত জৰিমনা আৰোপৰ ক্ষেত্ৰত কৰ আয়ুক্তক কৰ্তৃত্ব দিয়া হৈছে। কৰ আয়ুক্তই নিজে জৰিমনা আৰোপ নকৰি তলতীয়া সহায়ক বিষয়াই কৰিব লাগিলে কৰ আয়ুক্তৰ আগতীয়া অনুমোদন ল'ব লাগিব বুলি উল্লেখ আছে। কিন্তু সহায়ক বিষয়া কোন হ'ব তাৰ কোনো উল্লেখ নাই। আনহাতে আমোদ কৰ আইনখনত ন্যস্ত ক্ষমতা প্ৰদানৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ আৰু কৰ আয়ুক্ত উভয়কে কৰ্তৃত্ব প্ৰদান কৰা হৈছে। যদি কৰ আয়ুক্তই ৰাজ্য চৰকাৰৰ প্ৰদত্ত ক্ষমতাৰ ভিত্তিতহে ক্ষমতা প্ৰয়োগ কৰিব পাৰে, তেন্তে কৰ আয়ুক্তই আকৌ প্ৰদত্ত ক্ষমতাৰ ভিত্তিত কিদৰে সহায়ক বিষয়াসকলক ক্ষমতা প্ৰদান কৰিব সেয়া এক বিচাৰ্য বিষয়। আইনৰ উপৰোক্ত কথাবোৰ পৰস্পৰ-বিৰোধী আৰু ত্ৰুটীপূৰ্ণ।

**প্ৰতিৰোধ আৰু শাস্তিমূলক ব্যৱস্থা ঃ** আইনখনত কৰ ফাঁকিৰ গঠনমূলক প্ৰতিৰোধৰ ব্যৱস্থা নাই। আনহাতে কৰ ফাঁকি ধৰা পেলালে ল'বলগীয়া শাস্তিমূলক ব্যৱস্থা-যথাযথভাৱে উল্লেখ কৰা হোৱা নাই। এই দিশতো আইনখন যথেষ্ট ত্ৰুটীপূৰ্ণ।

**কৰ নিৰ্ধাৰণ প্ৰক্ৰিয়া ঃ** যদি কোনো আমোদ বা প্ৰমোদ প্ৰদৰ্শনৰ স্বত্বাধিকাৰীয়ে উক্ত আইনৰ নিৰ্দিষ্ট ধাৰা ভংগ কৰি কাম-কাজ চলাই থাকে নাইবা চৰকাৰক ন্যায্য কৰ আদায় দিয়াৰ পৰা বিৰত থাকে, সেই প্ৰতিষ্ঠানৰ ওপৰত কিদৰে কৰ নিৰ্ধাৰণ কৰিব বা কৰ আদায়ৰ ব্যৱস্থা লোৱা হ'ব, আইনখনত উল্লেখ নাই। আইনখনত বাকী কৰ আদায়ৰ ক্ষমতা ৰাজ্য চৰকাৰৰ ওপৰত ন্যস্ত কৰা হৈছে। কিন্তু ৰাজ্য চৰকাৰে এই ক্ষমতা কাক প্ৰদান কৰিব সেই বিষয়ে কোনো ব্যৱস্থা লোৱা হোৱা নাই বুলি অনুভৱ হয়।

টেলিভিচন আৰু কেবোল সেৱাৰ ব্যৱহাৰৰ সম্প্ৰসাৰণৰ গুৰুত্ব উপলব্ধি কৰি অসম চৰকাৰে ১/৬/৯৯ তাৰিখৰ পৰা কেবোল সেৱা প্ৰদান কৰা প্ৰতিষ্ঠানৰ ওপৰত বছৰি এক নিৰ্দিষ্ট গোটত কৰ আৰোপ ব্যৱস্থা প্ৰৱৰ্তন কৰি আইনখন সংশোধন কৰিছে। কিন্তু আমোদ কৰ আইনখনৰ মূল ভিত্তি হ'ল কোনো আমোদ বা প্ৰমোদ স্থলত প্ৰৱেশ মূল্য নিৰ্ণয়ৰ পৰিপ্ৰেক্ষিতত কৰ আৰোপ ব্যৱস্থা। আনহাতে কেবোল সেৱাৰ প্ৰদানৰ ওপৰত কৰ আৰোপ ব্যৱস্থা, মূল আইনৰ পৰিধিৰ পৰা বেলেগ। গতিকে, আইনৰ এই সংশোধনৰ দ্বাৰা আৰোপ কৰা কৰ ব্যৱস্থা কিমানখিনি যুক্তিপূৰ্ণ সেয়া বিচাৰ্য বিষয়। আমোদ কৰ আইনত ৰাজ্য চৰকাৰে বছৰি দহ কোটিতো

অধিক কৰ পায়। এই কৰ বঢ়োৱাৰ যথেষ্ট থল আছে। আমোদ কৰ আইনখন বৰ্তমান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অতি ত্ৰুটীপূৰ্ণ। আমোদ আৰু প্ৰমোদৰ সম্প্ৰসাৰিত ব্যৱহাৰ ফলত ৬২ বছৰ আগতে প্ৰণয়ন কৰা আইনখনৰ কাৰ্য-প্ৰক্ৰিয়া আৰু প্ৰশাসন পদ্ধতিৰ যথাবিধি সংশোধনৰ প্ৰয়োজন।

দৈনিক জনমভূমি
২১/৯/২০০১

# কৰ ফাঁকি দিয়াৰ কৌশল

আন্তঃৰাজ্যিক বিক্ৰী দুই ধৰণে সম্পন্ন হয়। যদি কোনো সামগ্ৰী বিক্ৰীৰ পৰিপ্ৰেক্ষিতত এখন ৰাজ্যৰ পৰা আন এখন ৰাজ্যলৈ গতি কৰে, তেনে বিক্ৰী আন্তঃৰাজ্যিক বিক্ৰী বুলি গণ্য হয়। আনহাতে, যদি কোনো বিক্ৰী সামগ্ৰী এখন ৰাজ্যৰ পৰা আন এখন ৰাজ্যলৈ গতি কৰোঁতে নথি-পত্ৰ হস্তান্তৰ কৰি সামগ্ৰীখিনিৰ মালিকত্ব প্ৰদান কৰি বিক্ৰী কৰা হয়, তেনে বিক্ৰীও আন্তঃৰাজ্যিক বিক্ৰী বুলি পৰিগণিত হয়। যদি কোনো সামগ্ৰী এখন ৰাজ্যৰ পৰা আন ৰাজ্যলৈ কৰা গতি কোনো বিক্ৰীৰ পৰিপ্ৰেক্ষিতত নহয় আৰু তেনে সামগ্ৰী কোম্পানীৰ মুখ্য কাৰ্যালয়, শাখা কাৰ্যালয় নাইবা এজেণ্টলৈ সংশ্লিষ্ট ৰাজ্যত বিক্ৰীৰ বাবে প্ৰেৰণ কৰা হয়, সামগ্ৰীৰ তেনেধৰণৰ গতিক আন্তঃৰাজ্যিক বিক্ৰী বুলি গণ্য কৰা নহয় আৰু নিৰ্দিষ্ট প্ৰমাণৰ ভিত্তিত তেনে গতিক অইন ৰাজ্যলৈ স্থানান্তৰ কৰা বুলি অভিহিত কৰা হয়। তেনে বিক্ৰী ৰাজ্যখনৰ বাহিৰত সম্পন্ন হোৱাৰ পৰিপ্ৰেক্ষিতত সামগ্ৰী প্ৰেৰণ কৰা ৰাজ্যখনৰ প্ৰতি কৰৰ দায়বদ্ধতা নাহে। কিন্তু এই স্থানান্তৰ ব্যৱস্থা আৰু কৰ অব্যাহতি প্ৰক্ৰিয়াৰ বহুতো ক্ষেত্ৰত অপপ্ৰয়োগ আৰু অপব্যৱহাৰ কৰা পৰিলক্ষিত হয়।

অসমৰ চাহ বাগিচাসমূহে বহুতো ক্ষেত্ৰত উৎপাদিত চাহপাত মুখ্য কাৰ্যালয় বা অন্যান্য অইন অইন বজাৰত এজেণ্টলৈ বিক্ৰীৰ বাবে স্থানান্তৰ কৰা দেখুৱায়। প্ৰচলিত আইনগত ব্যৱস্থা মতে, চাহ বাগিচাসমূহে তেনে স্থানান্তৰ কৰা মালৰ সপক্ষে 'এফ' ফৰম প্ৰমাণ-পত্ৰ দাখিল কৰি কৰ ৰেহাই ব্যৱস্থা উপভোগ কৰে, যদিও এই ক্ষেত্ৰত আন আন প্ৰশাসনিক প্ৰক্ৰিয়া সম্পাদনা কৰাও অতি প্ৰয়োজনীয়। কিন্তু বহুতো ক্ষেত্ৰত দেখা যায় এনে স্থানান্তৰ তথা কৰ ৰেহাই ব্যৱস্থা অতি প্ৰহসনমূলক আৰু এই ব্যৱস্থাৰ দ্বাৰা কৰ ফাঁকিৰ এক অভিনৱ পদ্ধতি অৱলম্বন কৰা হয়।

এইবিষয়ে কিছু কথা আলোচনা কৰা সমীচীন বুলি অনুভৱ কৰো।

যোৱা ১৯৮১ চনৰ কথা। মই তেতিয়া তিনিচুকীয়াত কৰ পৰিদৰ্শক। এদিনাখন এক অন্ত তথা পৰিদৰ্শন কাৰ্যলৈ ওচৰৰ এখন চাহ বাগিচাত যাব লগীয়া হ'ল। বাগিচাখন কলিকতাৰ এক প্ৰসিদ্ধ চাহ কোম্পানীৰ। অন্ত তথা পৰিদৰ্শন কাৰ্যত বিভিন্ন নথি-পত্ৰ পৰীক্ষা কৰোঁতে মালৰ চালানসমূহত অংকিত কিছুমান প্ৰসঙ্গ-নিৰ্দেশৰ নথি-পত্ৰ দেখুৱাবলৈ নিৰ্দেশ দিলো। কৰ্তৃপক্ষই উক্ত প্ৰসঙ্গ নিৰ্দেশৰ গুৰুত্ব উপলব্ধি কৰিব নোৱাৰি সকলো সংশ্লিষ্ট নথি-পত্ৰ মোৰ ওচৰত সংস্থাপন কৰিলে। সেই নিৰ্দেশনাসমূহ পৰীক্ষা কৰি গম পালো যে চাহ বাগিচাৰ মুখ্য কাৰ্যালয়ে বিভিন্ন সময়ত বিভিন্ন ৰাজ্যৰ ক্ৰেতাসকলৰ লগত চাহ বিক্ৰীৰ চুক্তি সম্পাদন কৰে। পিছত মুখ্য কাৰ্যালয়ে বাগিচাসমূহক তেনে বিক্ৰীৰ কথা অৱগত কৰি সেইবোৰ ক্ৰেতালৈ চাহ বাগিচাৰ নিজা নামত চাহপাত প্ৰেৰণ কৰিবলৈ নিৰ্দেশ দিয়ে। দেখাত বোধ হয় যে তেনে চাহপাত প্ৰেৰণ কৰাৰ পিছত সামগ্ৰীৰ যাৱতীয় নথি-পত্ৰ মুখ্য কাৰ্যালয়লৈ প্ৰেৰণ কৰিব লাগে। অৱশ্যে আমাৰ মতে মুখ্য কাৰ্যালয়ে তেনে চাহপাতৰ বিক্ৰীমূল্য আদায় কৰাৰ পৰিপ্ৰেক্ষিতত

পৰিবহণৰ নথি-পত্ৰ আৰু চাহপাত সংক্ৰান্তীয় কাগজ-পত্ৰ ক্ৰেতাৰ নামত পৃষ্ঠাংকন কৰি হস্তান্তৰ কৰে আৰু ক্ৰেতাসকলে তেনে সামগ্ৰী খালাচ কৰি লয়। নিৰ্দেশনামাত লগতে কোৱা হয় যে মাল প্ৰেৰণ কৰা হয় নিৰ্ধাৰিত বিক্ৰী মূল্য আদায় হোৱাৰ পিছত সেই মাল প্ৰেৰণ কৰাৰ দায়িত্ব চাহ বাগিচাসমূহৰ। মাল খালাচ কৰাৰ দায়িত্ব ক্ৰেতা-ব্যৱসায়ীৰ। এই ক্ষেত্ৰত চাহ বাগিচাসমূহৰ কৰণীয় একো নাই। নথি-পত্ৰ পৰীক্ষা কৰি এই কথা স্পষ্ট হ'ল যে তেনে চাহপাত প্ৰেৰণ আন্তঃৰাজ্যিক বিক্ৰীৰ পৰিপ্ৰেক্ষিতত্হে কৰা হৈছিল। যদি তেনে চাহপাত কেন্দ্ৰীয় বিক্ৰী কৰ আইনত পঞ্জীকৃত ব্যৱসায়ীলৈ বিক্ৰী কৰা হয়, তেতিয়া 'চ' ফৰ্মৰ প্ৰদানৰ ভিত্তিত ৰেহাই হাৰত (অৰ্থাৎ টকাত ৪ পইচা) কৰ দিব লাগে। অপঞ্জীকৃত ব্যৱসায়ীলৈ বিক্ৰী কৰিলে টকাত ১০ পইচা হাৰে কৰ আদায় দিব লাগে। কিন্তু মুখ্য কাৰ্যালয়সমূহে চাহ বাগিচাসমূহক বিক্ৰীকৰ জমা নিদিবলৈ নিৰ্দেশ দিদি তেনে ক্ৰেতাৰ পৰা 'এফ' ফৰ্মহে সংগ্ৰহ কৰি কৰ কৰ্তৃপক্ষৰ ওচৰত সেইবোৰ ফৰ্ম দাখিল কৰি উক্ত চাহপাত এজেণ্টলৈ স্থানান্তৰ কৰা বুলি কৰ ৰেহাইৰ দাবী উত্থাপন কৰিবলৈ নিৰ্দেশ দিছিল। এই ক্ষেত্ৰত কেবাবছৰো কৰ নিৰ্ধাৰণ নথি-পত্ৰ পৰীক্ষা কৰি পোৱা গ'ল যে সংশ্লিষ্ট কৰ অধীক্ষকে উক্ত স্থানান্তৰৰ দাবী মানি লৈ তেনে 'এফ' ফৰ্মৰ ভিত্তিত সম্পূৰ্ণ কৰ ৰেহাই প্ৰদান কৰিছিল। অৱশ্যে দাখিল কৰা তেনে নথি-পত্ৰ অবিহনে কৰ অধীক্ষকৰ কৰণীয় একো নাছিল আৰু অতি সহজভাৱে চাহ বাগিচাসমূহৰ কৰ ৰেহাই দাবী মানিবলগীয়া হৈছিল।

বাগিচা কৰ্তৃপক্ষই প্ৰদান কৰা উক্ত নিৰ্দেশনামা আৰু পৰৱৰ্তী কাৰ্যব্যৱস্থাৰ পৰা এই সিদ্ধান্তত উপনীত হোৱা গ'ল যে গোটেইখিনি ব্যৱস্থা কৰ ফাঁকি দিয়াৰ পৰিপ্ৰেক্ষিতত্হে অৱলম্বন কৰা হৈছিল। গতিকে, তেনে ফাঁকি কৰ আদায়ৰ কথা চিন্তা কৰি যাৱতীয় নথি-পত্ৰ জব্দ কৰা হ'ল। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে, যাৱতীয় ব্যৱস্থা এই লেখকে অকলশৰীয়াভাৱে কৰিব লগীয়া হৈছিল আৰু তেনে বিপদসংকুল পৰিৱেশৰ মাজেৰে কিদৰে তেনে জব্দ কৰা হিচাব আনিবলগীয়া হৈছিল, সেই কথা চিন্তা কৰিলে আজিও ভয় লাগে।

যি কি নহওক, কাৰ্যালয়ত নথি-পত্ৰসমূহ পুনৰ পৰীক্ষা কৰি পোৱা গ'ল যে উক্ত চাহ কোম্পানীৰ অসমত মুঠ তেৰখন চাহ বাগিচা আছে আৰু ৫ খন তিনিচুকীয়া কাৰ্যালয়ৰ অধীনত।। নথি-পত্ৰৰ পৰা পোৱা গ'ল — সকলোবোৰ চাহ বাগিচাক একে ধৰণেৰে কাম কৰিবলৈ নিৰ্দেশ দিয়া আছে আৰু একে ধৰণৰ ব্যৱস্থা অৱলম্বন কৰিবলৈ কোৱা হৈছে। আন আন সহকৰ্মীৰ সহযোগত বাকী ৪ খন চাহ বাগিচাৰ অনুৰূপ হিচাপ-পত্ৰ জব্দ কৰা হ'ল। বাকী ৮ খন চাহ বাগিচাৰ ক্ষেত্ৰত অনুৰূপ ব্যৱস্থা ল'বলৈ কৰ অধীক্ষক মহোদয়ে কৰ আয়ুক্ত মহোদয় আৰু সংশ্লিষ্ট কৰ অধীক্ষকসকলক অনুৰোধ কৰিলে। কিন্তু দুখৰ কথা যে কোনো কৰ বিষয়াই এই কাৰ্যত কৃতকাৰ্যতা লাভ কৰিব নোৱাৰিলে। কি কাৰণ জনা নাযায়। গতিকে, সেইবোৰ বাগিচাৰ কৰ ফাঁকি সম্বন্ধে কোনো বিহিত ব্যৱস্থা লোৱা নহ'ল।

জব্দ কৰা নথি-পত্ৰ পৰীক্ষা আৰু শুনানি প্ৰক্ৰিয়াত মুখ্য কাৰ্যালয়, চাহ বাগিচা কৰ্তৃপক্ষই কিছুমান একপক্ষীয়ভাৱে প্ৰস্তুত কৰা চুক্তি-পত্ৰ আৰু কিছুমান তথাকথিত বাহিৰত কৰা বিক্ৰীৰ তৌজা হিচাপ দাখিল কৰিছিল। কিন্তু তেনেবোৰ নথিপত্ৰ চাহ কোম্পানী কৰ্তৃপক্ষই নিজা

কৰীয়াকে প্ৰস্তুত কৰা বুলি প্ৰতিপন্ন হৈছিল। গতিকে, প্ৰাপ্ত নিৰ্দিষ্ট তথ্যৰ ভিত্তিত ব্যৱসায়ত লিপ্ত হৈ উক্ত চাহ বাগিচা পাঁচখনৰ ওপৰত পুনৰ কৰ আৰোপ কৰা হ'ল।

সংশ্লিষ্ট চাহ বাগিচা কৰ্তৃপক্ষই তেনে নিৰ্ধাৰণৰ হুকুমৰ বিৰুদ্ধে আপীল কৰিলে। এখন চাহবাগিচাৰ আপীল নাকচ হ'ল, কৰ আয়ুক্তৰ ওচৰত ৰিভিজনৰ দৰ্খাস্ত কৰিলে, নাকচ হ'ল। উচ্চ ন্যায়ালয়ত ৰীট দৰ্খাস্ত কৰিলে, নাকচ হ'ল, খণ্ড আদালতত আপীল কৰিলে, নাকচ হ'ল। ফলত সুতসহ সমুদায় টকা আদায় দিবলগীয়া হ'ল। কিন্তু দুখৰ কথা যে একে নথি-পত্ৰৰ ভিত্তিত একে প্ৰক্ৰিয়াৰে কৰ নিৰ্ধাৰণ কৰা বাকী চাৰিখন বাগিচাক আপীল কৰ্তৃপক্ষই (বেলেগ বিষয়া) দাখিল কৰা তেনে 'এক' ফৰম বৈধ বুলি সম্পূৰ্ণ কৰ ৰেহাই প্ৰদান কৰিলে। হয় তেখেতে বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰিব নোৱাৰিলে নাইবা ইচ্ছাকৃতভাৱে তেনে ৰেহাই প্ৰদান কৰিলে। এই বিষয়ে কৰ আয়ুক্ত মহোদয়ে ব্যৱস্থা লৈছিল যদিও ফলাফল জনা নাযায়।

আৰু এটি প্ৰসংগ — সময় ১৯৯৫ চন। তেতিয়া মই কৰ আয়ুক্ত কাৰ্যালয়ত কৰ অধীক্ষক। এটি অভিযোগৰ ভিত্তিত কৰ আয়ুক্ত মহোদয়ে উত্তৰ লখিমপুৰৰ এখন চাহ বাগিচাত এটি তদন্ত তথা পৰিদৰ্শনৰ বাবে মোক নিয়োগ কৰিলে। তদন্ত তথা পৰিদৰ্শন কৰি পোৱা গ'ল যে চাহ বাগিচাখনে চাহ পাতৰ আন্তঃৰাজ্যিক বিক্ৰীৰ ক্ষেত্ৰত অনুৰূপ পদ্ধতি অৱলম্বন কৰি আছে। ১৪ বছৰৰ পিছত একেধৰণৰ কৰ ফাঁকি প্ৰক্ৰিয়া অব্যাহত ৰখাৰ ফলত এই কথা স্পষ্ট হ'ল যে এনে পদ্ধতি অকল ১৯৮১ চনত ধৰা পেলোৱা ১৩ খন বাগিচাই নহয়, অসমৰ আন বহুতো বাগিচাই অৱলম্বন কৰি কৰ ফাঁকি দি আছে। উপযুক্ত প্ৰমাণৰ ভিত্তিত হিচাপ-পত্ৰবিলাক জব্দ কৰিলো। তদন্ত আৰম্ভ হ'ল। বহু ধৰণৰ তথ্যপাতি সংগ্ৰহ কৰিলো। কেবাবছৰ ধৰি চলি থকা তেনে কৰ ফাঁকি প্ৰক্ৰিয়াৰ ফলত চৰকাৰে প্ৰায় ২০ লাখ টকাৰ কৰ হেৰুৱাই থকা বুলি প্ৰমাণ পোৱা গ'ল। বিতং তথ্যৰ ভিত্তিত প্ৰতিবেদন দাখিল কৰিলো। বাগিচা কৰ্তৃপক্ষই এই দায়বদ্ধতাৰ পৰা সকাহ পাবলৈ মোক প্ৰলোভিত কৰিবলৈ বহুত্ৰে চেষ্টা কৰিলে, কিন্তু সফল নহ'ল। কৰ নিৰ্ধাৰণ হ'ল। আপীল কৰিলে, নাকচ হ'ল। কৰ আয়ুক্ত মহোদয়ৰ ওচৰত ৰিভিজন দৰখাস্ত দাখিল কৰিলে। বৰ্তমানে প্ৰচলিত আসাম জেনেৰেল চেইল্‌ছ টেক্স এক্টৰ ৩৩(২) (বি) ধাৰা মতে আপীল কতৃপক্ষৰ কোনো ৰায়ৰ বিৰুদ্ধে হস্তক্ষেপ কৰাৰ ক্ষমতা কৰায়ুক্তৰ নাই। কিন্তু কৰ্তৃত্ববিহীনভাৱে তেনে ৰিভিজন দৰখাস্ত গ্ৰহণ কৰা হ'ল। শুনানি ল'লে আৰু কৰৰ পৰিমাণ ২০ লাখৰ পৰা ৭ লাখলৈ হ্ৰাস কৰিলে। ৰায়টো ওপৰে ওপৰে চোৱাৰ সুযোগো ঘটিছিল, কিন্তু তাত এনে কোনো যুক্তিপ্ৰদৰ্শন কৰা নাই, যাৰ ওপৰত ভিত্তি কৰি ফাঁকি কৰৰ ১৩ লাখ টকা হ্ৰাস কৰিলে। ফলত চৰকাৰে সেইখিনি টকা হেৰুৱাৰ লগাত পৰিল।

বিশেষ কাৰণত চাহ কোম্পানী বা চাহ বাগিচাসমূহৰ নাম উল্লেখ কৰা নহ'ল, কিন্তু তদন্ত কৰিলে ইয়াৰ সত্যাসত্য নিৰ্ণয় কৰা সম্ভৱ হ'ব।

অসম আজি প্ৰবল বিত্তীয় সংকটৰ সন্মুখীন হৈছে। এই সংকটৰ কাৰণে আমি আন আন কাৰণৰ উপৰি ব্যৱসায়ী আৰু বিষয়াসকলৰ দায়িত্বহীনতাৰ কথা আওকাণ কৰিব নোৱাৰো। উপৰোক্ত বিৱৰণে আমাৰ এই যুক্তি সমৰ্থন কৰিব। প্ৰকৃততে এক শ্ৰেণীৰ ব্যৱসায়ীয়ে কৰ ফাঁকি দি আছে আৰু এক শ্ৰেণীৰ বিষয়াই তেনে ফাঁকি কাৰ্যত ইন্ধন যোগাইছে। অসম তথা

অসম চৰকাৰৰ প্ৰতি আমাৰ যেন কোনো দায়িত্ব বা দায়বদ্ধতা নাই।

আমি ভাবো যে চাহ বাগিচাসমূহৰ এটা গোষ্ঠীয়ে এই চাহপাত স্থানান্তৰ অভিযান তথা কৰফাঁকি ব্যৱস্থা আজিও অব্যাহত ৰাখিছে। হয়তোবা ইয়াৰ পদ্ধতিৰ পৰিবৰ্তন হৈছে— হয়তোবা হোৱা নাই। কিন্তু এনে প্ৰক্ৰিয়াৰ ফলত অসম চৰকাৰে বছৰি কোটি কোটি টকাৰ ৰাজহ হেৰুৱাই আছে। আমি বিভিন্ন সংবাদ মাধ্যমৰ যোগেদি যোৱা পাঁচ বছৰে কৰ ফাঁকিৰ বিভিন্ন প্ৰক্ৰিয়াৰ কথা আঙুলিয়াই দি আছো — ৰাজহৰ উন্নতিৰ বাবে পৰামৰ্শ আগবঢ়াই আছো। কিন্তু সকলো অৰণ্যৰোদন। আমাৰ পৰামৰ্শই হয়তোবা কৰ্তৃপক্ষৰ মনত তিক্ততা আনে। সমালোচনা কৰে কাৰণ সহজে অনুমেয়।

আমাৰ স্বাৰ্থ আন একো নাই। আমি আমাৰ আলোচনাৰ দ্বাৰা চৰকাৰক এই কথা উপলব্ধি কৰাব খুজিছো যে কৰ ফাঁকি প্ৰতিৰোধৰ গঠনশীল আৰু গতিশীল ব্যৱস্থা ল'লে এক বৃহৎ পৰিমাণৰ ফাঁকি কৰ আদায় হ'ব। কোনো ভাবুকি বা সন্ত্ৰাসৰ সৃষ্টি নকৰি আৰু কোনো প্ৰলোভনৰ ওচৰত নতি স্বীকাৰ নকৰি প্ৰতিজন বিষয়াই যদি নিষ্ঠাপূৰ্ণভাৱে এই কৰ ফাঁকিৰ বিৰুদ্ধে শৃংখলাপূৰ্ণভাৱে অভিযান চলায়, আমি ভাবো যে চৰকাৰৰ বিত্তীয় পৰিস্থিতিৰ উন্নতি সাধন হ'ব। চৰকাৰে প্ৰতি পদক্ষেপতে কেন্দ্ৰীয় চৰকাৰৰ মুখাপেক্ষী হ'ব নালাগিব।

আমাৰ অসম
৮/১০/২০০১

## এই বিষয়ে একাষাৰ

যোৱা ১৩/৫/২০০২ তাৰিখৰ পৰা সম্প্ৰতি কেন্দ্ৰীয় চৰকাৰে কেন্দ্ৰীয় বিক্ৰী কৰ আইনৰ (১৯৫৬) সংশোধন ঘটাই 'এফ' ফৰ্ম দাখিল কৰা কাৰ্য আদেশমূলক বুলি সন্নিবিষ্ট কৰিছে। অন্যথায় কোনো মজুত মাল আইন বাহ্যালে স্থানান্তৰ কৰা কাৰ্যক বিক্ৰী বুলি গণ্য কৰা হ'ব বুলি উল্লেখ কৰিছে। ইয়াৰ ফলত ওপৰত উল্লেখ কৰা কৰফাঁকি ব্যৱস্থা 'এফ' ফৰ্ম দাখিল সাপেক্ষে বৈধ বুলি গণ্য হ'ব বুলি আইনখনৰ সংশোধনী ব্যৱস্থাৰ পৰা অনুমান হয়। এই ব্যৱস্থাই প্ৰকৃত আন্তঃৰাজ্যিক বিক্ৰীক আইন বাহ্যালে মাল স্থানান্তৰ বুলি অন্যায় আৰু অবৈধ ভাৱে কৰ ৰেহাই ব্যৱস্থা উপভোগ কৰাত সহায় কৰিব বুলিহে আমাৰ ধাৰণা।

এনেক্ষেত্ৰত অসম চৰকাৰে বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি ৰাজহ আদায়ৰ স্বাৰ্থত কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰা সমীচীন হ'ব বুলি আমি ভাবো।

# আইন প্ৰণয়ন, সংশোধন আৰু কাৰ্যকৰী ব্যৱস্থা

ভাৰতবৰ্ষত কোনো আইন প্ৰণয়নৰ ক্ষমতা কেন্দ্ৰৰ ক্ষেত্ৰত সংসদৰ আৰু ৰাজ্যসমূহৰ ক্ষেত্ৰত সদনৰ ওপৰত ন্যস্ত। ভাৰতীয় সংবিধানৰ ২৪৬(১) অনুচ্ছেদ মতে উক্ত সংবিধানৰ সপ্তম অনুসূচীৰ প্ৰথম তালিকাত (কেন্দ্ৰীয় তালিকাত) আৰু ২৪৬(৩) অনুচ্ছেদ মতে উক্ত অনুসূচীৰ দ্বিতীয় তালিকাত (ৰাজ্যিক তালিকাত) উল্লেখিত বিষয়সমূহৰ ওপৰত আইন প্ৰণয়ন ক্ষমতা ক্ৰমে সংসদ আৰু সদনত উত্থাপন কৰাৰ আগতে চৰকাৰে বিভিন্ন দিশ পৰীক্ষা-নিৰীক্ষা, আলোচনা-বিলোচনা কৰা আৰু আইন বিশেষজ্ঞৰ মতামত লোৱা এক পৰম্পৰানুগতিক নিয়ম। আনহাতে, সংসদ বা সদনত তেনে বিল উত্থাপন কৰিলে যুক্তি-তৰ্কপূৰ্ণ আলোচনা আৰু প্ৰয়োজনসাপেক্ষে সংশোধনক্ৰমে গৃহীত হয়। কেন্দ্ৰৰ ক্ষেত্ৰত ভাৰতৰ ৰাষ্ট্ৰপতি আৰু ৰাজ্যসমূহৰ ক্ষেত্ৰত সংশ্লিষ্ট ৰাজ্যৰ ৰাজ্যপালগৰাকীয়ে তেনে গৃহীত বিলত অনুমতি প্ৰদান কৰিলেহে আইনত ৰূপান্তৰিত হয়। কোনো আইন প্ৰণয়ন বা সংশোধনকাৰ্য ৰাজহুৱা স্বাৰ্থৰ পৰিপ্ৰেক্ষিতত নোহোৱা বুলি বিবেচনা কৰিলে বা কোনো স্বাৰ্থৰ পৰিপন্থী হ'লে কোনো ক্ষুব্ধ ব্যক্তি, প্ৰতিষ্ঠান বা আন কোনো শ্ৰেণীৰ লোকে তেনে আইনৰ বিৰুদ্ধে ন্যায়ালয়ত প্ৰত্যাহ্বান জনায়।

আজি আমাৰ আলোচনাৰ বিষয়বস্তু হৈছে কৰ সম্বন্ধীয় কিছু আইন প্ৰণয়ন, সংশোধন আৰু যথাযথ কাৰ্যকৰী ব্যৱস্থা সম্বন্ধে।

সপ্তম অনুসূচীৰ কেন্দ্ৰীয় তালিকাৰ ৯২-এ দফাত সংসদক আন্তঃৰাজ্যিক বেচা-কিনাৰ ওপৰত ক্ৰয়-বিক্ৰীৰ ক্ষেত্ৰত কৰ আইন প্ৰণয়ন কৰিবলৈ ক্ষমতা প্ৰদান কৰা হৈছে। আনহাতে, উক্ত অনুসূচীৰ ৰাজ্যিক তালিকাৰ ৫৪ দফাত সদনক ক্ৰয়-বিক্ৰীৰ ওপৰত আইন প্ৰণয়ন কৰাৰ ক্ষমতা দিয়া হৈছে। অনুৰূপভাৱে, উক্ত তালিকাৰ ৬২ দফাত বিলাসৰ ওপৰত আৰু ৫২ দফাত উপভোগ, ব্যৱহাৰ আৰু বিক্ৰীৰ কাৰণে কোনো স্থানীয় এলেকাত কোনো সামগ্ৰী প্ৰৱেশ কৰিলে প্ৰৱেশ কৰ আইন প্ৰণয়ন কৰাৰ ক্ষমতা ন্যস্ত কৰা হৈছে। তেনে ক্ষমতা প্ৰয়োগ কৰি সংসদে কেন্দ্ৰীয় আইন 'দ্য চেণ্ট্ৰেল চেলচ্ টেক্স এক্ট (১৯৫৬)' (কেন্দ্ৰীয় বিক্ৰীকৰ আইন) আৰু সদনে ৰাজ্যিক আইন ক্ৰমে 'দ্য আছাম জেনেৰেল চেলচ্ টেক্স এক্ট (১৯৯৩)' (অসম বিক্ৰীকৰ আইন) 'দ্য আছাম টেক্সেচন (অন লাক্সুৰিজ) এক্ট (১৯৯৭) (বিলাস কৰ আইন) আৰু 'দ্য আছাম এণ্ট্ৰি টেক্স এক্ট (২০০০)' (প্ৰৱেশ কৰ আইন) প্ৰণয়ন কৰিছে। অসম বিক্ৰীকৰ আইন প্ৰণয়ন কৰাৰ আগতে ৰাজ্যখনত ক্ৰয়-বিক্ৰয় সম্বন্ধীয় চাৰিখন আইন প্ৰচলিত হৈ আছিল। কৰ প্ৰশাসন প্ৰক্ৰিয়া অধিক দক্ষতাপূৰ্ণ কৰিবলৈ যোৱা ১-৭-১৯৯৩ তাৰিখৰ পৰা উক্ত আইনসমূহৰ সংমিশ্ৰণ ঘটাই, একত্ৰিত কৰি আৰু প্ৰয়োজনসাপেক্ষে সংশোধন ঘটাই সদনে অসম বিক্ৰীকৰ আইন প্ৰণয়ন কৰিছিল। পূৰ্বৰ আইনসমূহত কৰ-ব্যৱস্থাৰ কোনো পৰিবৰ্তন প্ৰয়োজন হ'লে নাইবা কৰৰ কোনো হাৰ বৰ্দ্ধিত বা হ্ৰাস কৰিবলৈ হ'লে তেনে সংশোধন

ব্যৱস্থাৰ কাৰণে সদনত উপযুক্ত ব্যাখ্যাসহ বিল উত্থাপন কৰিব লাগিছিল। তেনে বিল সদনত গৃহীত হ'লে ৰাজ্যপালৰ সন্মতিসাপেক্ষে আইন সংশোধন হৈছিল। কিন্তু অসম বিক্ৰীকৰ আইনত তেনে ক্ষমতা ৰাজ্য চৰকাৰক প্ৰদান কৰা হৈছে। আনকি কোনো সামগ্ৰীৰ স্থিতি এক অনুসূচীৰ পৰা আন অনুসূচীলৈ স্থানান্তৰ কৰাৰ ক্ষমতাও ৰাজ্য চৰকাৰক প্ৰদান কৰা হৈছে। ৰাজ্য চৰকাৰে তেনে ব্যৱস্থা লোৱাৰ পিছত সদনৰ অনুমোদন ল'ব লাগে।

যোৱা ৯ বছৰৰ অভিজ্ঞতাৰ পৰা এই কথা উপলব্ধি কৰা গৈছে যে এনে ক্ষমতা প্ৰয়োগ বহুতো ক্ষেত্ৰত ৰাজ্যখনৰ ৰাজ্যৰ ৰাজহ স্বাৰ্থৰ পৰিপন্থী বুলি গণ্য হয়। প্ৰয়োজনসাপেক্ষে নাইবা সুবিধাসাপেক্ষে তেনে সংশোধন এক গতানুগতিক প্ৰক্ৰিয়া আৰু পৰম্পৰাৰ সৃষ্টি কৰিছে। এবাৰ কোনো সামগ্ৰীৰ ওপৰত কৰ-ব্যৱস্থা লোৱা হয়, এবাৰ কমোৱা হয়। এনে প্ৰক্ৰিয়াত ৰাজনৈতিক আৰু আন আন স্বাৰ্থ জড়িত থাকে বুলি অনুমান হয়। কিন্তু ৰাজহৰ স্বাৰ্থৰ দোহাই দি তেনে সংশোধন কাৰ্যকৰী হৈ থাকে। সাধাৰণ ৰাইজৰ কৰিবলগীয়া একো নাথাকে — কেতিয়াবা মাথোন সংবাদ মাধ্যমযোগে মতামত দাঙি ধৰে। বিক্ৰীকৰ আইনৰ অনুসূচীসমূহ পৰীক্ষা কৰিলে ১৯৯৪ চনৰ পৰা আজিলৈকে কিমান সংশোধন হৈছে, সেই কথা জানিব পৰা যায়। এনে প্ৰক্ৰিয়াই একালে ব্যৱসায়ীক বিপাঙত পেলায়, আনফালে প্ৰশাসনত এক বিশৃংখলতা আনে।

সাধাৰণতে কোনো নতুন আইন প্ৰণয়ন কৰিলে নাইবা কোনো সামগ্ৰীৰ ওপৰত নতুন কৰ-ব্যৱস্থা প্ৰৱৰ্তন কৰিলে, তেনে ব্যৱস্থাৰ কথা সম্ভাব্য আয়ৰ তথ্যপাতিসহ বাজেটত উত্থাপন কৰিব লাগে। অনুৰূপভাৱে কোনো সামগ্ৰীৰ ওপৰত কৰ-ব্যৱস্থা প্ৰত্যাহাৰ কৰিলে সম্ভাব্য লোকচানৰ কথাও বাজেটত প্ৰতিফলিত হ'ব লাগে। কিন্তু সদনত বাজেট গৃহীত হোৱাৰ পিছত পৰৱৰ্তী কালত তেনে কৰৰ হাৰ সংশোধন ব্যৱস্থাই বাজেটত দাখিল কৰা তথ্যৰ তাৰতম্য ঘটায়। ফলত সম্ভাব্য আয়-ব্যয়ৰ ক্ষেত্ৰত বাজেটখনৰ কাৰ্যকালৰ ভিতৰত বহুতো আসোঁৱাহ পৰিলক্ষিত হয়। এনে সংশোধন ব্যৱস্থাই দৰাচলতে ৰাজ্যৰ স্বাৰ্থ সুৰক্ষাৰ ক্ষেত্ৰত বাধা জন্মায়। ফলত তেনে আইন প্ৰশাসনৰ গুৰুত্ব আৰু গাম্ভীৰ্য ৰবৰ্খনি হ্ৰাস হয়।

আন্তঃৰাজ্যিক ক্ৰয়-বিক্ৰীৰ ক্ষেত্ৰত কোনো সামগ্ৰীৰ কৰ যোগ্যতা সংশ্লিষ্ট ৰাজ্যিক বিক্ৰীকৰ আইনৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। অৰ্থাৎ, কোনো সামগ্ৰী যদি সংশ্লিষ্ট ৰাজ্যত কৰযুক্ত বা কৰমুক্ত হয়, তেনে সামগ্ৰী আন্তঃৰাজ্যিক ক্ৰয়-বিক্ৰীৰ ক্ষেত্ৰতো অনুৰূপভাৱে কৰযুক্ত বা কৰমুক্ত হয়। অৱশ্যে সৰ্তসাপেক্ষে কোনো সামগ্ৰী কৰমুক্ত বুলি সন্নিবিষ্ট কৰিলে তেনে সামগ্ৰী আন্তঃৰাজ্যিক বিক্ৰীৰ ক্ষেত্ৰত কৰযুক্ত সামগ্ৰী বুলি বিবেচনা কৰা হয়। আনহাতে, কোনো সামগ্ৰী এখন ৰাজ্যত কৰযুক্ত আৰু আনখন ৰাজ্যত কৰমুক্ত হ'লেও আন্তঃৰাজ্যিক বেহা-বেপাৰৰ ক্ষেত্ৰতো এই ব্যৱস্থাত কোনো ব্যাঘাত নজন্মে। ক্ৰয়-বিক্ৰীৰ ক্ষেত্ৰতো কৰ ৰেহাই আদি ক্ষেত্ৰত প্ৰয়োজনীয় ঘোষণা-পত্ৰ আদান-প্ৰদান কৰাত কোনো বাধা নাই।

এই প্ৰবন্ধৰ লেখকে যোৱা ৩১-৭-১৯৯৬ তাৰিখৰ পৰা বিভিন্ন প্ৰবন্ধৰ জৰিয়তে অসমত প্ৰবেশ-কৰ আৰোপৰ ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ সপক্ষে যুক্তিপূৰ্ণ পৰামৰ্শ আগবঢ়াই আহিছিল। লগতে উল্লেখ কৰিছিল যে উপভোগ, ব্যৱহাৰ আৰু বিক্ৰীৰ বাবে কোনো স্থানীয়

এনেকাত প্ৰৱেশ কৰা সামগ্ৰীৰ ওপৰতহে তেনে প্ৰৱেশ-কৰ দায়বদ্ধতা আহিব। অৱশ্যে কোনো সামগ্ৰী অসমৰ মাজেদি আইন ৰাজ্যলৈ গতি কৰিলে তেনে কৰৰ দায়বদ্ধতা নাহে।

অতি আনন্দৰ কথা যে চৰকাৰে আমাৰ যুক্তিপূৰ্ণ পৰামৰ্শ গ্ৰহণ কৰি অসম প্ৰৱেশ-কৰ আইন (২০০১) প্ৰণয়ন কৰিছে আৰু যোৱা ১-১০-২০০১ তাৰিখৰ পৰা উক্ত আইন বলবৎ হৈছে। কিন্তু আচৰিত কথা যে এই পাঁচ মাহৰ ভিতৰত ইতিমধ্যে আইনখনৰ তিনিবাৰ সংশোধন ঘটোৱা হৈছে। আনহাতে, অসমৰ কৰ আয়ুক্তৰ টি টি এছ ২৫/২০০/৪ নং আৰু ১৮-৩-২০০২ তাৰিখৰ চিঠিমৰ্মে এই কথা স্পষ্ট হৈছে যে চাউল, দাইল, মটৰ-গাড়ীৰ অংশবিশেষ আৰু সৰঞ্জামসমূহৰ ক্ষেত্ৰত কিছু শিথিলতা অৱলম্বন কৰা হ'ব আৰু অচিৰে সংশোধনৰ ব্যৱস্থা লোৱা হ'ব। আনহাতে, বাজেটত উল্লেখ কৰা মতে মাছ, ইটা এছ টি গাখীৰ আৰু ফুলৰ ওপৰত প্ৰৱেশ-কৰ আৰোপ হ'ব। ফলত আন এক সংশোধন ঘটিব। এনেক্ষেত্ৰত আইনখনৰ স্থিৰতা ৰক্ষাত ব্যাঘাত জন্মিছে। ফলত প্ৰশাসনীয় ব্যৱস্থাত যথেষ্ট আহুকালৰ সৃষ্টি হৈছে। ইয়াৰ কাৰণ আন একো নহয়, আইন প্ৰণয়নৰ ক্ষেত্ৰত যথাযথ অধ্যয়ন, উপযুক্ত চিন্তাৰ আৰু বাস্তৱ দৃষ্টিভংগীৰ অভাৱ।

এটা প্ৰশ্ন স্বভাৱতে মনত উদয় হয় প্ৰৱেশ-কৰ আইনত কি কি বা কেনে ধৰণৰ সামগ্ৰী অন্তৰ্ভুক্ত হোৱা উচিত? সংবিধানৰ সপ্তম সূচীৰ ৰাজ্যিক তালিকাত এই কথা উল্লেখ কৰা আছে যে উপভোগ, ব্যৱহাৰ আৰু বিক্ৰীৰ কাৰণে কোনো স্থানীয় এলেকাত প্ৰৱেশ কৰা সামগ্ৰীৰ ওপৰত প্ৰৱেশ-কৰ আৰোপ কৰা যাব পাৰে। এনেক্ষেত্ৰত এই কথা সহজে অনুমেয় যে প্ৰৱেশ-কৰ আৰোপ ব্যৱস্থা বিক্ৰীকৰ আৰোপ ব্যৱস্থাৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। স্পষ্ট ভাষাত ক'বলৈ গ'লে প্ৰৱেশ-কৰ আৰোপ ব্যৱস্থাৰ মূল উদ্দেশ্য হৈছে ৰাজ্যিক ক্ৰয়-বিক্ৰী আৰোপ ব্যৱস্থাক অধিক সুৰক্ষা প্ৰদান কৰা। আৰু তেনে কৰ আদায় ব্যৱস্থা সুদৃঢ় কৰি তোলাৰ কাৰণে ই এক অতিৰিক্ত ব্যৱস্থা। বহুতো ক্ষেত্ৰত দেখা যায় যে এক শ্ৰেণীৰ অসৎ ব্যৱসায়ীয়ে ভুৱা নাম আৰু ঠিকনাত কোনো কৰযুক্ত সামগ্ৰী আমদানি কৰি অসমৰ বাহিৰলৈ গতি কৰিব বুলি নথি-পত্ৰ প্ৰদান কৰি পৰীক্ষণ চকী অতিক্ৰম কৰি অসমত প্ৰৱেশ কৰে। কিন্তু প্ৰকৃততে তেনে ভুৱা নামত আমদানি কৰা সামগ্ৰী অসমৰ বাহিৰলৈ নাযায় আৰু অসমতে বিক্ৰী কৰে। তেনে ভুৱা, হিচাপবিহীন সামগ্ৰীৰ ওপৰত কোনো বিক্ৰীকৰ আদায় নিদিয়ে আৰু কৰ ফাঁকি দিয়ে। এই কথাও অসত্য নহয় যে তেনে ব্যৱসায়ীয়ে বহুতো প্ৰহৰী পৰীক্ষণ চকীৰ পৰা সংশ্লিষ্ট নথি-পত্ৰত সামগ্ৰীসমূহ অসমৰ বাহিৰলৈ যোৱা বুলি প্ৰতিপাদন আনি দাখিল কৰে। এনেক্ষেত্ৰত এই কৰ ফাঁকি প্ৰতিৰোধ কৰিবলৈ প্ৰৱেশ-কৰ আৰোপ ব্যৱস্থাৰ প্ৰয়োজন। গতিকে আমাৰ মতে ক্ৰয়-বিক্ৰীৰ সমুদায় সামগ্ৰী উক্ত প্ৰৱেশ-কৰ আইনত অন্তৰ্ভুক্ত কৰা অতি সমীচীন হ'ব। তেনে সামগ্ৰীৰ ওপৰত প্ৰৱেশ-কৰৰ দায়বদ্ধতা আনিলে সংশ্লিষ্ট ক্ৰয়-বিক্ৰীৰ ওপৰত দায়বদ্ধতা নিশ্চিত কৰিব পৰা যাব। কৰ আদায় ব্যৱস্থা সুৰক্ষিত কৰিব। যিহেতু তেনে আমদানিকাৰীয়ে অসমত প্ৰৱেশ কৰাৰ আগতে সংশ্লিষ্ট পৰীক্ষণ চকীত ঘোষণা-পত্ৰ দাখিল কৰিব — আমাৰ ধাৰণা মতে পৰৱৰ্তী ক্ৰয়-বিক্ৰয়, উপভোগ, ব্যৱহাৰ আদি প্ৰক্ৰিয়া উক্ত ঘোষণা-পত্ৰৰ দ্বাৰা নিয়ন্ত্ৰিত হ'ব আৰু অসমৰ বিক্ৰীকৰ আইনৰ কৰ ব্যৱস্থা প্ৰশাসনত সহায়ক হ'ব।

মাছ, এই এছ টি গাখীৰ, ফুল আৰু অসম বিক্ৰীকৰ আইনত কৰমুক্ত সামগ্ৰী। তেনে সামগ্ৰীৰ ক্ৰয়-বিক্ৰীৰ ক্ষেত্ৰত কোনো কৰৰ দায়বদ্ধতা নাই। আনহাতে, তেনে ব্যৱসায়ীয়ে অসম বিক্ৰীকৰ আইনত পঞ্জীকৰণ কৰিব নালাগে, কোনো প্ৰতিবেদন দাখিল কৰিব নালাগে আৰু তেনে ব্যৱসায়ীৰ ওপৰত কোনো বিক্ৰীকৰ নিৰ্ধাৰণৰ ব্যৱস্থা নাই। এনে আমদানিকৃত সামগ্ৰীৰ উপভোগ, ব্যৱহাৰ আদি সম্বন্ধে সুনিশ্চিত কৰিবলৈ কি আইন প্ৰযোজ্য হ'ব? গতিকে উক্ত সামগ্ৰীসমূহ প্ৰৱেশ-কৰৰ অনুসূচীত সন্নিবিষ্ট কৰিলে খেলি-মেলিৰহে সৃষ্টি হ'ব। আমাৰ বোধেৰে সেয়া হ'ব এক ভুল পদক্ষেপ। এই বিষয়ে সদনে যথাযথভাৱে পুনৰ বিবেচনা কৰিব বুলি আমি ভাবোঁ। গোটেই অসমতে প্ৰৱেশ-কৰ আৰোপ ব্যৱহাৰ প্ৰক্ৰিয়া আমাৰ মতে এক উপযুক্ত ব্যৱস্থা নহয়। অসমৰ কোনো নিৰ্দিষ্ট এলেকাত কোনো সামগ্ৰী প্ৰৱেশ কৰিলে সংশ্লিষ্ট কৰ কৰ্তৃপক্ষই প্ৰৱেশ-কৰ আৰোপ কৰিব লাগে। যথাযথ কৰ আদায়ৰ ভিত্তিত গাড়ীৰ চলাচলৰ অনুমতি দিব লাগে। যদি উক্ত সামগ্ৰী অসমতে বিক্ৰী বা অসমত সংঘটিত হয়, সেইমতে শেষ ক্ৰয় বিক্ৰীৰ ওপৰত কৰ আৰোপ কৰিব লাগে। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে বিক্ৰীকৰ আইনত তেনে জমা দিয়া প্ৰৱেশ-কৰ সুবিন্যস্ত কৰাৰ ব্যৱস্থা অন্তৰ্ভুক্ত কৰা হৈছে। গতিকে প্ৰৱেশ-কৰ আইন আৰু বিক্ৰীকৰ আইন উভয়ে সম্বন্ধযুক্ত আৰু এখনে আনখনৰ লগত সমন্বয় ৰক্ষা কৰা পৰিলক্ষিত হয়। অৱশ্যে উপভোগ আৰু ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত তেনে কৰ সুবিন্যস্ত কৰা বা ঘূৰাই দিয়াৰ কোনো প্ৰশ্ন নাই। কিছুমান ব্যক্তি বা প্ৰতিষ্ঠানে নিজা স্বাৰ্থ আৰু সুবিধাৰ কাৰণে অসমৰ বাহিৰৰ পৰা বিভিন্ন সামগ্ৰী ক্ৰয় কৰি আনি অসমত উপভোগ বা ব্যৱহাৰ কৰে। অসম চৰকাৰে তেনে সামগ্ৰীৰ ক্ৰয়ৰ ওপৰত কোনো কৰ নাপায়। এনে প্ৰৱেশ-কৰ ব্যৱস্থাই ৰাজ্যখনৰ ৰাজহ আদায়ৰ ক্ষেত্ৰত সুৰক্ষা দিব বুলি আমাৰ বিশ্বাস। ইয়াৰ ফলত উক্ত ব্যক্তি বা প্ৰতিষ্ঠানসমূহে পৰৱৰ্তী কালত তেনে সামগ্ৰী অসমতেই খৰিদ কৰিব বুলি ভবাৰ যথেষ্ট থল আছে। যদি কোনো ব্যক্তি বা ব্যৱসায়ীয়ে ঘোষণা কৰে যে আমদানি কৰা কোনো সামগ্ৰী অসমৰ বাহিৰলৈ গতি কৰিব — আমাৰ মতে তেনে ব্যক্তি বা ব্যৱসায়ীক এক নিৰ্দিষ্ট অংকৰ বেংক জামিননামা দাখিল কৰিব দিয়া সমীচীন হ'ব। এইক্ষেত্ৰত উপযুক্ত প্ৰমাণ দাখিল কৰিলে উক্ত জামিননামা মুকলি কৰি দিয়া যাব পাৰে। অন্যথায় বাজেয়াপ্ত কৰা যুক্তিসংগত হ'ব। তেনেক্ষেত্ৰত প্ৰৱেশ আৰু প্ৰস্থান পৰীক্ষণ চকীসমূহ অধিক সক্ৰিয় হোৱা উচিত হ'ব।

এই লেখকে লিখা 'দ্য আছাম এণ্ট্ৰি টেক্স এক্ট ২০০০' এন ওভাৰ ভিউ'। শীৰ্ষক প্ৰবন্ধত প্ৰৱেশ-কৰ আইনত সন্নিবিষ্ট কৰা কিছুমান অসংলগ্ন আৰু অপ্ৰয়োজনীয় ব্যৱস্থা সম্বন্ধে আলোচনা কৰিছিল। (অইলফিল্ড টাইমছ ২৫/৪/২০০১)। যিহেতু প্ৰৱেশ কৰা তেনে সামগ্ৰীৰ কৰ দায়বদ্ধতা পিছলৈ অসম বিক্ৰীকৰ আইনৰ দ্বাৰা নিয়ন্ত্ৰিত হ'ব, আমাৰ মতে প্ৰৱেশ-কৰ আইনত পঞ্জীকৰণ প্ৰতিবেদন দাখিল, কৰ নিৰ্ধাৰণ ব্যৱস্থা নিষ্প্ৰয়োজনীয়ৰূপে গণ্য কৰিব পাৰি। এই কথা সকলোৱে উপলব্ধি কৰিব যে কৰ গোটসমূহৰ কাম অধিক পৰিমাণে বৃদ্ধি পাইছে। যোৱা দুই দশকৰ অধিক কাল ধৰি কোনো নতুন পদৰ সৃষ্টি হোৱা নাই। আনকি খালী পদসমূহ বহুতো ক্ষেত্ৰত পূৰণ কৰা হোৱা নাই। ফলত কৰ গোটসমূহক প্ৰৱেশ-কৰৰ অধিক বোজা জাপি দিলে সেয়া তালুকৰ সাস্তি যেনহে হ'ব। কৰ্মৰ মান হ্ৰাস পাব আৰু বিশৃংখলাভাৱহে দেখা

দিব। আমাৰ মতে কৰ গোটসমূহক তেনে দায়িত্ব প্ৰদান কৰা সমীচীন নহ'ব। প্ৰশাসনীয় দক্ষতা বাঢ়িবৰ কাৰণে এই কাৰ্যভাৰ কৰ পৰীক্ষণ চকীসমূহৰ ওপৰত ন্যস্ত কৰাহে যুক্তিসংগত হ'ব। কাৰণ প্ৰৱেশ-কৰ ব্যৱস্থা পৰীক্ষণ চকীসমূহৰহে বিষয়বস্তু। আমি ইতিপূৰ্বে আলোচনা কৰিছিলোঁ যে সংবিধানৰ ৫০ অনুচ্ছেদ অনুযায়ী কাৰ্যবাহী আৰু ন্যায়িক ব্যৱস্থাৰ পৃথকীকৰণৰ প্ৰয়োজন। কিন্তু জালুকবাৰী (গুৱাহাটী) আৰু কাবাইটাৰী (যোগীঘোপা) পৰীক্ষণ চকীৰ ক্ষেত্ৰত তেনে ব্যৱস্থা কাৰ্যকৰী কৰা হোৱা নাই। ফলত একেজন বিষয়াই কৰ পৰীক্ষণ চকীৰ কাৰ্যবাহী বিষয়া আৰু কৰ নিৰ্ধাৰক বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে — যাৰ ফলত প্ৰশাসনৰ মান হ্ৰাস পোৱা অতি স্বাভাৱিক। আমাৰ মতে সমগ্ৰ কৰ বিভাগতে এইক্ষেত্ৰত প্ৰয়োজনীয় সংস্কাৰ সাধন কৰা উচিত।

আনহাতে, অসমত মুঠ ১১ টা পৰীক্ষণ চকী আছে। কিন্তু আমি ভাবোঁ যে ৰঙিয়া-বাইহাটা চাৰিআলিৰ মাজত আৰু দেৰগাঁও-যোৰহাটৰ মাজত আৰু দুটা পৰীক্ষণ চকী স্থাপন কৰাৰ অধিক প্ৰয়োজন। তেনে পৰীক্ষণ চকীয়ে ক্ৰমে তেজপুৰ, বোমডিলা, তাৱাং আৰু উজনি অসমত সংঘটিত হোৱা কৰ ফাঁকি প্ৰক্ৰিয়া বহুখিনি প্ৰতিৰোধ কৰিবলৈ সক্ষম হ'ব।

আমাৰ কথা হৈছে, প্ৰৱেশ-কৰ যথাযথভাৱে আদায় কৰিব লাগে আৰু তাৰ বাবে অসম বিক্ৰীকৰ আদায়ৰ ব্যৱস্থা সুৰক্ষিত কৰিব লাগে। আইনগতভাৱে সংযোজন কৰা অতিৰিক্ত ব্যৱস্থাৰ কোনো প্ৰয়োজন নাই। তেনে প্ৰৱেশ-কৰ আৰোপ আৰু আদায়ৰ সুবিধাৰ্থে চৰকাৰে অসমৰ বিভিন্ন 'স্থানীয় এলেকা' চিহ্নিত কৰিব লাগে। তাৰ দ্বাৰা প্ৰৱেশ-কৰ প্ৰশাসন অধিক দক্ষতাপূৰ্ণ হ'ব। যদি কোনো ব্যক্তি, ব্যৱসায়ী বা প্ৰতিষ্ঠানে অসমত কোনো সামগ্ৰী আমদানি কৰে তেনে ব্যক্তি, ব্যৱসায়ী বা প্ৰতিষ্ঠানৰ পৰা বিতং তথ্য সম্বলিতে এক স্ব-কথিত ঘোষণা-পত্ৰ দাখিল কৰা ব্যৱস্থা প্ৰৱৰ্তন কৰিব লাগে। তেনে ঘোষণা-পত্ৰ চতুৰ্লিপিত হ'ব লাগে। যথাযথ কৰ আদায়ৰ পিছত তেনে ঘোষণা-পত্ৰ সংশ্লিষ্ট কৰ গোটৰ কৰ নিৰ্ধাৰক বিষয়ালৈ পৰৱৰ্তী কাৰ্য-ব্যৱস্থাৰ কাৰণে পঠিয়াব লাগে। বাকী ঘোষণা-পত্ৰৰ প্ৰতিলিপি এখন প্ৰৱেশ-কৰদাতাক দিব লাগে, এখন আভ্যন্তৰীণ পৰীক্ষণ চকীত দিব লাগে আৰু বাকীখন সংশ্লিষ্ট নথিত ৰাখিব লাগে। এনে ব্যৱস্থাই কামৰ বোজা লাঘৱ কৰিব বুলি আমাৰ দৃঢ়বিশ্বাস। চৰকাৰে এই বিষয়ে চিন্তা-চৰ্চা কৰিব বুলি আমি ভাবোঁ।

বিলাস-কৰ আৰোপ ব্যৱস্থা অসমত যোৱা ১/৪/১৯৯৭ তাৰিখৰ পৰা প্ৰৱৰ্তন কৰা হৈছে। বিলাস সামগ্ৰীৰ অৰ্থ হৈছে 'চৌখিন বিলাসযুক্ত সামগ্ৰী'। এই আইনখনৰ সংশোধন কাৰ্য বাৰে বাৰে সংঘটিত হৈ আছে। যোৱা বাজেটত বিড়ি, দেশৰ বাহিৰত প্ৰস্তুত কৰা খোৱাতেলসমূহ আৰু ঘিউ ওপৰত বিলাস-কৰ আৰোপ কৰাৰ প্ৰস্তাৱ উত্থাপিত কৰিছে। এই বিষয়ে আমি আমাৰ মতামত 'অসম বাজেটৰ কিছু বিসংগতিপূৰ্ণ দিশ' প্ৰবন্ধত ব্যক্ত কৰিছোঁ। ('আমাৰ অসম', ১৮/৩/২০০২) একেটা সামগ্ৰীৰ ওপৰত প্ৰথম স্তৰৰ বিক্ৰীকৰ আৰু বিলাস-কৰ আৰোপ ব্যৱস্থা কিমান ন্যায়পূৰ্ণ আৰু যুক্তিসংগত হ'ব — এই বিষয়ে চৰকাৰে পুনৰ বিবেচনা কৰিব বুলি আমি ভাবোঁ।

আমি আমাৰ যুক্তিপূৰ্ণ আলোচনাৰ দ্বাৰা এই কথাকে ক'ব বিচাৰিছোঁ যে কৰ আইনসমূহে

প্ৰণয়ন, সংশোধন ব্যৱহাৰত চৰকাৰে প্ৰয়োজনীয় নিষ্ঠা আৰু দক্ষতা প্ৰদৰ্শন কৰা নাই। ফলত আইনসমূহৰ কাৰ্যকৰী ব্যৱস্থা লোৱাৰ ক্ষেত্ৰত বহুতো প্ৰতিবন্ধকৰ সৃষ্টি হৈছে। আমি ভাবি নাপাওঁ চৰকাৰে মাছ, গাখীৰ আৰু ফুলৰ ওপৰত কৰ ব্যৱস্থা লোৱাতকৈ কিয় পৰীক্ষণ চকীসমূহৰ প্ৰশাসনিক ব্যৱস্থাৰ উন্নতি সাধন নকৰে বা বিত্তীয় সংস্কাৰ কমিটীৰ গঠনমূলক পৰামৰ্শসমূহ কাৰ্যকৰী নকৰে।

অসম আজি চৰম বিত্তীয় সংকটৰ সন্মুখত উপস্থিত হৈছে। বিষয়া-কৰ্মচাৰীসকলে মাৰ্চ মাহৰ ২২ তাৰিখলৈ দৰমহা পোৱা নাই। আন্দোলনৰ কাৰ্যসূচী হাতত লৈছে। বিত্তীয় বছৰৰ শেষহোৱাত ৰাজহ আদায় আৰু আন আন গুৰুত্বপূৰ্ণ ব্যৱস্থা গ্ৰহণত বাধাপ্ৰাপ্ত হৈছে।

যদি চৰকাৰে এই সমস্যা সমাধান কৰাত অসমৰ্থ হয়, অসমত বিত্তীয় অস্থিৰতা ঘোষণা কৰাৰ ব্যৱস্থা ল'ব লাগে। তাৰ দ্বাৰা বিত্তীয় বিশৃংখলা নিয়ন্ত্ৰিত হ'ব আৰু বিত্তীয় সংকট প্ৰশমিত হ'ব।

আমাৰ অসম

৪/৪/২০০২

## অসম চৰকাৰে লোৱা পৰৱৰ্তী পদক্ষেপ

অসম চৰকাৰে যোৱা ১/৫/২০০২ তাৰিখৰ এক সংশোধনী যোগে প্ৰথম আৰু শেষ স্তৰৰ বিক্ৰী সামগ্ৰী আমদানী কৰাৰ ক্ষেত্ৰত প্ৰৱেশ কৰ প্ৰৱৰ্তন ব্যৱস্থা প্ৰত্যাহাৰ কৰিছে। মাথো কৰ মুক্ত সামগ্ৰী কিছু ব্যৱহাৰ আৰু উপভোগৰ কাৰণে আমদানী কৰা সামগ্ৰীৰ ওপৰতহে কৰ ব্যৱস্থা অব্যাহত ৰাখিছে। ইয়াৰ ফলত উক্ত আইন প্ৰণয়নৰ উদ্দেশ্যৰ গুৰুত্ব নোহোৱা হৈছে। আনহাতে প্ৰকাশিত বাতৰি মতে অসম মন্ত্ৰী সভাই প্ৰৱেশ কৰ আইনখন পুনৰ পৰীক্ষা কৰাৰ সিদ্ধান্তও লৈছে। গতিকে অসমৰ ৰাজহ আদায়ৰ মূল উৎসত চৰকাৰে কৰ আইন প্ৰণয়ণ, প্ৰশাসন আৰু কাৰ্যকৰী ব্যৱস্থা লোৱাৰ ক্ষেত্ৰত কোনো দৃঢ়তা অৱলম্বন কৰা নাই।

# কৰফাঁকি প্ৰক্ৰিয়াৰ এটি অনুমোদিত ব্যৱস্থা

সংবিধানৰ প্ৰদত্ত ক্ষমতা অনুযায়ী ৰাজ্য চৰকাৰে কোনো কৰযুক্ত সামগ্ৰীৰ খৰিদ বা বিক্ৰীৰ ওপৰত কৰ আৰোপ ব্যৱস্থা ল'ব পাৰে। তাৰেই পৰিপ্ৰেক্ষিতত অসমত দি আসাম জেনাৰেল ছেইলছ টেক্স এক্ট (বিক্ৰী কৰ আইন) যোৱা ১/৭/৯৩ তাৰিখৰ পৰা বলবৎ কৰা হৈছে। উক্ত আইনত ব্যৱসায়ীয়ে কোনো প্ৰতিবেদন দাখিল নকৰাকৈ বা কোনো হিচাপ প্ৰদৰ্শন নকৰাকৈ এক গোট হিচাপে কৰ জমা দিয়া ব্যৱস্থাও সন্নিবিষ্ট কৰিছে। প্ৰথমতে, আইনৰ উক্ত সংশ্লিষ্ট ধাৰা কাৰ্যকৰী কৰা হোৱা নাছিল, কিন্তু যোৱা ৩১/১২/৯৪ তাৰিখৰ পৰা সেয়া বলবৎ কৰা হৈছে। সেইমতে, অসমৰ কৰ আয়ুক্ত মহোদয়ে চৰকাৰৰ অনুমোদন ক্ৰমে কোনো সামগ্ৰীৰ ওপৰত একগোট হিচাবে কৰ আদায় ব্যৱস্থা ল'ব পাৰে। গৃহাদি নিৰ্মাণ কাৰ্যৰ কাৰণে বোকাযুক্ত মাটিৰে প্ৰস্তুত কৰা ইটা এক ধৰণৰ সামগ্ৰী। ইয়াৰ প্ৰথম স্তৰৰ বিক্ৰী মূল্যৰ ওপৰত টকাত ৮ পইচা হাৰে কৰ আৰোপ ব্যৱস্থা প্ৰণয়ন কৰা হৈছিল। কিন্তু অসমৰ কৰ আয়ুক্ত মহোদয়ে চৰকাৰৰ অনুমোদন ক্ৰমে এক জাননীযোগে যোৱা ১৪/৮/৯৭ তাৰিখৰ পৰা তলত দিয়া হাৰে একগোট হিচাপে কৰ আদায়ৰ ব্যৱস্থা কৰিছে ।

(১) ২৫ পায়াযুক্ত ইটাভাটাৰ মালিকৰ ওপৰত বছৰি ৫০,০০০ টকা (২) ২১ ৰপৰা ২৪ পায়াযুক্ত ইটা ভাটাৰ মালিকৰ ওপৰত বছৰি ৪০,০০০ টকা। (৩) ২০ পায়াযুক্ত ভাটা বা তাতোকৈ তলৰ পায়াযুক্ত ইটা ভাটীৰ মালিকৰ ওপৰত বছৰি ৩০,০০০ টকা।

পায়াযুক্ত ইটা ভাটা এটি ভুল নামাকৰণ। কাৰণ ইটাৰ উৎপাদন আৰু ইটা ভাটাৰ ধাৰণ ক্ষমতা আৰু উৎপাদনৰ চক্ৰহে এই ক্ষেত্ৰত যথাযথভাৱে প্ৰযোজ্য। অৰ্থাৎ প্ৰতিটো ভাটাত কিমান ইটা একেলগে উৎপাদন কৰিব পাৰি আৰু বছৰি কিমান বাৰ তেনে ইটা উৎপাদন কৰিব পাৰি, সেয়েহে আচল হিচাব। সি যি কি নহওক, এজোটা ইটা ভাটাৰ মালিকে বছৰি সমূলায় ইটা উৎপাদনৰ ওপৰত ৫০,০০০ টকাৰ অধিক কৰ দিব নালাগে। কিন্তু আমাৰ সাধাৰণ হিচাপমতে প্ৰায়বোৰ ইটাভাটাৰ উৎপাদন ক্ষমতা প্ৰতি চক্ৰত ৩,০০,০০০ (তিনি লাখ) প্ৰতিটো ভাটাত বছৰি কমেও তিনিটা মান চক্ৰত তেনে উৎপাদন কৰা হয় অৰ্থাৎ মুঠ ৯,০০,০০০ ( ন লাখ) ইটা প্ৰস্তুত কৰা হয়। সাধাৰণতে তেনে উৎপাদনৰ শতকৰা ৬০ ভাগ প্ৰথম শ্ৰেণীৰ ইটা, ২০ ভাগ দ্বিতীয় শ্ৰেণীৰ ইটা আৰু বাকী ২০ ভাগ ভঙা ইটা (পিকেট) পোৱা যায়। গতিকে তেনে ন' লাখ ইটাৰ পৰা তলত দিয়া পৰিমাণৰ ইটা পোৱা যায়।

প্ৰথম শ্ৰেণী — ৫,৪০,০০০ = ২৫০০ টাকৈ ২১৬ ট্ৰাক
দ্বিতীয় শ্ৰেণী — ১,৮০,০০০ = ২৫০০ টাকৈ ৭২ ট্ৰাক
ভগা ইটা (পিকেট) ১,৮০,০০০ = ২৫০০ টাকৈ ৭২ ট্ৰাক।
৯,০০,০০০

প্ৰচলিত বজাৰ মূল্য হিচাপে প্ৰতি ট্ৰাক ১ম শ্ৰেণীৰ ইটাৰ মূল্য ৫৫০০ টকা, দ্বিতীয় শ্ৰেণীৰ মূল্য ৫০০০ টকা আৰু ভগা ইটাৰ মূল্য ৩০০০ টকা। গতিকে, একোটা ইটা ভাটাৰ বিক্ৰী মূল্যৰ পৰা চৰকাৰে তলত দিয়া নিৰিখত কৰ পাব লাগে —

২১৬ × ৫৫০০ = ১১,৪৪,০০০ টকা
৭২ × ৫০০০ = ৩,৬০,০০০ টকা
৭২ × ৩০০০ = ২,১৬,০০০ টকা
১৭,২০,০০০ টকা

টকাত ৮ পইচা কৰৰ হাৰ হ'লে মুঠ কৰ হয় ১,৩৭,৬০০ টকা। গতিকে, তেনে ৩,০০,০০০ উৎপাদন ক্ষমতাৰ ইটা ভাটাৰ পৰা চৰকাৰে বছৰি ৮৭,৬০০ টকা কম কৰ পাই আছে। একোজন ইটা ভাটা মালিকৰ একাধিক ভাটা কাৰ্যকৰী হোৱা পৰিলক্ষিত হয়। অৱশ্যে কিছুমান ইটা ভাটাৰ উৎপাদন ক্ষমতা ৩,০০,০০০ কমও হয়, কিন্তু সেয়া অতি নগণ্য। অসমত প্ৰায় ৫০০ টা মান ইটা ভাটা কাৰ্যকৰী হৈ আছে। তেনে ক্ষেত্ৰত চৰকাৰে প্ৰচলিত অনুমোদিত ব্যৱস্থাৰ ফলত অসম চৰকাৰে বছৰি ৬,৮৮,০০,০০০ টকা কম আদায় পাই আছে। এনে ব্যৱস্থা যোৱা ১৪/৮/৯৭ তাৰিখৰ পৰা বলবৎ হৈ আছে, ফলত চৰকাৰে ১৯৯৭-৯৮, ১৯৯৮-৯৯, ১৯৯৯-২০০০ আৰু ২০০০-২০০১ এই চাৰি বছৰে প্ৰায় ২৭,৫২,০০,০০০ টকা কম আদায় পাইছে।

সাধাৰণতে কোনো ব্যৱসায়ীৰ একগোট হিচাপে কৰ দিয়াৰ অনুমতি দিয়া হয়, যাৰ ফলত তেনে ব্যৱসায়ীয়ে কোনো হিচাব পত্ৰ ৰাখিব নালাগে বা ৰাখিলেও কৰ কৰ্তৃপক্ষক প্ৰদৰ্শন কৰিব নালাগে। কোনো প্ৰবিবৰণ দাখিল কৰিব নালাগে। কোনো ক্ষেত্ৰতো দিবলগীয়া বিক্ৰী কৰতকৈ তেনে একগোট কৰৰ হাৰ কম হ'ব নালাগে। কিন্তু দেখ দেখকৈ কৰ আযুক্ত মহোদয়ে জাননী যোগে অতি কম হাৰত তেনে একগোট কৰ আদায় ব্যৱস্থা প্ৰণয়ন কৰিছে। ১৯৯৭ চনৰ যি পৰিস্থিতি আছিল আজি ২০০১ চনত সেই পৰিস্থিতি নাই। নগৰ আৰু গাঁৱৰ ঘৰ-দুৱাৰ নিৰ্মাণ বৃদ্ধি পাইছে। আন আন উন্নয়নমূলক কামো চলি নথকা নহয়। গতিকে তেনে সামগ্ৰীৰ চাহিদা, উৎপাদন আৰু যোগান স্বভাৱতে বাঢ়িছে। ইটাৰ দামো ক্ৰমাৎ উৰ্দ্ধমুখী হৈ আছে।

আনহাতে জাননীখন আমি বিবেচনা কৰা মতে অতি ত্ৰুটীপূৰ্ণ। যদি কোনোবা ইটা ভাটাৰ মালিকে প্ৰবিবৰণ দাখিল নকৰি নাইবা হিচাপ প্ৰদৰ্শন নকৰি একগোট কৰ দিবলৈ ইচ্ছা কৰে, তেনে মালিকে আগধৰি তেনে ব্যৱস্থা গ্ৰহণৰ বাবে অনুমতি বিচাৰি আবেদন কৰাহে উচিত। কিন্তু জাননীখনৰ তেনে ব্যৱস্থা সন্নিৱিষ্ট কৰা নাই। যদি কোনোবাই উক্ত একগোট কৰ জমা দিব নোখোজে, তেওঁহে প্ৰবিবৰণ দাখিল আৰু হিচাব প্ৰদৰ্শনৰ কাৰণে অনুমতি বিচাৰিব লাগে। অৰ্থাৎ সম্পূৰ্ণ ওলোটা ব্যৱস্থা প্ৰণয়ন কৰা হৈছে। তেনে ইটা ভাটাৰ মালিকে বিক্ৰী কৰ আদায় কৰিব নে নাই সেই কথা জাননীখনত সন্নিৱিষ্ট কৰা নাই। যদি কৰে তেনে কৰ আদায়ৰ পৰিমাণ দিবলগীয়া একগোট কৰতকৈ যদি বেছি হয়, সেই টকাখিনি আইনৰ ৬৫ এ ধাৰামতে বাজেয়াপ্ত হ'ব নে নাই তাৰো কোনো উল্লেখ নাই। যদি তেনে ইটা ভাটাৰ মালিকে তেনে ইটাৰ আন্তঃৰাজ্যিক বিক্ৰী সম্পন্ন কৰে, উক্ত বিক্ৰীৰ ওপৰত কৰ আদায় কৰিব পৰা যাব নে

নাই — সেই কথাৰও কোনো উল্লেখ নাই। যিহেতু কৰ এবাৰ আদায় হৈছে পুনৰ তেনে কৰ আদায় কৰিব পৰা যাব নে নাই — তাৰ উল্লেখৰ অতি প্ৰয়োজন, কাৰণ কেন্দ্ৰীয় বিক্ৰী কৰ আইনত তেনে কৰ ৰেহাই ব্যৱস্থা নাই আৰু সেই আইনখন এক সুকীয়া ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত। তেনে ৰেহাই ক্ষেত্ৰত আইনৰ পৃথক ধাৰা প্ৰয়োগ কৰিব লাগে।

জাননীখনত কৰ আদায় নিদিলে জৰিমনা কৰা হ'ব, সুত লগোৱা হ'ব, বাকী জাই পদ্ধতিৰে বকেয়া কৰ হিচাপে আদায়ৰ ব্যৱস্থা কৰা হ'ব, ইত্যাদি কিছুমান কথা বিশদভাৱে সন্নিবিষ্ট কৰা হৈছে। কিন্তু আইনখনৰ সংশ্লিষ্ট ধাৰা অধ্যয়ন আৰু বিশ্লেষণ কৰিলে দেখা যায় যে এনে কৰ ব্যৱস্থাৰ পৰিপ্ৰেক্ষিতত আইনৰ সংশ্লিষ্ট ধাৰা প্ৰয়োগ কৰি উক্ত ব্যৱস্থা লোৱা সম্ভৱ নহয়। গতিকে, গোটেইখিনি ব্যৱস্থা ইটা ভাটাৰ মালিক সকলৰ স্বাৰ্থতহে লোৱা হৈছে। কৰ আয়ুক্ত মহোদয় বা তেতিয়াৰ শাসনাধিষ্ঠিত ৰাজ্য চৰকাৰে এনে ব্যৱস্থাৰ দ্বাৰা ৰাজ্যখনৰ ৰাজহ আদায়ৰ যে অশেষ ক্ষতি সাধন কৰিব সেই কথা বিবেচনা কৰা নাই বুলি আমাৰ অনুমান। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে, এচাম অসৎ ইটাভাটাৰ মালিকে বছৰি ব্যৱসায়ৰ পৰিবৰ্তন আনে। অৰ্থাৎ পুৰণা নাম পৰিবৰ্তন কৰি নতুন নতুন নামত ইটা ভাটা স্থাপন কৰা দেখুৱায়। ইটা প্ৰস্তুত আৰু বিক্ৰী প্ৰক্ৰিয়া অতি সাময়িক আৰু তেনে কাৰ্যকালৰ মিয়াদ ৬ মাহ মানহে। এনেক্ষেত্ৰত, সকলোখিনি কৰ ব্যৱস্থা তেনে ব্যৱসায়ীৰ হাতত এৰি দিয়াৰ ফলত চৰকাৰ কিমানখিনি লাভৱান হৈছে, তাক নথি পত্ৰইহে ক'ব। ওপৰোক্ত আলোচনা আৰু তথ্য বিশ্লেষণ কৰি এই প্ৰবন্ধৰ লিখকে তলত দিয়া প্ৰবন্ধসমূহ প্ৰকাশ কৰিছিল —

১। লাম্প ছাম টেক্স পেমেণ্ট বাই ব্ৰিক কিল্ন ওনাৰছ এ-ৰিভিউ (ওৱেল কিল্ড টাইমছ - ১০/৯/৯৯)।

২। লাম্প ছাম টেক্সেছ অন ব্ৰিক কিল্ন ওনাৰছ ছম প্ৰব্লেমছ' (ওৱেল কিল্ড টাইমছ - ২৩/৩/২০০০)।

৩। ইটা ভাটাত কৰ আৰোপ ব্যৱস্থা (আজিৰ বাতৰি ১৬/১/৯৭)

কিন্তু চৰকাৰৰ তৰফৰ পৰা উক্ত আলোচনাৰ কোনো গুৰুত্ব দিয়া হোৱা বুলি অনুভৱ নহয়।

এনে ৰেহাই ব্যৱস্থাৰ ফলত এচাম ব্যৱসায়ী বা তেওঁলোকৰ কোনো সহযোগীয়ে হয়তো উপকৃত হৈছে কিন্তু চৰকাৰে যে বছৰি কিমান টকা হেৰুৱাই আছে সেই বিষয়ে কোনো চিন্তা-চৰ্চা জানো কোনোবাই কৰিছে? অসমৰ ন্যায্য সম্পদ যদি আমি গতিশীল কৰিবলৈ অপাৰগ হওঁ আৰু অনাহকতে এনেদৰে কৰ ফাঁকি দিয়াৰ পথ দেখুৱাই দিওঁ আনক দোষ দি কি লাভ? নতুন চৰকাৰে এই বিষয়ে চিন্তা চৰ্চা কৰি তেনে কৰ ফাঁকি প্ৰক্ৰিয়াৰ অনুমোদন প্ৰত্যাহাৰ কৰিলে চৰকাৰ লাভৱান হ'ব বুলি আমাৰ বিশ্বাস।

দৈনিক জনমভূমি
২৭/৭/২০০১

# দুৰ্নীতি প্ৰতিৰোধত অসম চৰকাৰে লোৱা কাৰ্য-ব্যৱস্থা

ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়া তৰুণকৃষ্ণ কামিল্লা অৱসৰ গ্ৰহণ কৰাৰ প্ৰায় চাৰিমাহৰ অধিক কালৰ পিছত অসম চৰকাৰে ভাৰতীয় আৰক্ষী সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া নিশিনাথ চাংকোকতিক অসমৰ মুখ্য তদাৰকী আয়ুক্ত হিচাপে নিয়োগ কৰিছে। এই অন্তৰ্বৰ্তী কালছোৱাত অসমৰ মুখ্য সচিব প্ৰণৱ কুমাৰ বৰা উক্ত পদৰ দায়িত্বত আছিল যদিও নিজ কৰ্তব্যৰ গুৰুভাৰ বহন কৰি এনে অতিৰিক্ত দায়িত্ব সুচাৰুৰূপে পালন কৰা সম্ভৱ নাছিল বুলি অনুমান হয়। ফলত এই কালছোৱাত তদাৰকী কাৰ্যৰ গতিশীলতা শিথিল হোৱা সম্ভৱ আৰু পূৰ্ববৰ্তী আয়ুক্তই দাখিল কৰা তদন্ত প্ৰতিবেদনসমূহ অনুধাৱন কাৰ্যও ব্যাহত হৈছিল। যি কি নহওক, চৰকাৰে লোৱা এনে সিদ্ধান্তই তদাৰকী প্ৰক্ৰিয়াত গতিশীলতা বৃদ্ধি পাব আৰু দুৰ্নীতি প্ৰতিৰোধ ব্যৱস্থা সক্ৰিয় হ'ব বুলি আমাৰ ধাৰণা।

## অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া চাংকোকতি

নিশিনাথ চাংকোকতি আছিল ভাৰতীয় আৰক্ষী সেৱাৰ এগৰাকী নিষ্ঠাবান, সুদক্ষ বিষয়া। আৰক্ষী সঞ্চালক প্ৰধানৰ পদ দীৰ্ঘকাল অলংকৃত কৰি তেখেতে অৱসৰ গ্ৰহণ কৰিছিল। ইয়াৰ পিছত তেখেত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল আৰু আৰক্ষী সংস্কাৰ আয়োগৰ গুৰুদায়িত্ব বহন কৰিছিল। সৎ-কৰ্মক্ষম এইগৰাকী বিষয়াই কৰ্মজীৱনত বিভিন্ন ধৰণেৰে নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিছিল। এনে এগৰাকী বিষয়াক মুখ্য তদাৰকী আয়ুক্ত হিচাপে নিয়োগ কৰা কাৰ্য চৰকাৰৰ এক গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ নিদৰ্শন। আমাৰ সাধাৰণ ৰাইজৰ ধাৰণা যে এনে এজন নিভীক, দৃঢ়মনা ব্যক্তিৰ নেতৃত্বত অসমত চলি থকা অপৰিসীম দুৰ্নীতি যথেষ্ট পৰিমাণে প্ৰতিহত হ'ব। ৰাজ্যখনত এক সুস্থিৰ বাতাৱৰণৰ সৃষ্টি হ'ব।

## পূৰ্ববৰ্তী তদাৰকী আয়ুক্ত কামিল্লা

পোন প্ৰথমতে ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়া, অসমৰ প্ৰাক্তন মুখ্য সচিব তৰুণকৃষ্ণ কামিল্লা অসমৰ মুখ্য তদাৰকী আয়ুক্ত হিচাপে নিয়োজিত হৈছিল। সৎ, নিষ্ঠাবান, কৰ্মনিপুণ হিচাপে জনাজাত এইগৰাকী আয়ুক্তৰ কাৰ্যকালত বহুতো দুৰ্নীতি অভিযোগৰ তদন্ত হৈছিল আৰু জনামতে সকলো ক্ষেত্ৰতে তেখেতে এক নিৰপেক্ষ আৰু ন্যায়সঙ্গত প্ৰতিবেদন চৰকাৰৰ ওচৰত দাখিল কৰিছিল। তেনেবোৰ প্ৰতিবেদনৰ ওপৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছিল, তাক সৰ্বসাধাৰণ ৰাইজৰ জনাৰ অধিকাৰ নাই যদিও সংবাদ মাধ্যমযোগে এই কথা প্ৰায়ে প্ৰকাশ পাই থাকে যে উক্ত প্ৰতিবেদনসমূহৰ ওপৰত বাস্তৱ ক্ষেত্ৰত যথাযথ ব্যৱস্থা লোৱা হোৱা নাই। প্ৰায়বোৰ প্ৰতিবেদন বস্তাবন্দী হৈ আছে। অৱসৰ লোৱাৰ অলপ দিনৰ আগতে কামিল্লাই নৈৰাশ্য প্ৰকাশ কৰি মুখ্য তদাৰকী আয়ুক্ত গৰাকীক (অৰ্থাৎ নিজকে)

এটি সূত্ৰৰ জোৰাৰ লগত বিজোৰা কথা সংবাদ মাধ্যমযোগে প্ৰকাশ পোৱা মনত পৰে। তদাৰকী আয়ুক্তই তদন্ত কৰিব পাৰে, পক্ষপাতীত্বহীন প্ৰতিবেদন দাখিল কৰিব পাৰে, কিন্তু পৰৱৰ্তী কাৰ্য-ব্যৱস্থা লোৱাৰ দায়িত্ব চৰকাৰৰ ওপৰত ন্যস্ত। চৰকাৰৰ দৃঢ় স্থিতি আৰু বলিষ্ঠ পদক্ষেপ এনে প্ৰতিবেদনৰ অগ্ৰগতি আৰু নিষ্পত্তিৰ ক্ষেত্ৰত অতি প্ৰয়োজনীয় ব্যৱস্থা। তেঁনে প্ৰতিবেদনৰ উপযুক্ত কাৰ্যকৰী ব্যৱস্থা নল'লে তদাৰকী আয়ুক্তৰ তদন্তৰ প্ৰতিবেদন এক প্ৰহসনমূলক কাৰ্য বুলি গণ্য হ'ব আৰু তেনে পদৰ গুৰুত্ব আৰু গাম্ভীৰ্য যথেষ্টখিনি হ্ৰাস পাব।

## তদাৰকী আয়ুক্তৰ কাৰ্যৰ ধাৰা

নিশিনাথ চাংকাকতিৰ নিষ্ঠা আৰু আদৰ্শপূৰ্ণ কাৰ্য সম্বন্ধে প্ৰায় সকলোৱেই জ্ঞাত। অৱসৰ গ্ৰহণৰ পিছত তেখেতে লিখা প্ৰবন্ধসমূহৰ দ্বাৰা তেখেতৰ স্পষ্টবাদিতা আৰু প্ৰবল ব্যক্তিত্বৰ কথা প্ৰতিফলিত হয়। কিন্তু অৱসৰপ্ৰাপ্ত এই বিষয়াগৰাকীক মুখ্য তদাৰকী আয়ুক্ত হিচাপে নিয়োগ কৰাত তদাৰকী কম-কাজৰ কিবা ব্যাঘাত জন্মিব পাৰে নেকি সেয়া এক চিন্তাৰ বিষয়। কাৰণ এজন প্ৰশাসনীয় বিষয়া বা আৰক্ষী বিষয়াৰ স্থিতি আৰু কাৰ্যক্ৰমৰ যথেষ্ট ব্যতিক্ৰম দেখা দিয়া অসম্ভৱ। চাকৰিত অধিষ্ঠিত হৈ থকা তেনে বিষয়াৰ কাৰ্য-পদ্ধতি সংশ্লিষ্ট আইনৰ দ্বাৰা পৰিচালিত, নিয়ন্ত্ৰিত আৰু সংৰক্ষিত হয়। কিন্তু এজন অৱসৰপ্ৰাপ্ত বিষয়াৰ পক্ষে সংশ্লিষ্ট আইনৰ ক্ষমতা প্ৰয়োগ কৰা সম্ভৱ নহয়। ফলত বহু ক্ষেত্ৰতে তেনে আয়ুক্তই নিজাববীয়াকৈ কোনো তদন্ত কৰাত আইনগত বাধাৰ সৃষ্টি হোৱা সম্ভৱ। এই বিষয়ে চৰকাৰে এক অধ্যয়ন আৰু বিশ্লেষণ কৰা সমীচীন হ'ব বুলি আমি অনুভৱ কৰোঁ। মুখ্য তদাৰকী আয়ুক্ত হিচাপে কামিল্লাই মুখ্য সচিব পৰ্যায়ৰ পদত অধিষ্ঠিত থাকি যি গতিৰে কাৰ্যনিৰ্বাহ কৰিছিল, সেয়া চাংকাকতিৰ ক্ষেত্ৰত কিমানখিনি সম্ভৱ হ'ব সেয়া প্ৰকৃততে এক বিচাৰ্য বিষয়।

## তদন্ত আয়োগ আৰু তদাৰকী আয়ুক্ত

চৰকাৰে নিৰ্দিষ্ট কোনো তদন্তৰ বাবেহে তদন্ত আয়োগ গঠন কৰে। তেনে তদন্ত আয়োগৰ ওপৰত বিশেষ ক্ষমতা ন্যস্ত কৰা হয়। অসম চৰকাৰে নিয়োগ কৰা মুখ্য তদাৰকী আয়ুক্তগৰাকীয়ে বিভিন্ন ধৰণৰ উত্থাপিত অভিযোগসমূহ তদন্ত কৰিব লাগে। কোনো নীতি-বহিৰ্ভূত আৰু দুৰ্নীতিপূৰ্ণ অভিযোগৰ ওপৰত তদন্ত কৰিব লাগে। গতিকে আয়োগ আৰু আয়ুক্তৰ কৰ্ম-পদ্ধতি স্বতন্ত্ৰ ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত হয়। উভয়ৰে স্থিতি আৰু কাৰ্যক্ৰমৰ সুকীয়া বৈশিষ্ট্য আছে। অৱসৰপ্ৰাপ্ত বিষয়া এগৰাকীৰ কাৰ্যক্ৰম সম্পাদনৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ আসোঁৱাহৰ সৃষ্টি হোৱা স্বাভাৱিক কথা। এইক্ষেত্ৰত চৰকাৰে এক বাস্তৱ দৃষ্টিভংগী লৈ অগ্ৰসৰ হোৱা সমীচীন হ'ব। যদি এজন অৱসৰপ্ৰাপ্ত বিষয়াৰ পক্ষে তেনে কাৰ্যনিৰ্বাহ সম্ভৱ হ'লহেঁতেন, তেনেহ'লে চৰকাৰে কামিল্লাৰ অৱসৰৰ পিছত পুনৰ সেই পদত নিয়োগ কৰিলেহেঁতেন। যি কি নহওক, চাংকাকতিৰ দৰে এজন সুযোগ্য বিষয়াই যাতে এনে এক গুৰুত্বপূৰ্ণ পদবীত কাৰ্যনিৰ্বাহ কৰাৰ ক্ষেত্ৰত কোনো বাধাৰ সন্মুখীন নহয়, সেই বিষয়ে চৰকাৰৰ দৃষ্টিভংগী সুস্পষ্ট কৰা উচিত হ'ব।

## দুৰ্নীতিৰ প্ৰকোপ আৰু সম্প্ৰসাৰণ

সম্প্ৰতি ৰাজ্যখনত দুৰ্নীতিৰ ক'লা ডাৱৰে আৱৰি পেলাইছে। যিফালেই চোৱা যায়,

শিপিনেই দুৰ্নীতিৰ ক'লা ডাৱৰ। দুৰ্নীতিৰ প্ৰকোপে জনজীৱন বিপন্ন কৰি তুলিছে। অৱশ্যে দুৰ্নীতিৰ সংজ্ঞা বিশ্লেষণ কৰিলে দেখা যায় যে ই কেৱল আৰ্থিক লেনদেনৰ দুৰ্নীতিত সীমাবদ্ধ নহয়। নৈতিকতাৰ স্খলন, অসামাজিকতা, ব্যভিচাৰ, ৰাজনৈতিক ভ্ৰষ্টাচাৰ আদি বিভিন্ন স্তৰত এনে দুৰ্নীতিৰ প্ৰভাৱ সম্প্ৰসাৰিত। দুৰ্নীতি আজি এক সংক্ৰামক ব্যাধিৰূপে পৰিগণিত হৈছে। ইয়াৰ মূল শিপা বহু তললৈ গতি কৰিছে। শাখা-প্ৰশাখাসমূহ কৰ্কটৰোগৰ মাখুৰ নিচিনাকৈ চাৰিওফালে বিস্তাৰিত হৈছে। ক'লা ধনৰ প্ৰভাৱে মানুহক অতীত জীৱনৰ কথা পাহৰি যাবলৈ বাধ্য কৰিছে। অহংকাৰ আৰু গৰিমাৰ শীৰ্ষবিন্দুত উপনীত হৈছে। যশৰ শিখৰত আৰোহণ কৰাৰ মূল উপাদানসমূহক ভৰিৰে মোহাৰি পেলাবলৈকেও সংকোচ কৰা নাই। গতিকে দুৰ্নীতিৰ সম্প্ৰসাৰণ দ্ৰুতগতিত হৈ আছে। ইয়াৰ অৱনতি ক'ত আৰু কেতিয়া হ'ব সেই কথা কোৱা টান।

## তদাৰকী আয়ুক্তৰ দায়িত্ব

পূৰ্বতে মুখ্য তদাৰকী আয়ুক্ত কামিল্লাই দিয়া জাননী মতে মুখ্য আয়ুক্তগৰাকীৰ কাৰ্য হৈছে সম্ভাব্য নীতি বহিৰ্ভূত কাৰ্য আৰু দুৰ্নীতিৰ বিৰুদ্ধে সজাগ দৃষ্টি আৰু তেনে কাৰ্য ৰোধ বা হ্ৰাস কৰাৰ বাবে সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰা। তেনেক্ষেত্ৰত কোনো দুৰ্নীতি অভিযোগৰ তদন্ত আৰু তদন্তৰ ভিত্তিত যথাযথ ব্যৱস্থাৰ কাৰণে চুপাৰিছ অতি প্ৰাসংগিক কাৰ্য বুলি গণ্য হয়। যদি তেনে প্ৰতিবেদনৰ ওপৰত চৰকাৰে দৃষ্টান্তমূলক ব্যৱস্থা গ্ৰহণ কৰে, তেতিয়াহ'লে উক্ত তদাৰকী আয়ুক্তৰ গুৰুত্ব আৰু গাম্ভীৰ্য বৃদ্ধি হ'ব আৰু বৰ্তমানে সংঘটিত হোৱা দুৰ্নীতিৰ প্ৰকোপ বহুখিনি হ্ৰাস পাব। যদি কোনো ক্ষেত্ৰত চৰকাৰে তেনে তথ্যপূৰ্ণ প্ৰতিবেদনৰ ওপৰত যথাযথ মূল্যায়ন নকৰি নিজৰ দুৰ্বলতা প্ৰদৰ্শন কৰে, তেনেহ'লে তেনে তদাৰকী আয়ুক্তৰ নিয়োগ এক ভেকোভাওনাৰূপ বুলি পৰিগণিত হ'ব। আমি ভাবোঁ যে চৰকাৰে এইক্ষেত্ৰত যথেষ্ট সতৰ্কতা অৱলম্বন কৰিব।

সৃষ্টিকালৰে পৰা পৃথিৱীত দুৰ্নীতিমূলক কাৰ্য প্ৰচলিত হৈ আছে। ক্ষমতাৰ লিপ্সা, নৈতিকতাৰ স্খলন আৰু আৰ্থিক লাভালাভ আদিয়ে দুৰ্নীতিৰ মূল কাৰণ।

ইয়াৰ উপৰি আনুষংগিক উপাদানসমূহো আছে। মহাভাৰতৰ যুগত কুৰু-পাণ্ডৱৰ যুদ্ধ, ক্ষমতাৰ লোভ, আৰ্থিক লাভালাভ আদিৰ পৰিপ্ৰেক্ষিতত সংঘটিত হৈছিল। মোগল যুগত ঔৰংজেৱে ক্ষমতাৰ লোভ আৰু আৰ্থিক লাভালাভৰ স্বাৰ্থত নিজ পিতৃক আজীৱন বন্দী কৰি থৈ, ভাই-ককাইসমূহৰ জীৱন নাশ কৰি ক্ষমতাত অধিষ্ঠিত হৈছিল। আহোমৰ দিনত ল'ৰা ৰজাই নিজ সিংহাসন সুৰক্ষা কৰিবলৈ ৰাজবংশৰ কোঁৱৰসকলক অংগক্ষত কৰি নিষ্কণ্টক হ'বলৈ প্ৰচেষ্টা চলাইছিল। স্বৰাজোত্তৰ কালতো ক্ষমতা লোভৰ কাৰণে বিভিন্ন ধৰণৰ ৰাজনৈতিক অপৰাধ আৰু দুৰ্নীতিৰ অবাধ গতিৰ কথা অভিলেখ প্ৰায়ে সংবাদ মাধ্যমযোগে প্ৰকাশ পাই থকা দেখা যায়। এই বিষয়ে আলোচনা কৰাৰ প্ৰয়োজন নাই।

## দুৰ্নীতিৰ উৎস ক'ত?

প্ৰকৃততে দুৰ্নীতিৰ উৎস ক'ত? এই সত্য নিৰূপণ কৰিবলৈ হ'লে বহুতো বিষয় চালি-জাৰি চোৱা সংগত হ'ব। দুৰ্নীতিৰ ক্ষেত্ৰত অকল বিষয়া-কৰ্মচাৰীক দোষ দিলেই নহ'ব।

ৰাজনৈতিক আশীৰ্বাদ অবিহনে দুৰ্নীতিৰ এনে মুক্ত বিকাশ লাভ সম্ভৱ নহয়। ইয়াত উচ্চপৰ্যায়ৰ ব্যক্তি জড়িত থাকে। কিন্তু তেওঁলোকৰ কাৰ্যক্ৰম আবৃত হৈ থাকে। ফলত বিষয়া-কৰ্মচাৰীসকলে সাহসিক পদক্ষেপেৰে মুক্তভাৱে দুৰ্নীতি কাৰ্যত লিপ্ত হ'ব পাৰে। এনেক্ষেত্ৰত তেনে অনুসন্ধান বা তদাৰকী ব্যৱস্থা অকল বিষয়া-কৰ্মচাৰীৰ মাজত সীমাবদ্ধ নাৰাখি এনে ব্যৱস্থা অধিক সম্প্ৰসাৰণৰ প্ৰয়োজন। এনে দৃঢ় ব্যৱস্থা অচিৰে গ্ৰহণ নকৰিলে সাধাৰণ ব্যক্তিৰ নৈতিক স্খলনতাৰ অগ্ৰগতি লাভ কৰিব, সামাজিক জীৱনত অধিক বিপৰ্যয়ৰ সৃষ্টি হ'ব। এক শ্ৰেণীৰ লোকে ক'লা ধনৰ প্ৰভাৱত প্ৰভুত্ব লাভ কৰিব আৰু বহুসংখ্যক লোকৰ দুখ-কষ্ট বুজাই-পাচিয়ে মৰবা হ'ব।

## মুখ্য তদাৰকী আয়ুক্তৰ ক্ষমতা

মুখ্য তদাৰকী আয়ুক্তৰ জাননী মতে মুখ্য সচিব, বিভাগীয় মুৰব্বী, কাৰ্যালয়ৰ মুৰব্বীসকল নিজ নিজ পৰ্যায়ত একোজন তদাৰকী বিষয়া। এই ব্যৱস্থা সম্বন্ধে আমাৰ মতভেদ আছে। কাৰণ এজন মুৰব্বীয়ে নিজৰ অধীনস্থ বিষয়া বা কৰ্মচাৰীক সাধাৰণতে সুৰক্ষা দিয়া প্ৰয়োজনীয় কাম বুলি সদায় অনুভৱ কৰিব। এনে কথাও অসম্ভৱ নহয় যে তেনে তদাৰকী বিষয়া নিজেও তেনে দুৰ্নীতিমূলক কামৰ লগত জড়িত। গতিকে এনেক্ষেত্ৰত সু-তদন্ত বাধাগ্ৰস্ত হোৱা স্বাভাৱিক কথা। আমি অনুভৱ কৰোঁ যে তদাৰকী আয়ুক্তৰ এক স্বতন্ত্ৰ সত্তা থাকিব লাগে। উক্ত সংগঠনক এক স্বায়ত্তশাসনৰ মৰ্যাদা দিব লাগে, যাতে কোনো ৰাজনৈতিক হেঁচা বা আন কোনো ধৰণেৰে তেওঁলোক প্ৰভাৱান্বিত হোৱা সম্ভৱ নহয়। আমাৰ মতে, তেনে তদন্তৰ নিৰপেক্ষতা আৰু ন্যায়পৰায়ণতা ৰক্ষাৰ স্বাৰ্থত আন আন তদাৰকী বিষয়া মুখ্য তদাৰকী আয়ুক্তৰ অধীনত সংস্থাপিত কৰিব লাগে, যাতে তেনে তদাৰকী প্ৰক্ৰিয়া বাধাহীনভাৱে সমাধা হোৱা সম্ভৱ হয়।

অসম আজি চৰম বিত্তীয় সংকটত ভুগিছে। এনেক্ষেত্ৰত একাংশ ব্যক্তিৰ দুৰ্নীতিপূৰ্ণ কাৰ্যই অৰ্থনৈতিক উন্নয়নত বাধাৰ সৃষ্টি কৰিছে। আমাৰ অনুৰোধ — এই বিষয়ে চৰকাৰ সজাগ হওক, যাতে কলংকপূৰ্ণ নীতি আৰু কাৰ্যসমূহৰ অবাধ প্ৰচলন অচিৰে ওৰ পৰে।

আম্‌ছু অসম

১৯/৭/২০০২

# কৰ ৰেহাই দিয়াৰ আচল উদ্দেশ্য কি?

কৰ আৰোপ ব্যৱস্থা চৰকাৰৰ ৰাজহ আদায়ৰ এটি মূল উৎস। আৰোপিত কৰ যথাযথভাৱে আদায় দিয়াটো কৰদাতাসকলৰ এটি মহান দায়িত্ব। ন্যায্য কৰ আদায়ে ৰাজ্যখনৰ বিত্তীয় সুস্থিৰতা ৰক্ষা কৰে। চৰকাৰৰ গঠনমূলক উন্নয়ন আঁচনিসমূহ বাস্তৱত ৰূপায়িত কৰাত সহায় কৰে। কোনো কৰ আৰোপ ব্যৱস্থা গ্ৰহণ কৰাৰ আগতে বিভিন্ন দিশৰ পৰা অধ্যয়ন, বিশ্লেষণ আৰু পৰ্যালোচনা কৰা অতি প্ৰয়োজন। আইন প্ৰণয়ন কৰিবলৈ সাংবিধানিক বৈধতা আৰু সংশ্লিষ্ট আৰু সংক্ৰান্তীয় আইনৰ অনুমোদন আৰু ন্যায়িক ভিত্তিত কাৰ্যকৰী ব্যৱস্থা অৱলম্বন সম্বন্ধে এটি পৰীক্ষা-নিৰীক্ষাৰ অতি প্ৰয়োজন। ইংৰাজসকলে প্ৰবৰ্তন কৰা বহু আইন এতিয়াও সৰ্বভাৰতীয় শাসনযন্ত্ৰ আৰু ৰাজ্যিক শাসনযন্ত্ৰবোৰে অব্যাহত ৰাখিছে। সেই সকলোবোৰ আইন ইমান পূৰ্ণাংগ আৰু ত্ৰুটীমুক্ত যে স্বাধীনতা লাভৰ আজি ৫৪ বছৰ পিছতো যথাযথভাৱে কাৰ্যকৰী হৈ আছে। কিন্তু অভিজ্ঞতাৰ পৰা দেখা যায় যে স্বাধীনোত্তৰ কালত প্ৰণয়ন কৰা বহুতো আইন ন্যায়ালয়ত প্ৰত্যাহ্বানৰ সন্মুখীন হয় আৰু ন্যায়ালয়ে বহুতো ক্ষেত্ৰত তেনেবোৰ আইনৰ বৈধতা সম্বন্ধে প্ৰতিকূল ৰায়দান কৰি অস্থিৰতাৰ সৃষ্টি কৰে। ইয়াৰ কাৰণ বিশ্লেষণ কৰিলে দেখা যায় যে আইনবোৰৰ প্ৰণয়ন ব্যৱস্থা লোৱাৰ আগতে অতি সূক্ষ্মভাৱে বিচাৰ আৰু পৰ্যালোচনা কৰা নহয়। উল্লেখযোগ্য যে আজি অলপ দিনৰ আগতে উচ্চতম ন্যায়ালয়ে আয়কৰ আইনৰ এটি বিধি সম্বন্ধে প্ৰতিকূলে ৰায়দান কৰিছে। অকল সেয়ে নহয়, গুৱাহাটী উচ্চ ন্যায়ালয়ে ১৯৯১ চনৰ ঔদ্যোগিক আঁচনিখনৰ প্ৰতিকূলেও ৰায়দান কৰিছে।

কৰ আৰোপ ব্যৱস্থা যেনেদৰে ৰাজহুৱা বৃহত্তৰ স্বাৰ্থৰ পৰিপ্ৰেক্ষিতত লোৱা হয়, কৰ ৰেহাই ব্যৱস্থাও তেনেদৰে ৰাজহুৱা স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি অৱলম্বন কৰা হয়। কিন্তু আজি কিছুদিনৰ পৰা লক্ষ্য কৰি অহা হৈছে যে, কৰ ৰেহাই ব্যৱস্থাত ৰাজহুৱা স্বাৰ্থ বিশেষভাৱে জড়িত নাথাকে, ব্যৱসায়ী বা ব্যক্তিগতৰ স্বাৰ্থইহে প্ৰাধান্য লাভ কৰে। যদি তেনে ৰেহাই ব্যৱস্থাই সাধাৰণ ৰাইজক উপকৃত কৰে, সেয়া সকলোৰে আদৰণীয়, কিন্তু যদি ব্যক্তিগত স্বাৰ্থৰ প্ৰভাৱত তেনে কাৰ্য সম্পন্ন হয়, সেয়া ৰাইজৰ মনোগ্ৰাহী নহয়, ফলত চৰকাৰ সমালোচনাৰ সন্মুখীন হয়। আজি এক দশকৰ অধিক দিন ধৰি এটা কথা লক্ষ্য কৰি অহা হৈছে যে চৰকাৰে বিভিন্ন চিন্তা-চৰ্চাৰ ফলত কোনো সামগ্ৰীৰ ওপৰত কৰ ব্যৱস্থা আৰোপ কৰে। কিন্তু হঠাতে অলপ দিনৰ পিছত তেনে কৰ ব্যৱস্থা বিলোপ কৰে বা কৰৰ হাৰ হ্ৰাস কৰে। এই বিষয়ে যোৱা ১৯৮৮-৮৯ চনৰ পৰা ২০০০ চনৰ জানুৱাৰী মাহলৈ লোৱা ব্যৱস্থাৱলী অতি তাৎপৰ্যপূৰ্ণ। যদি ৰাজহুৱা স্বাৰ্থতে তেনে ব্যৱস্থা লোৱা হৈছিল, কাৰ স্বাৰ্থত তেনে কৰ ৰেহাই বা হ্ৰাস ব্যৱস্থা লোৱা হ'ল। যদি ব্যক্তিগত বা ব্যৱসায়ীৰ প্ৰভাৱত তেনে কাম কৰা হৈছিল, ৰাইজৰ ওচৰত চৰকাৰে দিব লগীয়া কৈফিয়ৎ কি? ৰাজহুৱা স্বাৰ্থ এনেক্ষেত্ৰত ব্যাহত হোৱা অতি স্বাভাৱিক কথা।

যোৱা ১/৭/৯৩ তাৰিখৰ আগলৈকে কৰ আৰোপ, কৰ ৰেহাই আৰু কৰৰ হ্ৰাস আদি ব্যৱস্থা ৰাজ্য বিধানসভাৰ এক্তিয়াৰত আছিল। তেনে ব্যৱস্থা লোৱাৰ আগতে বিতৰ্কৰ সৃষ্টি হৈছিল। বিধানসভাত গৃহীত হোৱাৰ পিছতহে তেনে ব্যৱস্থাৱলী কাৰ্যকৰী কৰা সম্ভৱ হৈছিল। কিন্তু যোৱা ১/৭/৯৩ তাৰিখৰ পৰা ৰাজ্যখনত প্ৰচলিত চাৰিখন বিক্ৰী আৰু ক্ৰয় আইনবোৰ সংযুক্ত আৰু একত্ৰিত আইন একখনলৈ ৰূপান্তৰিত হোৱাৰ পিছত তেনে ক্ষমতা ৰাজ্য চৰকাৰে প্ৰয়োগ কৰিব পাৰে। আইনৰ কোনো এক অনুসূচীৰ সামগ্ৰী আন এক অনুসূচীলৈ স্থানান্তৰিত কৰিবলৈ ৰাজ্য চৰকাৰক ক্ষমতা প্ৰদান কৰা হৈছে। যদিও তেনে ব্যৱস্থা অৱলম্বন কৰাৰ পিছত বিধানসভাৰ অনুমোদনৰ প্ৰয়োজন, গতানুগতিকভাৱে তেনে প্ৰক্ৰিয়াত বিধানসভাৰ অনুমোদন লাভ কৰি আছে বুলি আমাৰ ধাৰণা। অৰ্থাৎ তেনে ব্যৱস্থা অৱলম্বনৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে প্ৰাধান্য লাভ কৰিছে। দ্য আচাম জেনেৰেল চেইলচ্ টেক্স এক্ট (১৯৯৩) মতে, ক্ৰয় আৰু বিক্ৰীৰ ওপৰত কৰ ৰেহাই ব্যৱস্থা এনে ধৰণেৰে সন্নিবিষ্ট কৰা হৈছে —

১। আইনৰ ৯(১) ধাৰা মতে প্ৰথম অনুসূচীত বৰ্ণিত সামগ্ৰীৰ পূৰ্ণ বা চৰ্তসাপেক্ষে কৰ ৰেহাই।

২। আইনৰ ৯(৩) ধাৰামতে ৰাজ্য চৰকাৰে প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি জাননীযোগে কোনো ব্যৱসায়ীৰ বা কোনো সামগ্ৰীৰ ওপৰত কৰ হ্ৰাস বা কৰ ৰেহাই ;

৩। আইনৰ ৯(৪) ধাৰা মতে, ঔদ্যোগিক বিকাশৰ ক্ষেত্ৰত চৰকাৰে ঘোষণা কৰা উদ্যোগ নীতিৰ পৰিপ্ৰেক্ষিতত আঁচনি প্ৰস্তুত কৰি কেঁচা সামগ্ৰীৰ খৰিদ আৰু প্ৰস্তুত সামগ্ৰীৰ বিক্ৰীৰ ওপৰত আঁচনিত বৰ্ণিত ব্যৱস্থা অনুযায়ী কৰ ৰেহাই ;

৪। আইনৰ ১৩ বিধিত উল্লেখিত সামগ্ৰীৰ ওপৰত কৰ ৰেহাই।

ইয়াৰ বাহিৰে কৰ ৰেহাই বা কৰৰ হাৰ হ্ৰাস কৰাৰ আন ব্যৱস্থা নাই।

**লেপনযুক্ত বোৱা কাপোৰৰ (Coated Cotton Fabric) ওপৰত কৰ ৰেহাই :**

প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে অসমৰ কৰ আয়ুক্তই যোৱা ২৩/১/৯৮ তাৰিখে টি টি এছ ১১/৯৭/৩০১ চিঠিৰ যোগে অসমৰ কৰ বিষয়াসকললৈ এটি নিৰ্দেশ জাৰি কৰিছিল। উক্ত নিৰ্দেশত উল্লেখ কৰা হৈছিল যে লেপনযুক্ত বোৱা কাপোৰৰ ওপৰত অতিৰিক্ত আবকাৰী শুল্ক আৰোপ ব্যৱস্থা আছে। গতিকে তেনে সামগ্ৰীৰ ওপৰত বিক্ৰী কৰ আৰোপ নহয়। এই কথাত আমিও একমত যে যিবোৰ সামগ্ৰীৰ ওপৰত অতিৰিক্ত আবকাৰী শুল্ক আৰোপৰ ব্যৱস্থা আছে তাত বিক্ৰী কৰ আৰোপ কৰিব পৰা নাযায়। কিন্তু তেনে ৰেহাই ব্যৱস্থা আইনৰ প্ৰথম অনুসূচীত যথাযথভাৱে উল্লেখ থাকিব লাগিব। সকলো ধৰণৰ বোৱা কাপোৰ, ধঁপাত আৰু ধঁপাতৰ পৰা উৎপাদিত সামগ্ৰীৰ ওপৰত অতিৰিক্ত আবকাৰী শুল্ক উক্ত সামগ্ৰী সমূহক আইনৰ প্ৰথম অনুসূচীৰ ১ আৰু ৩৮ নং ক্ৰমিকত কৰ ৰেহাই সামগ্ৰী হিচাপে লিপিবদ্ধ কৰা হৈছে। কিন্তু লেপনযুক্ত বোৱা কাপোৰ কোনো এক নিৰ্দিষ্ট সামগ্ৰী নহয়, এই বিষয়ে আইনৰ প্ৰথম অনুসূচীত কোনো উল্লেখ নাই, চৰকাৰে আইনৰ ৯(৩) ধাৰা মতে ৰেহাইৰ কোনো জাননী দিয়া নাই, আইনৰ ১৩ বিধিতো কৰ ৰেহাইৰ তেনে কোনো ব্যৱস্থা নাই। গতিকে বিষয়

'ভিত্তিত কৰ ৰেহাই ব্যৱস্থা প্ৰযোজ্য কৰা হ'ল? আইনৰ কৰ্তৃত্ব নহ'লে কোনো কৰ ৰেহাই ব্যৱস্থা সম্ভৱ নহয়। লেপনযুক্ত বোৱা কাপোৰ বুলিলে আমি ভবা মতে ৰেক্সিন, ত্ৰিপাল, ৰাতিৰ ধুক কাপোৰ আদি সামগ্ৰীও বুজায়। কিন্তু তেনেবোৰ সামগ্ৰীৰ ওপৰত উল্লেখ কৰা মতে, কোনো কৰ ৰেহাই ব্যৱস্থা নাই। এনেক্ষেত্ৰত কৰ আয়ুক্তৰ ২৩/৯/৯৮ তাৰিখৰ নিৰ্দেশ অপ্ৰাসঙ্গিক আৰু আইনৰ ভিত্তিত প্ৰতিষ্ঠিত নহয়। গতিকে এই নিৰ্দেশৰ ভবিষ্যতে এচাম অসৎ ব্যৱসায়ীয়ে কৰ ৰেহাইৰ বিশেষ সুবিধা উপভোগ কৰাৰ আঁচনি ল'ব পাৰে। ফলত ৰাজ্য চৰকাৰৰ এক বুজন পৰিমাণৰ কৰ ফাঁকি প্ৰক্ৰিয়া অৱলম্বন কৰা অসম্ভৱ নহয়। আমাৰ ধাৰণা মতে কৰ আয়ুক্তৰ উক্ত চিঠি ব্যৱসায়ীসকলৰ কাৰণে এক অঙ্কবিহীন চেক স্বৰূপে পৰিগণিত হৈছে আৰু এক শ্ৰেণীৰ ব্যৱসায়ীয়ে ইয়াৰ দ্বাৰা কৰ ফাঁকি দিয়াৰ সুযোগ উপভোগ কৰিব পৰা সম্ভৱ হৈছে।

এইমৰ্মে, এই লিখকে লিখা প্ৰবন্ধ 'ইন লজ ইণ্টাৰেষ্ট ইন্স টেক্স একজেমটেড্ ফৰ কোটেড কটন ফেব্ৰিক' উল্লেখযোগ্য। (অইল ফিল্ড টাইমছ ২১/২/২০০০)। ৰাজ্য চৰকাৰে এই আলোচনাত গুৰুত্ব প্ৰদান কৰি তেনে কৰ ৰেহাই দিয়া বিজ্ঞপ্তিখন প্ৰত্যাহাৰ কৰা সমীচীন হ'ব বুলি আমি ভাবো। কাৰণ সদ্যহতে প্ৰচলিত আইনৰ গাঁথনি অনুযায়ী ইয়াৰ কোনো বৈধতা নাই।

## মৰাপাটৰ শেষ বিক্ৰীৰ ওপৰত কৰ ৰেহাই ব্যৱস্থা

ভাৰতীয় সংবিধানৰ ২৮৬(১)(ক) অনুচ্ছেদ মতে, কেন্দ্ৰীয় চৰকাৰে দ্য চেণ্ট্ৰেল চেল্‌ছ টেক্স এক্টৰ (১৯৫৬) ১৪ ধাৰাত কিছুমান সামগ্ৰীক আন্তঃৰাজ্যিক বেহা-বেপাৰৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ সামগ্ৰী বুলি ঘোষণা কৰিছে। উক্ত আইনৰ ১৫(এ) ধাৰা মতে, চৰকাৰে তেনেধৰণৰ সামগ্ৰীৰ ওপৰত এবাৰহে কৰ আৰোপ কৰিব পাৰে আৰু তেনে বস্তুৰ ক্ৰয় বা বিক্ৰী মূল্যৰ ওপৰত টকাত ৪ পইচাৰ অধিক কৰৰ হাৰ হ'ব নালাগে। আইনৰ ১৫(বি) ধাৰাত পুনৰ কোৱা হৈছে যে যদি কোনো ব্যৱসায়ীয়ে ক্ৰয় বা বিক্ৰীৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ বিক্ৰী কৰ আইনত কৰ জমা দিয়ে আৰু পিছলৈ তেনে সামগ্ৰীৰ আন্তঃৰাজ্যিক বিক্ৰী সম্পন্ন হয় আৰু কৰ জমা দিয়া যায়, তেনেহ'লে যথাযথ আবেদনৰ ভিত্তিত ৰাজ্যিক কৰ ঘূৰাই দিব লাগে।

'মৰাপাট' এটি তেনে ঘোষিত গুৰুত্বপূৰ্ণ সামগ্ৰী। কিন্তু মাৰাপাটৰ কৰ আৰোপৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে এটি বিপৰীত নীতিহে অৱলম্বন কৰিছে। দ্য আসাম জেনেৰেল চেল্‌ছ টেক্স ৰুলছৰ ১৩(৮) বিধি মতে যদি কোনো মৰাপাট ব্যৱসায়ীয়ে আন্তঃৰাজ্যিক বিক্ৰী সম্পন্ন কৰে আৰু কৰ জমা দিয়ে, তেনেহ'লে উপযুক্ত প্ৰমাণৰ ভিত্তিত ক্ৰয় বা বিক্ৰীৰ ওপৰত ৰাজ্য চৰকাৰক কোনো কৰ জমা দিব নালাগে। উক্ত বিধিয়ে কেন্দ্ৰীয় আইনৰ ১৫(এ) আৰু ১৫(বি) ধাৰা উলংঘন কৰিছে বুলি আমাৰ ধাৰণা।

আনহাতে, মৰাপাটৰ গাড়ীৰ চলাচলৰ ওপৰত কৰ আয়ুক্তই এটি আমানত ধন আদায়ৰ নিৰ্দেশ দিয়ে। তেনে আমানত ধন মৰাপাটৰ ওজন বা ক্ৰয় বা বিক্ৰী মূল্যৰ ওপৰত নয়, প্ৰতিগাড়ী মৰাপাটৰ ওপৰত কি আইনৰ ভিত্তিত আৰু কিহৰ ওপৰত (ক্ৰয় নে বিক্ৰীৰ ওপৰত) তেনে আমানত ধন আদায়ৰ ব্যৱস্থা কৰিছে জনা নাযায়।

প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে তেনে আমানত ধন আদায়ৰ নিৰ্দেশ উপযুক্ত শুনানিৰ ভিত্তিত আৰু উপযুক্ত কাৰণ দৰ্শাই কৰ অধীক্ষকেহে (কৰ নিৰ্ধাৰণ কৰা বিষয়া) দিব পাৰে — আন কৰ্তৃপক্ষৰ এক্তিয়াৰত নাই। প্ৰচলিত ব্যৱস্থা মতে, তেনে মবাপাটৰ প্ৰতিগাড়ীৰ ওপৰত একোখন বেংক ড্ৰাফট্ লৈ চলাচলৰ অনুমতি দিয়া হয়। এই বিষয়ে নিৰ্দিষ্ট পঞ্জীকৃত ব্যৱসায়ীৰ দায়বদ্ধতা যথাযথ কৰ জমা দিয়াৰ প্ৰশ্নত সঠিককৈ নিৰ্ণয় কৰা টান। বহুতো ক্ষেত্ৰত দেখা যায় যে প্ৰকৃত মবাপাট ব্যৱসায়ী মফচল পৰা আঁতৰ হৈ থাকে আৰু ভুৱা নামত বেংক ড্ৰাফট্ জমা দি গাড়ী চলাচল কৰে আৰু প্ৰকৃত দায়বদ্ধতা এৰাই চলে। কৰ আদায় প্ৰক্ৰিয়া এক ন্যায়িক কাৰ্যক্ৰম। এনে ধৰণৰ কাৰ্য-ব্যৱস্থাই চৰকাৰৰ ৰাজহ আদায় প্ৰক্ৰিয়াত যথেষ্ট ক্ষতি সাধন কৰে বুলি বহুতে ভাবে।

এই বিষয়ে এই লিখকৰ অভিব্যক্তি 'টেক্স একজাম্পচন অন জুট লিডিং টু লচ অব্ ষ্টেটছ ৰেভিনিউ' নামৰ প্ৰবন্ধত প্ৰকাশ পাইছে। (অইল কিল্ড টাইমছ, ২৭/৯/৯৯)।

চৰকাৰে উক্ত কেন্দ্ৰীয় আইনৰ লগত সংগতি ৰাখি আইনৰ ১৩(৮) বিধিৰ সংশোধনী ঘটাই এটি বিহিত ব্যৱস্থা লোৱা প্ৰয়োজন বুলি আমি ভাবো।

## ৰ' পেট্ৰ'লিয়াম কোক্ আৰু কেলছাইনড্ পেট্ৰ'লিয়াম কোক্

দ্য চেণ্ট্ৰেল চেলছ টেক্স এক্ট'ৰ ১৪ ধাৰাৰ (১) এ দফা মতে, সকলো ধৰণৰ কয়লা আৰু কোক (পোৰা কয়লা) আন্তঃৰাজ্যিক বিক্ৰীৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ সামগ্ৰী বুলি ঘোষণা কৰা হৈছে। ৰ' পেট্ৰ'লিয়াম কোক্ খাৰুৱা তেলৰ পৰা পেট্ৰ'লজাত সামগ্ৰী প্ৰস্তুত কৰোঁতে পোৱা যায়। এই সামগ্ৰীক আকৌ কেলছাইনড্ পেট্ৰ'লিয়াম কোক্ প্ৰস্তুত ক্ষেত্ৰত কেঁচামাল হিচাপে ব্যৱহাৰ কৰা হয়। দুয়োটা সামগ্ৰীৰে বিভিন্ন ব্যৱহাৰ আছে আৰু বাণিজ্যিক বজাৰত দুয়োবিধ সামগ্ৰীৰ নিজা নিজা বৈশিষ্ট্য, পৰিচয় আৰু গুৰুত্ব আছে। কোনো ক্ষেত্ৰতে দুয়োবিধ সামগ্ৰীক এটা সামগ্ৰীৰূপে চিনাক্ত কৰিব নোৱাৰি। কিন্তু উক্ত কেন্দ্ৰীয় আইনৰ ১৪ ধাৰাত তেনে দুয়োবিধ সামগ্ৰীৰ ভিন ভিন ৰূপে চিনাক্তকৰণ হোৱা নাই। ফলত উক্ত ১৪ ধাৰাৰ (১) এ দফা মতে, দুয়োবিধ সামগ্ৰীকে (অৰ্থাৎ ৰ' পেট্ৰ'লিয়াম কোক্ আৰু কেলছাইনড্ পেট্ৰ'লিয়াম কোক্) একেটা সামগ্ৰী (অৰ্থাৎ সকলো প্ৰকাৰৰ কোক) বুলি চিহ্নিত কৰি ভাৰতৰ উচ্চতম ন্যায়ালয়ে অসম চৰকাৰ বনাম ইণ্ডিয়ান কাৰ্বনৰ ক্ষেত্ৰত ৰায়দান কৰিছে। ফলত কেলছাইনড্ পেট্ৰ'লিয়াম কোকৰ আন্তঃৰাজ্যিক বিক্ৰী হ'লে আৰু তেনে বিক্ৰীৰ ওপৰত কেন্দ্ৰীয় বিক্ৰীকৰ জমা হ'লে ৰ' পেট্ৰ'লিয়াম কোকৰ ওপৰত জমা দিয়া ৰাজ্যিক কৰ ঘূৰাই দিয়াৰ ব্যৱস্থা অব্যাহত আছে। আইনৰ এনে সুযোগৰ ফলত আজি তিনি দশকৰ অধিক কাল ধৰি ৰাজ্য চৰকাৰে তেনে ৰ' পেট্ৰ'লিয়াম কোকৰ ওপৰত দিয়া বিক্ৰী কৰ কেলছাইনড্ পেট্ৰ'লিয়াম কোকৰ আন্তঃৰাজ্যিক বিক্ৰেতা ব্যৱসায়ীক ঘূৰাই দিব লাগে। একজনে জমা দিয়ে আন একজনে ঘূৰাই পায়। এনেদৰে বহুবি ৰাজ্যৰ ৰাজভঁৰালৰ পৰা কোটি কোটি টকা তেনে ব্যৱসায়ীক ঘূৰাই দিব লগা হৈছে। প্ৰকৃততে ব্যৱসায়ী এনে সুবিধা লাভ আইন ব্যৱহাৰে এটি সামান্য ভুলৰ কাৰণে কৰি আছে। যদি কেন্দ্ৰীয় চৰকাৰ ৰাজ্যসমূহৰ ৰাজহৰ স্বাৰ্থৰ প্ৰতি সজাগ থাকিলেহেঁতেন এনেদৰে ৰাজ্য চৰকাৰে বহুবি কোটি কোটি টকা হেৰুৱাব লগা নহ'লহেঁতেন।

এই মৰ্মে এই লিখকে 'ক্ৰনিক আউটফ্ল' অৱ্ ৰেভিনিউ' এই শীৰ্ষক এটি প্ৰবন্ধত বিতংভাৱে উল্লেখ কৰিছিল আৰু ইয়াৰ সমাধানৰ কাৰণে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰা হৈছিল। (আসাম ট্ৰিবিউন ১০/৪/৯১)।

এই সংশোধনৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰে অৱহেলা দেখুওৱাৰ কি কাৰণ জনা নাযায়। আইনৰ ১৪(১)এ ধাৰাত যেতিয়া সকলো ধৰণৰ কোক্ ঘোষিত মাল হিচাপে ১৯৫৬-৫৭ চনত অন্তৰ্ভুক্ত কৰা হৈছিল, তেতিয়া এনে 'কোক্' 'কয়লা কোক্' হিচাপে পৰিগণিত হৈছিল। ৰ' পেট্ৰ'লিয়াম কোক্ বা কেলচাইনড্ কোক্ বাণিজ্যিক সামগ্ৰী হিচাপে প্ৰচলন হোৱা নাছিল। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে খাৰুৱা তেল (ক্ৰুড অইল) যোৱা ৭/৯/৭৬ তাৰিখৰ পৰাহে আন্তঃৰাজ্যিক ব্যৱসায়ৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ঘোষিত মাল হিচাপে স্বীকৃতি পাইছিল আৰু কেন্দ্ৰীয় আইনৰ ১৪(২) (চি) ধাৰাত অন্তৰ্ভুক্ত হৈছিল। মূল সামগ্ৰী অন্তৰ্ভুক্তিৰ আগতে কেনেকৈ ইয়াৰ উপজাত সামগ্ৰী উক্ত তালিকাত অন্তৰ্ভুক্ত হ'ব পাৰে? আচলতে গোটেই বিষয়টো এক ন্যস্তস্বাৰ্থৰ ওপৰত প্ৰতিষ্ঠিত।

কেন্দ্ৰীয় চৰকাৰত বিভিন্ন ৰাজনৈতিক দলৰ শাসন চলি আছে। বাৰে বাৰে বিষয়টো তেওঁলোকৰ দৃষ্টি আকৰ্ষণ কৰা হৈছে, তেনে ক্ষেত্ৰত এই সংশোধনৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ নকৰাৰ কি কাৰণ থাকিব পাৰে? স্বাৰ্থজড়িত মহলৰ প্ৰবল হেঁচা, আন একো নহয়। চৰকাৰৰ এনে উদাস দৃষ্টিভংগীৰ কাৰণ হৈছে সু-প্ৰতিষ্ঠিত, ক্ষমতাসম্পন্ন ব্যৱসায়ীক অসন্তুষ্ট নকৰা। অসম বোলা এই পশ্চাদগামী ৰাজ্যখনৰ ৰাজহৰ যি গতিয়েই নহওক, কেন্দ্ৰীয় চৰকাৰৰ চিন্তা কৰিবলগীয়া কি আছে?

আমাৰ ৰাজ্য চৰকাৰে এই বিষয়ে কি ব্যৱস্থা লৈছে বা কিদৰে এই বিষয়ে অনুধাৱন কৰিছে জনা নাযায়। আমি আকৌ ৰাজ্যখনৰ বৃহত্তৰ স্বাৰ্থৰ কাৰণে ৰাজ্য চৰকাৰে অতি তৎপৰতাৰে কেন্দ্ৰীয় চৰকাৰক উক্ত সংশোধনৰ বাবে হেঁচা প্ৰয়োগ কৰিব লাগে, যাতে ৰ' পেট্ৰ'লিয়াম কোক্' আৰু 'কেলচাইনড্ কোক্' দুটা সুকীয়া সামগ্ৰী হিচাপে আইনৰ ১৪ ধাৰাত সন্নিবিষ্ট কৰে। যদি লো আৰু তীখাক বিভিন্ন স্তৰত বিভিন্ন সামগ্ৰী হিচাপে আইনৰ ১৪(৪) ধাৰাত সন্নিবিষ্ট কৰিব পাৰে, উক্ত কোক্ সামগ্ৰীক বেলেগে চিহ্নিত কৰাত কি বাধা থাকিব পাৰে?

আমাৰ এনেবোৰ আলোচনাৰ পৰা এই কথা সুস্পষ্ট হৈছে যে কৰ ৰেহাইৰ এনে খেলিমেলিৰ প্ৰচলন বহুত দিন ধৰি চলি আছে। প্ৰত্যক্ষ অভিজ্ঞতাৰ পৰা ক'ব পাৰি যে যদি তেনে কয়লা কোকৰ টকা ঘূৰাই দিয়া প্ৰক্ৰিয়াত কিবা অলপ পলম হয়, তাৰ কাৰণে ৰাজনৈতিক হেঁচা প্ৰয়োগ কৰা হয়। কিন্তু ৰাজনৈতিক নেতাসকলে এই কথা উপলব্ধি কৰিব নোৱাৰে যে তেনেদৰে কোটি কোটি টকা ঘূৰাই দি আমি নিজৰ ভৰিত নিজে কুঠাৰ মাৰি আছোঁ। মুঠতে সমগ্ৰ কৰ ৰেহাই ব্যৱস্থা ৰাজহৰ স্বাৰ্থৰ পৰিপ্ৰেক্ষিতত নহয়, ব্যৱসায়ীৰ স্বাৰ্থহে এনেক্ষেত্ৰত প্ৰাধান্য লাভ কৰে।

অসমৰ নতুন চৰকাৰ এক চৰম অৰ্থ-সংকটৰ সন্মুখীন হৈছে। তেওঁলোকে যদি পূৰ্ববৰ্তী চৰকাৰসমূহৰ পদাংক অনুসৰণ কৰে আৰ্থিক অৱস্থাৰ শোচনীয়তা আৰু গভীৰ হ'ব।

আমি অনুৰোধ কৰো — ৰাজ্যখনৰ অৰ্থনৈতিক গুৰুত্ব আৰু গাম্ভীৰ্য ৰক্ষা কৰিবলৈ যাতে বিশিষ্ট অৰ্থনীতিবিদ, আইনজীৱী আৰু অভিজ্ঞতাপূৰ্ণ জ্যেষ্ঠ কৰ বিষয়া সমন্বিতে এখন ৰাজ্যিক কমিটী গঠন কৰি কৰ প্ৰণয়ন, কৰ আৰোপ, কৰ বেহাই, কৰ প্ৰশাসন, কৰ ফাঁকি নিবাৰণ আদি সকলো বিষয়ত পৰীক্ষা আৰু পৰ্যালোচনা কাৰ্যত নিয়োগ কৰে। ৰাজ্যখনৰ অৰ্থনৈতিক গাঁথনি অধিক উন্নত ধৰণৰ হ'ব। উপৰোক্ত পৰামৰ্শাৱলীত আমাৰ কোনো ব্যক্তিগত স্বাৰ্থ নাই। কোনো বিষয়ে আমাক প্ৰলোভিত কৰিব নোৱাৰে। চাকৰি জীৱনতো নিজৰ আদৰ্শ আৰু দৃঢ়তা অটুট ৰাখি চলিবলৈ গৈ বহুতো সময়ত জীয়াতু ভুগিব লগীয়া হৈছিল। অসমৰ উন্নতিয়ে আমাৰ স্বাৰ্থ। অসমৰ বাহিৰে যাতে সকলো দিশত ভাৰতত শিক্ষা-দীক্ষা, ব্যৱসায়-বাণিজ্যত নিজৰ স্থিতি বজাই ৰাখিব পাৰে এয়ে আমাৰ কামনা।

আমাৰ অসম

২১/৬/২০০১

# আমানত ধন আৰু কৰ আদায় ব্যৱস্থা

'দ্যা আসাম জেনেৰেল চেল্‌ছ টেক্স এক্ট, ১৯৯৩' (অসম বিক্ৰী কৰ আইন) আৰু 'দ্যা চেণ্ট্ৰেল চেল্‌ছ টেক্স এক্ট, ১৯৫৬' (কেন্দ্ৰীয় বিক্ৰী কৰ আইন) ক্ৰমে ৰাজ্যিক আৰু আন্তঃৰাজ্যিক কৰ প্ৰশাসন ব্যৱস্থা নিয়ন্ত্ৰণ কৰে। কৰ আদায়ৰ সুবিধাৰ বাবে দুয়োখন আইনতে আমানত ধন আদায়ৰ ব্যৱস্থা সন্নিবিষ্ট কৰা হৈছে। যদি কোনো কৰ বিষয়াই অনুভৱ কৰে যে কৰ আদায় ব্যৱস্থা সুবিধাৰ কাৰণে নাইবা ব্যৱসায়ী এজনক প্ৰদান কৰা বিভিন্ন ধৰণৰ ঘোষণাপত্ৰৰ সংৰক্ষণ আৰু সদ্ব্যৱহাৰৰ বাবে এক যুক্ত পৰিমাণৰ আমানত ধন আদায় কৰা প্ৰয়োজন, তেন্তে বিষয়াই ব্যৱসায়ীজনক যথাযথ শুনানিৰ সুযোগ প্ৰদান কৰি তেনে আমানত ধন আদায় দিয়াৰ নিৰ্দেশ দিব পাৰে। এই ধন আদায়ৰ ক্ষেত্ৰত কোনো একপক্ষীয় ব্যৱস্থা হ'ব নোৱাৰে। ইয়াৰ কাৰণে এক ন্যায়িক প্ৰক্ৰিয়া অৱলম্বন কৰিব লাগে। এক ৰকৰিত আদেশত উক্ত আমানত ধন আদায়ৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি তেনে আমানত ধন আদায় কৰিব লাগে। বহুতো ক্ষেত্ৰত দেখা যায় যে কৰ বিষয়াসকলে মৌখিক আদেশ প্ৰদান কৰি তেনে ধৰণৰ আমানত ধন আদায় কৰি থাকে। কোনো ধৰণৰ শুনানি লোৱাৰ প্ৰয়োজনীয়তা অনুভৱ নকৰে। তেনে ধৰণৰ কামৰ বৈধতা সম্বন্ধে প্ৰশ্ন উত্থাপন হোৱা স্বাভাৱিক কথা।

'আমানত ধন' আৰু 'কৰ' উভয়ে চৰকাৰৰ ৰাজহ শিতানত জমা হয় যদিও উভয়ৰে ভিত্তি স্বতন্ত্ৰ আৰু উভয়ে সুকীয়া বৈশিষ্ট্যতাপূৰ্ণ। 'আমানত ধন' হৈছে ৰাজহ আদায়ৰ বাবে আদায় কৰা সংৰক্ষিত ধন আৰু 'কৰ' হৈছে চৰকাৰৰ প্ৰাপ্য ৰাজহ। যদি কোনো ব্যৱসায়ীয়ে চৰকাৰৰ ন্যায্য কৰ আদায় দিয়াত ব্যৰ্থ হয়, তেনেহ'লে উপযুক্ত শুনানি প্ৰদানৰ পৰিপ্ৰেক্ষিতত তেনে আমানত ধন বাজেয়াপ্ত কৰি কৰৰ লগত সুবিন্যস্ত কৰিব পৰা যায়। আনহাতে ব্যৱসায়ী এজনৰ ব্যৱসায় যদি বন্ধ হয় বা ব্যৱসায়ীজনে চৰকাৰৰ প্ৰাপ্য ৰাজহ আদায় দিয়াত অপৰাগ হয়, তেনেহ'লে সেই ব্যৱসায়ীৰ আবেদনৰ ভিত্তিত বা কৰ বিষয়াই নিজাববীয়াকৈ তেনে আমানত ধন চৰকাৰৰ প্ৰাপ্য ধনৰ লগত সুবিন্যস্ত কৰিব পাৰে। এই ক্ষেত্ৰতো এক ৰকৰিত আদেশৰ প্ৰয়োজনীয়তা আছে।

বহুতো কৰ বিষয়াই আমানত ধন আৰু কৰৰ তাৎপৰ্যতা যথাযথভাৱে উপলব্ধি নকৰে। আমানত ধনৰ টকা কৰৰ লগত অযেমেযে সুবিন্যস্ত কৰে। আনকি, জমা থকা তেনে সমুদায় আমানত ধন কৰৰ লগত সুবিন্যস্ত কৰে। অধিক আমানত ধন জমা থাকিলে তেনে ধন ঘূৰাই দিয়াৰ ব্যৱস্থা কৰে। প্ৰকৃততে সেয়া এক ভুল পদক্ষেপ। নিকলীয়া যি পৰিমাণৰ ধন আদায়ৰ প্ৰয়োজন, সেইখিনি ধনহে আমানত ধনৰ পৰা সুবিন্যস্ত কৰি বাকী আমানত ধনখিনি সুৰক্ষিত অৱস্থাত ৰখাহে প্ৰয়োজন। এই সকলো কথা এক ৰকৰিত আদেশ যোগে কাৰ্যবিৱৰণীত উল্লেখ কৰিলে পৰৱৰ্তী কালত কোনো জটিলতাৰ সৃষ্টি নহয়।

অসমত যথেষ্ট পৰিমাণে মৰাপাট, চুপাৰি, বাঁহ আদি উৎপন্ন হয়। আনহাতে মেঘালয়

কয়লা ব্যৱসায় আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত অসমৰ কয়লা ডিপোবোৰৰ জৰিয়তে সুসম্পন্ন হয়। এই ক্ষেত্ৰত অসমৰ কিছুমান স্থায়ী ব্যৱসায়ী আৰু অসমৰ বাহিৰৰ কিছুমান অস্থায়ী ব্যৱসায়ী জড়িত থাকে। আনহাতে, অসমৰ কিছু শ্ৰেণীৰ স্থায়ী ব্যৱসায়ীয়ে ভুৱা নাম ঠিকনাৰে ব্যৱসায় পঞ্জীভুক্ত কৰি এইবোৰ সামগ্ৰীৰ বেহা-বেপাৰ চলাই থাকে। ইয়াৰ ফলত বহুতো ক্ষেত্ৰত চৰকাৰৰ ৰাজহ আদায়ত ব্যাঘাত জন্মে আৰু কৰ ফাঁকি প্ৰক্ৰিয়া অৱলম্বন কৰা হয়। তেনে ভুৱা ব্যৱসায়ী সন্ধানহীন হয় আৰু চৰকাৰৰ প্ৰাপ্য ৰাজহ অনাদায় হৈ থাকে।

ৰাজ্যখনত একশ্ৰেণীৰ ব্যৱসায়ীয়ে যাতে তেনে কৰ ফাঁকি প্ৰক্ৰিয়া অব্যাহত ৰাখিব নোৱাৰে তাৰে পৰিপ্ৰেক্ষিতত উক্ত সামগ্ৰীসমূহ অসমৰ বাহিৰত চলাচল কৰিবলৈ দিয়াৰ আগতে আমানত ধন আদায় কৰিবলৈ ব্যৱস্থা কৰা হৈছে। এই ক্ষেত্ৰত অসমৰ কৰ আয়ুক্ত মহোদয়ে এক জাননী যোগে বিভিন্ন সামগ্ৰীৰ আমানত ধন আদায় নিৰিখ ধাৰ্য কৰি দিয়ে আৰু কৰ নিৰ্ধাৰক বিষয়া নাইবা পৰীক্ষণ চকীৰ কৰ বিষয়াই তেনে ধন আদায় হ'লে মালবাহী গাড়ীসমূহ চলাচলৰ অনুমতি প্ৰদান কৰে।

আমানত ধন নিৰ্ধাৰণ সম্বন্ধে কৰ নিৰ্ধাৰক বিষয়াসকলৰ কোনো ভূমিকা নাইকিয়া কৰা হৈছে যদিও আইনৰ সংশ্লিষ্ট ধাৰা অনুযায়ী প্ৰদত্ত ক্ষমতা মতে তেওঁলোকেহে যথাযথ তথ্যৰ ভিত্তিত তেনে আমানত ধন আদায় কৰিব লাগে।

এতিয়া প্ৰশ্ন হৈছে যে আমানত ধন নিৰ্ধাৰণ কৰি কোনো জাননী দিয়াৰ কৰ্তৃত্ব কৰ আয়ুক্তৰ আছেনে? অসম বিক্ৰী কৰ আৰু কেন্দ্ৰীয় বিক্ৰী কৰ আইনত আমি পূৰ্বে উল্লেখ কৰা মতে তেনে আমানত ধন নিৰ্ধাৰণ ক্ষমতা কৰ নিৰ্ধাৰক বিষয়াকহে দিয়া হৈছে। তেনে আমানত ধন আদায়ৰ ক্ষেত্ৰত ক্ষুব্ধ হ'লে কোনো ব্যৱসায়ীয়ে প্ৰতিকাৰ বিচাৰি কৰ আয়ুক্তৰ ওচৰত বিভিন্ন আবেদন দাখিল কৰিব পাৰে। যদি কৰ আয়ুক্তই তেনে আমানত ধন নিৰ্ধাৰণ কৰে - ক্ষুব্ধ ব্যৱসায়ীয়ে কাৰ ওচৰত আবেদন পেছ কৰিব? গতিকে এনে কাৰ্যই আইন প্ৰয়োগৰ ক্ষেত্ৰত এক ত্ৰুটীপূৰ্ণ দিশ উন্মোচন কৰিছে। অৱশ্যে কৰ আয়ুক্তই জাৰি কৰা তেনে জাননী ৰাজহৰ আদায়ৰ স্বাৰ্থতহে কাৰ্যকৰী হৈছে। সেয়া এক আভ্যন্তৰীণ কথা। কোনো ক্ষেত্ৰতে তেনে জাননী বাধ্যতা হোৱা উচিত নহয়। কিন্তু দেখা যায় যে, এনে আভ্যন্তৰীণ জাননী বাধ্যতা কৰি প্ৰত্যাহ্বানৰ সুযোগ দিয়া হৈছে।

প্ৰকৃততে এজন কৰ নিৰ্ধাৰক বিষয়াই আমানত ধনৰ নিৰিখ নিৰ্ণয় কৰাৰ আগতে বিভিন্ন বিষয় পৰীক্ষা আৰু পৰ্যালোচনা কৰা উচিত। প্ৰতিষ্ঠিত ব্যৱসায়ীৰ ক্ষেত্ৰত ব্যৱসায়ৰ কলেৱৰ, লেনদেনৰ পৰিমাণ ব্যৱসায়ীজনৰ কৰ দিয়া প্ৰক্ৰিয়া আদি বিভিন্ন বিষয় অধ্যয়ন কৰিহে কৰ বিষয়াই আমানত ধনৰ নিৰিখ ধাৰ্য কৰা প্ৰয়োজন। আনহাতে ভ্ৰাম্যমাণ ব্যৱসায় তথা মৰাপাট, কয়লা, চুপাৰি, বাঁহ আদিৰ ক্ষেত্ৰত উক্ত সামগ্ৰীৰ ওজন মূল্য আৰু আন আন তথ্য পৰীক্ষা আৰু পৰ্যালোচনা কৰা অতি প্ৰয়োজন। এই ক্ষেত্ৰত সামগ্ৰীসমূহৰ মান আৰু বজাৰত তেনে সামগ্ৰীৰ চাহিদা আদিৰ কথা বিবেচনা কৰা অতি প্ৰয়োজনীয় কথা। এখন কয়লাৰ গাড়ীয়ে কেতিয়াবা ২৫ টনৰ পৰা ৪০ টনলৈকে মাল বহন কৰে। কিন্তু কৰ আয়ুক্তই নিৰ্ধাৰণ কৰা আমানত ধনে তেনে ক্ষেত্ৰত কৰ আদায় ব্যৱস্থা সুৰক্ষিত কৰে নে? আমাৰ মতে এই ব্যৱস্থাৰ

এক পুনৰ বিচাৰৰ প্ৰয়োজন।

প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে এই লিখক বৰ্তাইশালৰত কৰ অধীক্ষক হিচাপে ১৯৯০-১৯৯৩ চনত কাৰ্যনিৰ্বাহ কৰি থকা সময়ত কৰ আবুতাই নিৰ্ধাৰণ কৰি দিয়া ৬,০০০ টকা আমানত ধন ধাৰ্য কৰি দিয়াৰ বিপৰীতে ব্যৱসায়ীজনে ঘোষণা কৰা তথ্যৰ ভিত্তিত এখন মালবাহী চুপাৰিৰ গাড়ীৰ পৰা ৬২,০০০ টকা আদায় কৰিছিল। গতিকে এনেদৰে কিমান কম আমানত ধন আদায় হৈছে আৰু ৰাজহৰ কিমান ক্ষতি সাধন হৈ আছে তাৰ প্ৰকৃত তথ্য কেতিয়াবা উদঘাটন কৰাৰ ব্যৱস্থা লোৱা হৈছেনে?

চুপাৰিৰ শেষ ক্ৰয়ৰ ওপৰত কৰ আৰোপ ব্যৱস্থা প্ৰণয়ন কৰা হৈছে। তেনে চুপাৰিৰ আন্তঃৰাজ্যিক বিক্ৰীসম্পন্ন হ'লে পুনৰ কৰ নিৰ্ধাৰণ হয়। অসম চৰকাৰে যোৱা ১২/৬/১৯৯৮ তাৰিখৰ এক জাননী যোগে কোনো চুপাৰি ব্যৱসায়ীয়ে যদি অসমত শেষ ক্ৰয় কৰা জমা দিয়াৰ প্ৰমাণপত্ৰ দাখিল কৰিব পাৰে, তেনে চুপাৰি ব্যৱসায়ীক আন্তঃৰাজ্যিক বিক্ৰীৰ ওপৰত কৰ ৰেহাইৰ ব্যৱস্থা কৰিছে। এই প্ৰসংগত দুটা প্ৰশ্নৰ উদয় হয় — (১) তেনে চুপাৰি ব্যৱসায়ী ক্ৰয় কৰ জমা দিয়াৰ প্ৰমাণ পত্ৰ দাখিল কৰেনে? (২) যিহেতু আন্তঃৰাজ্যিক বিক্ৰীৰ ক্ষেত্ৰত কোনো পঞ্জীকৃত ব্যৱসায়ীৰ কথা উল্লেখ নাই, তেনে ব্যৱসায়ীয়ে কি দৰে ক্ৰয়ৰ ওপৰত কৰ জমা দিয়া কথা প্ৰমাণ কৰে? প্ৰথম প্ৰশ্নৰ উত্তৰত ক'ব পাৰি যে তেনে ক্ৰয় কৰ জমা দিয়াৰ কোনো প্ৰমাণ পত্ৰ দেখুৱাব নোৱাৰে। নিৰ্ধাৰিত হাৰত আমানত ধন জমা দিয়া আৰু প্ৰকৃততে দিবলগীয়া কৰ একে নহয়। গতিকে প্ৰচলিত প্ৰথা অনুযায়ী কৰ পৰীক্ষণ চকীত তেনে এখন বেংক ড্ৰাফট প্ৰমাণ পত্ৰ হিচাপে দাখিল কৰি কৰ ৰেহাই ব্যৱস্থাৰ সুযোগ গ্ৰহণ কৰে। দ্বিতীয় প্ৰশ্নৰ উত্তৰত ক'ব পাৰি যে তেনে অপঞ্জীকৃত ব্যৱসায়ীৰ কোনো দায়বদ্ধতা নাই। গতিকে তেওঁলোকক তেনে ৰেহাইৰ ব্যৱস্থা প্ৰদান কৰা ৰাজহ আদায়ৰ পৰিপন্থী কাৰ্য বুলি গণ্য হয়। আমাৰ মতে উক্ত কৰ ৰেহাই ব্যৱস্থা সম্পূৰ্ণৰূপে এক প্ৰহসনমূলক কাৰ্য। ইয়াত এক শ্ৰেণীৰ ব্যক্তিৰ ন্যস্ত স্বাৰ্থ জড়িত হৈ আছে। আৰু একশ্ৰেণীৰ প্ৰতিষ্ঠিত ব্যৱসায়ীক ভুৱা নামেৰে ব্যৱসায় কৰিবলৈ সুযোগ দিয়া হৈছে। কেন্দ্ৰীয় বিক্ৰী কৰ আইনত তেনে ৰেহাইৰ ব্যৱস্থা আছিল যদিও চুপাৰিৰ ক্ষেত্ৰত এনে ৰেহাই ব্যৱস্থা কিমান প্ৰযোজ্য আৰু কিমান সমীচীন আছিল সেই বিষয়ে আমি সংশয়িত মনোভাব পোষণ কৰোঁ। আনহাতে কেন্দ্ৰীয় বিক্ৰী কৰ আইনৰ যোৱা ১৩/৫/২০০২ তাৰিখৰ এক সংশোধনী মতে তেনে কোনো কৰ ৰেহাই ব্যৱস্থা অকল পঞ্জীকৃত ব্যৱসায়ীৰ ক্ষেত্ৰতহে সীমাবদ্ধ কৰা হৈছে। কিন্তু অতি পৰিতাপৰ বিষয় যে ৰাজ্য চৰকাৰে উক্ত আইন সংশোধন হোৱাৰ আজি ৪ মাহতকৈ অধিক কাল হ'ল যদিও সেই ৰেহাই ব্যৱস্থা প্ৰত্যাহাৰ নকৰি কৰ ফাঁকি প্ৰক্ৰিয়া অব্যাহত ৰাখিবলৈ ব্যৱসায়ীসকলক সুবিধা দিছে।

মৰাপাট, চুপাৰি, বাঁহ আদি একোটা নিৰ্দিষ্ট এলেকাত উৎপাদন হয়। কিন্তু উক্ত আমানত ধন আদায়ৰ ক্ষেত্ৰত সংশ্লিষ্ট কৰ নিৰ্ধাৰক বিষয়াক এক্তাৰত ৰাখি এক ন্যস্ত স্বাৰ্থৰ কাৰ্যতী হৈ এই ক্ষেত্ৰত এক তেঁলেতাওনাৰ সৃষ্টি কৰিছে। ৰাজ্যখনৰ ৰাজহৰ সুৰক্ষাৰ খাতিৰত এই বিষয়ে চৰকাৰে এক দৃঢ় পদক্ষেপ লোৱাৰ অতি প্ৰয়োজন। অৱশ্যে কৰ কৰ্তৃপক্ষই তেনে ব্যৱস্থা

সম্বন্ধে সম্পূৰ্ণভাৱে অৱগত।

আনহাতে ব্যৱসায়ীসকলে নিৰ্ধাৰিত হাৰত জমা দিয়া আমানত ধন বহুত ক্ষেত্ৰত বাহি ধন হিচাপে গণ্য কৰা হয় আৰু তেনে আমানত ধনৰ লাখ লাখ টকা ভুৱাই দিয়া বা সুবিন্যস্ত কৰা দেখা যায়। কিন্তু কিহৰ ভিত্তিত তেনে কৰ নিৰ্ধাৰণ কৰা হয়? যদি আমানত ধন জমা দিয়াৰ ভিত্তিতহে তেনে কৰ নিৰ্ধাৰণ কৰা হয়, সেয়া এক ভুল প্ৰক্ৰিয়া। প্ৰকৃততে কয়লা বা মৰাপাট অসমৰ বাহিৰৰ বিভিন্ন প্ৰতিষ্ঠানত যোগান ধৰা হয়। কোনো ক্ষেত্ৰত তেনে যোগানৰ তথ্য কেতিয়াবা সংগ্ৰহ কৰা হয় নে? আমাৰ মতে উক্ত সামগ্ৰীসমূহৰ কৰ নিৰ্ধাৰণৰ ক্ষেত্ৰত কোনো ন্যায়িক প্ৰক্ৰিয়া অৱলম্বন কৰা হোৱা নাই।

আনহাতে বহুতো ক্ষেত্ৰত নেপাল বা ভূটানত কয়লা ৰপ্তানি কৰা দেখুৱাই বহুতো ব্যৱসায়ীয়ে কৰ ৰেহাই ব্যৱস্থা উপভোগ কৰি আছে। এনে তথ্য প্ৰায়ে পোৱা যায় যে তেনে সামগ্ৰীৰে প্ৰকৃততে আন্তৰাজ্যিক বিক্ৰীহে সম্পন্ন হয়, কিন্তু বিভিন্ন অপক্ৰিয়া অৱলম্বন কৰি তেনে সামগ্ৰী অইন ৰাষ্ট্ৰলৈ ৰপ্তানি কৰা দেখুৱাই চৰকাৰক ন্যায্য কৰ আদায়ৰ পৰা বঞ্চিত কৰা হয়।

আমি আমাৰ আলোচনাত আমানত ধন আদায় আৰু কৰ নিৰ্ধাৰণৰ ক্ষেত্ৰত তেনে আমানত ধনৰ ভূমিকা সম্বন্ধে আলোচনা কৰিলোঁ। চৰকাৰে যদি অতি তৎপৰতাৰে এই ক্ষেত্ৰত যথাযথ ব্যৱস্থা নলয় কৰ ফাঁকি প্ৰক্ৰিয়া অব্যাহত থাকিব। চৰকাৰৰ ৰাজহ আদায়ত ক্ষতি সাধন হৈ থাকিব। আমাৰ মতে কৰ নিৰ্ধাৰণক বিষয়া একোটা এলেকাৰ ক্ষেত্ৰত সংশ্লিষ্ট এলেকাৰ কৰ অধীক্ষকৰ দ্বাৰা সম্পাদিত কৰিব লাগে। বৰ্তমানে বিভিন্ন এলেকাৰ কৰ অধীক্ষকক কৰ আৰোপ ক্ষমতা প্ৰদান কৰাৰ ফলত প্ৰশাসনত এক চৰম বিশৃংখলাৰ সৃষ্টি হৈছে। অনুৰূপভাৱে অনত আৰু পৰিদৰ্শন কাৰ্যত বিভিন্ন বিষয়াক একাধিক এলেকাৰ দায়িত্ব দিয়াৰ ফলত কৰ প্ৰশাসনত এক খেলি-মেলিৰ সৃষ্টি হৈছে। আমি ভাবোঁ, আজি কেইবা বছৰে চলি অহা ব্যৱস্থাৰ এক পুনৰ সংস্কাৰৰ প্ৰয়োজন। অসম আজি চৰম বিত্তীয় সংকটৰ সন্মুখীন হৈছে। অসমৰ প্ৰতিজন ৰাইজ এই বিষয়ে সজাগ আৰু সচেতন। কেনেকৈ ৰাজহৰ উন্নতি সাধন কৰিব পৰা যায়, তাকে লৈ এক শ্ৰেণীৰ ৰাইজ চিন্তাশীল মনোভাব পোষণ কৰে। কিন্তু চৰকাৰ আৰু ইয়াৰ প্ৰশাসন যন্ত্ৰ সজাগ আৰু সচেতন নহ'লে অসমৰ অৰ্থনৈতিক উন্নতিৰ আশা ক্ষীণ।

দৈনিক জনভূমি
২৭/৯/২০০২

# সামগ্ৰী হস্তান্তৰ সম্পৰ্কিত কৰ-ব্যৱস্থা

ভাৰতীয় সংবিধানৰ ২৪৬(৩) অনুচ্ছেদ আৰু সপ্তম অনুসূচীৰ দ্বিতীয় তালিকাত (ৰাজ্যিক তালিকাত) অন্তৰ্ভুক্ত ৫৪ দফাৰ প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি ৰাজ্যিক বিধানমণ্ডলীয়ে বিভিন্ন সামগ্ৰীৰ বিক্ৰীৰ ওপৰত কৰ আৰোপ ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ 'দ্য আছাম চেল্‌ছ টেক্স এক্ট' প্ৰণয়ন কৰিছিল। পিছলৈ উন্নত ৰাজহ আদায়ৰ স্বাৰ্থত ক্ৰয় আৰু বিক্ৰয়ৰ ওপৰত আৰু তিনিখন আইন প্ৰণয়ন কৰা হৈছিল। কিন্তু উক্ত আইনসমূহ সমন্বিত, সংমিশ্ৰিত আৰু সংশোধিত কৰি অসম বিধানমণ্ডলীয়ে 'দ্য আছাম জেনেৰেল চেল্‌ছ টেক্স এক্ট ১৯৯৩' (বিক্ৰী কৰ আইন) প্ৰণয়ন কৰিছিল। ক্ৰয় আৰু বিক্ৰয়ৰ ক্ষেত্ৰত প্ৰণয়ন কৰা উক্ত কৰ আইনখনৰ দৃষ্টিভংগী অধিক বিস্তৃত আৰু গঠনমূলক বুলি পৰিগণিত হৈছে।

পূৰ্বতে ঠিকা কামত যোগান ধৰা কোনো সামগ্ৰীৰ ওপৰত কৰ ব্যৱস্থা অৱলম্বন কৰা হোৱা নাছিল, ফলত তেনে সামগ্ৰীৰ ওপৰত কৰ আৰোপ কাৰ্য অবৈধ বুলি প্ৰত্যাহ্বান জনাই বহুতো ঠিকাদাৰে ন্যায়ালয়ৰ আশ্ৰয় লৈছিল। তেনে যোগান বা হস্তান্তৰ কাৰ্য ঠিকা কাৰ্যৰে এটি অংশ বুলি গণ্য কৰি উচ্চতম ন্যায়ালয়ে বহুতো ক্ষেত্ৰত উক্ত কৰ আৰোপ ব্যৱস্থা অবৈধ বুলি ৰায় প্ৰদান কৰিছিল। ফলত তেনে যোগান ধৰা বা হস্তান্তৰিত সামগ্ৰীৰ ওপৰত কৰ আৰোপ কৰা সম্ভৱ নহৈছিল আৰু তাৰেই পৰিপ্ৰেক্ষিতত ৰাজহ আদায়ত এক বিপৰ্যয়ৰ সৃষ্টি হৈছিল।

ইয়াৰ প্ৰতিৰোধক ব্যৱস্থা হিচাপে কেন্দ্ৰীয় চৰকাৰে সংবিধানৰ এক সংশোধন আনিলে। ১৯৮২ চনৰ ৪৬ তম সংশোধনী ব্যৱস্থা মতে, ক্ৰয় আৰু বিক্ৰয়ৰ এক সুকীয়া সংজ্ঞা সন্নিবিষ্ট কৰা হ'ল। আন আন বিষয়ৰ লগতে ঠিকা কাৰ্যত হস্তান্তৰ কৰা কোনো সামগ্ৰীক বিক্ৰী বুলি পৰিগণিত কৰাৰ ব্যৱস্থা লোৱা হ'ল। ফলত তেনে সামগ্ৰীৰ হস্তান্তৰৰ ক্ষেত্ৰত কৰ আৰোপ ব্যৱস্থা সূচনা হ'ল। ৰাজ্যিক বিধানমণ্ডলীয়ে সংশ্লিষ্ট কৰ আইনৰ সংশোধন ঘটাই আন আন বিষয়ৰ লগতে ঠিকা কাৰ্যত কোনো সামগ্ৰী হস্তান্তৰ কৰিলে বিক্ৰী বুলি অভিহিত কৰাৰ ব্যৱস্থা লোৱা হ'ল। অসম বিক্ৰীকৰ আইনতো তেনে ব্যৱস্থা সন্নিবিষ্ট কৰা হ'ল। উক্ত আইনৰ ষষ্ঠ অনুসূচীত বৰ্ণিত ঠিকা কাৰ্যসমূহত কোনো সামগ্ৰী হস্তান্তৰ কৰিলে তেনে সামগ্ৰীৰ ওপৰত টকাত আঠ পইচা হাৰে কৰ আৰোপ ব্যৱস্থা প্ৰৱৰ্তন কৰা হ'ল।

আইনখনৰ প্ৰদত্ত ব্যৱস্থা মতে, তেনে হস্তান্তৰিত সামগ্ৰীৰ মূল্য নিৰূপণ কৰাৰ ক্ষেত্ৰত তলত দিয়া নীতি প্ৰৱৰ্তন কৰা হৈছে —

সম্পূৰ্ণ ঠিকা কাৰ্যৰ মূল্যৰ পৰা তলত দিয়া লেনদেনসমূহ বাদ দিব লাগে।

১। আন্তঃৰাজ্যিক বেহা-বেপাৰৰ কাৰণে ঘোষণা কৰা 'লো, তাঁবা' আদি গুৰুত্বপূৰ্ণ সামগ্ৰীৰ মূল্য।

২। শ্ৰম সংক্ৰান্তীয় লেনদেনৰ মূল্য

৩। যান-বাহন আৰু আন আন সংক্ৰান্তীয় লেনদেনৰ মূল্য।

যদি কোনো ঠিকাদাৰে এনেধৰণৰ হিচাপ নিয়মীয়াকৈ সংৰক্ষণ কৰে আৰু কৰ কৰ্তৃপক্ষৰ ওচৰত প্ৰদৰ্শন কৰে, তেনে ক্ষেত্ৰত উক্ত ব্যৱস্থা মতে কৰ আৰোপ কৰা হয়। যদি কোনো ঠিকাদাৰে তেনে বিশদ তথ্য প্ৰদৰ্শন কৰিব নোৱাৰে, তেতিয়া হ'লে সমুদায় ঠিকা মূল্যৰ পৰা নিৰ্ধাৰিত এক অংশ তেনে শ্ৰম, যান-বাহন আদিৰ ক্ষেত্ৰত বাদ দি বাকীখিনি মূল্যৰ ওপৰত টকাত ৮ পইচা হাৰে কৰ আৰোপ কৰা ব্যৱস্থাও আইনখনত সন্নিবিষ্ট কৰা হৈছে। যোৱা ১-৭-৯৩ তাৰিখৰ পৰা ঠিকা কাৰ্যত কৰা সামগ্ৰী হস্তান্তৰৰ ক্ষেত্ৰত এনে প্ৰচলিত ব্যৱস্থা অনুযায়ী কৰ আৰোপ ব্যৱস্থা কাৰ্যকৰী হৈ আছে।

এইখিনিতে উল্লেখ কৰা সমীচীন হ'ব যে 'দ্য চেণ্ট্ৰেল চেলছ্ টেক্স এক্ট ১৯৫৬' (কেন্দ্ৰীয় বিক্ৰীকৰ আইন) মতে আন্তঃৰাজ্যিক বেচা-কিনাৰ ক্ষেত্ৰত ঘোষণা কৰা গুৰুত্বপূৰ্ণ সামগ্ৰীৰ (সোণ, তাঁবা আদি) বিক্ৰীৰ ওপৰত ৰাজ্যকেইখনে একাধিকবাৰ কৰ আৰোপ কৰিব নোৱাৰিব। ক্ৰয় বা বিক্ৰীকৰৰ হাৰ টকাত চাৰি পইচাৰ অধিক হ'ব নোৱাৰিব। কিন্তু সকলো ধৰণৰ হস্তান্তৰিত তেনে গুৰুত্বপূৰ্ণ সামগ্ৰীৰ কৰ-আদায় পৰা অব্যাহতি দিয়া কাৰ্য ৰাজ্যখনৰ বাবেহে স্বাৰ্থৰ চৰম পৰিপন্থী ব্যৱস্থা। অৰ্থাৎ আমদানিকৃত তেনে গুৰুত্বপূৰ্ণ সামগ্ৰী হস্তান্তৰ কৰিলে তেনে সামগ্ৰীক কৰমুক্ত বুলি গণ্য কৰা এক ন্যায়বিহীন আৰু যুক্তিবিহীন ব্যৱস্থা। এই লেখকে বিভিন্ন প্ৰবন্ধৰ জৰিয়তে এনে কৰ ৰেহাই ব্যৱস্থাৰ অৱসান ঘটাবলৈ অসম চৰকাৰক অনুৰোধ জনাই আহিছিল। সুখৰ কথা এই যে অসম চৰকাৰে বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি যোৱা ১৯/১০/২০০১ তাৰিখৰ এক সংশোধনযোগে তেনে গুৰুত্বপূৰ্ণ সামগ্ৰীৰ ওপৰত কৰ ৰেহাই ব্যৱস্থা অসমত ক্ৰয় কৰা সামগ্ৰীৰ ওপৰতহে সীমাবদ্ধ ৰাখিলে — অৰ্থাৎ আমদানিকৃত তেনে সামগ্ৰীৰ ওপৰত কৰ ব্যৱস্থা প্ৰচলন কৰিলে। এই ব্যৱস্থা পূৰ্বতে লোৱা হ'লে যোৱা ৮ বছৰ ২ মাহ ১৯ দিন ধৰি চলি থকা কৰ নিষ্কাশন প্ৰক্ৰিয়া প্ৰতিৰোধ হোৱা সম্ভৱপৰ আছিল। কিন্তু এইক্ষেত্ৰতো এটি ত্ৰুটিপূৰ্ণ দিশৰ অৱসান নহ'ল। তেনে গুৰুত্বপূৰ্ণ সামগ্ৰীৰ যোগান বিক্ৰী বা হস্তান্তৰৰ ক্ষেত্ৰত কৰৰ হাৰ টকাত চাৰি পইচাৰ অধিক হ'ব নোৱাৰে। কিন্তু প্ৰচলিত বিধি আৰু সংশ্লিষ্ট আইন ব্যৱস্থা মতে তেনে কৰৰ হাৰ টকাত ৮ পইচা হিচাপে অব্যাহত থাকিল।

আইনখনত এই কথা সন্নিবিষ্ট কৰা হৈছে যে কোনো কৰমুক্ত সামগ্ৰী বিক্ৰী কৰিলে কৰ আৰোপ নহয়। আনহাতে, কোনো প্ৰথম স্তৰৰ কৰযুক্ত সামগ্ৰী বিক্ৰী কৰিলে উপযুক্ত কৰ আদায় প্ৰমাণসাপেক্ষে দ্বিতীয় বা পৰৱৰ্তী বিক্ৰীৰ ক্ষেত্ৰত কোনো কৰ আৰোপ নহয়; কিন্তু অতি আচৰিত কথা যে ঠিকা কাৰ্যত সামগ্ৰী হস্তান্তৰৰ ক্ষেত্ৰত আইনখনত তেনে কৰ ৰেহাই ব্যৱস্থা সন্নিবিষ্ট কৰা হোৱা নাই। অৱশ্যে দ্বিতীয় বিক্ৰী তথা হস্তান্তৰৰ ক্ষেত্ৰত অসমৰ কৰায়ুক্ত মহোদয়ে টি এছ টি ২৭/৯৩/২৪ নংচিঠি (তাৰিখ ৪/২/১৯৯৫) যোগে এক স্পষ্টীকৰণ দিছে যে যিহেতু প্ৰথম স্তৰৰ কোনো ক্ৰয় সামগ্ৰীৰ এক ক্ৰমোন্নতি সাধন কৰিহে ঠিকা কাৰ্যত হস্তান্তৰ কৰা হয়, তেনে সামগ্ৰীৰ প্ৰকৃত অৱস্থাৰ এক পৰিবৰ্তন সাধন হয়। ফলত তেনে হস্তান্তৰিত সামগ্ৰীৰ ওপৰত কৰৰ দায়বদ্ধতা আছে।

আনহাতে, আইনখন শেষ বিক্ৰীৰ ওপৰত কৰৰ কোনো দায়বদ্ধতা থাকিলে তেনে কৰ ক্ৰয়কাৰীজনে আদায় কৰিব লাগে, কিন্তু ঠিকা কাৰ্যৰ ক্ষেত্ৰত তেনে সামগ্ৰী কিনা কৰ বা আংশিক

কৰ আদায়ৰ ক্ষেত্ৰত দ ‘এ’ ফৰ্মৰ ঘোষণা-পত্ৰ প্ৰদান কৰা ব্যৱস্থা নাছিল। ফলত একেটা সামগ্ৰীৰ ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত বাৰে বাৰে কৰ আদায় দিব লগীয়া হৈছিল। উল্লেখযোগ্য যে অসম চৰকাৰে যোৱা ১৯/১/২০০০ তাৰিখৰ এক সংশোধনী যোগে ঠিকা কামৰ ক্ষেত্ৰতো তেনে ঘোষণা-পত্ৰ প্ৰদানৰ ব্যৱস্থা কাৰ্যকৰী কৰিলে। কিন্তু কোনো প্ৰথম স্তৰৰ কৰযুক্ত সামগ্ৰী ক্ৰয় কৰি তেনে সামগ্ৰী ঠিকা কামত হস্তান্তৰ কৰিলে তেনে ক্ষেত্ৰত কোনো কৰ ৰেহাই ব্যৱস্থা প্ৰৱৰ্তন কৰা নাই। ফলত তেনে দ্বিতীয় বা তৎপৰৱৰ্তী স্তৰৰ বিক্ৰীৰ ক্ষেত্ৰতো কৰ আদায় দিবলগীয়া হৈছে।

ৰাজ্যখনত কৰ আদায় ব্যৱস্থা সুনিশ্চিত কৰিবলৈ কোনো ব্যৱসায়ী, চৰকাৰ, নিগম, ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান নাইবা বৰ্ডত কোনো কৰযুক্ত সামগ্ৰী যোগান ধৰিলে তেনে যোগান মূল্যৰ ওপৰত টকাত আঠ পইচা হাৰে কৰ উৎসতে কাটি ৰাজকোষত জমা দিয়া হয়। ঠিকাৰ ক্ষেত্ৰতো তেনে প্ৰতিষ্ঠানসমূহে সমুদায় ঠিকা-মূল্যৰ ওপৰত টকাত চাৰি পইচা হাৰে কৰ উৎসতে কৰ্তন কৰি জমা দিব পাৰে। উক্ত কৰ ৰাজকোষত জমা দিয়াৰ পিছত যোগানকাৰী নাইবা ঠিকাদাৰক এখন প্ৰমাণ-পত্ৰ দিয়া হয়। উক্ত প্ৰমাণ-পত্ৰ কৰ নিৰ্ধাৰণৰ সময়ত দাখিল কৰা সাপেক্ষে তেনে কৰ্তন কৰা কৰ সুবিন্যস্ত কৰা হয়।

উৎসত এনে কৰ কৰ্তন ব্যৱস্থাৰ বৈধতা সম্বন্ধে প্ৰত্যাহ্বান জনাই বিভিন্ন ঠিকাদাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ত আবেদন জনাইছিল। উচ্চ আদালতে তেনে ধৰণৰ ৪৮৬ খন আবেদন যোৱা ২৬/৩/২০০২ তাৰিখে একেলগে নিষ্পত্তি কৰি বিক্ৰীকৰ আইনৰ সংশ্লিষ্ট ধাৰা বৈধ বুলি ৰায় প্ৰদান কৰিছিল। কিন্তু আদালতে উক্ত ৰায়ত তলত দিয়া পৰ্যবেক্ষণ সন্নিবিষ্ট কৰিছিল ঃ

১। বিক্ৰী বা যোগানৰ ক্ষেত্ৰত বিবেচ্য সামগ্ৰী কৰযুক্ত তেনে সামগ্ৰীৰ মূল্যৰ ওপৰত উৎসতে কৰ কৰ্তন কৰিব লাগে।

২। বিক্ৰী কৰ আইনত সন্নিবিষ্ট কৰা আন্তঃৰাজ্যিক বিক্ৰী, আন্তঃৰাজ্যিক বেহা-বেপাৰৰ ক্ষেত্ৰত ঘোষণা কৰা গুৰুত্বপূৰ্ণ সামগ্ৰী কৰমুক্ত সামগ্ৰী আৰু কৰ আদায় দি ক্ৰয় কৰা প্ৰথম স্তৰৰ বিক্ৰী সামগ্ৰী আদি তেনে ঠিকা কাৰ্যত হস্তান্তৰ কৰিলে উৎসত কোনো কৰ কৰ্তন কৰিব নালাগে।

৩। কৰ কৰ্তন আৰু কৰ জমা দিয়া প্ৰমাণ-পত্ৰসমূহ ঠিকাদাৰসকলক হস্তান্তৰিত কৰিব লাগে।

৪। বিক্ৰীকৰ আইনৰ প্ৰথম আৰু দ্বিতীয় অনুসূচীত বৰ্ণিত সামগ্ৰীসমূহ সংশোধিত ব্যৱস্থা মতে বিবেচিত হ'ব লাগে।

আদালতে এই কথাও কৈছে যে উৎসতে কৰ্তন কৰা কৰ প্ৰকৃত কৰৰ দায়বদ্ধতা নিৰ্ণয় নকৰে। যথাযথ কৰ নিৰ্ধাৰণ প্ৰক্ৰিয়াৰ দ্বাৰাহে প্ৰকৃত কৰৰ দায়বদ্ধতা নিৰূপণ কৰা হয়। পূৰ্বতে উল্লেখ কৰা হৈছে যে, ঠিকা কাৰ্যত সামগ্ৰী হস্তান্তৰৰ ক্ষেত্ৰত কৰ ৰেহাই, প্ৰথম স্তৰত কৰ আদায় দি ক্ৰয় কৰা সামগ্ৰীসমূহ সমূহীয়া ঠিকা মূল্যৰ পৰা বাদ দিয়া ব্যৱস্থা কৰ আইনত সন্নিবিষ্ট কৰা নাই। কিন্তু আদালতৰ ৰায়ে তেনে ব্যৱস্থা অৱলম্বন সুনিশ্চিত কৰিছে। গতিকে আমাৰ ধাৰণা যে আদালতৰ এনে ৰায় কাৰ্যকৰী কৰিবলৈ হ'লে প্ৰথমতে বিক্ৰীকৰ আইনৰ

সংশ্লিষ্ট ধাৰাৰ সংশোধনৰ প্ৰয়োজন হ'ব। কিন্তু অকল সংশোধন কৰিলেই নহ'ব, কৰ্তনৰ ক্ষেত্ৰত কিদৰে ইয়াৰ কাৰ্যকৰী ব্যৱস্থা লোৱা হ'ব সেয়াও হ'ব এক প্ৰশ্নৰ বিষয়; কাৰণ কৰ্তনকাৰী কৰ্তৃপক্ষসমূহ কৰ বিষয়া নহয়। কৰ সম্বন্ধে তেওঁলোকৰ সীমিত জ্ঞান। গতিকে এই ক্ষেত্ৰতো এটি সু-অধ্যয়নৰ প্ৰয়োজন, যাতে কোনো খেলিমেলিৰ সৃষ্টি নহয়।

আমাৰ কথা হৈছে — ন্যায্যভাৱে চৰকাৰৰ কৰ আদায় হ'ব লাগে। কোনোক্ষেত্ৰতে ব্যৱসায়ী বা ঠিকাদাৰৰ হাৰাশাস্তি হ'ব নালাগে। আনহাতে, চৰকাৰো ন্যায্য আদায়ৰ পৰা বঞ্চিত হ'ব নালাগে।

এনেক্ষেত্ৰত আমি ভাবো যে ঠিকাদাৰসকলে প্ৰতিখন বিল সংশ্লিষ্ট কৰ কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰি কৰ দায়বদ্ধতা সম্বন্ধে এখন প্ৰমাণ-পত্ৰ লোৱা সমীচীন হ'ব। তেনে প্ৰমাণ-পত্ৰৰ ভিত্তিত সংশ্লিষ্ট কৰ্তনকাৰী কৰ্তৃপক্ষই ঠিকাদাৰৰ বিলৰ পৰা হস্তান্তৰ কৰা কৰযুক্ত সামগ্ৰীৰ ওপৰত যথাযথ হাৰত কৰ কৰ্তন কৰিব। যদিও এই ব্যৱস্থাই কামৰ পৰিমাণ বৃদ্ধি কৰিব, কিন্তু ইয়াৰ দ্বাৰা কৰ কৰ্তন তথা কৰ আদায় ব্যৱস্থা সুনিশ্চিত আৰু সুৰক্ষিত কৰিব। অন্যথাই তেনে ঠিকা বিলৰ ওপৰত এক সাময়িক বা অগ্ৰিম কৰ নিৰ্ধাৰণ কৰিলে কৰ্তনকাৰী কৰ্তৃপক্ষই যথাযথভাৱে কৰ কৰ্তন কৰিবলৈ অসুবিধা নাপাব। পিছলৈ নিয়মীয়া কৰ নিৰ্ধাৰণ পদ্ধতি প্ৰয়োগ কৰিব পৰা যাব।

আমাৰ মূল লক্ষ্য হৈছে চৰকাৰৰ ৰাজহ আদায়, যাতে কোনোক্ষেত্ৰতে তেনে ৰাজহ আদায়ৰ গতিশীলতা বাধাগ্ৰস্ত নহয় তাৰ প্ৰতি দৃষ্টি ৰখা প্ৰতিজন কৰ বিষয়াৰ কৰ্তব্য। অসমৰ আজিৰ এই সংকটপূৰ্ণ বিত্তীয় পৰিস্থিতি উন্নত কৰিবলৈ এক গতিশীল চিন্তাধাৰা আৰু গঠনমূলক কাৰ্য-ব্যৱস্থাৰ অতি প্ৰয়োজন।

আমাৰ অসম
৯/১০/২০০২

# অৰ্থনৈতিক অপৰাধ

'দ্য আসাম জেনাৰেল চেল্‌ছ টেক্স এক্ট, ১৯৯৩' (বিক্ৰীকৰ আইন) কোনো কৰযুক্ত সামগ্ৰীৰ ক্ৰয় আৰু বিক্ৰীৰ ওপৰত কৰ আৰোপ, কৰ আদায় আৰু কৰ ফাঁকি প্ৰতিৰোধ আদি কাৰ্যকৰী ব্যৱস্থাৰ ক্ষেত্ৰত প্ৰণয়ন কৰা এখন ৰাজ্যিক আইন। এই আইনৰ প্ৰয়োগ মাথোন ক্ৰয় বিক্ৰী আৰু আনুষংগিক ব্যৱস্থাৰ ক্ষেত্ৰতহে সীমাবদ্ধ। আনহাতে, 'দ্য ইণ্ডিয়ান পেনাল কোড্' ('ভাৰতীয় দণ্ডবিধি আইন') দেশখনত সংঘটিত হোৱা বিভিন্ন ধৰণৰ অপৰাধ নিয়ন্ত্ৰণ আৰু বিচাৰ ব্যৱস্থা আদিৰ সম্বন্ধে প্ৰণয়ন কৰা এখন কেন্দ্ৰীয় আইন। এই আইনৰ প্ৰয়োগ বিভিন্ন ক্ষেত্ৰত, বিভিন্ন দিশত সম্প্ৰসাৰিত। ভাৰতীয় দণ্ডবিধি আইনৰ কাৰ্যব্যৱস্থা 'দ্য কোড্ অব ক্ৰিমিনেল প্ৰছিডিওৰ' (ফৌজদাৰী কাৰ্যবিধি)ৰ দ্বাৰা নিয়ন্ত্ৰিত হয়।

এই প্ৰবন্ধৰ লেখক এজন অৱসৰপ্ৰাপ্ত কৰ বিষয়া। অৱসৰ লোৱাৰ প্ৰায় ছয় বছৰৰ অধিক কাল হ'ল। সহকৰ্মীসকল, বুদ্ধিজীৱীসকল আৰু ব্যৱসায়ী বিষয়াসকলৰ বহুতে আজিও কৰ আইন সম্বন্ধে বিভিন্ন কথা/বিষয় এই লেখকৰ সৈতে আলোচনা কৰে। প্ৰয়োজনবোধে অভিমত ব্যক্ত কৰা হয়, উপদেশ দিয়া হয় আৰু সেয়া এক আভ্যন্তৰিণ কথা। আজি অলপ দিনৰ আগতে এজন কৰ বিষয়াই এই লেখকৰ ওচৰত এটি সমস্যাৰ কথা উত্থাপন কৰিছিল। সমস্যাটো হ'ল — এটা পৰিবহন প্ৰতিষ্ঠানে ভুৱা নামত কৰযুক্ত সামগ্ৰী আমদানি কৰি হিচাপ বহিৰ্ভূতভাৱে পৰিবহণ প্ৰতিষ্ঠানৰ গুদামত সংৰক্ষণ কৰিছিল। সামগ্ৰীখিনি খালাচ দিয়া হোৱা নাছিল। বিষয়াজনে বিচৰা মতে, প্ৰতিষ্ঠানটোৱে মালৰ প্ৰকৃত গৰাকীৰ নাম আৰু আন আন তথ্য প্ৰদান কৰাত ব্যৰ্থ হৈছিল। তেনে হিচাপ বহিৰ্ভূত সামগ্ৰী ভুৱা নামত কৰফাঁকি দিয়াৰ পৰিপ্ৰেক্ষিতত আমদানি কৰা বুলি সন্দেহ কৰি বিষয়াজনে ৰাজহ আদায়ৰ স্বাৰ্থত সামগ্ৰীখিনি জব্দ কৰিছিল। তেখেতে উল্লেখ কৰিছিল যে উক্ত পৰিবহণ প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰিব লাগে। এইক্ষেত্ৰত কিদৰে ব্যৱস্থা লোৱা যাব সেই বিষয়ে মোৰ উপদেশ বিচাৰিলে। এয়া সঁচাকৈয়ে এক আচৰিত ধৰণৰ কথা। আজি ৩৮ বছৰৰ অধিক কাল কৰ সম্বন্ধীয় বিষয়ত ওতঃপ্ৰোতভাৱে জড়িত হৈ থকাৰ পিছত এই লেখকৰ কাৰণে এয়া হ'ল এক নতুন সংলাপ, এক অভিনৱ ব্যৱস্থা।

বিষয়াজনক কোৱা হ'ল যে বিক্ৰীকৰ আইনত পৰিদৰ্শন, পৰীক্ষণ, সন্দেহযুক্ত হিচাপ জব্দ, হিচাপ বহিৰ্ভূত সামগ্ৰী জব্দ, কৰ নিৰ্ধাৰণ, জৰিমনা আৰোপ, অপৰাধীৰ বিৰুদ্ধে আদালতত গোচৰ আদি বিভিন্ন ক্ষমতা কৰ কৰ্তৃপক্ষক প্ৰদান কৰা হৈছে। তেনে ন্যস্ত স্বাৰ্থ প্ৰয়োগ নকৰি আৰক্ষীৰ ওচৰত এজাহাৰ দাখিল কৰি ভাৰতীয় দণ্ডবিধি আইন মতে ব্যৱস্থা ল'বলৈ অনুৰোধ কৰি নিজৰ স্থিতি আৰু মৰ্যাদা লাঘৱ কৰাৰ কাৰণ কি? ইয়াৰ দ্বাৰা কৰ বিভাগ কি ধৰণে লাভৱান হ'ব? বিষয়াগৰাকীয়ে অসহায়ভাৱে ক'লে যে এয়া উচ্চতম কৰ্তৃপক্ষৰ নিৰ্দেশ। গতিকে

কোনো প্ৰস্তাৱ অৱতাৰণা নকৰি তেনে নিৰ্দেশ পালন কৰাৰ বাহিৰে আইন উপায় নাই। প্ৰকাৰান্তৰে তেখেতে এই কথাকে প্ৰকাশ কৰিলে যে তেনে ভিত্তিহীন ব্যৱসায়ীক হাৰাশাস্তি কৰাৰ মানসেৰে এনে ব্যৱস্থা ল'বলৈ দিয়া হৈছে। এইকথা অনুভৱ কৰা হ'ল যে, কৰ প্ৰশাসনৰ দক্ষতাবিহীন কাৰ্যৰ পৰিপ্ৰেক্ষিতত এনে ধৰণেৰে আৰক্ষীৰ আশ্ৰয় ল'বলৈ বিচৰা হৈছে।

তেনে এক ঘটনাৰ কথা মনত পৰিল। সেয়ে ১৯৮৪-৮৫ চন। কৰ আয়ুক্ত এগৰাকীয়ে নিৰ্দেশ দিলে যে প্ৰতিজন ব্যৱসায়ীক আদায় দিয়া কৰতকৈ শতকৰা ২৫ ভাগ অধিক কৰ আৰোপ কৰিব লাগে। প্ৰকৃততে কৰ নিৰ্ধাৰণ প্ৰক্ৰিয়া এক অৰ্ধ ন্যায়িক প্ৰক্ৰিয়া। সম্পূৰ্ণ ন্যায়িক ভিত্তিত তেনে কৰ নিৰ্ধাৰণ কৰিব লাগে। এই ক্ষেত্ৰত কৰ বিষয়াগৰাকীৰ বিচাৰ আৰু বিবেচনাই অগ্ৰাধিকাৰ লাভ কৰে। হিচাপত কোনো দোষ-ত্ৰুটী নাথাকিলে বা কৰ নিৰ্ধাৰক বিষয়াৰ ওচৰত কোনো প্ৰতিকূল তথ্য নাথাকিলে তেনে ধৰণৰ কৰ আৰোপ ব্যৱস্থা প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব। ওপৰৱালাৰ নিৰ্দেশমতে কৰ নিৰ্দ্ধাৰক বিষয়াই তেনে ধৰণে কৰ আৰোপ কৰিলে পিছলৈ শলঠেকত পৰিব।

গতিকে তেনে আনুমানিক আৰু ভিত্তিহীন কৰ আৰোপ প্ৰক্ৰিয়াৰ পৰা বিৰত থকা যুক্তিযুক্ত বুলি বিবেচনা কৰা হ'ল। যথা সময়ত পৰিদৰ্শক বিষয়া আহিল। আনে কি কৰিছিল নাজানো। এই লেখকে নিজৰ স্থিতি আৰু নীতি স্পষ্ট কৰি দিলে। কি কৰিব? কথা তাতে ভালপৰিল।

যি কি নহওক, কৰ বিষয়াজনে অনুৰোধ কৰাত ভাৰতীয় দণ্ডবিধিৰ সংশ্লিষ্ট ধাৰাসহ এজাহাৰ এখন দাখিল কৰিবলৈ প্ৰয়োজনীয় উপদেশ প্ৰদান কৰা হ'ল। এই কথাও কোৱা হ'ল যে আৰক্ষীয়ে সংশ্লিষ্ট নথি-পত্ৰ আৰু জব্দ কৰা সামগ্ৰীসমূহৰ বিষয়ে তদন্ত কৰিব পাৰে। কিন্তু কোনো ক্ষেত্ৰতে যেন জব্দ কৰা সামগ্ৰী আৰক্ষীক হস্তান্তৰ কৰা নহয়, কাৰণ তেনে জব্দ কৰা সামগ্ৰী ৰক্ষণৰ দায়িত্ব কৰ বিষয়াজনৰহে।

এই মৰ্মে বিক্ৰীকৰ আইনৰ সংশ্লিষ্ট ধাৰাৰ কথা উল্লেখ কৰা প্ৰয়োজন।

'Section 46(2)(b)– The authority referred to in clause (a), shall have the power to seize any goods found in any such office, shop, godown, vessel, receptacle, vehicle or any other place of business or building or place mentioned in clause (a), if such goods are not found properly accounted for or the said authority has reasons to suspect that evasion of tax payable under this section may take place in respect of the goods.***

আইনৰ ওপৰোক্ত দফাত কোৱা হৈছে যে কৰ্তৃপক্ষৰ (authorityৰ) জব্দ (seize) কৰাৰ ক্ষমতা আছে। কিন্তু আইনখনত সন্নিবিষ্ট অনুৰূপ ধাৰা তথা ৪৪(৫) (বি)ত উল্লেখ থকা মতে এইক্ষেত্ৰত ক্ষমতা প্ৰয়োগৰ কথা সন্নিবিষ্ট কৰা হোৱা নাই। গতিকে সামগ্ৰী জব্দ কৰাৰ ক্ষেত্ৰত আইনৰ উক্ত দফা সুস্পষ্ট, যাথাৰ্থতাপূৰ্ণ নহয়, বৰং ত্ৰুটীযুক্ত।

আনহাতে, আইনৰ ৪৬(২) (চি) ধাৰাত কোৱা হৈছে যে – 'The authority referred to in clause (b) shall, in case where the carrier or the bailee or the person in charge of the goods fail to produce any evidence or satisfy the said

**authority regarding the proper accounting of the goods, impose a penalty, after giving a reasonable opportunity of being heard to such carrier or bailee or the person in charge of the goods, which shall be equal to three times the amount of tax calculated on the value of such goods and the goods shall be released, as soon as the penalty is paid. *****

গতিকে, এই কথা অতি স্পষ্ট হৈছে যে তেনে জব্দ কৰা সামগ্ৰী আৰু কৃত অপৰাধ নিষ্পত্তিৰ ক্ষেত্ৰত কৰ কৰ্তৃপক্ষৰ ওপৰতহে সকলো ক্ষমতা ন্যস্ত কৰা হৈছে। এনে ক্ষেত্ৰত উচ্চতম বিষয়াই দিয়া তথাকথিত নিৰ্দেশ সম্পূৰ্ণ অপ্ৰাসঙ্গিক আৰু অপ্ৰয়োজনীয় বুলিহে অনুভৱ হয়। কৰ বিষয়াই তদন্ত কৰিছে, তদন্তৰ সময়ত হিচাপ বহিৰ্ভূত সামগ্ৰী জব্দ কৰিছে — আইনৰ ধাৰা অনুযায়ী জৰিমনা কৰিব। প্ৰয়োজনবোধে বিক্ৰীকৰ আইনৰ ৫৭(চি), ৬১ আৰু ৬২ ধাৰামতে আদালতত গোচৰ তৰিব। এনেক্ষেত্ৰত আৰক্ষীৰ হস্তক্ষেপৰ প্ৰয়োজন কি? আৰক্ষীয়ে তথাকথিত দোষী পৰিবহণ প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰীক গ্ৰেপ্তাৰ কৰিব? কিন্তু মূল কথা বাজ্যিক' কৰ আদায়ৰ সম্বন্ধে আৰক্ষীৰ কৰণীয় কাম কি? সেয়া কৰ বিষয়াৰ এক বিশেষ অধিকাৰ। আৰক্ষীক তেনে ক্ষমতা প্ৰদান কৰিব পৰা নাযায়। আনহাতে, কৰ বিষয়াই জব্দ কৰা সামগ্ৰীখিনি আৰক্ষীৰ গোচৰ মৰ্মে আদালতে নিষ্পত্তি নকৰালৈকে মুক্ত কৰিব নোৱাৰিব। তেনে সামগ্ৰীৰ কিবা ক্ষতিসাধন হ'লে কৰ বিভাগে দায়িত্ব বহন কৰিব লাগিব। আৰক্ষীয়ে এজাহাৰৰ ভিত্তিত সকলো বিষয়ে এক পুংখানুপুংখৰূপে তদন্ত কৰা এক স্বাভাৱিক নিয়ম। এনেক্ষেত্ৰত গোটেই কাৰ্যক্ৰমে এক জটিলতাৰহে সৃষ্টি কৰিব বুলি আমাৰ ধাৰণা। এই প্ৰক্ৰিয়াত অকল যে পৰিবহণ প্ৰতিষ্ঠান বা ব্যৱসায়ীৰে হাৰাশাস্তি হ'ব এনে নহয়, কৰ বিষয়াসকলো এক অস্বাভাৱিক পৰিস্থিতিৰ সন্মুখীন হ'ব লাগিব পাৰে। আমাৰ সাধাৰণ বাইজৰ ধাৰণা যে যি ক্ষেত্ৰত বিক্ৰীকৰ আইনত সকলো ক্ষমতা প্ৰদান কৰা হৈছে তেনে ক্ষেত্ৰত আৰক্ষীৰ হস্তক্ষেপৰ কাৰণে এজাহাৰ দাখিল কৰা কাৰ্য এক অপৰিপক্কতা আৰু খাম-খেয়ালি মনোভাৱৰ প্ৰতিফলন।

আমি জনা মতে কৰ বিষয়াৰ কাৰ্যত বাধা প্ৰদান, সংশ্লিষ্ট নথি-পত্ৰ চুৰি, জালিয়াতি আদি কাৰ্যৰ কাৰণে আৰক্ষীৰ সহায় ল'ব লগা হয়। কিন্তু কৰ আইন ভঙ্গৰ কাৰণে আৰক্ষীৰ সহায় বিচৰাটো প্ৰশাসন যন্ত্ৰৰ দুৰ্বলতাৰহে নিদৰ্শন। এই ব্যৱস্থা নিজৰ নাক কাটি সতিনীৰ যাত্ৰা ভংগ কৰাৰ দৰেহে হৈছে বুলি বিশ্বাস হয়। আনহাতে, কৰ বিভাগৰ নথি-পত্ৰসমূহ অতি গোপনীয় আৰু তেনে গোপনীয়তা ৰক্ষাৰ ক্ষেত্ৰত কৰ আইনত বাধা আৰোপ কৰিছে। আৰক্ষীৰ হস্তক্ষেপৰ ফলত তেনে গোপনীয়তা ৰক্ষা কিমানখিনি সম্ভৱ হ'ব, তাক সময়ে ক'ব।

প্ৰকৃততে কৰ আইন প্ৰশাসন এক অৰ্ধ ন্যায়িক প্ৰক্ৰিয়া। কৰ বিষয়া একজনৰ বুদ্ধি-বিবেচনা, সবল চিন্তাধাৰা, বাস্তৱ দৃষ্টিভঙ্গীয়ে এইক্ষেত্ৰত অগ্ৰাধিকাৰ পায়। অইন ব্যক্তি বা বিষয়াৰ দ্বাৰা প্ৰভাৱান্বিত হ'লে তেনে প্ৰশাসন ব্যৱস্থাৰ গুৰুত্ব আৰু গাম্ভীৰ্য হেৰুৱায়। কাৰ্যক্ৰম ক্ৰটীযুক্ত হয়। বিষয়াসকল প্ৰতিকূল মনোভাবাপন্ন বুলি প্ৰত্যাহ্বানৰ সন্মুখীন হয়। নিজৰ স্থিতি বিপদাপন্ন হয়। অৱশ্যে বিবোৰ ক্ষেত্ৰত উচ্চ বিষয়াৰ অনুমোদনৰ প্ৰয়োজন হয়, সেয়া এক সুকীয়া কথা। কিন্তু বিষয়াসকল কোনো ক্ষেত্ৰত নিজ কাৰ্যক্ৰমত অইন ব্যক্তি বা কৰ্তৃপক্ষৰ দ্বাৰা প্ৰভাৱান্বিত

হোৱা সমীচীন নহয়। সেয়েহে আমাৰ মতে, কৰ বিষয়াই আংশিক প্ৰক্ৰিয়া কাৰ্যকৰী কৰাৰ পিছত আৰক্ষীৰ হস্তক্ষেপৰ কাৰণে এজাহাৰ প্ৰদান কৰা কাৰ্য নীতি বহিৰ্ভূত আৰু সম্পূৰ্ণভাৱে এক বিসংগতিপূৰ্ণ ব্যৱস্থা। আনহাতে, গোচৰত কিবা কাৰিকৰী ত্ৰুটী থাকিলে আদালতৰ ৰায় চৰকাৰৰ বিৰুদ্ধেহে যোৱা স্বাভাৱিক কথা। তেনে ক্ষেত্ৰত সংশ্লিষ্ট ৰাজহ আদায়ৰ ক্ষেত্ৰতো ব্যাঘাত জন্মিব।

এইক্ষেত্ৰত এই লেখকে কৰ বিষয়াজনক উপদেশ দিছিল যে 'কৰফাঁকি' আৰু 'কৰ নিৰ্ধাৰণ' দুটা সুকীয়া প্ৰক্ৰিয়া। তেখেতে যেন ফাঁকি কৰৰ ক্ষেত্ৰত আৰক্ষীয়ে লোৱা ব্যৱস্থাতে ক্ষান্ত নাথাকি কৰ আদায়ৰ কাৰণে সজাগ আৰু সচেষ্ট হয়।

এইখিনিতে আমাৰ প্ৰশ্ন হ'ল — পৰিবহণ প্ৰতিষ্ঠান বা ব্যৱসায়ীয়ে প্ৰবেশদ্বাৰ তথা উৎসতে ধৰা নপৰে কিয়? জনা মতে প্ৰবেশদ্বাৰত পৰীক্ষণৰ উপযুক্ত সা-সুবিধা নাই আৰু আজি ৩০ বছৰে সেই সুবিধা প্ৰদান কৰা হোৱা নাই। এনে ক্ষেত্ৰত অন্তৰ্বৰ্তী কৰ পৰীক্ষণচকীসমূহ অধিক কাৰ্যকৰী কৰি তোলাৰ প্ৰয়োজন। অলপতে এই লেখকে অসমৰ ৰাজ্যিক বিত্ত মন্ত্ৰীক ৰঙীয়া আৰু বাইহাটা চাৰিআলিৰ মাজত এখন অন্তৰ্বৰ্তী পৰীক্ষণ চকী স্থাপনৰ বাবে মৌখিক পৰামৰ্শ আগবঢ়াইছিল। অৱশ্যে সেয়া চৰকাৰৰ সিদ্ধান্তৰ ওপৰতহে নিৰ্ভৰ কৰে। তেনে ব্যৱস্থাই উত্তৰ অসম, উজনি অসম আৰু নামনি অসমত আমদানি কৰা সামগ্ৰীসমূহ যথাযথভাৱে পৰীক্ষা কৰাত সুবিধা হ'ব।

আজি কিছুদিনৰ পৰা লক্ষ্য কৰি অহা হৈছে যে কৰ বিষয়াসকলে বাটে-বাটে, গুদামে গুদামে পৰিদৰ্শন কাৰ্য চলাই আছে। কিন্তু ইয়াৰ দ্বাৰা চৰকাৰে কিবা উল্লেখযোগ্য সাফল্য লাভ কৰিছেনে? ২০০১-২০০২ চনৰ কাৰ্যকালত তেনে কাৰ্যক্ৰমৰ গঠনমূলক সফলতা প্ৰতিফলিত হোৱা নাই বুলি আমাৰ বহুতৰে ধাৰণা, কৰফাঁকি প্ৰক্ৰিয়া এনেদৰে বন্ধ কৰিব নোৱাৰি। তাৰ বাবে প্ৰয়োজন উপযুক্ত পৰিকল্পনা, গঠনমূলক কাৰ্যব্যৱস্থা, বিষয়াসকলৰ নিষ্ঠা আৰু সংহতি। এইক্ষেত্ৰত কিমানখিনি অগ্ৰগতি লাভ কৰিছে তাক সময়ে ক'ব।

অসমত প্ৰায় ৮০০খনমান চাহ বাগিচা আছে। এই বাগিচাসমূহৰ গতিবিধিৰ ওপৰত কিবা চোকা দৃষ্টি ৰখা হৈছেনে? অইন ৰাজ্যলৈ চাহপাত বিক্ৰীৰ বাবে হস্তান্তৰ প্ৰক্ৰিয়া বহুতো ক্ষেত্ৰত ভুৱা বুলি প্ৰমাণিত হৈছে। এই কথা বহুতো প্ৰবন্ধযোগে এই লেখকে উনুকিয়াই আছে। চৰকাৰৰ প্ৰশাসনযন্ত্ৰই এইক্ষেত্ৰত কি ব্যৱস্থা লৈছে? আমাৰ বোধেৰে কৰফাঁকি প্ৰতিৰোধৰ গঠনমূলক ব্যৱস্থাইহে ৰাজহ আদায়ত সুৰক্ষা প্ৰদান কৰিব। জধে-মধে দমনমূলক ব্যৱস্থা লোৱাৰ ফলত ৰাজহ আদায়ত বিপৰ্যয়ৰ সৃষ্টি হোৱাহে সম্ভৱ।

আমাৰ অসম
২৮/৮/২০০২

## প্ৰস্তাৱিত মূল্য সংযোজক কৰ (ভেট্) ব্যৱস্থা ঃ

# পূৰ্ণাঙ্গ ৰূপ দিয়াৰ আগতে বিশ্লেষণৰ প্ৰয়োজন আছে

['দ্য গভৰ্ণমেণ্ট অফ্ ইণ্ডিয়া এক্ট, ১৯৩৫'ত প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি অসমত 'দ্য আসাম ছেইলছ অফ মোটৰ স্পিৰিট এণ্ড লুব্ৰিকেণ্ট টেক্সেছন এক্ট, ১৯৩৯' আৰু 'দ্য আসাম ছেইলছ টেক্স এক্ট, ১৯৪৭' প্ৰণয়ন কৰা হয়। প্ৰথমখন আইন বাতিল কৰি যোৱা ১/৫/১৯৫৬ তাৰিখৰ পৰা 'দ্য আসাম ছেইলছ অফ পেট্ৰোলিয়াম এণ্ড পেট্ৰোলিয়াম প্ৰডাক্টছ ইনক্লুডিং মোটৰ স্পিৰিট এণ্ড লুব্ৰিকেটিং টেক্স এক্ট, ১৯৫৫' প্ৰণয়ন কৰা হয়। ইয়াৰ পিছত ভাৰতীয় সংবিধানৰ সপ্তম অনুসূচীৰ দ্বিতীয় তালিকাৰ (ৰাজ্যিক তালিকাৰ) ৫৪ দফা মতে অসম বিধান মণ্ডলীয়ে 'দ্য আসাম ফাইনেন্স ছেইলছ টেক্স এক্ট, ১৯৫৬' আৰু 'দ্য আসাম পাৰছেইজ টেক্স এক্ট ১৯৬৭' প্ৰণয়ন কৰে। উক্ত চাৰিখন আইনৰ সংমিশ্ৰণ সংযোগ আৰু সংশোধন ঘটাই অসম বিধান মণ্ডলীয়ে যোৱা ১/৭/১৯৯৩ তাৰিখৰ পৰা 'দ্য আসাম জেনাৰেল ছেইলছ টেক্স এক্ট, ১৯৯৩' প্ৰণয়ন কৰে।

ভাৰতবৰ্ষ বিভিন্ন ৰাজ্যৰ সংযোগ আৰু সমন্বয় গঠিত এছিয়া মহাদেশৰ এখন সংহতিপূৰ্ণ উপমহাদেশ। এই উপমহাদেশৰ ৰাজ্যসমূহক বহুতো ক্ষেত্ৰত নিজা নিজা প্ৰশাসনৰ বাবে সংবিধানত কৰ্তৃত্ব প্ৰদান কৰা হৈছে। বিক্ৰীকৰ আৰোপ ব্যৱস্থা তাৰে অন্যতম প্ৰতিখন ৰাজ্যতে বিক্ৰী কৰ আৰোপ ব্যৱস্থা প্ৰবৰ্তন কৰা হৈছে। তাৰ পৰা ৰাজ্য সমূহে এক বৃহৎ পৰিমাণৰ কৰ আদায় পায়। কিন্তু আইন সমূহৰ কাৰ্যকৰী ব্যৱস্থা আৰু প্ৰশাসনীয় ব্যৱস্থা অতি গঠন মূলক নহয়। ফলত একশ্ৰেণীৰ অসৎ ব্যৱসায়ীয়ে কিছু অসৎ বিষয়াৰ প্ৰত্যক্ষ বা পৰোক্ষ সহযোগত ৰাজহ সম্পদ গতিশীলতাৰ ক্ষেত্ৰত অশেষ বাধাৰ সৃষ্টি হৈছে।]

ভাৰত অৰ্থনৈতিক দিশত এখন অতি পশ্চাদগামী ৰাষ্ট্ৰ। বহুতো ক্ষেত্ৰত দেশৰ অৰ্থনৈতিক উন্নয়নৰ বাৰ্থত ভাৰতে "বিশ্ববেংক" আৰু আন বিত্তীয় প্ৰতিষ্ঠানৰ পৰা সহায় ল'ব লগীয়া হয়। "ইন্টাৰ নেছনেল মনিটাৰী ফাণ্ড" নামৰ প্ৰতিষ্ঠানো তাৰে অন্যতম। ৰাজ্যসমূহত বৃদ্ধি পোৱা কৰফাকি প্ৰক্ৰিয়াৰ পৰিপ্ৰেক্ষিতত উক্ত প্ৰতিষ্ঠানে ভাৰতবৰ্ষত 'Value Added Tax' (VAT) বা মূল্য সংযোজক কৰ ব্যৱস্থা প্ৰবৰ্তন কৰিবলৈ আজি প্ৰায় দহ বছৰ কাল ধৰি প্ৰবল হেঁচা প্ৰয়োগ কৰি আছে। ইয়াৰ উদ্দেশ্য হৈছে কৰফাঁকি প্ৰক্ৰিয়া বন্ধ কৰা, ৰাজ্যসমূহ আৰ্থিক দিশত স্বাৱলম্বী কৰি তোলা আৰু নিজ নিজ সম্পদ আহৰণৰ ক্ষেত্ৰত অধিক গতিশীল কৰি তোলা।

ফ্ৰান্সত এই ব্যৱস্থা যোৱা ১৯৫৪ চনতে প্ৰবৰ্তন কৰা হৈছিল। এনে মূল্য সংযোজক কৰ ব্যৱস্থা (ভেট) প্ৰবৰ্তনৰ ক্ষেত্ৰত এইখন দেশক অগ্ৰগামী বুলি আখ্যা দিব পাৰি। মুলগেৰিয়া, ফিনলেণ্ড, ছিঙ্গাপুৰ আদি বিশ্বৰ প্ৰায় ১১০ খন ৰাজ্যত এনে ভেট ব্যৱস্থা প্ৰচলন কৰা হৈছে। আমাৰ চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশ, নেপাল, পাকিস্তান আৰু শ্ৰীলংকাতো উক্ত ভেট্ ব্যৱস্থা প্ৰচলিত

কৰা হৈছে। ভাৰত চৰকাৰেও ৰাজ্য সমূহক এই ভেট্ ব্যৱস্থা প্ৰৱৰ্তনৰ ক্ষেত্ৰত প্ৰবল হেঁচা প্ৰয়োগ কৰি আছে। ৰাজ্যসমূহে এক ঐক্যমতত উপনীত হ'লে সকলো ৰাজ্যতে উক্ত ভেট্ ব্যৱস্থা অহা ১/৪/২০০৩ তাৰিখৰ পৰা প্ৰৱৰ্তন কৰা হ'ব।

## মূল্য সংযোজক কৰ বা ভেটৰ অৰ্থ কি?

মূল্য সংযোজক কৰ বা ভেটৰ উদ্দেশ্য হৈছে ৰাজ্যখনত সংঘটিত বিভিন্ন সামগ্ৰীৰ বিক্ৰীৰ ওপৰত একাধিক কৰ আৰোপ ব্যৱস্থা প্ৰৱৰ্তন কৰা। এনে বিক্ৰী চাৰিটা পৰ্যায়ত বিভক্ত কৰা হৈছে। (১) কেঁচা সামগ্ৰীৰ বিক্ৰী, (২) প্ৰস্তুত সামগ্ৰীৰ বিক্ৰী, (৩) পাইকাৰী বিক্ৰী আৰু (৪) খুচুৰা বিক্ৰী। প্ৰতিটো স্তৰত কৰ আৰোপ এক বিৱৰ্তন ব্যৱস্থা। এই ক্ষেত্ৰত দ্বিতীয় পৰ্যায় আৰু পৰৱৰ্তী পৰ্যায়ৰ বিক্ৰী সম্পন্ন হ'লে পূৰ্ববৰ্তী আদায় দিয়া কৰ ব্যৱসায়ীক ঘূৰাই দিয়া বা সুবিন্যস্ত কৰা ভেট্ ব্যৱস্থাৰ অন্যতম লক্ষ্য।

## মূল্য সংযোজক কৰ বা ভেটৰ মূল উদ্দেশ্য

মূল্য সংযোজক কৰ বা ভেট ব্যৱস্থাৰ মূল উদ্দেশ্য অতি গঠনমূলক আৰু প্ৰণালী বদ্ধ। কেঁচা সামগ্ৰীৰ বিক্ৰীৰ পৰা প্ৰস্তুত সামগ্ৰীৰ খুচৰা বিক্ৰীলৈকে প্ৰতিটো বিক্ৰী ওতঃপ্ৰোতভাৱে জড়িত। ফলত এই ক্ষেত্ৰত ব্যৱসায়ী সকলে দায়বদ্ধতাৰ পৰা হাত সাৰিব নোৱাৰে আৰু স্বভাৱতে প্ৰতিজন ব্যৱসায়ীৰ পৰীক্ষণ কাৰ্য আদেশাত্মক হৈ পৰে। এনে প্ৰক্ৰিয়াত ব্যৱসায়ী সকলৰ নিজা নিজা স্বাৰ্থও জড়িত হৈ থাকে। কাৰণ পৰৱৰ্তী বিক্ৰী সম্পন্ন কৰিলে পূৰ্ববৰ্তী কৰ ঘূৰাই পোৱা বা সুবিন্যস্ত হোৱা গতানুগতিক কথা।

অৱশ্যে এক শ্ৰেণীৰ অসৎ ব্যৱসায়ীয়ে এই কৰ ব্যৱস্থা কিদৰে গ্ৰহণ কৰিব সন্দেহতে মন্তব্য দিয়া টান। কাৰণ যি সকল ব্যৱসায়ী ভুৱা নাম বা ঠিকনাত হিচাব বহিৰ্ভূতভাৱে সামগ্ৰী ক্ৰয় আৰু বিক্ৰয় প্ৰক্ৰিয়া অব্যাহত ৰাখে এনে ভেট ব্যৱস্থাই যে কিবা পৰিৱৰ্তন আনিব সেই বিষয়ে স্পষ্ট অভিমত দিয়া টান। কাৰণ তেনে কাৰ্যই গোটে প্ৰকল্পটো মৰিমূৰ কৰাৰ সম্ভাৱনাই বেছি। অৱশ্যে দক্ষতাপূৰ্ণ কৰ প্ৰশাসন আৰু পৰীক্ষণ চকী সমূহৰ নিঃস্বাৰ্থ আৰু গঠনমূলক কাৰ্য ব্যৱস্থাই এই ক্ষেত্ৰত কিছু পৰিৱৰ্তন অনা সম্ভৱ।

## মূল্য সংযোজক কৰ ব্যৱস্থা বা ভেট্ ৰাজ্যসমূহৰ মাজত সীমাবদ্ধ

মূল্য সংযোজক কৰ বা ভেট ব্যৱস্থা প্ৰতিখন ৰাজ্যৰ মাজতহে সীমাবদ্ধ থাকিব। আন্তঃৰাজ্যিক বিক্ৰী কৰণৰ ক্ষেত্ৰত এই ব্যৱস্থা সম্প্ৰসাৰিত নহয়। প্ৰচলিত ব্যৱস্থা মতে 'দ্য চেণ্ট্ৰেল চেইলছ টেক্স এক্ট, ১৯৫৬' ('কেন্দ্ৰীয় বিক্ৰী কৰ আইন') এনে কৰ ব্যৱস্থা নিয়ন্ত্ৰণ কৰি থাকে।

## অসমত মূল্য সংযোজক কৰ বা ভেট্ ব্যৱস্থাৰ প্ৰস্তাৱ

অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশৰ ভিত্তিত মূল্য সংযোজক কৰ বা ভেট্ ব্যৱস্থা প্ৰৱৰ্তনৰ কাৰণে পূৰ্ণ প্ৰস্তুতি চলাইছে। এই মৰ্মে ৰাজ্য চৰকাৰে এখন খচৰা আইন প্ৰস্তুত কৰি বিভিন্ন বিষয়া, সংস্থান, ব্যৱসায়ীৰ মাজত বিতৰণ কৰি বিভিন্ন কোণৰ পৰা অভিমত আৰু পৰামৰ্শ বিচাৰিছে। কিছুমানে ইতিমধ্যে এই বিষয়ত অভিমত আৰু পৰামৰ্শ আগবঢ়াইছে। যি

কি নহওক, চৰকাৰে লোৱা এনে ব্যৱস্থাৰ ক্ষেত্ৰত আমি একমত নহওঁ। আইনখন প্ৰায় ক্ষেত্ৰত বৰ্তমানে প্ৰচলিত 'দ্য আসাম জেনাৰেল ছেইলছ টেক্স এক্ট'ৰ আৰ্হিৰে কৰা পৰিলক্ষিত হৈছে। আইনখনক পূৰ্ণাঙ্গ দিয়াৰ আগতে সকলো ক্ষেত্ৰত যথাযথ অধ্যয়ন আৰু বিশ্লেষণৰ প্ৰয়োজন।

## অসমত প্ৰস্তাৱিত মূল্য সংযোজক কৰ বা ভেটৰ প্ৰভাৱ

পূৰ্বতে উল্লেখ কৰা হৈছে যে মূল্য সংযোজক কৰ বা ভেট ব্যৱস্থাত চাৰি পৰ্যায়ৰ বিক্ৰী অন্তৰ্ভূক্ত। কিন্তু অসম ঔদ্যোগিক বিকাশৰ ক্ষেত্ৰত এখন অতি পশ্চাদগামী ৰাজ্য। ৰাজ্যখনত প্ৰায়বোৰ ব্যৱহাৰিক সামগ্ৰী অইন ৰাজ্যৰ পৰা আমদানী কৰা হয়। গতিকে অসমত কেঁচা সামগ্ৰী আৰু প্ৰস্তুত সামগ্ৰীৰ ওপৰত কৰ আদায় হোৱা আশা অতি ক্ষীণ। ৰাজ্যখনত বি মুষ্টিমেয় উদ্যোগ প্ৰতিষ্ঠান আছে, সেইবোৰৰ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত অইন ৰাজ্যৰ কেঁচা সামগ্ৰীৰ ওপৰত নিৰ্ভৰ কৰিব লাগে।

আনহাতে, কেঁচা সামগ্ৰী উৎপাদন আৰু প্ৰস্তুতিকৰণৰ ক্ষেত্ৰত অধ্যয়ন আৰু বিশ্লেষণ কৰিলে কিছুমান আনুসঙ্গিক কথাও প্ৰত্যক্ষ হয়।

## খাৰুৱা তৈল নিষ্কাশন পেট্ৰোল জাত সামগ্ৰী আৰু পেট্ৰো ৰাসায়নিক সামগ্ৰী উৎপাদন

অসমৰ তৈল ক্ষেত্ৰ সমূহৰ পৰা প্ৰচুৰ পৰিমাণৰ খাৰুৱা তৈল নিষ্কাশন হয়। তাৰে কিছু অংশ বিহাৰৰ বাৰাউনী শোধানাগাৰলৈ আন্তঃৰাজ্যিক বিক্ৰী সম্পন্ন হয়। বাকীখিনি ক্ৰমে বঙাইগাওঁ, গুৱাহাটী, ডিগবৈ আৰু নুমুলীগড় শোধানাগাৰসমূহ, বিক্ৰী হয় আৰু তাৰ পৰা পেট্ৰোলজাত আৰু পেট্ৰো ৰাসায়নিক সামগ্ৰী উৎপাদন কৰা হয়।

প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে, খাৰুৱা তৈল বা পেট্ৰোলজাত সামগ্ৰীৰ বিক্ৰী মূল্য ভাৰত চৰকাৰৰ পেট্ৰোলিয়াম দপ্তৰে নিয়ন্ত্ৰণ কৰে। ৰাজ্য চৰকাৰ বা শোধানাগাৰ সমূহৰ এই ক্ষেত্ৰত কৰণীয় একো নাই। পূৰ্বতে শোধনাগাৰ সমূহ উৎপাদিত সামগ্ৰীৰ মূল্য দুই তৰকীয়া আছিল। কিন্তু বিভিন্ন কাৰণত যোৱা ১/৪/১৯৯৮ তাৰিখৰ পৰা উক্ত সামগ্ৰীসমূহৰ বিক্ৰী মূল্য এক নিৰূপিত সমাহাৰত ধাৰ্য কৰা হৈছে।

এনে ক্ষেত্ৰত উৎপাদিত সামগ্ৰীৰ বিক্ৰী মূল্যৰ কোনো হেৰফেৰ নহয়, ফলত বৰ্দ্ধিত কৰ আদায়ও সম্ভৱ নহয়। আনহাতে খাৰুৱা তৈল (তথা কেঁচা সামগ্ৰীৰ) ক্ৰয় মূল্য ঘূৰাই দিব লাগিলে তেনে ভেট ব্যৱস্থাই ৰাজ্যখনৰ ৰাজহৰ ক্ষেত্ৰত এক চৰম বিপৰ্যয়ৰ হে সৃষ্টি কৰিব।

গতিকে, অসমৰ এই প্ৰধান উদ্যোগৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ কিমানখিনি লাভৱান হ'ব তাক সময়ে ক'ব।

## চাহ উদ্যোগ

চাহ উদ্যোগ অসমৰ আন এক লেখত ল'বলগীয়া উদ্যোগ। অসমৰ প্ৰায় ৮০০ খন চাহ বাগিচাত প্ৰচুৰ পৰিমাণে কেঁচা চাহ পাত উৎপাদন হয়। তাৰ পৰা খোৱা চাহপাত প্ৰস্তুত কৰা হয়। প্ৰতিখন চাহ বাগিচাৰ প্ৰায়ে নিজা নিজা চাহ প্ৰস্তুতি কাৰখানা আছে। গতিকে, কেঁচা সামগ্ৰীৰ বিক্ৰীৰ প্ৰশ্ন নাহে। আনহাতে, কেঁচা চাহপাতৰ ওপৰত কোনো বিক্ৰী কৰ নাই। চাহ

বাগিচাসমূহৰ মাটিৰ ওপৰত কেঁচা চাহপাত উৎপাদন এক মাপকাঠী হিচাবে গণ্য কৰি তেনে উৎপাদিত চাহপাতৰ ওপৰত এক সুকীয়া কৰ আৰোপ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে।

আনহাতে উৎপাদিত চাহ পাতৰ সিংহ ভাগ অংশ আন্তঃৰাজ্যিক বিক্ৰী, আন্তৰাষ্ট্ৰীয় বিক্ৰী (ৰপ্তানী) আৰু অইন ৰাজ্যত বিক্ৰীৰ বাবে স্থানান্তৰ হয়। ফলত উক্ত মূল্য সংযোজক কৰ বা ভেট্ ব্যৱহাৰ তেনে বিক্ৰীৰ ওপৰত প্ৰভাৱ বিস্তাৰ নকৰে।

গুৱাহাটী চাহ নিলামত আৰু দালালৰ জৰীয়তে ভিতৰুৱাকৈ কৰা চাহপাত বিক্ৰীৰ ওপৰত কৰৰ হাৰ হ্ৰাস কৰাৰ পৰিপ্ৰেক্ষিতত তাৰ পৰা ৰাজহ আদায় ব্যৱস্থা সূচল নহয়। অকল স্থানীয় বিক্ৰীৰ দ্বাৰা ৰাজ্য চৰকাৰে কিমানখিনি লাভবান হ'ব, সেই কথা তৈ বিচাৰ বিবেচনা কৰা প্ৰয়োজন।

### কাঠ আৰু কাঠৰ পৰা উৎপাদিত সামগ্ৰীৰ ওপৰত মূল্য সংযোজক কৰ বা ভেট ব্যৱস্থা

অসম এখন হাবি বননিৰে পৰিপূৰ্ণ ৰাজ্য আছিল। ইয়াত উৎপাদিত বিভিন্ন প্ৰকাৰ কাঠ বিশ্বৰ আপুৰুগীয়া সামগ্ৰী। কিন্তু ৰাজনৈতিক পৃষ্ঠপোষকতাত আৰু এচাম অসামাজিক ব্যক্তিৰ কাৰ্যক্ৰমৰ ফলত, অসমৰ হাবি-বননিৰ কাঠৰ বিনাশ ঘটিছে। চাৰিওপিনে মুকলি অৱস্থাৰ সৃষ্টি কৰি পাৰিপাৰ্শ্বিকতা ৰক্ষাৰ ক্ষেত্ৰত এক বিপৰ্যয়ৰ সৃষ্টি কৰিছে। ফলত কাঠৰ উৎপাদন আৰু বিক্ৰী নাইকীয়া হৈছে। কাঠৰ পৰা উৎপন্ন হোৱা গৃহ নিৰ্মাণৰ সামগ্ৰী, আচবাব আৰু প্লাইকাঠ আদিৰ উৎপাদনো বন্ধ হৈছে।

গতিকে, এনে সামগ্ৰীৰ পৰা কৰ আদায়ৰ আশা অতি ক্ষীণ।

### কেঁচা মৰাপাটৰ উৎপাদন

অসমত বিভিন্ন মান সম্পন্ন মৰাপাট প্ৰচুৰ পৰিমাণে উৎপন্ন হয়। কিন্তু অতি পৰিতাপৰ বিষয় যে অসমত কোনো মৰাপাট কাৰখানা নাই। উৎপাদিত সামগ্ৰী প্ৰায় সকলোখিনি কলিকতাৰ কাৰখানাসমূহত পৰৱৰ্তী প্ৰক্ৰিয়াৰ কাৰণে বিক্ৰী বা স্থানান্তৰ কৰা হয়। মৰাপাটৰ শেষ ক্ৰয়ৰ ওপৰত কৰ ব্যৱস্থা আছে যদিও তেনে মৰাপাটৰ আন্তঃৰাজ্যিক বিক্ৰীৰ উপযুক্ত কৰ জমা দিয়া প্ৰমাণ-পত্ৰ দাখিল কৰিলে ৰাজ্যিক ক্ৰয় কৰ ৰেহাই ব্যৱস্থা প্ৰচলিত বিক্ৰীকৰ আইনত সন্নিবিষ্ট কৰা হৈছে।

ফলত প্ৰস্তাৱিত ভেট্ কৰ ব্যৱস্থাই মৰাপাটৰ ৰাজহ আদায়ৰ ক্ষেত্ৰত কোনো গঠনমূলক অৱদান যোগাব বুলি আমাৰ বিশ্বাস নহয়।

### চুপাৰী আৰু বাঁহ

অসমত উৎপাদিত চুপাৰী আৰু বাঁহৰ শেষ ক্ৰয়ৰ ওপৰত কৰ আৰোপ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে। আনহাতে, আন্তঃৰাজ্যিক বিক্ৰীৰ ক্ষেত্ৰত অসম চৰকাৰে চুপাৰীৰ ওপৰত কৰ ৰেহাই ব্যৱস্থা প্ৰদান কৰিছে।

গতিকে, মূল্য সংযোজক কৰ তথা ভেট ব্যৱস্থাই ৰাজ্যখনৰ ৰাজহ আদায়ত উপকৃত নকৰিব বুলি আমাৰ ধাৰণা।

## ইটা বিক্ৰীৰ ওপৰত কৰ আৰোপ ব্যৱস্থা

প্ৰচলিত বিক্ৰীকৰ আইন মতে ইটাৰ প্ৰথম স্তৰৰ বিক্ৰীৰ ওপৰত কৰ আৰোপ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে। কিন্তু অসম চৰকাৰে ইটা ভাটাৰ মালিকৰ ওপৰত উক্ত বিক্ৰী কৰ ব্যৱস্থাৰ সলনি বছৰি একগোট কৰ নিৰ্দ্ধাৰণ ব্যৱস্থা কৰিছে। এই নিৰ্দ্ধাৰিত কৰ প্ৰকৃততে পাবলগীয়া বিক্ৰী কৰৰ আধাতকৈও কম। ফলত চৰকাৰে বছৰি কেবা কোটি টকা লোকচান ভৰি আছে। মূল্য সংযোজক কৰ বা ভেট্ ব্যৱস্থা মতে যদি প্ৰতি স্তৰৰ বিক্ৰীৰ ওপৰত কৰ আৰোপ কৰা হয় চৰকাৰ অধিক লাভৱান হ'ব।

## লো, তীখা সামগ্ৰীৰ প্ৰস্তুতিকৰণ আৰু বিক্ৰী

অসমত প্ৰচুৰ পৰিমাণে লো, তীখাৰ সামগ্ৰী প্ৰস্তুত কৰা হয়। অৱশ্যে এই ক্ষেত্ৰত 'ইনগোট' আৰু 'বিলেট' জাতীয় কেঁচা সামগ্ৰী অসমৰ বাহিৰ পৰা আমদানী কৰা হয়। যিহেতু কেন্দ্ৰীয় বিক্ৰীকৰ আইন সংশোধন ঘটাই প্ৰতি স্তৰৰ গুৰুত্বপূৰ্ণ সামগ্ৰীৰ বিক্ৰীৰ ক্ষেত্ৰত পূৰ্বতে থকা কৰ আৰোপ নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰিছে। গতিকে প্ৰতি স্তৰ বিক্ৰীকৰৰ ওপৰত কৰ আৰোপ কৰি চৰকাৰে এক বুজন পৰিমাণৰ ৰাজহ সংগ্ৰহ কৰিব পাৰিব।

## আমদানীকৃত সামগ্ৰীৰ ওপৰত মূল্যসংযোজক কৰ বা ভেট্ ব্যৱস্থাৰ প্ৰভাৱ

পূৰ্বতে উল্লেখ কৰা হৈছে যে, অসম প্ৰায় ক্ষেত্ৰত আমদানী কৃত সামগ্ৰীৰ ওপৰত নিৰ্ভৰশীল। প্ৰস্তাৱিত ভেট্ ব্যৱস্থা পাইকাৰী বিক্ৰী আৰু খুচুৰা বিক্ৰীৰ ক্ষেত্ৰত হে প্ৰযোজ্য হ'ব। কিন্তু এই বিষয়ত কিছু ত্ৰুটীপূৰ্ণ দিশও আছে।

## খুচুৰা বিক্ৰীৰ মূল্য নিৰ্দ্ধাৰণ

সাধাৰণতে দেখা যায় দৰৱ, প্ৰস্তুতকৃত খাদ্য, প্ৰলেপন সামগ্ৰী আৰু আন সামগ্ৰীৰ খুচুৰা বিক্ৰীমূল্য উৎসতে নিৰূপণ কৰি দিয়া হয়। ফলত প্ৰতিস্তৰৰ বিক্ৰীৰ ওপৰত মূল্যৰ হেৰফেৰ হোৱা সম্ভৱ নহয়। আনহাতে 'স্থানীয় কৰ অতিৰিক্ত' এই ব্যৱস্থাৰ ফলত খুচুৰা সামগ্ৰী বিক্ৰেতাই অবৈধভাৱে কৰ আদায় কৰাৰ সুবিধা পায়। ভেট্ ব্যৱস্থা প্ৰৱৰ্তনৰ পিছত এই ক্ষেত্ৰত চৰকাৰ কিমানখিনি লাভৱান হ'ব সেয়া প্ৰকৃততে এক বিচাৰ্য বিষয়।

## ভুৱা নাম আৰু ঠিকনাত হিচাব বহিৰ্ভূত সামগ্ৰীৰ ক্ৰয় বিক্ৰী

ইতিপূৰ্বে আলোচনা কৰা হৈছে যে ভুৱা নাম আৰু ঠিকনাৰে হিচাব বহিৰ্ভূত সামগ্ৰীৰ ক্ৰয় আৰু বিক্ৰী ক্ৰমাৎ বাঢ়িয়ে আছে। মূল্য সংযোজক কৰ তথা ভেট ব্যৱস্থা প্ৰচলিত হ'লে এনে প্ৰক্ৰিয়া যদি অব্যাহত থাকে চৰকাৰে কিমানখিনি লাভৱান হ'ব, সেয়া এক চিন্তাৰ বিষয়।

## আমদানিকৃত সামগ্ৰীৰ বিক্ৰী মূল্য সীমিত

আমদানীকৃত সামগ্ৰীৰ পৰৱৰ্তী বিক্ৰী মূল্যসমূহ এক নিৰ্দিষ্ট সীমা ৰেখাত আবদ্ধ হৈ থাকে। যিহেতু অসমত উপযুক্ত ঔদ্যোগিক প্ৰকল্পৰ অভাৱ, তেনে বিক্ৰী মূল্যৰ ওপৰত কৰ আৰোপ ব্যৱস্থাই চৰকাৰৰ অধিক ৰাজহ আদায়ত কিমানখিনি বৰঙণি যোগাব সেয়াও এক

বিচাৰ্য বিষয়।

## ঠিকা কামত ভেটৰ প্ৰভাৱ

ঠিকা কামত সামগ্ৰী স্থানান্তৰৰ ক্ষেত্ৰত ভেট ব্যৱস্থা প্ৰৱৰ্তন কৰা হ'ব বুলি উল্লেখ আছে। এনে সামগ্ৰী হস্তান্তৰৰ ওপৰত কৰ আৰোপ ব্যৱস্থা সম্বন্ধে অসম চৰকাৰে বাৰে বাৰে ন্যায়িক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। ভেট ব্যৱস্থাই তেনে সামগ্ৰী হস্তান্তৰ তথা বিক্ৰীৰ ওপৰত কৰ আৰোপ ব্যৱস্থা সূচল কৰিব। কাৰণ প্ৰতিটো স্তৰত সামগ্ৰী হস্তান্তৰ বা বিক্ৰীৰ ক্ষেত্ৰত মূল্য সংযোজক কৰ (ভেট) আৰোপ ব্যৱস্থা প্ৰযোজ্য হ'ব।

## মূল্য সংযোজক কৰ বা ভেট ব্যৱস্থাৰ ফলত সামগ্ৰীৰ মূল্য বৃদ্ধি

প্ৰচলিত বিক্ৰী কৰ আইনমতে কিছু সামগ্ৰী ক্ৰয় বিক্ৰী ৰেহাই বা আংশিক ৰেহাই কৰত সম্পন্ন কৰাৰ সুবিধা দিয়া হৈছে। কিন্তু প্ৰস্তাৱিত কৰ ব্যৱস্থাত তেনে সুবিধা প্ৰদান কৰা হোৱা নাই। ফলত প্ৰতিটো ক্ষেত্ৰত সামগ্ৰীৰ মূল্য বৃদ্ধি হৈ থাকিব। ব্যৱসায়ীয়ে প্ৰতি স্তৰ বিক্ৰীৰ ওপৰত আদায় দিয়া কৰ ঘূৰাই পাব। কিন্তু গ্ৰাহক সকলক তেনে কোনো সুবিধা প্ৰদান কৰা হোৱা নাই। ফলত প্ৰতিটো সামগ্ৰীৰ বৰ্দ্ধিত মূল্য গ্ৰাহকেহে বহন কৰিব লাগিব। ভেট্ ব্যৱস্থাৰ সেয়া হৈছে এক বিশেষ প্ৰতিকূল দিশ। এই ক্ষেত্ৰত সৰ্ব সাধাৰণ ৰাইজৰ হাৰাশাস্তি হোৱা এক সাধাৰণ কথা।

## বিক্ৰী কৰ আৰোপ ব্যৱস্থা ৰাজ্য সমূহৰ বিষয়বস্তু

ভাৰতীয় সংবিধান মতে বিক্ৰী কৰ আৰোপ ব্যৱস্থা ৰাজ্য সমূহৰ বিষয় বস্তু। কেন্দ্ৰীয় চৰকাৰে এই ক্ষেত্ৰত কিবা নীতি নিৰ্দ্ধাৰণ কৰিব পাৰে, কিন্তু কেন্দ্ৰই এই ক্ষেত্ৰত হস্তক্ষেপ কৰা সমীচীন নহয়। ৰাজ্য চৰকাৰে জনস্বাৰ্থৰ সুৰক্ষা আৰু ৰাজ্যখনৰ ৰাজহ স্বাৰ্থক ৰক্ষণাবেক্ষণ দি কৰ আৰোপৰ ক্ষেত্ৰত বিভিন্ন ব্যৱস্থা ল'ব পাৰে। এনে ক্ষেত্ৰত কৰ আৰোপৰ বিষয়ে প্ৰতিখন ৰাজ্যই সমতা ৰক্ষা কৰা সম্ভৱ নহয়। প্ৰত্যক্ষ অভিজ্ঞতাৰ পৰা দেখা গৈছে যে ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ কিছু ৰাজ্যই কৰ আৰোপ সম্বন্ধে যথেষ্ট দৃঢ়তা অৱলম্বন নকৰে, প্ৰায় ক্ষেত্ৰতে শিথিলতাহে পৰিলক্ষিত হয়। ফলত কঠোৰতা অৱলম্বন কৰা আন ৰাজ্যসমূহৰ ব্যৱসায়ৰ কাৰ্যক্ৰম বাধাগ্ৰস্ত হয়। ফলত তেনে ৰাজ্যৰ ব্যৱসায়ৰ প্ৰত্যক্ষভাৱে বা প্ৰৰোচিত ভাৱে তেনে ঘোৰ শিথিলতা অৱলম্বন কৰা ৰাজ্যসমূহলৈ গতি কৰে। এই ব্যৱস্থা অব্যাহত থাকিলে অসমৰ নিচিনা ৰাজ্যৰ যথেষ্ট ক্ষতি সাধন হ'ব।

এই ক্ষেত্ৰত পৰীক্ষণ চকীসমূহৰ দক্ষতা আৰু নিষ্ঠাপূৰ্ণ কাৰ্যক্ৰম আৰু পৰিদৰ্শনকাৰী বিষয়াসকলৰ কৰ্ম-ক্ষমতাই ৰাজ্যখনৰ ৰাজহ আদায়ত সুৰক্ষা দিব বুলি আমাৰ আশা।

## মূল্য সংযোজক কৰ বা ভেট্ ব্যৱস্থা সকলুবা ৰাজ্যৰ ক্ষেত্ৰত হে প্ৰযোজ্য

ভাৰতবৰ্ষ পৃথিৱীৰ ভিতৰত অন্যতম বৃহৎ উপমহাদেশ। বিভিন্ন ৰাজ্যৰ সংযোগত এই বৃহৎ উপমহাদেশ সংগঠিত। কৰ আৰোপ ব্যৱস্থা সম্বন্ধে প্ৰতিখন ৰাজ্যৰে নিজা নিজা অভিমত আৰু বৈশিষ্ট্যপূৰ্ণ মনোভাৱ থকা স্বাভাৱিক। কাৰণ বাণিজ্যিক কৰ সমূহ প্ৰতিখন ৰাজ্যৰে ৰাজহৰ

প্ৰধান উৎস। ফলত এই ক্ষেত্ৰত ঐক্যতা আৰু সংহতি ৰক্ষা কৰা অতি টান কাম।

গতিকে, এনে মূল্য সংযোজক কৰ ব্যৱস্থাই (ভেট্) ভাৰতবৰ্ষত কিমানখিনি কৃতকাৰ্যতা লাভ কৰিব তাক সময়ে ক'ব।

বাংলাদেশ, নেপাল, শ্ৰীলংকা, পাকিস্তান আদি সৰু ৰাষ্ট্ৰ। ভেট্ ব্যৱস্থাৰ ফলত ৰাষ্ট্ৰত ঐক্য আৰু সংহতি ৰক্ষা কৰাত বিশেষ অসুবিধা নহয়। কিন্তু ভাৰতত এই ব্যৱস্থা কাৰ্যকৰী হ'লে বহুতো সমস্যাৰ সৃষ্টি হ'ব।

## উপসংহাৰ

অসম চৰকাৰে যোৱা ১৯৯৫ চনৰ পৰা মূল্য সংযোজক কৰ ব্যৱস্থা (ভেট্) প্ৰৱৰ্তনৰ কাৰণে বিশেষ ব্যৱস্থা হৈছে। ইতিমধ্যে বিভিন্ন সময়ত বিভিন্ন দিশত এই ব্যৱস্থা কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত ৰাজকোষৰ পৰা লাখ লাখ টকা খৰচ হৈছে। কিন্তু এই কথা আমাৰ বোধগম্য নহয় যে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক অসমৰ সম্ভাব্য লোকচানৰ কথা আঙুলিয়াই দিছে নে নাই?

অসমৰ ২০০১-২০০২ চনৰ কৰ ৰাজহ আছিল ১২৭০.৩৩ কোটি টকা। চলিত বছৰত ভেনে আদায় কমেও ১৬০০ কোটি টকা আশা কৰিব পাৰি। কিন্তু ভেট ব্যৱস্থা প্ৰৱৰ্তনৰ ফলত যদি তেনে আদায় উল্লেখনীয়ভাৱে হ্ৰাস পায় অসমৰ বাইজৰ দুখ কুলাই পাচিয়ে নধৰা হ'ব।

অনামতে কৰ আদায়ৰ ক্ষেত্ৰত কিবা লোকচান হ'লে কেন্দ্ৰীয় চৰকাৰে ক্ষতিপূৰণ দিব। কিন্তু এই ক্ষেত্ৰত আমি সংৰক্ষিত মনোভাৱ পোষণ কৰোঁ। অসমত ন্যায্য প্ৰাপ্তধন আদায় দিয়াত কেন্দ্ৰীয় চৰকাৰ কিমানখিনি তৎপৰ তাক কাগজে-পত্ৰে সদায় প্ৰকাশ পাই আছে। গতিকে তেনে ক্ষতিপূৰণ দিয়া ক্ষেত্ৰত কেন্দ্ৰই কি ব্যৱস্থা ল'ব এই বিষয়ে আশাহীন মনোভাৱ পোষণ কৰাৰ যথেষ্ট কাৰণ আছে। ইয়াৰ ফলত অসমত অৰ্থনৈতিক দিশত গভীৰ বিপৰ্যয়ৰ সৃষ্টি হ'ব বুলি আমাৰ বিশ্বাস।

প্ৰতিদিন

২৪/১০/২০০২

# অসমত মূল্য সংযোজক কৰ ব্যৱস্থা-খচৰা আইন
## (System of Value Added Tax in Assam Draft Law)

ভাৰতবৰ্ষৰ অইন অইন ৰাজ্যৰ লগতে অসমতো মূল্য সংযোজক কৰ ব্যৱস্থা (Value Added Tax – 'VAT') অহা ১/৪/২০০৩ তাৰিখৰ পৰা প্ৰৱৰ্তন কৰাৰ বাবে পূৰ্ণ প্ৰস্তুতি চলোৱা হৈছে।

এই মৰ্মে অসম চৰকাৰৰ তৰফৰ পৰা এখন খচৰা আইন প্ৰস্তুত কৰি বিভিন্ন প্ৰচাৰ মাধ্যমযোগে উক্ত আইনখন সম্বন্ধে অভিমত আৰু পৰামৰ্শ বিচৰা হৈছিল। অসমৰ কৰ আয়ুক্ত মহোদয়ে চিটি এছ ৪০/২০০০/৩০১ নম্বৰ ৫/১/২০০২ তাৰিখৰ চিঠি যোগে উক্ত প্ৰকাশিত খচৰা আইনখনৰ সম্বন্ধে অভিমত আৰু পৰামৰ্শ দিবলৈ মোক অনুৰোধ জনাইছিল।

খচৰা আইনখন অধ্যয়ন আৰু বিশ্লেষণ কৰি মোৰ ২৫/৯/২০০২ আৰু ২/১০/২০০২ তাৰিখৰ চিঠি যোগে কৰ আয়ুক্ত মহোদয়ক মোৰ অভিমত আৰু পৰামৰ্শ প্ৰেৰণ কৰিছিলোঁ।

ইংৰাজীত লিখা তেনে অভিমত আৰু পৰামৰ্শাৱলী তলত সন্নিবিষ্ট কৰা হ'ল।

## PROPOSED LAW ON VALUE ADDED TAX
***(A study and analysis :: views and suggestions)***

### CHAPTER – I
***(Section 2)***

**Section 2(7)- Business-** Transactions relating to "supply by way of or as part of any service or in any other manner whatsoever, of goods being food or any other article for human consumption or any drink (whether or not intoxicating)...."is also included in the category of 'business'. The insertion of such a clause in the definition of business may be considered. This has a consonance to Article 366(29A)(f) of the Constitution of India ('Constitution').

**Section 2(10)-Commissioner-** In between the words 'Commissioner of Taxes' and 'the purposes of the Act', the words 'as' and 'for' may be deleted and the words ' for carrying out' may be inserted.

**Section 2(15)- Dealer-** The insertion of a clause identical to suggestion in Section 2(7), may be considered.

**Section 2(15)(x)-**The word 'presumed' seems to be quite irrelevant in administration of a quasi-judicial proceeding. The deletion of the word 'presumed' and insertion of the word 'found' will be more appropriate.

**Section 2(17)- Document-** Document may also include ' any agreement relating to sale or purchase of goods', 'loose transaction papers'- the insertion of these words may be considered.

**Section 2(22)-Gross turnover** – Sub-clauses (a) and (b) of clause (3) of Article 286 of the Constitution restricted imposition or authorizing imposition of taxes on the sale 'out side the State', transaction 'in the course of import into, or export of goods out of the territory of India'. The sales in the course of inter-State trade or commerce also does not come under the purview of the State tax law. These are the matters to be governed by Section 3, 4, 5, and 6A of the Central Sales Tax Act, 1956 ('the Central Act'). The proposed law has included such transaction in the definition of 'Gross turnover'. Section 8 of the proposed law has also restricted any levy of tax on such transactions. In section 8 of the proposed law after section 5, the insertion of section 6A seems necessary. So, the inclusion of such transactions not being connected with the sale or purchase of goods under the State Law in the definition of' Gross turnover' seems to be irrelevant.

Similarly, clause (b) of Section 11 of the proposed law (Taxable turnover) seems to be irrelevant.

So, deletion of the same may be considered.

**2(23)- Importer &**

**2(28)- Manufacturer-**

It will be better, if the term 'importer' and 'manufacturer' are defined in separate clauses.

**2(31)(viii)-** 'Every artificial juridical persons' – This seems to be illegible. A scrutiny of this clause is necessary.

**2(34)- Prescribed Authority-** For all purposes of the administration of the Act, the words ' prescribed authority' may sometimes maintain ambiguity and create confusion. It will be more appropriate, if for the purpose of assessment, re-assessment, rectification of assessment, imposition of penalty, composition of offences etc., the words 'the Assessing Officer' is separately defined in the propsed law in a manner identical to Section 2(3) of the Assam General Sales Tax Act, 1993 ('the General Act'). For other purposes, the words 'Prescribed Authority' will be appropriate.

**Section 2(41)-Sale price-**The words 'including any sum charged on account of interest for late payment' seems to be improper for inclusion in the sale price. Such interest is a sort of penalty payable by the purchaser to the seller not immediately, but after the lapse of cer-

tain period, when there is default of payment of credit sale value. This is an internal affair between the buyer and the seller. It will not be proper to drag the same in the definition of 'Sale price'. So, the omission of these words may be considered.

**Section 2(41)(ii)**- It will be more appropriate, if the words 'by deducting the amount representing labour and other amounts, as may be prescribed' is substituted by 'after deducting the amount of labour and other charges, as may be prescribed'.

**Section 2(41)(iv)** In between the words 'for such transfer;' and 'and', the insertion of the words 'as prescribed' will be more appropriate.

**Section 2(41)(v)**- Sub-clause (v) seems to be irrelevant and confusing. The deletion of the same may be considered.

**Section 2(44)- Presumptive tax**- In quasi-judicial proceedings of assessment, re-assessment etc., the term 'presumptive sale', 'presumption purchase' or 'presumptive tax' seems to improper. This ought to be specific. Hence deletion of the same may be considered. The word 'Composite tax' or 'Lump sum tax' will be more appropriate.

**Section 2(47)- Taxable dealer**- The words 'Taxable dealer means a dealer, who deals in the goods taxable under the Act, whether registered or is liable to be registered' will be more appropriate than the words incorporated in clause (47).

**Section 2(49)- Tax- free goods**- After ' Nil in the Schedule', the words ' and which are made tax free under the authority of the Act' may be considered for insertion.

**Taxable goods**- 'Taxable goods' may be defined in a separate clause. It may be considered for replacement of the existing words by insertion of the words "taxable goods means the goods, which are taxable under any Schedule of the Act."

**Section 2(50)- Tax period**- After 'a calendar month, a quarter', the insertion of the words 'or a year' may be considered.

**Section 2(55)- Works contract**- It will be more appropriate, if after the words 'includes any agreement' the words '(verbal or written)', are inserted.

***N.B. Tribunal and Board of Revenue have not been defined separately.***

## CHAPTER- II

### *(Section 3)*

**Section 3(1)- Taxing authorities**- 'The specification of area or areas of operation' is also imperative, while making any such appoint-

ment of the taxing authorities, as in the case of other analogous tax Laws. So, after the words 'as it thinks fit' the insertion of the words ' and shall specify the area or areas over which they shall exercise jurisdiction' may be considered.

**Section 3(2)**- After the words 'to assist the Commissioner', the words for 'carrying out the purposes of the Act' may be inserted.

**Clause (d)- 'Assistant Commissioner of Taxes' or ' Senior Superintendent of Taxes.'** These two categories are not one and the same. If the Senior Superintendents of Taxes are to be re-designated as Assistant Commissioner of Taxes, the words the 'Senior Superintendent of Taxes' shall automatically stand redundant. Both the categories maintain independent entity. The same are to be identified in two separate clauses.

**Clause (f) and (g)**- The terms **'State Representative'** and **'Any other person appointed as such by the Government'**- The insertion of the words "State Representative' as the 'taxing authorities' seems to be irrelevant. The taxing authorities are appointed to assist the Commissioner of Taxes. They are the members of the Assam Taxation Service. There is no precedence and there is also no convention to appoint outsiders, as the taxing authorities to assist the Commissioner. The Commissioner of Taxes is appointed from the members of the I.A.S cadre. So, inclusion of **'State Representative'** or **"any other person appointed as such by the Government'** seems to be unwarranted and superfluous. An endeavour to appoint any outsiders as the taxing authority can not be ruled out. This may create chaos and confusion in the set-up of administration. Hence, deletion of the same may be considered.

**Section 3(5)**- Sub-section (5), on the other hand, equally seems to be ambiguous. The Additional Commissioner of Taxes is a taxing authority to be appointed by the State Government to assist the Commissioner. By virtue of his office, he may be a State representative to perform the power and functions, as may be empowered by the Commissioner under the statute of law and for the purpose of clauses (a), (b), (c) and (d). It is doubtful, whether the State Government can appoint an Advocate or a Chartered Accountant as the taxing authority to assist the Commissioner for the above purposes even. Confusions also prevail whether the Commissioner can empower such Advocate and Chartered Accountant to perform the functions of State Representative, (as taxing authority). They are also not in Government service and are also not the Public Servant within the meaning of Section

